


## বিষয়-সূচী

সূত্ৰধাৰ

চতুৰ্থ বছৰ, অষ্টম সংখ্যা
১–১৫ মে', ১৯৯২
VoL. IV No.8
1—15 May, 1992

প্ৰচ্ছদ নিবন্ধ

### অসমৰ এক বৰ্ণাঢ্য জনগোষ্ঠী ঃ কাৰ্বি ◻ ১১

অসমৰ জনগোষ্ঠীসমূহৰ ভিতৰত এক উল্লেখনীয় জনগোষ্ঠী হ'ল কাৰ্বিসকল। খাছীয়া-জয়ন্তীয়া পাহাৰৰ উত্তৰ অঞ্চলত পোনতে বসবাস কৰা এই বৰ্ণাঢ্য জনগোষ্ঠীটোৰ ধৰ্মীয় আচাৰ-ব্যৱহাৰ, সমাজ ব্যৱস্থা তথা সামাজিক ৰীতি-নীতিৰ এক বিশ্লেষণাত্মক প্ৰবন্ধ আগবঢ়াইছে ড° প্ৰভাত চন্দ্ৰ সভাপণ্ডিত আৰু আনন্দ বৰমুদৈয়ে

### শিল্পীৰ কথা ◻ ৭

আধুনিক ভাৰতৰ অন্যতম শ্ৰেষ্ঠ চিত্ৰকৰ তথা ভাস্কৰ শোভা ব্ৰহ্মক এই বছৰ নতুনকৈ প্ৰৱৰ্তিত 'কমল কুমাৰী বৰুৱা' বঁটাৰে সন্মানিত কৰা হৈছে। আজীৱন কলা সাধনাত ব্ৰতী শিল্পীগৰাকীৰ অতীত, ঐক্যতান, বিষাদ নামেৰে এলানি স্মৃতিকথা সূত্ৰধাৰৰ পাতত প্ৰকাশ হৈ আছে। এগৰাকী শিল্পী হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ হাবিয়াস অথবা সৃষ্টিৰ মাজেৰে জীৱনৰ আনন্দ লাভ কৰা পথ বাচি লওঁতে কেনে পৰিস্থিতি বা শক্তিয়ে তেওঁক ক্ৰিয়া কৰিছিল তাৰেই প্ৰকাশ ঘটিছে এই সৰস ৰচনাত

বিজ্ঞান

### আইনষ্টাইনৰ দুখ ◻ ১৯

যিসকল ব্যক্তিয়ে তেওঁলোকৰ চিন্তা-ভাবনাৰে ইতিহাসৰ পথ সলনি কৰি থৈ গৈছে তেওঁলোকৰ জীৱনলৈ অহা গভীৰ দুখৰ অনুভূতিয়ে জন্ম দিয়ে নতুন প্ৰজ্ঞাৰ, সন্ধান দিয়ে নতুন সত্যৰ। 'আইনষ্টাইনৰ দুখ' নামৰ প্ৰবন্ধৰ মাজেদি পবন কুমাৰ চহৰীয়াই 'স্বয়ং ভগৱান'ৰ স্বভাৱৰ ওপৰত আইনষ্টাইনে দুখৰ উল্লেখ কৰিছে।

### বিশ্ববিদ্যালয়ৰ বাতৰি

চাপৰিলে মেঘ নেৰায় প্ৰসংগ ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়

◻ স্বপ্নাবেজবৰুৱা ◻ ৪৯

### অহা সংখ্যাত

ড° অমৰজ্যোতি চৌধুৰীৰ প্ৰবন্ধ
'অসমৰ পটভূমিত ইলেকট্ৰনিক উদ্যোগ ঃ'
আশা আৰু আশঙ্কা
আৰু
'অসমত ইলেকট্ৰনিক উদ্যোগৰ সম্ভাৱনা'ৰ বিষয়ে অসম চৰকাৰৰ এজন অভিজ্ঞ বিষয়াৰ মন্তব্যৰ ভিত্তিত দেৱব্ৰত বৰগোহাঞিয়ে যুগুতোৱা এক প্ৰতিবেদন

ৰাজনীতি

সামৰিক নিৰ্যাতনৰ বিচাৰ হ'ব লাগিব ◻ হিতেন মহন্ত ◻ ১৭

বিশেষ নিবন্ধ

অসম ঃ বৰ্তমান আৰু ভৱিষ্যৎ (৮)
◻ সুজিৎ চৌধুৰী ◻ ২৪

প্ৰবন্ধ

ব্যক্তিৰ মনৰ স্বাধীনতা, মাৰ্ক্সবাদ আৰু লৰেন্স ◻ কুমুদ বৰুৱা ◻ ২৭

স্মৃতিচাৰণ

লগ পোৱা কেইজনমান নেতাৰ ব্যক্তিগত পৰিচয়
◻ গোলাপ বৰবৰা ◻ ৩৪

অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতা – কাৰণ আৰু প্ৰতিকাৰ
◻ ভাস্কৰ বৰুৱা,পৰমেশ্বৰ শৰ্মা ◻ ৩

একান্ত ব্যক্তিগত

মোৰ দেউতা ◻
মৈত্ৰেয়ী তালুকদাৰ ◻ ৫১

বিচিত্ৰা

সূৰ্যইহে সাৰথি ◻
ডিম্বেশ্বৰ চলিহা ◻ ৪১

ধৰণীধৰ ডেকা ঃ সংগী যাৰ হাতুৰি আৰু কলম ◻ প্ৰসন্ন কুমাৰ ডেকা ◻ ৪২

স্মৃতি নৈ হৈ বৈ যায় ◻
ৰুলেশ্বৰ দাস ◻ ৩৯

মতান্তৰ

প্ৰসংগ ঃ স্বাধীনতা আন্দোলনৰ ইতিহাস ◻ সুভাষ সাহা ◻ ৪৫

সম্পাদকৰ টোকাবহী ৫
কবিতা ৩২
ব্যক্তি আৰু ঘটনা ৫৩
চিনেমা ৫৭
প্ৰাত্যহিক ৬১
এক পৃষ্ঠা ৬২

বেটুপাতত ব্যৱহৃত কাৰ্বি পিনিনীৰ ট্ৰেন্সপাৰেঞ্চি ঃ পদ্ম পাটৰ

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ
অংগসজ্জা
মোহন নাথ

পূৰ্বী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এন্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিত; ◻ ফোন- ২৪৮৫৪, ২৭৪২৩, ৩৩৬১৮

Bombay:-
Mr. Subhajit Mitra
12, Shankar Jyoti 10th Road.
Chembur
Bombay-400071
Ph. 555, 4491

Calcutta:-
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

Delhi:-
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608




"Let us start Fuel-Saving Associations in our areas"

We are smart housewives. Both responsible spouses and loving mothers. Always caring for the family's happiness. In their interest we can make a modest beginning with FUEL-SAVING ASSOCIATIONS. In our residential localities with the friendly support of PCRA. Let's club together under the banner of FUEL-SAVING ASSOCIATIONS. And encourage friends in the neighbourhood to actively participate.

We'll have so much to learn about fuel-saving methods. Tips we can share with each other. Be it LPG or Kerosene, our efforts won't go to waste. PCRA is willing to provide your FUEL-SAVING ASSOCIATION with all the support. By periodically conducting seminars and organising film shows.

Free literature, receipe books and household tips will also be made available frequently to update your knowledge with one objective - promote greater fuel-saving concern.

Please send me a free booklet on
1. Fuel saving tips for Housewives ☐
2. Receipe Booklet ☐
Name ....................
Address ....................
State .................... Pin ....................

1/DO/07/

LPG & Kerosene
Precious Little Does A Lot.

Petroleum Conservation Research Association
PCRA
603 New Delhi House, 27 Barakhamba Road, New Delhi 110 001 Ph: 3315868/3316566

INTERPUB/1




# শোভা ব্ৰহ্ম

আধুনিক ভাৰতৰ অন্যতম শ্ৰেষ্ঠ চিত্ৰকৰ আৰু ভাস্কৰ শোভা ব্ৰহ্মক এই বছৰ নতুনকৈ প্ৰবৰ্তিত 'কমলকুমাৰী বৰুৱা' বঁটা দি সন্মানিত কৰা হৈছে। এই বঁটা লাভ কৰাৰ কাৰণে আমি শোভা ব্ৰহ্মক অভিনন্দন জনাইছো। লগতে অভিনন্দন জনাইছো সেইসকল ব্যক্তি আৰু অনুষ্ঠানক – যিসকলে শোভা ব্ৰহ্মলৈ এই বঁটা আগবঢ়াই নিজে সন্মানিত হ'ল। মন কৰিবলগীয়া কথা যে এই প্ৰথমবাৰৰ কাৰণে অসমত এজন চিত্ৰকৰ তথা ভাস্কৰ এনেভাবে সন্মানিত হ'ল। ইয়াৰ ফলত অসমৰ শিল্প আন্দোলনত নতুনকৈ প্ৰাণ সঞ্চাৰ হ'ব বুলি নিশ্চয় আশা কৰিব পাৰি।

'সূত্ৰধাৰ'ৰ ১৯৮৯ চনৰ ১৬ ফেব্ৰুৱাৰীৰ সংখ্যাটো আমি 'বিশেষ শোভা ব্ৰহ্ম সংখ্যা' ৰূপে প্ৰকাশ কৰিছিলো। সেই সংখ্যা 'সূত্ৰধাৰ'ত প্ৰকাশিত আৰু শোভা ব্ৰহ্মৰ উদ্দেশ্যে নিবেদিত 'ভয়ঙ্কৰ সুন্দৰ' নামৰ প্ৰবন্ধটো তলত পুনৰ্মুদ্ৰিত কৰি আমি আকৌ এবাৰ তেওঁৰ প্ৰতি আমাৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

## ভয়ঙ্কৰ সুন্দৰ

কলিকতাৰ এজন বিখ্যাত শিল্প-সমালোচকে অসমৰ এজন চিত্ৰকৰ আৰু ভাস্কৰৰ শিল্প-কৰ্মৰ সমালোচনা কৰিবলৈ বহি তেওঁৰ প্ৰবন্ধৰ শিৰোনামা দিছিল – 'ভয়ঙ্কৰ সুন্দৰ'। প্ৰবন্ধটোৰ শিৰোনামাটোতেই এনে এটা গভীৰ ৰহস্যময় ব্যঞ্জনা আছে যে প্ৰবন্ধটো পঢ়িবলৈ আৰম্ভ কৰাৰ আগতেই দুৱাৰ-মুখতে খন্তেক থমকি ৰব লগা হয়। ভয়ঙ্কৰ সুন্দৰ ! এনেকুৱা কি বস্তু হ'ব পাৰে যি একে সময়তে ভয়ঙ্কৰ আৰু সুন্দৰ !

তাৰ পাছত প্ৰবন্ধটো আৰম্ভ হৈছে এনেভাবে ঃ

'আজি মই এনে এজন মানুহৰ কথা কম – যাৰ ভাস্কৰ্যই মোক অভিভূত কৰে। যদিও তেওঁ নিজকে তৈলচিত্ৰকৰ হিচাপে দেখে বা আনকো দেখুৱাব খোজে, মোৰ চকুত কিন্তু তেওঁ এজন ভাস্কৰ। আনকো মই তেওঁক ভাস্কৰ হিচাপেই দেখুৱাব খোজো।'

যিজন মানুহৰ কথা কোৱা হৈছে তেওঁৰ তৈলচিত্ৰবোৰৰ প্ৰতিও সমালোচকজনৰ অসীম শ্ৰদ্ধা। কিন্তু তেওঁ ভাবে যে মানুহজনৰ ভাস্কৰ্যকলা তেওঁৰ চিত্ৰকলাতকৈ হাজাৰ গুণে বেছি শক্তিশালী। কথাটো স্পষ্টভাবে বুজাবলৈ সমালোচকজনে এটা উপমা ব্যৱহাৰ কৰিছে। তেওঁৰ মতে মানুহজনৰ তৈলচিত্ৰবোৰৰ ভিতৰত যদি আছে জুইশলাৰ কাঠি, তেওঁৰ চাৰু-ভাস্কৰ্যবোৰৰ ভিতৰত আছে শক্তিশালী ইউৰেণিয়াম।

সমালোচকজনে লিখিছে – "এই ভাস্কৰ্যবোৰৰ ভিতৰত এনে এটা বন্য আৰু আদিম অভিব্যক্তি আছে, ব্যক্তিগত দৃষ্টিভঙ্গী আছে – যিবোৰৰ উপস্থাপনাৰ কৌশল পৰম্পৰাগত কাৰুকলাৰ পৰা বহুত দূৰত অৱস্থিত। পঞ্চভূতৰ মাজত থকা অশুভ শক্তিয়ে যেন মানুহক পিহি পেলাইছে; ভৱিতব্যৰ ফান্দবোৰৰ ছাঁ পৰিছে প্ৰত্যেকটো শিল্পকৰ্মৰ ওপৰত। একো একোটা কাঠ-খোদাই যেন আদিৰূপাত্মক দৃশ্যকাব্য (আৰ্কি-টাইপেল ভিছুৱেল প'য়েট্ৰি)। পিকাছো, মূৰ বা মাৰিনো মাৰিনিৰ পক্ষেও এইবোৰ কাম অযোগ্য নহ'লহেঁতেন। 'পৰাজিত' নামৰ মূৰ্তিটোৰ এজনী তিৰোতাৰ সামান্য হাউলি থকা মূৰটো শিল্পীয়ে প্ৰচণ্ড শক্তিৰে উৰুৱাই দিছে। তেওঁৰ শিল্পকৰ্মই মোক স্তম্ভিত কৰিছে। এইবোৰৰ ৰূপাৰোপ আৰু বিকৃতিকৰণৰ জোৰ সাংঘাতিক। একে আষাৰে কবলৈ ভীষণ পৰিণত সৃষ্টি। ইয়েটছৰ 'টেৰিবল্ বিউটিৰ' জন্ম নিজৰ চকুৰে দেখি আহিলো। নিঃসন্দেহে তেওঁ সমকালীন ভাৰতবৰ্ষৰ অন্যতম শ্ৰেষ্ঠ ভাস্কৰ।'

এইজন কোন অসমৰ মানুহ বা অসমীয়া মানুহ – যাক বঙালী সমালোচকে তুলনা কৰিছে পিকাছো, মূৰ আৰু মাৰিনিৰ নিচিনা সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ শিল্পীসকলৰ লগত ? জকাইচুকীয়া অসমৰ কোন এইজন শিল্পী – যাৰ সৃষ্টি দেখি সমালোচকে অনুভৱ কৰিছে যে তেওঁ ইয়েটছৰ 'টেৰিবল্ বিউটি'ৰ জন্ম নিজ চকুৰে দেখিবলৈ পালে ?



OKDISCD

তেওঁৰ নাম শোভা ব্ৰহ্ম ।

কিন্তু অসমৰ মানুহৰ কাৰণে এই নামটোৰ কোনো অৰ্থ নাই । কলিকতাৰ বঙালী সমালোচকৰ চকুত যিজন মানুহ আধুনিক ভাৰতৰ অন্যতম শ্ৰেষ্ঠ ভাস্কৰ আৰু পিকাছো বা হেনৰি মূৰৰ সমতুল্য, সেইজন মানুহ অসমীয়া সকলৰ চকুত চৰকাৰী আৰ্ট স্কুলৰ এজন নগণ্য অধ্যক্ষ মাত্ৰ । যাৰ ছবি চাবলৈ ডঃ এম এছ ৰানধাৱাৰ নিচিনা বিখ্যাত শিল্প-ৰসিক সুদূৰ পঞ্জাবৰ পৰা দৌৰি আহি শিল্পীৰ দৰিদ্ৰ কুটিৰত ঘন্টাৰ পিছত ঘন্টা সময় কটায়, গুৱাহাটীত সেইজন মানুহক ফাপৰে খোৱা কুকুৰ এটায়ো বাট এৰি নিদিয়ে । ৰাজনৈতিক বিবেচনাত অসমত ঘটিৰাম-বাটিৰাম আদি কত মানুহেই পদ্ম-ভূষণ, পদ্মশ্ৰী জাতীয় ৰাষ্ট্ৰীয় সন্মান পায়; কিন্তু অসমৰ একমাত্ৰ আন্তৰ্জাতিক মানৰ শিল্পীজনে চৰকাৰৰ ঘৰত পিয়ন এজনৰ সমানো সন্মান নাপায় । কেইবছৰমানৰ আগতে মই একেলেঠাৰিয়ে দুবছৰ ৰাষ্ট্ৰীয় সন্মানৰ তালিকাত শোভা ব্ৰহ্মৰ নাম ভৰাবলৈ চেষ্টা কৰিছিলো । তেওঁ কিয় এই সন্মান পাব লাগে তাৰ যুক্তি দেখুৱাই সুদীৰ্ঘ টোকাও লিখি দিছিলো । সাক্ষী হিচাপে সেই সময়ৰ গৃহ আয়ুক্ত শ্ৰীচন্দ্ৰধৰ ত্ৰিপাঠীৰ নাম মই উল্লেখ কৰিব পাৰো । কিন্তু অশিক্ষিত আমোলাতন্ত্ৰই শোভা ব্ৰহ্মৰ মোল বুজি নাপালে । আমাৰ তথাকথিত অসমীয়া পণ্ডিত বা বুদ্ধিজীৱীসকলেও তেওঁৰ মোল বুজি পায়নে ? যোৱা ১৮ জানুৱাৰীৰ দিনা শিল্পী-দিৱস উপলক্ষ্যে গুৱাহাটীৰ গৌৰীসদনত এখন সভা অনুষ্ঠিত হৈছিল । বক্তাসকলৰ শ্ৰীমুখ দূৰদৰ্শনৰ পৰ্দাত দেখুৱাবৰ কাৰণে যাবতীয় সৰঞ্জাম লৈ টিভি টিমো তাত উপস্থিত আছিল । কিন্তু যেই শোভা ব্ৰহ্ম বক্তৃতা দিবলৈ থিয় হ'ল, লগে লগে টিভি কেমেৰাও বন্ধ হৈ গ'ল । টিভিৱালাসকলৰ চকুত শোভা ব্ৰহ্ম খঁৰা কুকুৰেও বাট এৰি নিদিয়া এজন নগণ্য চৰকাৰী চাকৰিয়াল মাত্ৰ । তেওঁক টিভিত দেখুৱাই টিভি-ৰ পৰ্দাখন অশুচি কৰা যায় কেনেকৈ ? নিৰক্ষৰ দৰাই ভাটৌৰ দৰে হোমৰ মন্ত্ৰ উচ্চাৰণ কৰাৰ দৰে অসমীয়াসকলে নিতান্ত যান্ত্ৰিক ভাবে জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদৰ বন্দনা কৰিবলৈ শিকিছে; কাৰণ সেইটো কৰাৰ মাজত তেওঁলোকৰ কিছু ৰাজনৈতিক স্বাৰ্থ নিহিত আছে । কিন্তু উচ্চস্তৰৰ শিল্পকলাৰ ৰস উপভোগ কৰিবৰ জোখাৰে যি উচ্চস্তৰৰ মেধা, শিক্ষা আৰু ৰুচিৰ দৰকাৰ সেইখিনি এতিয়াও তেওঁলোকৰ আয়ত্তাধীন হোৱা নাই । সেই কাৰণে এজন ৰিক্সাৱালা আৰু শোভা ব্ৰহ্মৰ নিচিনা এজন শিল্পীৰ মাজত তেওঁলোকে কোনো পাৰ্থক্য বিচাৰি নাপায় । সেই কাৰণে অসমীয়া শিল্পীসকলে যথাযোগ্য সমালোচনা আৰু স্বীকৃতি পাবলৈ বাৰে বাৰে দৌৰি যাব লগা হয় কলিকতালৈ । গুৱাহাটী তেওঁলোকৰ কাৰণে এখন বিশাল সাংস্কৃতিক মৰুভূমি মাত্ৰ ।

কিন্তু শোভা ব্ৰহ্মৰ নিচিনা এজন বিৰাট শিল্পী উপেক্ষিত হোৱাৰ সেইটোৱেই একমাত্ৰ কাৰণ নহয় । আৰু এটা ডাঙৰ কাৰণ আছে । কাৰণটো উচ্চাৰিত হৈছিল শোভা ব্ৰহ্মৰ পত্নীৰ মুখত । কথাটো তেওঁৰ মুখত শুনাৰ লগে লগেই ময়ো তেওঁৰ লগত একমত হবলৈ বাধ্য হলো ।

অসমীয়া শাসক-বৰ্গ আৰু বুদ্ধিজীৱীমহলৰ দ্বাৰা শোভা ব্ৰহ্ম উপেক্ষিত হোৱাৰ আৰু এটা ডাঙৰ কাৰণ হ'ল তেওঁ বড়ো জনজাতিৰ মানুহ । তেওঁ তথাকথিত 'মূলসূতিৰ অসমীয়া' নহয় । জনপ্ৰিয়তা অৰ্জনৰ কলা-কৌশলৰ লগত তেওঁ সমূলি অপৰিচিত ।

হিতেশ্বৰ শইকীয়াৰ চৰকাৰে কিছু পলমকৈ হলেও শোভা ব্ৰহ্মক কিছু স্বীকৃতি দিবলৈ বিচাৰিছিল । দিল্লীত অসম-ভৱনৰ সংলগ্ন যি অতিৰিক্ত ভৱনৰ নিৰ্মাণ-কাৰ্য চলি আছে তাত এখন ম্যুৰেল বা ৰঙীন প্ৰাচীৰ-চিত্ৰ অঙ্কনৰ দায়িত্ব দিয়া হৈছিল শোভা ব্ৰহ্মক । কিন্তু সংকীৰ্ণতম অসমীয়া জাতীয়তাবাদৰ প্ৰবক্তা অসম গণ পৰিষদ চৰকাৰ ক্ষমতালৈ অহাৰ লগে লগেই অত্যন্ত অপমানজনক ভাবে শোভা ব্ৰহ্মৰ লগত হোৱা সেই চুক্তি বাতিল কৰা হ'ল । দিল্লীৰ অসম ভৱনত শোভা ব্ৰহ্মৰ যি চিত্ৰমালাই অসমৰ বিচিত্ৰ জনগোষ্ঠীৰ সমন্বয়মূলক শিল্পসাধনাৰ গৌৰৱ গাথা চিৰকাললৈ ঘোষণা কৰি থাকিলেহেঁতেন, তাৰ প্ৰকৃত মোল নুবুজি সংকীৰ্ণতম দৃষ্টিভঙ্গীৰ পৰিচয় দিলে অগপ চৰকাৰে । শোভা ব্ৰহ্মক এনেকৈ অপমান কৰা হ'ল খুব সম্ভৱ এজন 'মূলসূতিৰ অসমীয়াক' পক্ষপাতিত্ব দেখুৱাবলৈ । বড়ো জনজাতিৰ সৰ্বশ্ৰেষ্ঠ শিল্পী-প্ৰতিভাক এনেকৈ অবজ্ঞা আৰু অপমান কৰিয়েই অসমীয়াসকলে বড়োসকলক আপোন কৰিব খোজে ?

এইদৰে অপমানিত হোৱাৰ কাৰণে অৱশ্যে শোভা ব্ৰহ্মৰ মনত কোনো ক্ষোভ নাই । নীৰৱ সাধনাত ৰত হৈ থকা শিল্পীজনে কলে – "শিল্পীৰ তপস্যাই হ'ল দুখৰ তপস্যা । দুখৰ অগ্নি-পৰীক্ষাত উত্তীৰ্ণ নোহোৱালৈকে কোনেও নিজকে শিল্পী বুলি দাবী কৰিব নোৱাৰে ।"


শোভা ব্ৰহ্মৰ মনত কোনো ক্ষোভ নাথাকিব পাৰে; কিন্তু আমাৰ মনত এটা ক্ষোভ ৰৈ গ'ল যে শোভা ব্ৰহ্ম আৰু তেওঁৰ নিচিনা অন্যান্য শিল্পীসকলক অনাদৰ-অৱহেলা কৰি আমি জাতি হিচাপে নিজকে অসভ্য আৰু অসংস্কৃত বুলি প্ৰমাণ কৰিছো । ঊনৈশ শতিকাৰ বিখ্যাত কলা-সমালোচক জন ৰাস্কিনে কৈছিল – "মহান জাতিবোৰে তিনিখন পাণ্ডুলিপিত তেওঁলোকৰ আত্মজীৱনী লিখে । সেই গ্ৰন্থ তিনিখন হ'ল তেওঁলোকৰ কৰ্মৰ গ্ৰন্থ, তেওঁলোকৰ শব্দৰ গ্ৰন্থ, আৰু তেওঁলোকৰ শিল্পকলাৰ গ্ৰন্থ ।" এই কথাফাকিৰ তাৎপৰ্য উপলব্ধি কৰিব নোৱাৰিলে আমি জাতি হিচাপে মহান হম কেনেকৈ ।





# শিল্পীৰ কথা

মুশ্ৰী শোভা ব্ৰহ্ম



ফটো : উৎপল দত্ত

*শোভা ব্ৰহ্ম*

১৯৪৭-৪৮ চন । ধুবুৰী চহৰ । চৰকাৰী ইংৰাজী হাইস্কুলত মই ক্লাছ নাইন/টেনৰ ছাত্ৰ । পদ্মা-মেঘনা সন্মিলিত সীমাহীন ব্ৰহ্মপুত্ৰ নৈৰ পাৰৰ বিশাল-বিস্তৃত বালিময় প্ৰান্তৰত ফাগুন-চ'তমহীয়া উদ্‌ভ্ৰান্ত ধুমুহাই সৃষ্টি কৰা সৃষ্টি-বিধ্বংসী কৰাল ৰূপৰ কথা মোৰ আজিও মনত আছে । মোৰ দৃষ্টিপথৰ সমুখত যদিও আছিল ডাঙৰ হোৱাৰ এক সুস্পষ্ট সীমাৰেখা, মোৰ সমগ্ৰ মানসিকতাই তেনে এটা অবয়ব ধাৰণ কৰিছিল যিটোৰ প্ৰশমন বহু সময়ত মোৰ আয়ত্তৰ বাহিৰ আছিল । মোৰ জীৱনলৈ বসন্ত বৰ বেছি সোনকালেই নামিছিল । সেয়ে বোধ কৰো এই ষাঠিৰ দশকতো সি বিদায় লব খোজা নাই ।

যাত্ৰা, নাটক, থিয়েটাৰ, হিন্দী-বঙালী চিনেমা সেইবোৰৰ মাজত জীৱনটোক বন্ধকত থৈ মোৰ লক্ষ্যৰ শীৰ্ষবিন্দু অৰ্থাৎ "অধ্যয়ন"ৰ কৰ্তব্যত মই প্ৰায়-প্ৰায়ে ব্যৰ্থকাম হৈ পৰিছিলো । বোম্বে চিনেমাৰ 'কিছমৎ'ত মোৰ হিৰো অশোককুমাৰে গাইছিল,

ধীৰে ধীৰে
আৰে.................
বাদল ধীৰে
ধীৰে..............ধীৰে যা..............
মেৰা বুলবুল..............

ধীৰে ধীৰে ধীৰ ভাবে জীৱনটোক সুসংহত কৰাত মই ব্যৰ্থ হৈ পৰিছিলো । মোৰ হিৰো অশোককুমাৰ আজিও মোৰ হিৰো – অশোককুমাৰ হোৱাৰ চেষ্টাত মই যে কি কৰা নাই ! আয়নাৰ সমুখত থিয় হৈ ঘন্টাৰ পিছত ঘন্টা আলফুলকৈ ফনীখনেৰে মই মোৰ চুলি কেইডালত অশোককুমাৰৰ লেখীয়া ভাঁজ লগাবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো । মই অশোককুমাৰ হমেই, এইটো আছিল, মোৰ দৃঢ় প্ৰত্যয় । কিন্তু তাৰ আগতে মোৰ জীৱনৰ শীৰ্ষবিন্দু অৰ্থাৎ "অধ্যয়ন"ৰ ইমাৰত সুসম্পন্ন কৰা কামটো হৈ উঠিব লাগিব ।

বহুতো সাংবাদিকে মোক প্ৰশ্ন কৰে, "আপুনি কেতিয়াৰ পৰা ছবি আঁকিবলৈ লয় ?" এইটো এটা গতানুগতিক প্ৰশ্ন । বহুতে ভাবে মই যেন জন্মৰ পৰাই সমুখত কেনভাচ লৈ ছবি আঁকিবলৈ আৰম্ভ কৰো । সেই সময়ত ধুবুৰী হাই স্কুলৰ 'বড়ো' হোষ্টেলত থাকোতে স্বৰ্গগত ৰূপনাথ ব্ৰহ্মৰ পুত্ৰ মোৰ সহপাঠী বন্ধু প্ৰসেনজিত ব্ৰহ্ম আৰু আন সহপাঠী বন্ধু ভবেন ঔৱাৰীয়ে এখনি আলোচনী প্ৰকাশ কৰাৰ পৰিকল্পনা হাতত লয় – তাতে ময়ো এটা লেখা দিব লাগে । যিহক যথাসাধ্য আয়াসৰ ফলত কিবা এটা প্ৰস্তুত কৰি তাহাঁতৰ হাতত দিব পৰা গ'ল – কিন্তু তাৰ পাছতে লাজ আৰু ভয়ত মোৰ সমস্ত সত্তাই সঙ্কুচিত হৈ পৰিল; লেখা পঢ়ি তাহাঁতে নিশ্চয় মোৰ কৰুণ অৱস্থা বুজি পাই মোক পুতৌ আৰম্ভ কৰিছে..............

অভিনয়, লেখা, বক্তৃতাৰ মাজেদি শামুকৰ খোলাত চিৰবন্দী হৈ থকা মোৰ অসহায় সত্তাটোক মুক্তি দিয়াৰ এনে নিৰন্তৰ প্ৰচেষ্টাৰ কাৰুণ্য মনত পৰিলে আজিও মোৰ দুখৰ সীমা নোহোৱা



OKDISCD



ফটো : উৎপল দত্ত

*নিজৰ ষ্টুডিঅ'ত আত্মনিবেদিত শোভা ব্ৰহ্ম*

হয়।

এনে সময়তে নামিল বিনা মেঘে বজ্ৰপাত – এটা অনিবাৰ্য দুৰ্যোগ। মেৰা বুলবুল শো ৰহা হ্যায় ............... আহিলা যেতিয়া আকৌ বিলীন হৈ গ'লেই ভাল আছিল – "সাত সমুদ্ৰ তেৰ নদী পাৰ হৈ বিজয়ৰ ওলিভ বৃন্তগুচ্ছ হাতত লৈ উভতি আহি বিজয়োল্লাস উদ্‌যাপন"ৰ কল্পনাৰ প্ৰাৰম্ভ মুহূৰ্তত তুমি এইটো কি কৰিলা ভগবান ? মোৰ আকুল আবেদনৰ কোনো প্ৰত্যুত্তৰ বহুবছৰ মই পোৱা নাছিলো।

ঠিক এনে সময়তে মোৰ এগৰাকী ধুবুৰী হাইস্কুলৰ সহপাঠী বন্ধু পিছৰ কালত ভৈয়াম জনজাতি পৰিষদৰ অগ্ৰগণ্য নেতা আৰু প্ৰাক্তন মন্ত্ৰী সমৰ ব্ৰহ্ম চৌধুৰীয়ে ফিল্মৰ অভিনেতা হবলৈ বোম্বাইলৈ পলাই গ'ল।

গুৱাহাটীৰ কটন কলেজত পঢ়ি থকা কালত অগ্ৰবৰ্তী দুৰ্যোগ চলি থকা অৱস্থাতে দুবছৰ পিছত ঘটিল কোনো দিনে কল্পনা কৰিব নোৱৰা আৰু এটা দুৰ্যোগ। ইতিমধ্যে মোৰ জীৱনলৈ নামি আহিছে বঙলা সাহিত্য, বঙলা তথা ভাৰতীয় নবোন্যাস, ৰবীন্দ্ৰনাথ, অবনীন্দ্ৰনাথ, নন্দলাল, ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, ভাৰতীয় শিল্প আন্দোলন প্ৰমুখ্যে ইউৰোপত ঘটা সামগ্ৰিক শিল্প আন্দোলন, শ্বেক্সপীয়েৰ, বাৰ্নাৰ্ড শ্ব', ডি, এইচ লৰেন্স, ৰ'মা ৰ'লা, লিন ইউ টাঙ। বেঙ্গল স্কুলৰ গুৰু আৰু অগ্ৰগণ্য অবনীন্দ্ৰনাথ আৰু নন্দলালৰ চিত্ৰৰ উন্মাদ অভিলাষী আৰু ৰসবেত্তা হোৱাৰ উপৰিও মই নিয়মিত ৰবীন্দ্ৰনাথ অধ্যয়ন কৰো, ভাৰতীয় অজন্তাচিত্ৰ আৰু ভাৰতীয় ভাস্কৰ্যৰ সীমাহীন বৈভৱৰ অন্তঃস্থলত প্ৰবেশ কৰো, আদিম শিল্পকলাৰ বিষয়ে অধ্যয়ন কৰো। সেই সময়তে শিল্পসম্বন্ধীয় আৰু অন্যান্য, অবনীন্দ্ৰনাথ আৰু নন্দলালৰ বহুতো লেখা পঢ়ি পেলাওঁ। বিশেষ উল্লেখ প্ৰয়োজন, অবনীন্দ্ৰনাথ আৰু নন্দলালৰ ভাৰতবৰ্ষৰ তথা প্ৰাচ্যদেশীয় সৌন্দৰ্যতত্ত্ব Oriental æsthetics আৰু শিল্পাদৰ্শৰ একলীয়া পক্ষপাত সুলভ বহুতো মন্তব্য আৰু লেখা পঢ়ি পাশ্চাত্য শিল্পাদৰ্শ আৰু সৌন্দৰ্য তত্ত্বৰ প্ৰতি মোৰ বিৰূপ প্ৰতিক্ৰিয়া হবলৈ আৰম্ভ কৰে। তেনে প্ৰতিক্ৰিয়াই মোৰ শিল্পী জীৱনত সাময়িকভাবে হলেও যথেষ্ট ক্ষতিসাধন কৰা কথাটো আজি এই বয়সত মই গোপন কৰি ৰখাটো অৰ্থহীন।

শান্তিনিকেতনত শিল্পকলা অধ্যয়নৰ কালছোৱাত তাৰ সামগ্ৰিক সৃষ্টি প্ৰক্ৰিয়াত সেই সময়ত দেখা দিয়া স্থিতিস্থাবকতাত মোৰ প্ৰাৰম্ভিক মোহ ভঙ্গ ঘটিছিল। তাৰে প্ৰতিক্ৰিয়া স্বৰূপে নন্দলাল, ৰামকিঙ্কৰ আৰু ধীৰেন্দ্ৰ কৃষ্ণ দেববৰ্মনৰ প্ৰতি অপাৰ আত্মনিবেদন আৰু অনুৰাগ থকা সত্বেও অধ্যয়নৰ তৃতীয় বছৰত এগৰাকী অধ্যাপকৰ লগত ঘটা মনোমালিন্যৰ সূত্ৰ লৈ মই শান্তিনিকেতন ত্যাগ কৰিছিলো আৰু বেনাৰচৰ হিন্দু বিশ্ববিদ্যালয়ৰ চেন্ট্ৰেল হিন্দু কলেজত পাঁচমহীয়া নিৰ্বাসনৰ অভিশাপৰ কাল যাপন কৰিছিলো।

শান্তিনিকেতন এৰি গলেও তাৰ জীৱনযাত্ৰা, প্ৰকৃতি পলে পলে মোৰ মানসপটত উদিত হৈ মোক বিচলিত



কৰিছিল। এইকথা কবলৈ মোৰ দ্বিধা নাই, ভাৰতবৰ্ষত এনে কোনো স্থান নাই য'ত শান্তিনিকেতনৰ তুলনীয় শিল্পকলা অধ্যয়নৰ আৱশ্যিক পাৰিপাৰ্শ্বিকতা আৰু প্ৰাকৃতিক বৈভৱ তথা পৰিবেশৰ প্ৰাচুৰ্য বিচাৰি, পোৱাটো সম্ভৱ। তবলৈ নোযোৱাহেঁতেন, সাধাৰণ জীৱনৰ সৌন্দৰ্য, ইঙ্গিতবহতা, প্ৰকৃতিৰ সৌন্দৰ্য আৰু শিল্পোচিত ৰস-উপলব্ধিৰ ক্ষমতা মোৰ কোনোকালে আয়ত্ত নহ'লহেঁতেন। বেনাৰচৰ দশাশ্বমেধ ঘাটত দিনৰ পিছত দিন, ঘন্টাৰ পাছত ঘন্টা বহি তাৰ মন্দিৰ স্থাপত্য অধ্যয়ন, অঙ্কনৰ প্ৰেৰণা সেই সময়ত মই বৃটিছ শিল্পকলাৰ কিছুমান শিল্পীৰ কামৰ পৰা লাভ কৰিছিলো। তেনে এটা কামৰ সময়ত এদিন অনতিদূৰত গঙ্গাবক্ষত স্নান কৰিবলৈ নামিছিল তিনিগৰাকী বেশ্যা। চূড়ান্ত গ্ৰীষ্মকালৰ সেই নিৰ্জন দুপৰীয়া উৰ্দ্ধাঙ্গ সম্পূৰ্ণ উলঙ্গ কৰি তাহাঁতে স্তনযুগল মোহাৰি মোহাৰি দেহৰ কলঙ্কক মুক্তি দিবলৈ প্ৰযত্ন কৰিছিল। তাহাঁতৰে মাজত পৰিণত বয়সৰ তিৰোতা গৰাকীয়ে স্ফীতাকাৰ স্তনযুগল মোহাৰি মোহাৰি মোৰ ফাললৈ দৃষ্টি দি মিচিক মিচিককৈ হাঁহিছিল। কোৱা বাহুল্য, বেশ্যালয়গমনৰ সুগম নে দুৰ্গম সকলো অভিজ্ঞতাৰ পৰাই বঞ্চিত মই মোৰ দৃষ্টি সংযত কৰিবলৈ বাধ্য হৈছিলো।

হৰিশ্চন্দ্ৰ ঘাটত গঙ্গা নৈখন আৰু তাৰ বুকুত ভাহি থকা পশ্চিমীয়া নাওবোৰ আঁকি আছিলো। বতাহ বলিছিল বেগে, ধূলি উৰিছিল আৰু গোটেই গঙ্গাবক্ষ ধূসৰ, ৰহস্যময়, অস্পষ্ট কৰি তুলিছিল। ভৰ দুপৰত নিৰ্জন ঘাটত তিৰোতা গৰাকীয়ে বাউলী উদাসী হৈ ভজন গাইছিল। হৰিদাস নে কবীৰৰ ভজন মনত নাই। তাইৰ চুলিবোৰ উৰিছিল, "বাবু, ভোজন কা ৱক্ত হো গয়া, ভোজন কে লীয়ে যা...............

বেনাৰচৰ পাঁচ মহীয়া নিৰ্বাসনৰ অভিশাপৰ অন্তত তেতিয়াৰ কলাভৱনৰ নতুন অধ্যক্ষ ধীৰেন্দ্ৰকৃষ্ণ দেববৰ্মনৰ সস্নেহ আহ্বানত মই আকৌ শান্তিনিতেনলৈ প্ৰত্যাবৰ্ত্তন কৰিছিলো আৰু যথাসময়ত মোৰ অধ্যাপনা সমাপন কৰিছিলো। মোৰ শান্তিনিকেতনৰ সেই দ্বিতীয় পৰ্ব শিল্পকলাৰ চৰ্চা, ৰবীন্দ্ৰসংগীত, অভিনয়, সাহিত্য চৰ্চা, দুৰ্গম অভিযাত্ৰা, বিভিন্ন অনুষ্ঠান সকলোপিনৰ পৰাই পূৰ্ণাঙ্গ আৰু সফলকাম হৈ পৰিছিল। কোৱা বাহুল্য, কটন কলেজত মোৰ শিল্পকলাৰ বহ্নিয়ে প্ৰাণ পাই জ্বলি উঠাৰ লগে লগে সাহিত্যক্ষেত্ৰত মোৰ সম্ভাৱনাৰ বীজ ৰোপিত হ'ল – পৰম শ্ৰদ্ধেয় ডঃ মহেশ্বৰ নেওগদেৱৰ সম্পাদনাত ওলোৱা 'অসমীয়া' কাকতত সেই সময়ত মোৰ ৰচনা "শিল্পগুৰু অবনীন্দ্ৰনাথ" প্ৰকাশিত হৈ ওলায়।

১৯৫৭ চনৰ পৰা আৰম্ভ হোৱা গুৱাহাটীৰ শিল্পী জীৱন অনিশ্চিত ভৱিষ্যতলৈ ধাবিত হ'ল। ইয়াত এখনি "আৰ্ট কলেজ" স্থাপনৰ প্ৰাৰম্ভিক পৰিকল্পনা সাময়িকভাবে অৱদমিত হ'ল। শিল্পী হিচাপে গুৱাহাটীত তেতিয়া মোৰ চিত্ৰৰ বিষয়বস্তু আছিল ইয়াৰ দৰিদ্ৰ-দুঃস্থ-গৃহহীন ভিখাৰী আৰু সিবোৰৰ সমগোত্ৰীয় মানুহ, উজানবজাৰ-হেপিভিলাৰ শীৰ্ষস্থানত অৱস্থিত "ওৱাটাৰ ওৱাৰ্কচ"ৰ পৰা কালিপুৰলৈ বিয়পি থকা ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে মানুহৰ জীৱনধাৰা, জাহাজ, পশ্চিমীয়া নাও, নৈখনৰ সোঁত, ঘোঁৰা গাড়ী ঘোঁৰা আৰু তাৰ চালক।

সেই সময়ত উজানবজাৰ-হেপিভিলাত গোবিন্দ বৰ্মনৰ ঘৰত মেছত ভাড়া থাকোতে কান্ধত ভঙা ঢিন-টেমা-পুটলি বন্ধা বোজাটো লাঠিডালেৰে ওলোমাই লৈ আমাৰ ঘৰৰ আগেদি সদায় অহাযোৱা কৰিছিল এটা ভিখাৰী বুঢ়াই – "ঘুটুং-ঘাটাং-টুং-টাং" – সেই বুঢ়াৰ মই কেইবাটাও স্কেটচ্ কৰিছিলো। তেনে এটা স্কেটচ্‌ৰ ১৯৬৫ চনত জিলা পুথি ভঁৰালত হোৱা মোৰ প্ৰথম প্ৰদৰ্শনীত প্ৰদৰ্শিত হ'লত আৰতি দাস "বৈৰাগীয়ে সেই বুঢ়াটো চিনি পেলাইছিল। ১৯৬০ চনত পল্টনবাজাৰ চোলা-পাৰাৰ নিৰঞ্জন ডেকাৰ ঘৰত ভাড়া থাকোতে মোৰ পত্নী বিজয়াক বৰ্তমানে বি বৰুৱা কলেজ সজা আৰু নেহৰু ষ্টেডিয়াম সজোৱা মৃতকৰ সুবিস্তৃত সমাধি প্ৰাঙ্গনৰ মাজে মাজে খোজ কঢ়াই লৈ গৈছিলো শৰণীয়া পাহাৰৰ ওপৰৰ পৰা কামাখ্যা পাহাৰৰ নিসৰ্গ দৃশ্য আঁকিবলৈ। আমাৰ লগতে আছিল ন'বছৰীয়া বিহাৰী কাম কৰা ল'ৰা জয়চাঁদ। মোৰ পত্নী সেই সময়ত অন্তঃসত্ত্বা আছিল। সেইবাৰ আমাৰ প্ৰথম কন্যা সন্তানৰ মৃত অৱস্থাত জন্ম হয়।

কটন কলেজত প্ৰশাসনীয় ভৱনটো আৰু অধ্যক্ষৰ বাসভৱনৰ মাজামাজি স্থান। সন্ধ্যা নামিছে, তাতে ভৰ বাৰিষা, চাৰিওফালে গভীৰ অন্ধকাৰ। সেই অন্ধকাৰক শতগুণে কালিমা সানি আৰু ভয়াবহ কৰি তুলিলে অন্তহীন আকাশ আবৃত কৰা কৰাল মেঘে। মুহূৰ্ততে বিশ্বব্ৰহ্মাণ্ড মষিমূৰ কৰা ঘূৰ্ণিবাত্যাৰ আগমন হ'ল আৰু তাৰ কোবাল প্ৰকোপত অনন্তগতি তীৱৰ তীব্ৰতা লৈ বৰষুণ নামিল বজ্ৰ আৰু বিদ্যুতৰ গাজৰণিৰ মাজত। আবহাৱাৰ ভয়াবহতা দেখি মই তীব্ৰবেগে হেপিভিলাত থকা মোৰ মেছৰ ফাললৈ খোজ কাঢি গৈ আছিলো................... এনে সময়তে বিপৰীত ফালৰ পৰা আহি আছিল এখন ঘোঁৰাৰ গাড়ী আৰু তাৰ চালকজন, পশ্চিমীয়া বিভীষিকাৰ বিপৰীতে প্ৰাণান্ত হৈ গাড়ীখন ঠেলি ঠেলি। গাড়ীৰ তলত কাঁচৰ আচ্ছাদনৰ মাজত চাকিটো বৰ্ত্তি থকাৰ শেষ সংগ্ৰামত অবতীৰ্ণ; তাৰ অনিশ্চিত পোহৰ আৰু বিদ্যুতৰ চিকমিকনিৰ মানমিহলিত এক বিচিত্ৰ খেলৰ ভয়াবহতা ৰূপ পাই উঠিছিল। মই কিছুপৰ স্তম্ভিত হৈ সেই অপৰূপ দৃশ্য চাই আছিলো................... মোৰে সমুখত যে সেইটো মোৰে জীৱনৰ ছায়াচিত্ৰ চৰ্চিত হৈ আছে !............ কোৱা বাহুল্য, তেতিয়ালৈ মোৰ তেল ৰঙৰ চিত্ৰ অঁকাৰ সময় হোৱা নাই; ছবিখন 'ওৱাচ' পদ্ধতিত আঁকিছিলো।

১৯৫০-৫১ চনত বোধকৰো মই প্ৰথম শিলচৰ-খাচপুৰ-কাটিগড়া-হাফলং-মাইবাং-ডিমাপুৰ-গোলাঘাট-নুমলিগড় ভ্ৰমণ কৰো। ১৯৫২ চনত আকৌ হাফলং ভ্ৰমণ কৰোতে তাত প্ৰয়াত মোৰ বন্ধু নিত্যলাল ডাওলাগুফুৰ ঘৰত থাকি তাৰ আশে পাশে নিসৰ্গ দৃশ্যসমূহ অঙ্কন কৰো। সেইটো আছিল পূজাৰ বতৰ – দূৰদূৰণিত পাহাৰৰ দিগন্তৰেখাৰ ঠিক ওপৰে ওপৰে আকাশত মেঘৰ দল ভাহি গৈছিল; ভাসমান আৰু ক্ৰমশঃ বিলীয়মান মেঘৰ ওপৰত দিনান্তৰ সূৰ্যাস্তিই পোহৰ পেলাই নিয়ত পৰিবৰ্তমান বৰ্ণসম্ভাৰৰ সৃষ্টি কৰিছিল যেন সেয়া মেঘ নহয়, এক বহুবৰ্ণমিশ্ৰিত ভাসমানা স্ৰোতস্বিনী নদীহে। সেই দৃশ্য মই কোনোকালে পাহৰিব পৰা নাই। এজন ডিমাছা ডেকাই মন্ত্ৰমুগ্ধবৎ মোৰ চিত্ৰখন চাই আছিল। হাফলং থানাৰ কাষত আন

এখন চিত্ৰ আঁকি থাকোতে পাহাৰৰ বহু তলৰ পৰা কান্ধত গোটা বাঁহ লৈ কেইজনমান ডিমাছা মানুহে ভাগৰত অন্তকণ্ঠ হৈ ফোঁপাই ফোঁপাই মোৰ ওচৰ পালেহি। প্ৰাৰম্ভিক সোধপোচৰ পিছত মোক প্ৰশ্ন কৰিলে, "আপুনি বিয়া কৰোৱা নাই, নহয় ?" "নাই কৰোৱা" বুলি উত্তৰ দিয়াত সি বৰ তৃপ্তিৰ হাঁহি এটা মাৰি আহলাদত কৈ উঠিল, "আমি জানো, কিছুমান বিয়া নকৰোৱা মানুহে এইবোৰ কৰি ফুৰে।" তাৰ পিছত লগৰ ডেকাহঁতৰ লগত সি ৰংৰহইচ কৰি কান্ধত বাঁহবোৰ তুলি লৈ গুচি গ'ল।

মাইবাঙৰ হাটখনত কত বিচিত্ৰ জনজাতীয় মানুহৰ সমাগম, মায়, ৰেংমা, জেমি নগা, ডিমাছা, ৰীয়াং আৰু অন্যান্য। হাটখনত ছবি আঁকোতে অসংখ্য মানুহে চাৰিওফালে বেঢ়ি ধৰিছিল – মতা, মাইকী, ল'ৰা, বুঢ়া.......... নাকত হোকোতা হোকোত গোন্ধ আহি সোমাইছিল; বিড়ীৰ গোন্ধ, ঘামৰ গোন্ধ, মুখৰ গোন্ধ, কিন্তু কি যে তেওঁলোকৰ নিবিড় দৃষ্টি, কি তন্ময়তা, যেন সমস্ত ৰস খাইহে পেলাব! এই তন্ময়তাৰ তুলনা নাই। তেওঁলোকৰ এই তন্ময়তা দেখি শিল্পীয়ে নতুন সৃষ্টিৰ প্ৰেৰণা পোৱাটো সম্ভৱ; কিন্তু তথাকথিত শিক্ষিত বুদ্ধিজীৱীৰ সৰহসংখ্যক দৰ্শকে দুখন আৰ্টৰ কিতাপ পঢ়ি ছবি চাবলৈ অহাৰ মাজত শিল্পীয়ে প্ৰেৰণাৰ উৎসৰ সন্ধান পোৱাটো টান।

সেই কালত মোৰ আছিল দীঘল দীঘল চুলি, কান্ধত শান্তিনিকেতনৰ মোনা, পিন্ধনত গেৰুৱা ৰঙৰ পাঞ্জাবী চোলা আৰু বগা পায়জামা। হাফলঙৰ লেতেৰা পুখুৰী এটাৰ পাৰত ছবি আঁকি আছিলো। কব নোৱাৰাকৈয়ে কেতিয়াবাই সেইখিনিত বেছ কিছু লোকৰ সমাগম হ'ল – এটাই কলে, "আমাগ" বাবু একবাৰ আপনাৰে ডাকছে.............. কাৰণ জানিব খোজাত তেওঁ কলে, "আমাগ" বাবুৰ হাত একবাৰ দেইহা দিবেন.............. অৰ্থাৎ ওচৰতে এখন চৰকাৰী অফিচ আছে। তাৰে কতহি তেওঁৰ হাতখন চাই দিবলৈ (ভাগ্যগণনা কৰিবলৈ) মোক মাতিছে।



সহধৰ্মিনী বিজয়া ব্ৰহ্মৰ সৈতে শোভা ব্ৰহ্ম

শান্তিনিকেতনৰ পৰা পোনে পোনে গুৱাহাটীলৈ অহাৰ মাজত মোৰ তাৎপৰ্য হ'ল একেটাই – সেয়া উত্তৰ-পূৰ্বীয় ৰাজ্যৰ জনজাতীয় মানুহ। তেওঁলোকৰ সংস্কৃতিৰ সীমাহীন বৈচিত্ৰ্য, নাৰী-পুৰুষৰ মাজত থকা দেহস্ফীতি বা volume. পিন্ধা কাপোৰত সীমাহীন বৰ্ণাঢ্যতা; সৰ্বোপৰি সিবোৰৰ মাজত থকা নিৰবচ্ছিন্ন আদিমতা। এইবোৰ মোৰ সৃষ্টিত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ৰূপায়িত আৰু প্ৰতিফলিত হৈ আহিছে বুলি মোৰ দৃঢ় প্ৰত্যয়। শিল্পীৰ নিজৰ জাতীয়, গোষ্ঠীগত, ব্যক্তিগত পটভূমি পৰম্পৰাৰ ওপৰত "অক্টোপাচ" সদৃশ মৰকামোৰ থকাটো বাঞ্ছনীয়; সেইটো থাকিলেহে শিল্পীয়ে সিবোৰৰ মোহৰ পৰা বন্ধনচ্যুত হৈ নতুন সৃষ্টিৰ অজানিত অভিযাত্ৰাৰ পথত ব্ৰতী হোৱাটো সম্ভৱ। পৰম্পৰাগত ভাৰতীয় চিত্ৰ-ভাস্কৰ্য, ইউৰোপীয় চিত্ৰ-ভাস্কৰ্য, আধুনিক শিল্প আন্দোলন, আদিম জনজাতীয় শিল্পকলা – লোককলা, সিবোৰৰ ৰসসমুদ্ৰত সম্পূৰ্ণ নিমজ্জিত হ'ব পাৰিছো বুলি মোৰ দৃঢ় বিশ্বাস। এতিয়া নতুন সৃষ্টিৰ পথত অভিযাত্ৰাৰ প্ৰাৰম্ভ কাহানিৰ পৰা হৈছিল, হৈছে বা হ'ব সেই কথাটোহে শিল্পীৰ কাৰণে কোৱাটো টান। শিল্পীৰ বিশেষ পটভূমি অনুসৰি তেওঁৰ সৃষ্টিয়ে ৰূপ লোৱাটো স্বাভাৱিক – শোভা ব্ৰহ্মৰ সৃষ্টিয়ে ৰবীন্দ্ৰনাথ নাইবা লিওনাৰ্ডোৰ সৃষ্টিৰ ৰূপ পৰিগ্ৰহ কৰাটো অবাঞ্ছনীয় আৰু অবাস্তৱ।

এই শতিকাৰ শ্ৰেষ্ঠ ভাস্কৰ্য শিল্পী হেনৰী মূৰে পৰম্পৰাগত ইউৰোপীয় চিত্ৰ-ভাস্কৰ্য তথা "ৰেনাচাচ"ৰ মোহাবিষ্টতাৰ পৰা নিজক সম্পূৰ্ণ মুক্ত কৰিবলৈ প্ৰত্যক্ষভাৱে আৰু সচেতনভাৱে আদিম ট্ৰাইবেল-নিগ্ৰো শিল্পকলাৰ অধ্যয়ন কৰিছিল। ভাৰতীয় শিল্পকলাৰ ছান্দসিক প্ৰাধান্যতাৰ পৰা মই অতি কষ্টে মুক্তিলাভ কৰিছো বুলি মোৰ বিশ্বাস। মোৰ জীৱনত কোনো মহৎলোকৰ নিবিড় বা ঘনিষ্ঠ সান্নিধ্য লাভ ঘটা নাই। নিৰাপদ দূৰত্বত থাকি সূৰ্যালোকৰ উন্মাত অবগাহন কৰি বিনম্ৰ, অৱনত শিৰ লৈ যথাসম্ভৱ পুষ্ট, পৰ্যাপ্ত হবলৈ চেষ্টা কৰাটো মোৰ ধৰ্ম।

*(মোৰ এই লেখাৰ বিস্তাৰিত বৰ্ণনা মোৰ ধাৰাবাহিক স্মৃতিকথা "অতীত ঐকতান বিষাদ"ত কালক্ৰমত প্ৰকাশিত হ'ব)*





# অসমৰ এটা বৰ্ণাঢ্য জনগোষ্ঠী : কাৰ্বি

ডঃ প্ৰভাত চন্দ্ৰ সভাপণ্ডিত
আনন্দ বৰমুদৈ



ডিফু পৌৰ সভাই নতুনকৈ নিৰ্মাণ কৰা পানী যোগান প্ৰকল্পৰ টিলাটোত উঠি পানী যোগান গৃহৰ পিনে মুখ কৰি থিয় দিলে সোঁহাতে চকুত পৰে ক্ৰমবৰ্দ্ধমান ডিফু নগৰৰ অজস্ৰ পকী ঘৰ আৰু বাওঁহাতে চকুত পৰে এখন কাৰ্বি গাঁৱৰ অ'ত ত'ত সিঁচৰতি হৈ থকা কিছুমান খেৰ বাঁহৰ ঘৰ। বহু দূৰলৈ দেখা যায় কেৱল বসতিহীন হাবি জংঘলেৰে ভৰা অনুচ্চ পাহাৰ আৰু পাহাৰ। বহু যুগ ধৰি যেন এই অনুচ্চ পাহাৰ বিলাক শুই আছে একেবাৰে অলস ভাৱে। লগতে গাওঁবাসী কাৰ্বিসকলো শুই আছে। নগৰীয়া জীৱনৰ ব্যস্ততাই যেন তেওঁলোকক চুব পৰা নাই। আধুনিক সভ্যতাই যেন তেওঁলোকক চুব পৰা নাই। আনহাতে নগৰীয়া মধ্যবিত্ত জীৱনলৈ যি ব্যস্ততা আহিছে সেই ব্যস্ততা উৎপাদনমুখী কৰ্মপ্ৰেৰণাৰ ব্যস্ততাৰে সঞ্জীৱিতনে ? কাৰ্বি জাতি যুগ যুগ ধৰি যি অলসতাত ভুগিছে সেই অলসতাৰ পৰা মুক্ত কৰিবৰ সঞ্জীৱনী শক্তি সেই মধ্যবিত্ত ব্যস্ততাত আছেনে ?

নেতৃস্থানীয় কেইবাজনো কাৰ্বি ব্যক্তিক আমি এই বিষয়ে সুধিছিলো। তেখেতসকলৰ মনত দেখিবলৈ পাইছিলো নিৰাশাৰ ছবি। সহজপ্ৰাপ্য ধন বা easy money-য়ে মধ্যৱিত্ত কাৰ্বি ডেকাসকলৰ বেছিভাগকে কৰ্মবিমুখতাৰ পিনেহে লৈ গৈছে বুলি তেখেতসকলে দুখ প্ৰকাশ কৰে। কিন্তু সহজপ্ৰাপ্য ধনে কৰ্মবিমুখ কৰাৰ সমস্যা অকল কাৰ্বি সমাজতে দেখা দিয়া নাই। স্বাধীনোত্তৰ ভাৰতত এইটো সকলো সমাজতে প্ৰধান সমস্যা হৈ পৰিছে। গতিকে কাৰ্বিসকলৰ অলস কৰ্মবিমুখ জীৱনৰ সৰল ব্যাখ্যা দিব নোৱাৰি। ভৌগোলিক অৱস্থানৰ

মাজতো হয়তো এই কাৰণ থাকিব পাৰে। নাইবা ঐতিহাসিক কাৰণো থাকিব পাৰে। সেয়েহে কাৰ্বি সমাজক আমি ঐতিহাসিক, সাংস্কৃতিক, সামাজিক, অৰ্থনৈতিক সকলো দিশৰ পৰা আলোচনা কৰাৰ প্ৰয়োজন হয়।

## ঐতিহাসিক পটভূমি ঃ

কাৰ্বিসকলৰ আদি বাসস্থান খাছীয়া-জয়ন্তীয়া পাহাৰৰ উত্তৰ অঞ্চলত আছিল। খাছীয়া চৰ্দ্দাৰ বিলাকৰ মাজত সঘনে হোৱা যুদ্ধত অতিষ্ঠ হৈ তেওঁলোক আহোম ৰাজ্যলৈ গুচি আহে। আহোম ৰজাৰ পৰা ৰক্ষণাবেক্ষণ বিচাৰি তেওঁলোকে নগাঁৱৰ ৰহাৰ আহোম শাসনকৰ্তালৈ কটকী পঠাইছিল। তেওঁলোকৰ এসময়ত নিজৰ ৰজা আছিল বুলিও জনা যায়। ডিমাছা কছাৰীসকলৰ লগত তেওঁলোকৰ কেইবাবাৰো যুদ্ধ লাগিছিল। আহোম শাসনৰ অধীনলৈ অহাৰ পিছত তেওঁলোকে অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ এৰি দিয়ে। কাৰ্বিসকল স্বভাৱতে নিৰ্জু প্ৰকৃতিৰ, যুদ্ধ-বিগ্ৰহ ভাল নাপায়। কপিলী আৰু ধনশ্ৰী নৈৰ মাজৰ পাহাৰীয়া অঞ্চলত এওঁলোকে বসতি কৰে। কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পৰ্বতীয়া জিলাতে এওঁলোকৰ বসতি ঘন যদিও কামৰূপ, নগাওঁ আৰু শোণিতপুৰ জিলাতো এওঁলোকৰ কিছু সংখ্যক লোক আছে।

মিকিৰ নামটো ভৈয়ামৰ অসমীয়াই দিয়া বুলি ভবা হয়। এওঁলোকে নিজকে আৰ্লং বুলি কয়। আৰ্লং শব্দৰ অৰ্থ হ'ল মানুহ।

## ধৰ্মীয় আচাৰ-অনুষ্ঠান আৰু উৎসৱ ঃ

কাৰ্বিসকলৰ কোনো মন্দিৰ, নামঘৰ, দেৱমূৰ্তি আদি নাই। পুৰণি বিশ্বাসমতে এওঁলোকৰ দেৱতা বহুতো। সেই দেৱতাবিলাকক বিভিন্ন ধৰণে, বিভিন্ন সময়ত পূজা কৰা হয়। সেইবিলাকৰ ভিতৰত আৰ্নাম কেথি, পেং, হেম্‌ফু, ৰেক্ আংলং প্ৰধান। আৰ্নাম কেথিক তিনি বছৰৰ মূৰে মূৰে গাহৰি উছৰ্গা কৰি পূজা কৰা হয়। পেঙক প্ৰতি বছৰে ছাগলী উছৰ্গা কৰি পূজা কৰা হয়। পেং হ'ল ঘৰুৱা দেৱতা। হেম্‌ফুক সকলো কাৰ্বিৰ ঘৰতে পূজা কৰা হয়। বছৰৰ যেই কোনো সময়তে পূজা কৰিব পাৰে। ৰেক্ আংলং যদিও ঘৰুৱা দেৱতা তথাপি পথাৰতহে পূজা কৰা হয়। এয়া হ'ল তেওঁলোকে বাস কৰা পাহাৰটোৰ দেৱতা। তেওঁলোকৰ মাজত গছ আৰু জন্তু পূজা নাই। কিন্তু চন্দ্ৰ, সূৰ্য, নদী, জলপ্ৰপাত, ডাঙৰ শিল আদি সকলোতে তেওঁলোকে দেৱতা থকা বুলি বিশ্বাস কৰে আৰু হাঁহ, পাৰ উছৰ্গা কৰি সন্তুষ্ট ৰাখিব লাগে বুলি ভাবে।

মৃতকৰ সৎকাৰ অনুষ্ঠান কাৰ্বিসকলৰ আটাইতকৈ খৰচি অনুষ্ঠান। এই অনুষ্ঠান বা উৎসৱক চমাংকান উৎসৱ বোলে। এই উৎসৱত গাহৰি, কুকুৰা আদি উছৰ্গা কৰা হয়। জন্মতে মৃত সন্তানৰ বাহিৰে আন সকলো ক্ষেত্ৰতে এই অনুষ্ঠান এসময়ত সকলো কাৰ্বিৰ কাৰণে বাধ্যতামূলক আছিল। বৰ আই, কলেৰা আদিত মৰা মানুহক লগে লগে পুতি থোৱা হয়। কিন্তু এনেদৰে পুতি থোৱা মানুহক যথা নিয়মে পিছত সৎকাৰ কৰা হয়।

ৰংকেৰ বছৰেকীয়া উৎসৱ। খেতি আৰম্ভৰ সময়ত সাধাৰণতে জুন মাহত এই উৎসৱ পতা হয়। পূজা, হাঁহ-পাৰ উছৰ্গা আদি অনুষ্ঠানত কেৱল পুৰুষেহে অংশ গ্ৰহণ কৰিব পাৰে। ৰংকেৰত নাচ-গান নহয়।

খেতি চপোৱাৰ সময়ত কোনো উছৰ্গা বা বলি দিয়া নহয়। কিন্তু গোটেই গাওঁখনে ঘৰত বনোৱা পানীয় 'আৰক', শুকান মাছ আদিৰে ভোজভাত খায়। জন্তু মাৰিলে খেতি কমি যাব বুলি বিশ্বাস থকাত কোনো জন্তু এই সময়ত নামাৰে। মাংস খালেও আগৰে পৰা সাঁচি থোৱা শুকান মাংসহে খায়।



পিঠিত হোৱা লৈ কাৰ্বি তিৰোতা

## সমাজ ব্যৱস্থা ঃ

পাহাৰত বাস কৰা কাৰ্বিসকলক বসতিস্থান অনুসৰি তিনিটা ভাগত বিভক্ত কৰিব পাৰি। চিনথং, ৰংহাং আৰু আম্‌ৰি। এই বিভাজন কিন্তু কুল বা গোত্ৰ বিভাজন নহয়। এই বিভাজন প্ৰকৃততে ঠাইৰ নামৰ পৰাহে হৈছে। আম্‌ৰি হৈছে এখন খাছী নদীৰ নাম। ৰংহাং হৈছে কিংবদন্তিৰ কাৰ্বি ৰজা সৎৰেচোৰ ৰাজধানী। চিনথং, ৰংহাং আৰু আম্‌ৰিৰ মাজত সকলো কুল বা গোত্ৰৰ লোক থাকে।

১৮৯১ চনৰ চেন্সছ ৰিপোৰ্ট মতে (Vol. III, PP CII—CIII):- প্ৰধান ভাগকেইটা হ'ল ইংতি, টেৰাং, টেৰণ, টুমুং, ইংহি বা হেংছে। ইয়াৰ উপৰিও অনেক শাখা গোত্ৰ আছে। একে কুল বা গোত্ৰৰ অন্তৰ্ভুক্ত লোকসকল ককাই-ভাইৰ নিচিনা। সেয়ে তেওঁলোকৰ মাজত বিবাহ নিষিদ্ধ। উদাহৰণ স্বৰূপে ইংতি কুলৰ এজন লোকে সেই কুলৰ বাহিৰৰ পৰাহে কোনো তিৰোতাক পত্নী ৰূপে গ্ৰহণ কৰিব পাৰিব। আটাইবিলাক কুলৰে বৰ্তমান একে সামাজিক মৰ্যাদা। তেওঁলোকৰ মাজত খোৱা-বোৱা, বিবাহ আদিত কোনো বাধা নাই। কিন্তু পুৰণি দিনত ইংতিবিলাক পুৰোহিত শ্ৰেণীৰ আছিল। ইংহিবিলাক যুঁজাৰু ফৈদৰ।

যিসকল কাৰ্বি নগাওঁ জিলাৰ ভৈয়াম অঞ্চলত বসতি কৰিবলৈ ললে তেওঁলোকক কাৰ্বিসকলে দুম্‌ৰালি বুলি কয়।



নুন্যতম বস্ত্ৰ পৰিহিত কাৰ্বি দম্পতি

## সামাজিক ৰীতি- নীতি ঃ

কাৰ্বিসকলৰ পৰিয়াল হৈছে পিতৃ প্ৰধান। সন্তানে পিতৃৰ গোত্ৰ লয়। এওঁলোকৰ পৰিয়ালত ঘাইকৈ পিতৃ, পত্নী, ল'ৰা-ছোৱালী আৰু অবিবাহিত ভাই-ককাই আৰু বাই-ভনীসকল একেলগে থাকে। সেয়ে কাৰ্বি সমাজত সাধাৰণতে একাত্ম পৰিয়ালৰ প্ৰচলন থকা দেখিবলৈ পোৱা যায়। সা-সম্পত্তিৰ উত্তৰাধিকাৰী হ'ল পুত্ৰ সন্তানসকল। পুত্ৰ-সন্তান নাথাকিলে ভাই-ককাই সম্পত্তিৰ উত্তৰাধিকাৰী হয়। মৃত ব্যক্তিৰ যদি সন্তান নাথাকে মৃতকৰ বিধৱাই স্বামীৰ একে কুলৰ পুৰুষৰ লগত বিবাহত সোমাই স্বামীৰ সম্পত্তি নিজৰ হাতত ৰাখিব পাৰে।

ভিতৰুৱা গাওঁ বিলাকৰ কোনো নিগাজী সীমা নাথাকে। খেতিৰ মাটিৰ আৱশ্যকতা অনুযায়ী কাৰ্বিসকল ইঠাইৰ পৰা সিঠাইলৈ ঘূৰি ফুৰে। এখন ঠাইত নতুনকৈ থিতাপি লওঁতে বিভিন্ন পৰিয়ালৰ মাজত মাটি গাওঁ সমিতি বা 'মি'-য়ে ভগাই দিয়ে। প্ৰতি পৰিয়ালৰ মুৰব্বীয়ে খেতিৰ কাৰণে মাটি বাছি লয়। এই সম্পৰ্কত কিবা বিবাদ হ'লে গাওঁবুঢ়াই 'মি'ত বিচাৰ কৰে। প্ৰতি পৰিয়ালৰে পুৰুষসকল 'মি'ৰ সদস্য। 'মি'ৰ বৈঠক গাওঁবুঢ়াই আহ্বান কৰে। গাঁৱৰ সকলো বিবাদ 'মি'-য়ে বিচাৰ কৰে আৰু সামান্য জৰিমনা ধাৰ্য কৰে। গাওঁ এখন এঠাইৰ পৰা আন ঠাইলৈ উঠি যাব নেকি আৰু ক'লৈ উঠি যাব সেই কথাও 'মি'-য়ে মীমাংসা কৰে। 'মি'ৰ উপৰিও 'মি-পি' বা ডাঙৰ সমিতি থাকে। এই 'মি-পি' গাওঁবুঢ়া বিলাকক লৈ গঠিত হয়। মৌজাদাৰ বা মুখ্য গাওঁবুঢ়াই ইয়াত পৌৰাহিত্য কৰে। ডাঙৰ কথাবিলাক যেনে ব্যভিচাৰৰ অভিযোগ, যাদু কৰি মাৰিব খোজাৰ অভিযোগ, গোটেই মৌজা জৰিত কিবা কথা, বছৰেকীয়া উৎসৱ ৰংকেৰৰ কাৰণে জা-যোগাৰ আদি 'মি-পি'ত আলোচনা কৰা হয়।

বিবাহ সাধাৰণতে খোজা বঢ়াৰ যোগেদি হয়। বিয়াৰ আগতে ল'ৰা-ছোৱালীৰ মাজত মিলা-মিচা সাধাৰণতে কম হয়। পলুৱাই নিয়া সাধাৰণতে কেতিয়াবাহে হয়। যেতিয়া হয় ছোৱালীৰ বাপেকে সেই ল'ৰাটোলৈ ছোৱালী বিয়া দিব লাগে। পলুৱাই নিয়া কাৰণে কোনো শাস্তি বিহা নহয়। বিয়াৰ পাছত ব্যভিচাৰৰ ঘটনা খুব কম। ব্যভিচাৰৰ বিচাৰ 'মি'-য়ে কৰে আৰু পুৰুষজনে জৰিমনা ভৰিব লগীয়া হয়। জৰিমনাৰ পাছত স্বামীয়ে পত্নীক আকৌ গ্ৰহণ কৰিব পাৰে। জৰিমনা ক্ষতিগ্ৰস্ত স্বামীক দিয়া নহয়, 'মি'ৰ সদস্যসকলৰ মাজত ভগাই দিয়া হয়। ব্যভিচাৰত লিপ্ত তিৰোতা গৰাকীক কোনো শাস্তি বিহা নহয়। ইয়াৰ পৰা এটা কথা প্ৰতিপন্ন হয় যে জনজাতীয় আইন-কানুন নাৰীৰ ক্ষেত্ৰত সহানুভূতিশীল। কাৰ্বি সমাজত প্ৰচলিত বিবাহ পদ্ধতি হ'ল একপতি আৰু এক পত্নি বিবাহ। বিধৱা বিবাহত সমাজে সন্মতি দিয়ে। বিবাহ বিচ্ছেদ সাধাৰণতে খুব কম, কিন্তু সন্তান নাথাকিলে বিবাহ বিচ্ছেদতো সমাজে সন্মতি দিয়ে।

কাৰ্বিসকলৰ প্ৰধান জীৱিকা হ'ল কৃষি। পাহাৰীয়া লোকসকলে ঝুম পদ্ধতিত কৃষি কৰে। ভৈয়ামৰ কাৰ্বিসকলে স্থায়ী পদ্ধতিত খেতি কৰে। পৰিয়ালৰ প্ৰয়োজনীয় কাপোৰ তিৰোতাসকলে ঘৰতে বৈ লয়। কপাহ, সৰিয়হ আদিৰ খেতি কিছু পৰিমাণে কৰা দেখা যায়। আন জনজাতীয় সমাজৰ দৰে কাৰ্বি সমাজতো পুৰুষতকৈ তিৰোতাই বেছি কাম কৰে।

আগেয়ে ডেকা চাং বা 'মাৰো' আছিল। বাৰ বছৰৰ পৰা ওঠৰ বছৰৰ বয়সৰ ডেকা ল'ৰা ডেকা চাঙত আছিল। এতিয়া এই প্ৰথা উঠি গৈছে।

কাৰ্বি সমাজলৈ বৰ্তমান পৰিবৰ্তন আহিছে। এই পৰিবৰ্তন গাঁৱতকৈ নগৰলৈ বহুত বেছি পৰিমাণে আহিছে। পৰম্পৰাগত ভাবে প্ৰচলিত কিছুমান ৰীতি-নীতি বৰ্তমান সমাজত নাইকিয়া হৈছে। কাৰ্বিসকলৰ সাজ-পোছাকৰো ভালেমান পৰিবৰ্তন হৈছে। অৱশ্যে গাওঁবাসী কাৰ্বিসকলৰ পোছাকত বিশেষ পৰিবৰ্তন হোৱা নাই। পুৰুষসকলে ৰিকং বা চুৰিয়া চুটিকৈ পিন্ধে। মূৰত পাগুৰি মাৰে। তিৰোতাবিলাকে কঁকালত ঘূৰিৰ দৰে এখন কাপোৰ মেৰিয়াই লয়। এই কাপোৰখনক 'পিনি' বোলে।

কাপোৰখন ৰঙা আৰু বগা আচ্ আচ্ থকা। বুকুত এখন কাপোৰ মেথনি মৰাদি মাৰে। কাণত ডাঙৰ থুৰিয়া পিন্ধে। কাণৰ ওপৰ অংশত ডাঙৰ আঙঠি বা 'নো-ৰিক' ওলোমাই ৰাখে।

## বৰ্তমান আৰ্থিক অৱস্থা আৰু শিক্ষা-দীক্ষা :

কাৰ্বি আংলঙতেই অসমৰ আটাইতকৈ বেছি নিৰক্ষৰ মানুহ আছে। ডিফু কলেজৰ ছাত্ৰসকলৰ মাথো ২০ শতাংশহে কাৰ্বি ছাত্ৰ- ছাত্ৰী। বেছিভাগ কাৰ্বিয়েই খেতিৰ মাটি বাংলাদেশীক খেতি কৰিবলৈ দি এলেহুৱা জীৱন কটাইছে। এই লেখকদ্বয়ে গোলাঘাট জিলাৰ কাকজুৰিৰ লংক হাঞ্চে গাঁৱলৈ গৈছিলো। তাত ৪২ ঘৰ মানুহ আছে। নন্দেশ্বৰ হাঞ্চে প্ৰাইমেৰী স্কুলৰ শিক্ষক। চাৰি পুৰুষ ধৰি তেওঁ এই গাঁৱত আছে। ঘৰত মুঠ মানুহ ৮জন। পত্নী আৰু ল'ৰা-ছোৱালী ৬টা। গাওঁখনত মাষ্টৰ আছে ২জন। কেইজনমানে ৱায়াৰলেছত (wireless) কাম কৰে। গাওঁখনত মেট্ৰিক পাছ মানুহ এজনো নাই। পৰম্পৰাগত ধৰ্মৰ ঠাইত ভৈয়ামৰ মানুহৰ সংস্পৰ্শলৈ আহি শিৱ মন্দিৰ, মাতৃ থান মন্দিৰ আদিত পূজা কৰে। মাতৃ থানত হাঁহ-পাৰ উছৰ্গা কৰে। দূৰ্গা পূজালৈ গৈ সেৱা কৰে। আৰক কেৱল খোৱাৰ কাৰণেহে বনায়। পূজাত নিদিয়ে। গাঁওখনৰ কেইবা ঘৰ মানুহত আমি এড়ি পলু পোহা দেখিবলৈ পাইছিলো।

লেখকদ্বয়ে ভ্ৰমণ কৰা আন এখন গাওঁ হ'ল গোলাঘাট জিলাৰে গেলেকী লাংটক চিকাৰী গাওঁ। এই গাঁৱত ১৮ ঘৰ মানুহ আছে। আগতে আৰু মানুহ আছিল। বৰ্তমান কাৰ্বি আংলঙলৈ উঠি গৈছে। গাওঁখনত চাং ঘৰ চকুত নপৰিল। মাঘ মাহত হাবি কাটি, ফাগুনত জুই লগাই খেতিৰ কাৰণে মাটি প্ৰস্তুত কৰে। শালি, আহুৰ খেতি সাধাৰণতে কৰে। হাতী, বন গাহৰিয়ে খেতিত উপদ্ৰৱ কৰে। সেই কাৰণে ৰাতি খেতি ৰখিব লাগে। টঙি ঘৰ 'মেন্দু' (মাটিৰ তলত) আৰু 'হেন্টুপ' (গছৰ ওপৰত) তৈয়াৰ কৰি খেতি ৰখে। গাওঁখনত চাকৰি কৰা মানুহ নাই। জাৰ্চী গাই কিনিবৰ কাৰণে বেংকৰ পৰা ধাৰ এজনে পাইছে।



*কাকজুৰি লংক হান্সে গাঁৱৰ কণ কণ ল'ৰা-ছোৱালী*

খাইলুন টেৰাঙৰ বয়স ষাঠি বৰছৰমান হব। তেওঁৰ পৰিয়ালত ল'ৰাই-ছোৱালীয়ে ৮জন মানুহ আছে। গাঁৱৰ সকলো মানুহৰেই আৰ্থিক অৱস্থা শোচনীয়। বেছিভাগ মানুহেই হাজিৰা কাম কৰি জীৱন নিৰ্বাহ কৰে ছমাহমানহে খেতিৰ ধানে জোৰে। গেলেকী এম্-ই স্কুল ১ কিলোমিটাৰ দূৰত। হাইস্কুল কাজিৰঙাত-৩ কিলোমিটাৰ দূৰত অৱস্থিত। ছোৱালী এল্পি স্কুলত পঢ়িছে। হাইস্কুলত এজনীও পঢ়া নাই। লেংটি (ৰিচিকং) মৰা মানুহ ৩জনমান আছে।

গাওঁ দুখনৰ মানুহে পৰম্পৰাগত দেৱতা আৰ্নাম কেথি আৰু হেম্ফুৰ পূজা নকৰে। শিৱ-দূৰ্গাৰ পূজা কৰে। হাতীৰ কাৰণে গনেশ পূজা কৰে। মৰা সকামত কীৰ্তন কৰে। চমাংকান খৰচি কাৰণে নকৰে। এই কথাৰ পৰা বুজা যায় যে পৰম্পৰা বা ঐতিহ্য ৰক্ষাৰ কাৰণে আৰ্থিক স্বচ্ছলতাৰ আৱশ্যক।

'অসমীয়া কৃষ্টি' প্ৰবন্ধত বিষ্ণু ৰাভাদেৱে লিখিছে, "----মিকিৰেই অসমৰ আদিবাসী। অসমৰ পাহাৰে, পৰ্বতে, গুহাই-কন্দৰে, নৈয়ে--ভৈয়ামে, হাবিয়ে-বননিয়ে এই মিকিৰ সকলেই প্ৰথমে বিচাৰি ফুৰিছিল।" তেওঁলোকেই ৰাভাৰ মতে অসমৰ কলম্বাচ। "প্ৰথম আদিম অসমীয়া হ'ল মিকিৰ। যদি বানৰৰ ক্ৰমবিকাশৰ ফলতেই নৰৰ জন্ম তেন্তে মিকিৰৰ জন্মও সেয়েই। কাৰণ তেওঁলোকে কয় মিকিৰসকল হেনো বালীৰ বংশ। বালী বানৰ আছিল, গতিকে মিকিৰ সকলো বানৰৰে বংশ। **অতীজতে মিকিৰসকল যেনে আছিল আজিও প্ৰায় তেনেই আছে।**" এই শেষৰ বাক্যটো অতি গুৰুত্বপূৰ্ণ। ৰাভাই নৃতাত্বিক দৃষ্টিৰে নিৰাবেগ আৰু বস্তুনিষ্ঠ বিচাৰ কৰি মন্তব্যটি কৰিছিল যদিও বৰ্তমান কাৰ্বি আংলং ভ্ৰমণ কৰিলে যি কোনো চিন্তাশীল লোকে কিছু উদ্বেগ প্ৰকাশ কৰাহে স্বাভাৱিক। ৰাভাৰ ভাষাত মিকিৰসকলে আদিম অসমীয়াৰ প্ৰতিচ্ছবি এতিয়াও চিনাকি দি আছে আৰু এইটো মন কৰিবলগীয়া কথা যে এই আদিম অসমীয়াৰ মাজতে আজিও বিশেষ কাৰুকাৰ্য নথকা সামান্য লেংটি মৰা মানুহ আছে। শিক্ষা, কৃষি, ব্যৱসায়, বাণিজ্য ইত্যাদিৰ ক্ষেত্ৰত বৰ্তমান কাৰ্বি আংলঙেই অসমৰ আটাইকেইখন জিলাৰ ভিতৰতে পিছপৰা। উত্তৰ পূৰ্বাঞ্চলৰ আন পাহাৰীয়া ৰাজ্য সমূহৰ তুলনাতো কাৰ্বি আংলং পিছপৰাহে। নব্য প্ৰস্তৰ যুগত আদিম অসমীয়াই প্ৰকৃতিৰ বুকু ফালি যি পদ্ধতিৰে খেতি কৰিবলৈ শিকিছিল, সি আছিল ঝুম খেতি। আমি প্ৰবন্ধৰ আৰম্ভণিতে কৈ আহিছো যে আজিও কাৰ্বিসকলৰ মাজত এই ঝুম পদ্ধতিৰ খেতি প্ৰচলন হৈ আছে। কিন্তু এটা প্ৰশ্ন হয়। পৰিবৰ্তিত আৰ্থ-সামাজিক পৰিস্থিতিৰ লগত ঝুম খেতিৰ দৰে কৃষি ব্যৱস্থাই কৃষিজীৱী গোষ্ঠী এটাক খাপ খুৱাই চলাব পাৰিবনে ?

## ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনগোষ্ঠীৰ লগত সম্পৰ্ক :

ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনগোষ্ঠী সমূহৰ লগত বৰ্তমানৰ কাৰ্বিসকলে কেনে ৰাজনৈতিক আৰু আৰ্থ-সামাজিক সম্পৰ্কত অৱস্থান কৰি আহিছে তাৰ আঁত বিচাৰিলে দেখা পোৱা যায় যে ১৭৬৫ চনত আহোম ৰজা ৰাজেশ্বৰ সিংহৰ দিনত "মিকিৰসকলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাটো আৱশ্যকীয় বিবেচনা কৰা হৈছিল। দুটা সৈন্যদল তেওঁলোকৰ বিৰুদ্ধে পঠোৱা হৈছিল। এটা দলে চাপানালাৰ পিছফালেদি আৰু আনটোৱে কপিলী আৰু যমুনা নৈৰে উজাই গৈ জগৰ লগোৱা গাওঁ কেইখন আগুৰি ধৰিছিল। দুয়োটা দলে পাহাৰৰ সংযোগ স্থলত মিকিৰ সকলক পৰাজিত কৰি তেওঁলোকৰ ঘৰ আৰু ভঁৰাল পুৰি পেলায়। মিকিৰসকলে কৰ শোধাই ক্ষমা ভিক্ষা কৰে।" (গেইট, এ হিষ্ট্ৰি অব আচাম, পৃ : ১৯২)।

বৰ্তমান অৰুণাচল আৰু নগা ৰাজ্যৰ জনগোষ্ঠী সমূহৰ লগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ আন জনগোষ্ঠী সমূহক শাসকসকলে দ্বন্দ্বৰ সম্পৰ্কত অবতীৰ্ণ কৰি ৰখাৰ দৰেই বৰ্তমানৰ কাৰ্বি সকলকো দ্বন্দ্বৰ সম্পৰ্কতে অবতীৰ্ণ কৰোৱাই ৰাখিছিল বুলি ক'ব পাৰি। সাধাৰণ মানুহৰ মাজত তাৰ মাজতো ব্যৱসায়িক লেন-দেনৰ যোগেদি কিছু সাংস্কৃতিক বিনিময় নিশ্চয় হৈছিল। সেই বাবেই আজিৰ কাৰ্বিসকলৰ সংস্কৃতিৰ সমল অসমীয়া সংস্কৃতিত আৰু কাৰ্বিসকলৰ সংস্কৃতিৰ মাজতো অসমীয়া সংস্কৃতিৰ সমল বিচাৰি উলিওৱা কঠিন নহয়। অৰ্থনৈতিক অনগ্ৰসৰতা, ভৌগোলিক অৱস্থান আৰু ৰাজনৈতিক প্ৰশাসনৰ বাবেই অসমীয়া ভাষা-সংস্কৃতিৰ ঘাই সুঁতিৰ লগত কাৰ্বিসকল সম্পূৰ্ণ ভাবে মিলি নৗগৈ আদিম স্তৰৰ অথচ স্বকীয় বৈশিষ্ট্যৰ ভাষা-সংস্কৃতিৰে জীৱন নিৰ্বাহ কৰি আছে।

বৃটিছ চৰকাৰে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু পাৰ্বত্য জিলাসমূহ একে আইনেৰে শাসন কৰা নাছিল। ১৮৮৩ চনৰ ফ্ৰন্টিয়াৰ ট্ৰেক্টচ্ ৰেগুলেশ্যন্ অনুসৰি উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰক অনুপযুক্ত আইনৰ পৰা ৰেহাই দিয়া হৈছিল। অসমত বাস কৰা বৃটিছ প্ৰজা আৰু সীমান্তৰ পাহাৰীয়া জনগোষ্ঠীসমূহৰ অনিয়ন্ত্ৰিত মিলা-মিচাৰ পৰা শাসকবৰ্গৰ কাৰণে আমনিদায়ক গণ্ডগোলৰ সৃষ্টি হৈছিল বুলি বৃটিছ চৰকাৰে অনুভৱ কৰিছিল। তেনে গণ্ডগোল বাধা দিবলৈকে ১৮৭৩ চনত ইনাৰ লাইন ৰেগুলেশ্যন কাৰ্যকৰী কৰিছিল।


"প্লেন্টাৰ্চ ৰাজ টু স্বৰাজ" গ্ৰন্থত ডঃ অমলেন্দু গুহ ডাঙৰীয়াই কৈছে যে চৰকাৰৰ দ্বাৰা কমকৈ প্ৰশাসিত আৰু জনজীৱনৰ পৰা নিলগত থকা যাদুঘৰৰ নমুনা সদৃশ পিছপৰা পাৰ্বত্য অঞ্চলসমূহ ১৯৩৭ চনলৈকে সাংবিধানিক সংস্কাৰৰ পৰা বঞ্চিত হৈ আছিল। আংশিকভাবে বাদ পৰি থকা মিকিৰ পাহাৰে অৱশ্যে প্ৰাক্ স্বাধীনতাৰ দশক কেইটাত কিছু সংসদীয় অভিজ্ঞতা লাভ কৰিছিল। উত্তৰ কাছাৰ কিন্তু তেতিয়াও বিধান সভাত প্ৰতিনিধিত্ব হোৱা নাছিল। তথাপি এই অঞ্চলসমূহত গভৰ্ণৰৰ ইচ্ছাৰ অবিহনে কোনো সংসদত গৃহীত আইন কাৰ্যকৰী কৰিব পৰা হোৱা নাছিল। (পৃঃ ৩২০)।

বৃটিছ চৰকাৰে পাৰ্বত্য অঞ্চলসমূহক একাষৰীয়া কৰি ৰখা নীতি অবলম্বন কৰা বাবে দ্বিতীয় মহা সমৰলৈকে কোনো ৰাজনৈতিক বিকাশ হোৱা নাছিল। কাৰ্বি আংলঙতো শিক্ষা প্ৰসাৰৰ গুৰিতে খৃষ্টান মিশ্যনেৰীসকলৰ চেষ্টাহে আছিল। গোলাঘাটৰ পৰা ৩৯নং ৰাষ্ট্ৰীয় ঘাই পথেৰে ডিফুলৈ গ'লে বাটৰ দাঁতিত কেইবাটাও সুন্দৰ গীৰ্জা চকুত পৰে আৰু মিশ্যনেৰী প্ৰভাৱৰ কথা ভ্ৰমণকাৰীয়ে অনুমান কৰিব পাৰে। জনজাতীয় ভাষাসমহূক কথিত ৰূপৰ পৰা লিখিত ৰূপলৈ উন্নীত কৰাৰ মূলতে মিশ্যনেৰীসকলৰ চেষ্টা সোমাই আছে। আন পাহাৰী জনগোষ্ঠীসমূহৰ দৰে বৰ্তমান কাৰ্বিসকলেও ৰোমান লিপি গ্ৰহণ কৰাৰ কাৰণো ইয়াৰ আধাৰতে ব্যাখ্যা কৰিব পাৰি। কাৰ্বিসকলক আধুনিক সভ্যতাৰ সান্নিধ্যলৈ অনাত আৰু জাতি হিচাপে একত্ৰিত কৰাত এই লিপি আৰু ইংৰাজী ভাষাই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। দ্বিতীয় মহাযুদ্ধৰ সময়ত দেশৰ বিভিন্ন ঠাইৰ সৈনিকৰ সংস্পৰ্শলৈ আহি পাহাৰী লোকসকল ৰাজনীতিৰ সংস্পৰ্শলৈ আহিছিল। যুদ্ধৰ সময়ত ভীতিগ্ৰস্ত বহিৰাগত দোকানী-পোহাৰীয়ে পাৰ্বত্য অঞ্চল ত্যাগ কৰি নিজ ঠাইলৈ ঘূৰি যোৱাত পৰিস্থিতিৰ তাগিদাত একাংশ পাহাৰী লোকে সেই বেপাৰ বাণিজ্য চম্ভালিবলৈ আগবাঢ়ি আহিছিল। গাৰো, মিজো, খাছীয়া-জয়ন্তীয়া পাহাৰৰ দৰে মিকিৰ পাহাৰত অৱশ্যে তেনে ব্যৱসায়ী গোষ্ঠী এটাক যুদ্ধয়ো চকুত পৰাকৈ জন্ম দিব নোৱাৰিলে। স্বাধীনতাৰ পিছত দেশ বিভাজন হোৱাৰ আগলৈকে অৱশ্যে পাৰ্বত্য অঞ্চলসমূহৰ বেপাৰ-বাণিজ্যৰ লেনদেন অসম ভূমিৰ পৰিবৰ্তে পূৰ্ববংগৰ লগতহে চলিছিল। দেশ বিভাজনে এই বাট বন্ধ কৰাত পাৰ্বত্য অঞ্চলসমূহৰ স্বায়ত্ত শাসনৰ স্পৃহা বৃদ্ধি পায়।

## কেইটামান মন্তব্য আৰু সিদ্ধান্ত :

"অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি" গ্ৰন্থত নাহেন্দ্ৰ পাদুনে লিখিছে, "অসমৰ মাজ মজিয়াতে কাৰ্বি বা মিকিৰসকলৰ বাসস্থান। কাৰ্বি লেখকসকলৰ ভিতৰত ৰংবং তেৰাং আৰু ডাঃ জয়ন্ত ৰংপীয়ে সৃষ্টিশীল সাহিত্যৰ প্ৰতি মনোনিবেশ কৰিছে। ৰং বং তেৰাঙৰ প্ৰথম উপন্যাস "ৰং মিলিৰ হাঁহি" অসমীয়া উপন্যাসলৈ এক নতুন সংযোজন। এই উপন্যাসৰ বাবে তেৰাঙলৈ প্ৰথমবাৰৰ বাবে বিষ্ণুৰাভা বঁটা অসম সাহিত্য সভাই প্ৰদান কৰে।" ইয়াৰ পিছতো তেৰাঙৰ কেইবাখনো উপন্যাস আৰু বহুতো গল্প বিভিন্ন আলোচনীত প্ৰকাশ হৈছে। তেওঁ 'লামতাছাম' নামৰ এখন অসমীয়া-কাৰ্বি আৰু ইংৰাজী অৰ্থ সম্বলিত অভিধানো প্ৰণয়ন কৰিছে। তেওঁ কাৰ্বি ভাষাৰ প্ৰাথমিক পুথি "কাৰ্বি অসমীয়া পাঠ" আৰু কেইবাখনো অসমীয়া আলোচনী আৰু পুথি সম্পাদনা কৰিছে।

লংকাম তেৰণে "কাৰ্বি জনজাতি পৰিচায়ক" আদি কৰি অসমীয়া ভাষাৰ ১৫খনতকৈও অধিক পুথি ৰচনা কৰিছে। জয়ছিং তেৰাং, ছামছিং হাঞ্চে, জয়ন্ত ৰংপি, অৰুণ টেৰণ আদি লেখকসকলে



*সাক্ষাৎকাৰ লোৱা সময়ত লেখকদ্বয়*

অসমীয়া ভাষা-সংস্কৃতিলৈ যথেষ্ট অবদান আগবঢ়াইছে।

সাংস্কৃতিক দিশত কাৰ্বিসকল ভৱিষ্যতে অসমীয়া ভাষী জনগোষ্ঠীসমূহৰ লগত মিলি গৈ এটা সুস্থ সবল অসমীয়া জাতি গঢ়ি তোলাত কিমান দূৰ বৰঙণি যোগাব পাৰে সি গভীৰ অনুসন্ধানমূলক অধ্যয়নৰ বিষয়। কিন্তু আপাত দৃষ্টিত বৰ্তমান সেই দিশত আশাৰে উজ্জ্বল বাট চকুত ন৺ । প্ৰাথমিক স্কুলত ৰোমান লিপিৰ .লন হোৱাৰ লগে লগেই এসময়ত উচ্চ শিক্ষিত কাৰ্বি ল'ৰা-ছোৱালীয়ে অসমীয়া ভাষা সংস্কৃতিৰ লগত ভাষিক আৰু সাংস্কৃতিক ব্যৱধান অনুভৱ কৰাহে স্বাভাৱিক কথা হব। আজিৰ ৰং বং তেৰাং, ছামছিং হাঞ্চে, জয়ন্ত ৰংপি, অৰুণ টেৰণ আদিৰে গঠিত কাৰ্বি বিদ্বৎ সমাজখন ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভাষা-সংস্কৃতিৰ কিমান আত্মীয়, কালৰ সোঁতত সেই আত্মীয়তা আৰু সুদৃঢ় নহবও পাৰে। একালৰ অসমৰ জনগোষ্ঠীসমূহে আজি নিজা ভাষা-সংস্কৃতি ৰক্ষা, বিকাশ আৰু আৰ্থিক উন্নতিৰ বাবে সচেতন হৈ পৰিছে। বিশ্ব ৰাজনীতিত ছোভিয়েত ৰাছিয়া থান-বান হৈ সৰু সৰু স্বাধীন ৰাজ্যত পৰিণত হোৱা ঘটনায়ো ভাৰত বা পৃথিৱীৰ আন দেশৰ ওপৰত প্ৰভাৱ পেলাব আৰু জনগোষ্ঠী ভিত্তিক আঞ্চলিকতাক উদগনি দিব। উত্তৰ প্ৰদেশত শেহতীয়া ভাবে উত্তৰাঞ্চল নামে আন এখন ৰাজ্য গঠনৰ প্ৰস্তুতি চলিছে। বড়োলেণ্ড, ঝাৰখণ্ড, উত্তাৰঞ্চল আদি আন্দোলনৰ লগতে কাৰ্বি আংলঙতো স্বায়ত্ত শাসিত ৰাজ্য গঠনৰ বাবে আন্দোলন জোৰদাৰ হৈছে। দেৱাল লেখন যদি এটা জাতি বা জনগোষ্ঠীৰ অসন্তুষ্টি আৰু প্ৰতিবাদ আন্দোলনৰ প্ৰকাশ হয়, সুকীয়া পাৰ্বত্য ৰাজ্য গঠন কাৰ্বি আংলঙৰ জোৰদাৰ দাবী বুলি ক'ব লাগিব।

আঞ্চলিকতাবাদ বৰ্দ্ধিষ্ণু হাৰত সৰব হৈ পৰিছে আৰু ই ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত সময়ত ক্ষমতালৈও আহিছে। কিন্তু জনগণৰ সমস্যা সমাধান হৈছে বুলি খাটাং সিদ্ধান্ত কৰিব নোৱাৰি। সকলো আঞ্চলিকতাবাদৰে মূল জনগণৰ অবহেলিত হোৱাৰ ক্ষোভ। ক্ষোভৰ মূল কাৰণ অৰ্থনৈতিক দিশত অবহেলা। অসম যি দৰে কেন্দ্ৰৰ দ্বাৰা অবহেলিত বুলি অনুভৱ কৰে, অসমৰ বিভিন্ন জনগোষ্ঠীয়েও অসম চৰকাৰৰ দ্বাৰা অবহেলিত বুলি ভাবে। সেই বাবেই তেনে জনগোষ্ঠীবোৰে শিক্ষিত মধ্যবিত্ত শ্ৰেণী একোটা সৃষ্টি হোৱাৰ লগে লগেই নিজৰ দাবী আঞ্চলিকতাবাদী আন্দোলনৰ মাজেদি সাব্যস্ত কৰে। কিন্তু যিবোৰ ঐতিহাসিক কাৰণত অঞ্চল এটা আৰ্থিক বা আন দিশত পিছ পৰি থাকে তাৰ যথাযথ বস্তুনিষ্ঠ বিচাৰ কৰাৰ পৰিবৰ্তে নেতাসকলে স্বায়ত্ত শাসন অথবা সুকীয়া ৰাজ্য গঠনৰ মাজতে সকলো অভাৱ অভিযোগৰ অৱসান ৰূপে জনগণৰ আগত দাঙি ধৰে।

কাৰ্বি আংলং ভ্ৰমণ কৰিলে এটা কথাই বাৰে বাৰে দৃষ্টি আকৰ্ষণ কৰে। সাধাৰণতে মানুহখিনি বৰ দুখীয়া, কৃষি ব্যৱস্থা অতি অনগ্ৰসৰ। সাধাৰণ কাৰ্বি লোকৰ অৰ্থনৈতিক বিকাশৰ কাৰণে কৃষিৰ বৈপ্লৱিক পৰিবৰ্তন অতি জৰুৰী। ড্ৰাগৰ বিৰুদ্ধে যি জোৰদাৰ ছাত্ৰ আন্দোলন গঢ়ি উঠিছে তাৰ পৰা অনুমান কৰিব পাৰি যে অৰ্থনৈতিক আৰু শিক্ষাৰ দিশত পিছ পৰা থকা জনগোষ্ঠী এটাৰ বিকাশৰ প্ৰতি এক মাৰাত্মক ভাবুকি আহি পৰিছে। শিক্ষিত কাৰ্বি ডেকা-গাভৰুৰ এনে প্ৰতিৰোধ প্ৰশংসনীয়। স্বায়ত্ত শাসিত ৰাজ্য, ড্ৰাগ প্ৰতিৰোধৰ সমানে কাৰ্বি আংলঙৰ কৃষিৰ বৈপ্লৱিক পৰিবৰ্তন আনিবলৈ আৰু সাধাৰণ কাৰ্বি লোকৰ মাজত কাম কৰাৰ কালচাৰ এটা জোৰদাৰ কৰি তুলিবলৈ নেতাসকলে সময় থাকোতেই চেষ্টা কৰা উচিত। লেখকদ্বয়ৰ কাৰ্বি আংলং ভ্ৰমণ কালত কাৰ্বি নেতৃস্থানীয় লোক আৰু দুই এক কাৰ্বি আংলঙত পয়ত্ৰিশ-চল্লিশ বছৰ নিগাজী ভাবে থকা অসমীয়া ভাষী লোকৰ লগত হোৱা আলোচনাতো এটা কথা পৰিষ্কাৰ হৈছিল যে কাৰ্বি আংলঙৰ প্ৰগতিৰ কাৰণে নতুন শিক্ষিত চামে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। এই নতুন শিক্ষিত চামে সহজপ্ৰাপ্য ধনত লেটি লৈ অলস কৰ্মবিমুখ জীৱন যাপন কৰিলে কাৰ্বি আংলঙৰ উন্নতি হব নোৱাৰে। ঠিকা-ঠুকলিৰ কাৰণে কাৰ্বি ডেকাই পোৱা পাৰ্মিট কমিশ্যন লৈ অনা-কাৰ্বি লোকক বিক্ৰী কৰি দিয়া ঘটনা অকল কাৰ্বি আংলঙতে ঘটা নাই। কিন্তু উদীয়মান মধ্যবিত্ত শ্ৰেণী এটাই জাতীয়তাবাদৰ আলমত য'তেই তেনে কাম কৰিছে তাতেই জাতিৰ প্ৰগতি স্তিমিত হৈ পৰিছে। জনগণে জাতীয়তাবাদী নেতাৰ হাতত তুলি দিয়া ক্ষমতাও পিছত কাঢ়ি লৈছে। ■





# সামৰিক নিৰ্যাতনৰ বিচাৰ হ'ব লাগিব

হিতেন মহন্ত

চীন দেশে ১৯৬২ চনত ভাৰত আক্ৰমণ কৰি তেতিয়াৰ নেফা আৰু অৰুণাচল প্ৰদেশত প্ৰৱেশ কৰে। বিদেশী ৰাষ্ট্ৰ এখনৰ মাটিত ভৰি দিও চীনা সেনা বাহিনীয়ে অসামৰিক ভাৰতীয় লোকৰ ওপৰত সামান্য ভাবেও জোৰ জুলুম কৰা নাছিল। চীন ভাৰতৰ যুদ্ধত ভাৰতীয় সামৰিক বাহিনীৰ জোৱানহে নিহত হৈছিল। অৰ্থাৎ চীনা সেনা বাহিনীয়ে ভাৰতীয় সেনাবাহিনীৰ সৈতেহে যুদ্ধ কৰিছিল। অ-সামৰিক বা সাধাৰণ লোকক চীনা সেনাবাহিনীয়ে চিকাৰ হিচাপে লোৱা নাছিল। চীনা সেনাবাহিনীৰ সেই গৌৰৱ উজ্জ্বল দিশ এতিয়াও বহুলোকে শ্ৰদ্ধাৰে সোঁৱৰে। অথচ চৰম পৰিহাসৰ কথাটো হ'ল এয়ে যে প্ৰায় ত্ৰিশ বছৰৰ পিছত নিজৰেই জন্মভূমিত নিজৰেই সেনাবাহিনীৰ লোকে অসমৰ অসামৰিক বা সাধাৰণ লোকক বলীয়া কুকুৰ কোবাই মৰাদি মাৰি পেলালে। বৰ যাত্ৰীকো পহু মৰাদি গুলীয়াই হত্যা কৰিলে। কণ কণ ল'ৰা ছোৱালীকে ধৰি ৭০/৮০ বছৰীয়া বৃদ্ধ বৃদ্ধাও ভাৰতীয় সামৰিক বাহিনীৰ জোৱানৰ নিৰ্মম অত্যাচাৰৰ পৰা হাত সাৰি নগ'ল। ভাৰতীয় সামৰিক বাহিনীৰ এই তাণ্ডৱ লীলা চলি থকাৰ সময়তে অসামৰিক প্ৰশাসন নামৰ বস্তুটো কনা, খোৰা, কোঙা মানুহৰ দৰে থিয় হৈ থাকিল। ভাৰতৰ দৰে বৃহৎ গণতান্ত্ৰিক দেশ এখনত অসামৰিক প্ৰশাসনৰ এনেকুৱা অসহায় অৱস্থা বোধহয় ক'তো কেতিয়াও হোৱা নাই। নিৰ্বাচিত চৰকাৰ এখন থকা অৱস্থাত সামৰিক প্ৰশাসনে অ-সামৰিক প্ৰশাসনৰ গালত এই প্ৰচণ্ড চৰ কেনেকৈ সোধাবলৈ পাৰিলে সেইটোৱেই এতিয়া মূল প্ৰশ্ন। সামৰিক বাহিনীৰ এই উদ্ধতালিৰ উচিত বিচাৰ হ'ব নে নহয়? উচিত বিচাৰ হ'লেহে নিৰ্বাচিত চৰকাৰ খনৰ লগতে গণতন্ত্ৰৰ মৰ্যাদা থাকিব। যদিহে উচিত বিচাৰ নহয়, তেনেহ'লে নিৰ্বাচিত চৰকাৰ আৰু গণতন্ত্ৰৰ কোনো মৰ্যাদা নাথাকে।

কেৱল এটা ঘটনা। ১১ এপ্ৰিলৰ বোমা বিস্ফোৰণৰ ঘটনাক কেন্দ্ৰ কৰিয়েই সমগ্ৰ নলবাৰী জিলাত পাঁচদিন ধৰি ভাৰতীয় সেনাবাহিনীৰ তাণ্ডৱ লীলা চলিল। পৰেশ বৰ্মন নামৰ যুৱক জনক সামৰিক বাহিনীৰ লোকে কোবাই কোবাই হত্যা কৰিলে। সামৰিক বাহিনীৰ জোৱানৰ প্ৰহাৰত বৰ্মনৰ প্ৰাণবায়ু উৰি যোৱাৰ পিছত তেওঁৰ মৃতদেহটো নলবাৰী অসামৰিক চিকিৎসালয়ৰ বাৰান্দাত আবৰ্জনা পেলোৱা দি পেলাই দিয়া হ'ল। সামৰিক বাহিনীৰ জোৱানে কেবাজনো যুৱকক নিৰ্মমভাবে প্ৰহাৰ কৰি পংগু কৰিলে। সামৰিক বাহিনীৰ জোৱানে কেবাগৰাকী বৃদ্ধ বৃদ্ধাক প্ৰহাৰ কৰি পিঠি চিৰা-চিৰি কৰিলে। যি সামৰিক বাহিনীক সাধাৰণ ৰাইজক নিৰাপত্তা প্ৰদান কৰাৰ বাবে ৰাজ্যখনলৈ অনা হৈছিল, সেই সামৰিক বাহিনীৰ নিৰ্মম অত্যাচাৰত নিৰীহ সাধাৰণ ৰাইজ ঘৰ-বাৰী এৰি পলাব লগীয়া হ'ল। ইয়াতকৈ চৰম পৰিহাস আৰু পৰিতাপৰ কথা কিবা আছেনে? নলবাৰী জিলাৰ সোণকুৰিহাত বোমা বিস্ফোৰণৰ সৈতে জড়িত লোকক কৰায়ত্ব কৰি শাস্তি বিহা হ'লে ৰাজ্যখনৰ শান্তিকামী ৰাইজে বেয়া নাপালেহেঁতেন। কিন্তু দোষী লোকক কৰায়ত্ব কৰাৰ প্ৰয়াসৰ পৰিবৰ্তে সমগ্ৰ নলবাৰী জিলাৰ নিৰীহ লোকৰ ওপৰত সামৰিক বাহিনীৰ লোকে বনৰীয়া হিংস্ৰ জন্তুৰ দৰে জপিয়াই পৰিল। শত্ৰুৰ দৰে গণ্য কৰি নিৰীহ লোকৰ ওপৰত সামৰিক বাহিনীৰ লোকে চৰম প্ৰতিশোধ ল'লে। এই প্ৰতিশোধ মূলক আচৰণৰেই বলি হ'ল পৰেশ বৰ্মন। যি বিবাহিত আছিল আৰু জলসিঞ্চন বিভাগত চাকৰি কৰিছিল। পৰেশ বৰ্মনৰ যদি কিবা দোষেই আছিল, তেনেহ'লে তেওঁক দেশৰ প্ৰচলিত আইন অনুযায়ী শাস্তি বিহিব পাৰিলেহেঁতেন। কিন্তু নিৰস্ত্ৰ লোক এজনক কেবাই কোবাই হত্যা কৰাৰ অধিকাৰ সামৰিক বাহিনীয়ে ক'ত পালে?

একেই ঘটনা ঘটিল দৰং জিলাত। ডাঃ জয়ন্ত শইকীয়া আৰু সোণা ৰায়ে বৰযাত্ৰী হৈ বিয়াৰ আনন্দ উপভোগ কৰিবলৈ যাওঁতে নৃসংসভাবে গুলীয়াই হত্যা কৰা হ'ল। এহাল যুৱক যুৱতীৰ প্ৰাণ কাঢ়ি লোৱা জঘণ্য অপৰাধৰ উচিত বিচাৰ হ'ব নে নহয়? গুলি চালনাৰ সৈতে জড়িত সামৰিক জোৱানৰ উপযুক্ত শাস্তি হ'ব নে নহয়? এইবোৰৰ উচিত বিচাৰ হ'লেহে আমি বুজিম যে দেশত এতিয়াও আইনৰ শাসন আছে। যদিহে সেইবোৰৰ উচিত বিচাৰ নহয় বা ঘটনাৰ সৈতে জড়িত সামৰিক জোৱানৰ উপযুক্ত শাস্তি নহয়, তেনেহ'লে জনসাধাৰণে এইটো ধৰি ল'বলৈ বাধ্য হ'ব যে দেশত আইনৰ শাসন নাই। যোৱা কিছুদিনত নলবাৰী আৰু দৰং জিলাত সামৰিক বাহিনীয়ে যি নৃসংস অত্যাচাৰ চলালে, তাৰ উচিত বিচাৰ হ'বই লাগিব। ৰাজ্য চৰকাৰৰ কাৰ্য্য ক্ষমতাৰ ওপৰতেই সেই উচিত বিচাৰ নিৰ্ভৰ কৰিছে। পাৰিবনে ৰাজ্য চৰকাৰে সেই সৎ সাহস দেখুৱাব?

আল্‌ফাই এইটো উপলব্ধি কৰা উচিত যে সংগঠনটোৰ ব্যক্তি সন্ত্ৰাসৰ বাবেই আজি অসমত ৰাষ্ট্ৰ সন্ত্ৰাস চলিছে। আল্‌ফাৰ হঠকাৰিতাৰ বাবেই অসমৰ ৰাইজ অবৰ্ণনীয় অত্যাচাৰৰ সন্মুখীন হ'ল। সেইদৰে চৰকাৰেও এইটো সোনকালে উপলব্ধি কৰা উচিত যে কেৱল দমন নীতিৰেই আল্‌ফাৰ দৰে সমস্যা সমাধান নহয়। ইতিহাসৰ পৰা জানিব পাৰি যে বহু সময়ত ৰাষ্ট্ৰ সন্ত্ৰাসেও সন্ত্ৰাসবাদ বা সন্ত্ৰাসবাদীৰ জন্ম দিয়ে। যিটো পঞ্জাৱৰ ক্ষেত্ৰত সঁচা হৈ দেখা দিছে। পঞ্জাৱত যিমানেই নিৰীহ লোকৰ ওপৰত ৰাষ্ট্ৰসন্ত্ৰাস চলোৱা হৈছে, সিমানেই নতুন সন্ত্ৰাসবাদীৰ জন্ম দিছে। সেয়ে পঞ্জাৱত এতিয়া ভোটদান কৰিও সন্ত্ৰাসবাদীৰ ওচৰত ভোটদাতা সকলে ক্ষমা বিচাৰিব লগা হৈছে। পঞ্জাৱৰ মুখ্যমন্ত্ৰী বিয়ন্ত সিঙে কাতৰ অনুৰোধ জনাইও সন্ত্ৰাসবাদী সকলক আলোচনাৰ মেজলৈ আনিব পৰা নাই। যোৱা কিছুদিনত অসমৰ নিৰীহ লোকৰ ওপৰত যি ৰাষ্ট্ৰ সন্ত্ৰাস চলিল, তাৰ যদিহে পুনৰাবৃত্তি ঘটে তেনেহ'লে অসমখনো পঞ্জাৱ হ'বলৈ বেছিদিন নালাগিব।

কিন্তু এইটো এটা অতি সুখৰ কথা যে অসমৰ ৰাইজে এতিয়া শান্তি বিচাৰিছে। ৰাইজে কামনা কৰা শান্তি ঘূৰাই অনাৰ বাবে চৰকাৰ, আল্‌ফা, সকলো ৰাজনৈতিক দল আৰু সংগঠনে সদিচ্ছাৰে কাম কৰিব লাগিব। ■

# অসম চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ বিভাগ

## গুৱাহাটী

অসম চৰকাৰৰ অন্তৰ্গত আভ্যন্তৰীণ জল পৰিবহণ বিভাগ ক্ৰমান্বয়ে এক বিশেষ বিভাগ হৈ পৰিছে। এই বিভাগে ব্ৰহ্মপুত্ৰ নদীত কেইবাটাও প্ৰধান পাৰঘাট নিয়ন্ত্ৰণ কৰাৰ উপৰিও ব্ৰহ্মপুত্ৰ আৰু উপনদীসমূহত যাত্ৰী আৰু মালবস্তুসহ বাণিজ্যিক পদ্ধতিৰে পাৰা-পাৰ কৰিব পৰা প্ৰাৰম্ভিক ব্যৱস্থা ইতিমধ্যে কৰিছে। ইয়াৰ উপৰিও গুৱাহাটী-উত্তৰ গুৱাহাটী গুৱাহাটী ৰজাদুৱাৰ আৰু যোগীঘোপা গোৱালপাৰা পঞ্চৰত্ন পাৰঘাটৰ নৈশ খেপৰ ব্যৱস্থাও আছে। এই বিভাগে বৰাক নদী আৰু উপনদীসমূহত যাত্ৰী আৰু মালবস্তু পাৰা-পাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ কাছাৰ জিলাৰ শিলচৰত এটি সংমণ্ডল স্থাপন কৰিছে।

আলিবাট আৰু ৰেলৰ পদ্ধতিতকৈ সুন্দৰভাবে ভাড়াৰ সস্তীয়া নিৰিখত আমি ইতিমধ্যে বাণিজ্যিক সেৱা আগবঢ়াইছো।

ব্ৰহ্মপুত্ৰ নদীৰ পাৰ অঞ্চলত নিৰাপদ সুদক্ষতা আৰু মিতব্যয়ীভাৱে জাহাজেৰে পাৰা-পাৰ কৰিবলৈ হ'লে অনুগ্ৰহ কৰি মুখ্য কাৰ্যস্থান বা সংমণ্ডল অথবা উপ-সংমণ্ডলৰ গুৱাহাটী, ডিব্ৰুগড়, যোৰহাট আৰু গোৱালপাৰা বাণিজ্যিক বিষয়াৰ ওচৰত যোগাযোগ কৰক।

অসম চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ সঞ্চালকৰ দ্বাৰা প্ৰচাৰিত




# আইনষ্টাইনৰ দুখ

পৱন কুমাৰ চহৰীয়া

*"Subtle is the Lord, but malicious he is not."—* *আইনষ্টাইন*

দুখ বেজাৰ কাৰ নাথাকে। সুখ দুখেই মানুহৰ জীৱন। পিছে আমাৰ দৰে মানুহৰ জীৱনত দুখ বা সুখ আহে নিতান্তই বৈষয়িক কাৰণত। দুখে বহু সময়ত জীৱন দুৰ্বিসহ কৰি তোলে, কিন্তু এই দুখৰ অনুভূতিৰ পৰা আন কাৰো একো লাভ নহয়। কিন্তু যিসকল ব্যক্তিয়ে তেওঁলোকৰ চিন্তাভাবনাৰে ইতিহাসৰ পথ সলনি কৰি থৈ গৈছে তেওঁলোকৰ জীৱনলৈ অহা গভীৰ দুখৰ অনুভূতিয়ে জন্ম দিয়ে নতুন প্ৰজ্ঞাৰ, সন্ধান দিয়ে নতুন সত্যৰ, পাছলৈ যি হয়গৈ আমাৰ সকলোৰে উমৈহতীয়া সম্পদ। ৰোগত জৰ্জৰিত জৰাজীৰ্ণ মানুহজন বা বাৰ্ধক্যই অলৰ অচৰ কৰা বৃদ্ধজনক দেখি গৌতম বুদ্ধৰ মনত যি গভীৰ বিষাদৰ জন্ম হৈছিল সেই বিষাদেই মানুহক মুক্তিৰ এক নতুন পথ দেখুৱাইছিল। এই প্ৰবন্ধত উল্লেখ কৰা দুখৰ কিন্তু মানুহৰ জীৱনৰ লগত দেখদেখকৈ একো সম্পৰ্ক নাই। এই দুখ "স্বয়ং ভগৱানৰ" স্বভাৱৰ ওপৰত কৰা দুখ। প্ৰকৃতিৰ নিয়মবোৰ নিৰূপণ কৰোতে ভগৱানে যি খামখেয়ালী আৰু অস্থিৰ মনৰ চিনাকি দিছে সেই অনিশ্চয়ৰ বাবে এই শতিকাৰ নিঃসন্দেহে শ্ৰেষ্ঠ বিজ্ঞানীজনে কৰা দুখ। এই দুখৰ গভীৰতা ইমানেই বেছি যে আইনষ্টাইনে জীৱনৰ শেষৰ তিনি দশক জুৰি মানুহক এজন সুস্থিৰ ভগৱান আৰু প্ৰকৃতিৰ নিয়মৰ এক গভীৰ আৰু গোপন সত্য দিবলৈ নিজকে উৎসৰ্গ কৰিছিল। এই দুখৰ বিষয়ে অলপো অনুভৱ কৰিবলৈ হ'লেও আমি পদাৰ্থ বিজ্ঞানৰ উদ্দেশ্য আৰু ধ্ৰুপদী পদাৰ্থ বিজ্ঞানৰ (Classical Physics) সৈতে কোৱান্টাম পদাৰ্থ বিজ্ঞানৰ(Quantum Physics) থকা মৌলিক পাৰ্থক্যৰ বিষয়ে কিছু জানিব লাগিব।

পদাৰ্থ বিজ্ঞানৰ উদ্দেশ্য হৈছে আমাৰ পৰিদৃশ্যমান জগতত দেখা সকলোবিলাক ভৌতিক ঘটনাৰ ব্যাখ্যা আগবঢ়োৱা আৰু সেই বিলাকৰ অন্তৰালত থকা নিয়মৰ অনুসন্ধান কৰা। নানান পৰীক্ষা-নিৰীক্ষা, নতুন নতুন তত্ত্বৰ উত্থাপন, সেইবোৰৰ আকৌ পৰীক্ষাৰ দ্বাৰা প্ৰমাণ



ইত্যাদি কেইবা খলপীয়া পথেৰে আগ বাঢ়ে এই সত্যৰ অন্বেষণ। আধুনিক পদাৰ্থ বিজ্ঞানৰ জনক গেলিলিওই বস্তুৰ গতি সম্বন্ধে পৰীক্ষা-নিৰীক্ষা কৰিছিল সেইবোৰকে নিউটনে গাণিতিক ৰূপ দিছিল তেওঁৰ গতি বিষয়ক বিখ্যাত তিনিটা সূত্ৰত তেওঁৰ প্ৰিন্সিপিয়া মেথমেটিক গ্ৰন্থত। নিউটনৰ এই তিনিটা সূত্ৰই ধ্ৰুপদী পদাৰ্থ বিজ্ঞানৰ স্তম্ভ স্বৰূপ। আইনষ্টাইনৰ আগলৈকে প্ৰায় তিনি শতিকা জুৰি পদাৰ্থ বিজ্ঞানৰ যি বিৰাট সৌধ নিৰ্মিত হৈছিল তাৰ ভেটি আছিল নিউটনৰ এই সূত্ৰসমূহ। অৱশ্যে নিউটনৰ পাছত হেমিল্টন, লেগৰাঞ্জ, জেকবি ইত্যাদিয়ে ইয়াৰ কাম সম্পূৰ্ণ কৰিছিল। এই গোটেইখিনি কামকে একেলগে নিউটনীয় বলবিদ্যা (Newtonian Mechanics) বা ক্লাছিকেল বলবিদ্যা (Classical Mechanics) বুলি জনা যায়। গ্ৰহ গ্ৰহান্তৰৰ গতিৰ পৰা আৰম্ভ কৰি পৃথিৱীৰ ওপৰত ঘটা বিভিন্ন ভৌতিক ঘটনাৰাজিৰ ভিতৰত এনেকুৱা কোনো উদাহৰণ নাছিল যিটোক নিউটনীয় বলবিদ্যাৰ দ্বাৰা ব্যাখ্যা কৰিব পৰা নগৈছিল। এই পদাৰ্থ বিজ্ঞানৰ প্ৰধান শাৰু মৌলিক উপাদান হ'ল ক'জেলিটি Causality) আৰু নিৰ্ণয়তাবাদ Determinism। ক'জেলিটিৰ অৰ্থ হ'ল প্ৰত্যেক ঘটনাৰ মূলতে এটা কাৰণ থাকে। আনহাতে নিৰ্ণয়তাবাদৰ মূলমন্ত্ৰ হ'ল– কোনো এক নিৰ্দ্দিষ্ট সময়ত (যাক আমি প্ৰাৰম্ভিক সময় বুলি ক'ব পাৰো) যদি বস্তু এটাৰ স্থান আৰু ভৰ বেগ (বস্তুটোৰ ভৰ আৰু বেগৰ পূৰণফল) জনা থাকে তেনেহ'লে নিউটনীয়া গতি বিষয়ক সমীকৰণসমূহ সমাধান কৰি ভৱিষ্যত সকলো সময়তে বস্তুটোৰ স্থান আৰু ভৰ বেগ নিৰ্ণয় কৰিব পাৰি। অৰ্থাৎ এটা সময়ত বস্তুটোৰ বিষয়ে জনা থাকিলে সেই সময়ৰ পাছত বস্তুটোৰ বিষয়ে সকলোবিলাক ঘটনাই, বস্তুটো ক'ত থাকিব, কিমান বেগত থাকিব ইত্যাদি খাটাংকৈ জানিব পাৰি। ধ্ৰুপদী পদাৰ্থ বিজ্ঞানৰ আন এটা পৰিপূৰক অংগ হৈছে মেক্সৱেলৰ বিদ্যুৎ চুম্বকীয় তৰংগ সম্বন্ধীয় সমীকৰণ কেইটা। বিদ্যুৎ আৰু চুম্বকীয় ঘটনাসমূহ যে বেলেগ বেলেগ নহয় আৰু ইটোৰ লগত সিটো অংগাংগীভাবে জৰিত সেই বিষয়ে মাইকেল ফেৰাডেই কৰা পৰীক্ষাসমূহ সকলোৰে বিদিত। মেক্সৱেলে এই বিদ্যুৎ চুম্বকীয় ঘটনাসমূহৰ এক কংক্ৰিট গণিতীয় ৰূপ দিয়ে ১৮৬২ চনত তেওঁৰ বিদ্যুৎ চুম্বকীয় তৰংগৰ সমীকৰণ কেইটাৰে। এই সমীকৰণসমূহৰ পৰা তেওঁ ইয়াকো দেখুৱাইছিল যে পোহৰ





OKDISCD

আচলতে বিদ্যুৎ চুম্বকীয় তৰংগহে। গোটেই বিশ্বব্ৰহ্মাণ্ডখনত আমি যি দুটা সত্বাৰ (Entity) পদাৰ্থ আৰু শক্তি (Matter and radiation energy) সমুখীন হওঁ তাৰ বিষয়ে থকা প্ৰায় সকলোবিলাক ঘটনাকেই নিউটনীয় বলিবিদ্যা আৰু মেক্সৱেলৰ সমীকৰণৰ সহায়ত ব্যাখ্যা কৰিব পৰা গৈছিল। উনৈশ শতিকাৰ শেষৰ ফালে সেয়েহে বহুতো পদাৰ্থ বিজ্ঞানীয়ে ভাবিবলৈ আৰম্ভ কৰিছিল যে পদাৰ্থ বিজ্ঞানৰ প্ৰায় সকলোবোৰ কামেই সম্পূৰ্ণ হৈ গ'ল আৰু সোনকালেই পদাৰ্থ বিজ্ঞানৰ অন্ত পৰিব।

কিন্তু কুৰি শতিকাৰ ঠিক আৰম্ভণিৰ পৰাই ধ্ৰুপদী পদাৰ্থ বিজ্ঞানৰ ওপৰত মাধমাৰ পৰিব আৰম্ভ কৰিলে। ১৯০০ চনৰ ১৪ ডিচেম্বৰ। উনৈশ শতিকাক বিদায় দি কুৰি শতিকাক আদৰিবলৈ চাৰিওফালে অপাৰ আয়োজন। সেই সময়তে মেক্সপ্লাংক নামৰ জাৰ্মানি পদাৰ্থ বিজ্ঞানী এজনে কৃষ্ণ বস্তুৰ বিকিৰণ সম্বন্ধে জাৰ্মানি ফিজিকেল ছোচাইটিৰ এখন সভাত এটা যুগান্তকাৰী প্ৰবন্ধ পাঠ কৰিলে। ইয়াৰ আগলৈকে শক্তিৰ বিকিৰণ আৰু শোষণ অনবিচ্ছিন্নভাবে (Continuously) হয় বুলি সকলোৰে ধাৰণা আছিল। কোনো এটা বস্তুৱে শক্তিৰ বিকিৰণ বা শোষণ যি কোনো হাৰতে কৰিব পাৰে, ইয়াৰ কোনো নিম্নতম জোখ নাই। এটা সাধাৰণ উদাহৰণ হিচাপে– ঠিক যিদৰে এগিলাচ পানীৰ পৰা আমি যিমান ইচ্ছা সিমান পানী পিব পাৰো। কৃষ্ণ বস্তুৰ বিকিৰণ সম্বন্ধীয় বৰ্ণালী ব্যাখ্যা কৰিবলৈ গৈ ওপৰোক্ত প্ৰবন্ধত মেক্স প্লাংকে ক'লে যে শক্তিৰ বিকিৰণ আৰু শোষণ অনবচ্ছিন্ন নহয়, এক লঘিষ্ঠ জোখৰ এগুণ, দুগুণ, তিনিগুণ --------- ইত্যাদি অনুপাততহে হয়। অৱশ্যে এই লঘিষ্ঠ জোখ বেলেগ বেলেগ বস্তুৰ ক্ষেত্ৰত বেলেগ বেলেগ হব পাৰে। এই ধাৰণা সেই সময়ত বিকিৰণ সম্বন্ধে থকা প্ৰচলিত আৰু প্ৰতিষ্ঠিত ধাৰণাৰ ইমানেই বিপৰীত আছিল যে মেক্স প্লাংকে নিজেও ইয়াক বিশ্বাস কৰিবলৈ সাহস যোগাব পৰা নাছিল। তেওঁ সেয়েহে এই তত্ত্বটোক এড্‌হক বুলি কৈছিল আৰু কেৱল কৃষ্ণ বস্তুৰ ক্ষেত্ৰতহে ই প্ৰযোজ্য হব বুলি মন্তব্য কৰিছিল। কিন্তু কিছুদিনৰ পাছতে ১৯০৫ চনত চাৰিশ বছৰীয়া এলবাৰ্ট আইনষ্টাইনে এই ধাৰণাক বেপ্‌টাইজ কৰিলে। প্লাংকৰ কোৱান্টাম ধাৰণা ব্যৱহাৰ কৰি তেওঁ পোহৰ বিদ্যুৎ ঘটনৰ (Photo-electric effect) ব্যাখ্যাত থকা সকলোবোৰ আঁসোৱাহ দূৰ কৰি পেলালে। আইনষ্টাইনে দেখুৱালে যে পোহৰ আচলতে অবিচ্ছিন্ন নহয়, ই মুঠি মুঠি কিছুমান কণিকাৰ সমষ্টিহে। এই কণিকাক আইনষ্টাইনে ফটন (Photon) নাম দিছিল। আমি এটি ফটন বা দুটি ফটন পাব পাৰো কিন্তু কেতিয়াও ডেৰটা ফটন পাব নোৱাৰো।

এতিয়ালৈকে আইনষ্টাইনৰ দুখৰ কাৰণ একো নাছিল। তেওঁ নিজেই এই নতুন কোৱান্টাম ধাৰণাৰ অন্যতম পৃষ্ঠপোষক আছিল। কিন্তু নতুন শতিকাৰ প্ৰথম দশক যোৱাৰ পৰাই কাহিনীয়ে আচৰিত ৰূপ লব আৰম্ভ কৰিলে। নিউজেলেণ্ডৰ পৰা আহি ইংলণ্ডত গৱেষণা কৰা বিজ্ঞানী ৰাডাৰফৰ্ডে তেওঁৰ সৰ্বজনবিদিত Gold foil-X-ray experiment পৰীক্ষাৰ দ্বাৰা দেখুৱালে যে পৰমাণুৰ কেঁন্দ্ৰস্থলত এটা পৰমাণুগৰ্ভ (Nucleus) থাকে আৰু ইয়াতেই পৰমাণুটোৰ প্ৰায় গোটেইখিনি ভৰ সঞ্চিত হৈ থাকে। আনহাতে ই ধনাত্মক আধানযুক্ত। পৰমাণু এটা বৈদ্যুতিক ভাবে আধানহীন। ইলেকট্ৰন ইতিমধ্যেই আৱিষ্কাৰ হৈ গৈছে আৰু ই যে পৰমাণুৰ অংশীদাৰ সেই কথাৰো বহুত প্ৰমাণ পোৱা হৈ গৈছে। গতিকে এতিয়া সমস্যা হ'ল এই ইলেকট্ৰনবোৰক লৈ। ক'ত থোৱা যায় ইহঁতক পৰমাণুৰ ভিতৰত? ওপৰোক্ত পৰীক্ষাৰ ব্যাখ্যাৰ কাৰণে ইলেকট্ৰনবোৰ নিউক্লিলাচৰ পৰা বহুতো আঁতৰত থাকিব লাগিব; আনহাতে সিহঁত স্থিৰ হৈয়ো থাকিব নোৱাৰে, কাৰণ তেতিয়া ধনাত্মক আধানযুক্ত নিউক্লিলাচে ঋণাত্মক আধানযুক্ত কুলম্বৰ সূত্ৰ মতে টানি আনি গাতে পেলাই দিব। গতিকে ৰাডাৰফৰ্ডে সিহঁতক নিউক্লিয়াচৰ চাৰিওফালে কিছুমান বৃত্তীয় কক্ষপথত ঘূৰি ফুৰা বুলি ব্যাখ্যা আগবঢ়ালে। সমস্যা হ'ল– ইলেকট্ৰনবোৰ আধানযুক্ত কণিকা হোৱা কাৰণে সিহঁতে মেক্সৱেলৰ নীতিসমূহ মানিবই লাগিব, ইলেকট্ৰনে মেক্সৱেলৰ নীতি নামানে এনেকুৱা উদাহৰণ তেতিয়ালৈকে পোৱা হোৱা নাই। কিন্তু যি মুহূৰ্ততে আমি কক্ষত পৰিভ্ৰমণ কৰা ইলেকট্ৰনক মেক্সৱেলৰ ইলেকট্ৰডিনেমিক্‌চৰ (Electrodynamics) নীতিসমূহ মনাবলৈ যাওঁ তেতিয়াই ইলেকট্ৰনে নিজৰ শক্তি বিকিৰণ কৰি ধুপুচকৈ আহি নিউক্লিয়াচত পৰে। লগে লগে শেষ হৈ যায় ৰাডাৰফৰ্ডৰ নিউক্লিয়াৰ এটম মডেল, (Nuclear Atom Model), অব্যাখ্যিত হৈ ৰৈ যায় পৰীক্ষাৰ ফলাফল। এহাতে ৰাডাৰফৰ্ডৰ সন্দেহাতীত ওপৰোক্ত পৰীক্ষা আৰু আনহাতে মেক্সৱেলৰ প্ৰতিষ্ঠিত সূত্ৰ। দুয়োটাকে বচাব লাগিব। কিন্তু ইটোৰ লগত সিটোক একেবাৰেই মিলাব নোৱাৰি, অহিনকুল সম্বন্ধ। সকলো পদাৰ্থ বিজ্ঞানী মহা বিপাঙত পৰিল। এই সময়তে মঞ্চত উপস্থিত হ'লহি এজন সাতাইশ বছৰীয়া ডেনিচ যুৱক নিলচ্ হেনৰিক ডেভিদ্ ব'ৰ (Niels Henrik David Bohr)– ৰাডাৰফৰ্ডৰ ছাত্ৰ। এয়া ১৯১৩ চনৰ কথা, ৰবীন্দ্ৰনাথে নবেল বঁটা পোৱাৰ বছৰ। ইতিমধ্যে ব'ৰে ৰাডাৰফৰ্ডৰ তলত মানচেষ্টাৰত কিছুদিন কাম কৰিছে আৰু বন্ধুমহলৰ মাজত বেছ উত্তেজনাৰো সৃষ্টি কৰিছে। বন্ধুবোৰে কোৱাকুই কৰিছিল– এইটো যে আহিছে ডেনমাৰ্কৰ পৰা দিনে নিশাই কেৱল অংককে কৰি থাকে। ব'ৰেনো এই সমস্যাৰ সমাধান আচলতে কিদৰে কৰিলে? মহাবীৰ আলেকজেণ্ডাৰে যেতিয়া গৰ্ডিয়ান গাঁঠিটো (Gordian Knot) খুলিবলৈ অক্ষম হৈছিল তেতিয়া তেওঁ নিজৰ চোকা তৰোৱালেৰে সেই গাঁঠিটো কাটি পেলাইছিল। অসামান্য প্ৰতিভা আৰু সাহসৰ অধিকাৰী নিলচ্ ব'ৰেও তাকেই কৰিলে। তেওঁ বেমাৰ নিৰাময় কৰিলে হয়, পিছে ৰোগীটোকে মাৰি পেলালে। ব'ৰৰ কথা হ'ল– যিকোনো উপায়েই ইলেকট্ৰনক নিউক্লিয়াচৰ ওপৰত পৰাৰ পৰা বচাবই লাগিব। We must prohibit it from falling into the nucleus. ইয়াকে কৰিবলৈ গৈ তেওঁ গভীৰ অন্তঃৰ্দিষ্টি আৰু তীক্ষ্ণ মেধাৰে দুটা স্বীকাৰ্য আগবঢ়ালে। প্ৰথমটো হ'ল– ইলেকট্ৰনবোৰে নিউক্লিয়াচৰ চাৰিওফালে এনে কিছুমান কক্ষপথত পৰিভ্ৰমণ কৰি ফুৰে যে তাত থাকিলে সিহঁতে শক্তি বিকিৰণ কৰিব




নালাগে অৰ্থাৎ সেই কক্ষপথবোৰত ঘূৰি ফুৰা ইলেকট্ৰনবোৰৰ ক্ষেত্ৰত মেক্সৱেলৰ বিদ্যুৎ গতি বিজ্ঞানৰ নিয়মসমূহ প্ৰযোজ্য নহয়। দ্বিতীয়টোৰ মতে– বাহিৰৰ কক্ষপথ এটাৰ পৰা নিউক্লিয়াচৰ কাষত থকা তলৰ কক্ষপথটোলৈ ইলেকট্ৰনে কোনো কাৰণ নোহোৱাকৈ স্বতঃস্ফূৰ্ত ভাবে জাঁপ মৰাৰ ফলতেই বিদ্যুৎ চুম্বকীয় তৰংগৰ (পোহৰ) বিকিৰণ হয়। এই স্বীকাৰ্য দুটাৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ হাইড্ৰজেন গেছৰ বৰ্ণালীসমূহৰ পৰিষ্কাৰ ব্যাখ্যা আগবঢ়ালে আৰু ৰাডাৰফৰ্ডৰ নিউক্লিয়াৰ এটম মডেলক স্থায়ী ৰূপ দিলে। কিন্তু ইয়াৰ চাইড্ এফেক্ট বৰ সাংঘাতিক হ'ল। যি ইলেকট্ৰনে বাহিৰত মেক্সৱেলৰ নীতিসমূহ আখৰে আখৰে পালন কৰে সেই ইলেকট্ৰনেই পৰমাণুৰ ভিতৰত মেক্সৱেলৰ নামেই নুশুনা হ'ল। আনহাতে কোনো কাৰণ নোহোৱাকৈয়ে ওপৰৰ কক্ষৰ পৰা তলৰ কক্ষলৈ ই জাঁপ মাৰে অৰ্থাৎ ক্লাছিকেল পদাৰ্থ বিজ্ঞানৰ মূলবস্তু-কজেলিটিৰ কথাও ই পাহৰি গ'ল। ব'ৰৰ এই স্বীকাৰ্যই পদাৰ্থবিদসকলৰ মাজত প্ৰচণ্ড আলোড়নৰ সৃষ্টি কৰিলে। এফালে তেওঁৰ স্বীকাৰ্যৰ অযৌক্তিকতা আৰু আনফালে অভূতপূৰ্ব সাফল্য। ইমানদিনে ক্লাছিকেল পদাৰ্থ বিজ্ঞানৰ ধ্যান-ধাৰণাৰে সুখেৰে বাস কৰি থকা পদাৰ্থবিদসকল চৰম বিপৰ্যয়ৰ সমুখীন হ'ল। সমসাময়িক লব্ধপ্ৰতিষ্ঠ পদাৰ্থবিদসকল ব'ৰৰ এই সাফল্যত কিদৰে স্তম্ভিত আৰু অসুখী হৈ পৰিছিল তলৰ উক্তি কেইটাই তাৰ কিছু আভাস দিব। আইনষ্টাইন হৈছিল সকলোতকৈ বেছি। তেওঁ মন্তব্য কৰিছিল– "If this is correct, it signifies the end of physics." চাৰ আৰ্থুৰ চুষ্টাৰে (Sir Arthur Schuster) মন্তব্য কৰিছিল– “মোৰ দৃঢ় বিশ্বাস যে এনে ধৰণৰ শিক্ষাই বিজ্ঞানৰ সুষ্ঠ প্ৰগতিত মৃত্যুসম বাধাৰ সৃষ্টি কৰিব।” অটো ষ্টাৰ্ণ (Otto Stern) আৰু মেক্স লাওৱে (Max Laue) প্ৰতিজ্ঞা কৰিছিল যে তেওঁলোকে পদাৰ্থ বিজ্ঞান চৰ্চাই বাদ দিব যদিহে "in that nonsense of Bohr's there is at least something." বিশেষ আপেক্ষিকতাবাদৰ লগত জৰিত বিখ্যাত লৰেন্টেজে (Lorents) দুখ কৰিছিল যে তেওঁ পাঁচ বছৰমান আগতে কিয় মৰি নগ'ল, পদাৰ্থ বিজ্ঞানৰ এই দুৰৱস্থা চাবলৈ তেওঁ কিয় বাচি থাকিল। আনকি ব'ৰ' নিজেও নৈৰাশ্য আৰু বিষাদত ভুগিছিল। হ'লেও কোনেও ব'ৰক ভুল বুলি প্ৰমাণ কৰিব পৰা নাছিল। ব'ৰৰ পিছত চমাৰফেল্ডকে আদি কৰি বহুতে এই তত্ত্বৰ উন্নতি সাধিলে আৰু পাছত হাইজেনবাৰ্গে মেট্ৰিক্স মেকানিকচৰ দ্বাৰা ইয়াৰ আচল গণিতীয় ভেটি স্থাপন কৰিলে। আইনষ্টাইনে কিন্তু কোনোপধ্যে ইয়াক গ্ৰহণ কৰিব নোৱাৰিলে। তেওঁৰ দৃঢ়বিশ্বাস আছিল যে প্ৰকৃতিৰ নিয়মত কেতিয়াও এনেকুৱা অসামঞ্জস্য থাকিব নোৱাৰে। সেই সময়ত তেওঁ সাধাৰণ আপেক্ষিকতাবাদৰ চিন্তাত মগ্ন থকা কাৰণেও ইয়াত অৱশ্যে খুব বেছি মনোনিবেশ কৰিব পৰা নাছিল। এই সময়লৈকে কোৱান্টাম তত্ত্বৰ যিখিনি হৈছিল তাক বৰ্তমান আমি প্ৰাচীন কোৱান্টাম তত্ত্ব (Old Quantum Theory) বুলি জানো।

ত্ৰিশৰ দশকৰ আৰম্ভণিৰ পৰা কিন্তু কোৱান্টাম তত্ত্বই আৰু আচৰিত ৰূপ লব আৰম্ভ কৰিলে। আগতেই উল্লেখ কৰা হৈছে যে বিশ্ববৰহ্মাণ্ডত আমি দুটা মাথো ভৌতিক সত্তাৰ (Physical Entity) সৈতে সমুখীন হওঁ– পদাৰ্থ (Matter) আৰু শক্তি (Energy or radiation.)। পদাৰ্থৰ কণিকাগত (Particle like) আৰু শক্তিৰ ঢৌসদৃশ (Wave like) ধৰ্ম থাকে। কিন্তু বিদ্যুৎ চুম্বকীয় বিকিৰণৰ যে দুয়োটা ধৰ্মই থাকে সেইকথা আইনষ্টাইনৰ ফটোইলেক্‌ট্ৰিক ঘটনৰ ব্যাখ্যাৰ পৰা ইতিমধ্যে প্ৰমাণ হৈ গৈছে। পদাৰ্থবিদসকলে প্ৰকৃতিৰ নিয়মবোৰত এক সমমিতি (Symmetry) আশা কৰে। সেয়েহে যদি পোহৰে, যাক আমি কেৱল ঢৌ বুলি ভাবি আছিলো, দুয়োটা ধৰ্মকে বহণ কৰিব পাৰে তেনেহলে পদাৰ্থ কিয় বঞ্চিত হব? লুই দ্যা ব্ৰই (Loui De Broglie) নামৰ ডেকা ফৰাচী বিজ্ঞানী এজনে সেয়েহে ১৯২৩ চনত এটা প্ৰকল্প আগবঢ়ালে যে পাৰমাণৱিক কণিকাবোৰেও (যেনে ইলেকট্ৰন) ঢৌৰ ধৰ্ম মানি চলে অৰ্থাৎ ইহঁতৰ লগতো এটা ঢৌ জৰিতত থাকিব লাগিব। অৰ্থাৎ পদাৰ্থৰ কণিকা সদৃশ (Particle like) আৰু ঢৌসদৃশ (Wave like) দুয়োটা ধৰ্মই আছে, যিদৰে বিকিৰণ অৰ্থাৎ পোহৰ আছে। কণিকাৰ লগত জৰিত থকা এই ঢৌক তেওঁ পদাৰ্থ ঢৌ (Matter Wave) নাম দিছিল। এয়েই লুই দ্যা ব্ৰইৰ বিখ্যাত তৰংগ-কণা দ্বৈতবাদ (Hypothesis on wave particle duality) প্ৰকল্প। এই প্ৰকল্পৰ ওপৰত ভিত্তি কৰিয়েই আৰ উইন স্ৰডিনজাৰ Erwin Schrodinger) নামৰ আন এজন বিজ্ঞানীয়ে পদাৰ্থৰ এই ঢৌৱে মানি চলা গণিতীয় সমীকৰণ বাহিৰ কৰি উলিয়ায়। এই মেটাৰ ৱেভ বুজাবলৈ স্ৰডিনজাৰে এটা ফলক ব্যৱহাৰ কৰিছিল যাক তেওঁ গ্ৰীক আখৰ চাই (Ψ)-ৰ দ্বাৰা বুজাইছিল; কিন্তু এই ফলকটোৱে দৰাচলতে কি বুজায় সেই সম্বন্ধে কোনো ভৌতিক ব্যাখ্যা আগবঢ়াব পৰা নাছিল। কিন্তু কিছুদিনৰ পিছতেই মেক্সবৰ্ণ (Max Born) নামৰ জাৰ্মানি পদাৰ্থবিদ এজনে ইয়াৰ ভৌতিক ব্যাখ্যা আগবঢ়ায়। এই ব্যাখ্যা মতে আমি ইলেকট্ৰনৰ দৰে পাৰমাণবিক কণিকা এটাৰ অৱস্থান সঠিককৈ জানিব নোৱাৰো। কোনো এক সময়ত কোনো এক অৱস্থানত কণিকাটো থকাৰ কিমান সম্ভাৱনা (Probability) আছে সেইটোহে ক'ব পাৰো; কিন্তু কণিকাটো সেই স্থানত থাকিবনে নাথাকে সেই কথা খাটাংকৈ কেতিয়াও ক'ব নোৱাৰো। অৰ্থাৎ প্ৰকৃতিৰ নিয়মৰ মাজতো জুৱা খেলাত থকা সম্ভাৱনা অসম্ভৱনাৰ দৰে নিয়ম সোমাই পৰিল। বৰ্ণৰ এই ব্যাখ্যাই ক্লাছিকেল পদাৰ্থ বিজ্ঞানৰ গা-গছ উভালিবৰ উপক্ৰম কৰিলে। নিউটনৰ সূত্ৰসমূহৰ যি নিৰ্ধাৰ্য্যতা (determinism) — অৰ্থাৎ এক নিৰ্দ্দিষ্ট সময়ত জনা থাকিলে ভৱিষ্যত সকলো সময়তে পদাৰ্থ কণা এটাৰ অৱস্থান, ভৰ বেগ ইত্যাদি সঠিককৈ জনা সম্ভৱ– এই নীতি বৰ্ণৰ ব্যাখ্যাই মষিমূৰ কৰি পেলালে। সৃষ্টিৰ অন্তৰালত থকা এই নিৰ্ধাৰ্য্যতা নীতিৰ (Principle of determinism) ওপৰত আইনষ্টাইনকে আদি কৰি যিসকল পদাৰ্থ বিজ্ঞানীয়ে গভীৰভাবে বিশ্বাস কৰিছিল তেওঁলোকৰ ওপৰত বৰ্ণৰ এই ব্যাখ্যাই আকৌ এবাৰ গভীৰ আঘাত হানিলে। প্ৰবন্ধৰ নামকৰণেৰে ক'ব খোজা দুখৰ পাতনি দৰাচলতে ইয়াতেই আৰম্ভ হয়।

তেওঁলোকে এই ব্যাখ্যা সহজে গ্ৰহণ কৰিব নোৱাৰিলে। কোৱান্টাম মেকানিক্‌চৰ এই ব্যাখ্যাক কেন্দ্ৰ কৰি লগে লগে পদাৰ্থবিদ সকলৰ মাজত দুটা মেৰুৰ সৃষ্টি হ'ল। এফালে নিলচ্ ব'ৰক কেন্দ্ৰ কৰি মেক্সবৰ্ণ, পাউলি, হাইজেনবাৰ্গ প্ৰমুখ্যে বয়সত কিছু নবীন বিজ্ঞানীসকল আৰু আনফালে আইনষ্টাইনক কেন্দ্ৰ কৰি বয়সত কিছু প্ৰবীণসকল। স্ৰডিনজাৰ নিজে কোৱান্টাম মেকানিকচৰ জনক হ'লেও তেওঁ কিন্তু নিজে আইনষ্টাইনৰ ফলিয়াই আছিল আৰু এই ব্যাখ্যাত অতি চকিত হৈছিল। স্ৰডিনজাৰে হেনো বাৰে বাৰে পাছত ব'ৰৰ ওচৰত ব্যক্ত কৰিছিল যে এনেকুৱা এটা ফলাফলৰ সম্ভাৱনাৰ কথা জনা হ'লে তেওঁ তেওঁৰ প্ৰথম পেপাৰখনকে প্ৰকাশ নকৰিলেহেঁতেন। আন এজন বিখ্যাত কোৱান্টাম পদাৰ্থবিদ পল এহৰেনফাষ্টে (Paul Ehrenfest) হুকহুকাই কান্দি পেলাইছিল যে তেওঁ এতিয়া ব'ৰ আৰু আইনষ্টাইন এই দুই বীৰৰ মাজত যিকোনো এজনকহে বাছি লবলগীয়া হ'ল। ঠিক এই সময়ৰ পৰাই আৰম্ভ হয় পদাৰ্থ বিজ্ঞান ইতিহাসৰ অমূল্য সম্পদ বিখ্যাত ব'ৰ-আইনষ্টাইনৰ তৰ্ক (Bohr-Einstein debate) [illegible] বৰ্ণ আৰু আইনষ্টাইনৰ মাজতো [illegible]খ্যাক কেন্দ্ৰ কৰি অলেখ চিঠিপত্ৰৰ আদান-প্ৰদান হৈছিল। বৰ্ণলৈ লিখা (ডিচেম্বৰ, ১৯২৬ চন) তেনে এখন চিঠিতেই আইনষ্টাইনে তেওঁৰ সেই বহু বিতৰ্কিত উক্তিটো কৰিছিল- "Quantum mechanics is very impressive. But an inner voice tells me that it is not yet the real thing. I am at all events convinced that He does not play dice."

নিজৰ ব্যাখ্যাৰ ওপৰত বিশ্বাস থাকিলেও আইনষ্টাইনৰ এই উক্তিত বৰ্ণ প্ৰমুখ্যে সকলো কিন্তু বেছ হতাশ হ'ল। যুদ্ধ ক্ষেত্ৰত প্ৰধান সেনাপতিয়ে অস্ত্ৰ সম্বৰণ কৰি যুদ্ধক্ষেত্ৰ ত্যাগ কৰিলে সাধাৰণ সেনানীৰ যি অৱস্থা হয় প্ৰায়বোৰৰে অৱস্থা তেনেকুৱাই হ'ল। অৰ্জুনক মান্তি কৰাবৰ কাৰণে এজন শ্ৰীকৃষ্ণৰ প্ৰয়োজন। ক'ত পায় সেই শ্ৰীকৃষ্ণক ? কিন্তু লাগিবই, আইনষ্টাইনৰ স্বীকৃতি অবিহনে এই কাম কেতিয়াও সম্ভৱ নহয়, আইনষ্টাইনৰ স্বীকৃতি লাগিবই।

কিন্তু কৰ্ণৰূপী হাইজেনবাৰ্গৰ হাতত আইনষ্টাইনৰ আৰু দুৰৱস্থা হ'ল। ১৯২৭চনৰ মাৰ্চ মাহত তেওঁ বিখ্যাত অনিশ্চয়তাবাদৰ সূত্ৰ (Principle of indeterminism বা Uncertainty principle) উদ্ভাৱন কৰিলে। এটা কাল্পনিক পৰীক্ষাৰ (Thought Experiment) সহায়ত তেওঁ দেখুৱায় যে একে সময়তে পদাৰ্থ কণাৰ অৱস্থান আৰু ভৰ বেগ দুয়োটাকে সঠিকভাৱে (exactly) জনাটো কেতিয়াও সম্ভৱ নহয়। প্ৰকৃতিয়ে ইয়াক বাৰণ কৰিছে। আমি যদি কণাটোৰ যেনে ইলেকট্ৰন এটাৰ অৱস্থানটো সঠিককৈ (exactly) জানিব যাওঁ তেতিয়াহলে তাৰ ভৰবেগৰ তথ্য সম্পূৰ্ণভাৱে হেৰাই পেলাম, আনহাতে ভৰবেগ যদি সঠিককৈ জানিব যাওঁ তেতিয়াহ'লে ইলেকট্ৰনটো ক'ত থাকিব সেই বিষয়ে একোৱে ক'ব নোৱাৰিম। দুয়োটা তথ্য একেলগে জানিবলৈ গ'লে দুয়োটাতে কিছু ভুল থাকি যাবই। ক্লাছিকেল পদাৰ্থ বিজ্ঞানৰ মতে এটা সময়ত পদাৰ্থ কণাটোৰ অৱস্থান আৰু ভৰবেগ জনা থাকিলে ভৱিষ্যতে সকলো সময়তে সেই বিষয়ে জনা সম্ভৱ- অনিশ্চয়তাবাদ সূত্ৰই এই ধাৰণাৰ গুৰিতেই ধৰিলে এইবাৰ। এই নীতি মতে একে সময়তে অৱস্থান আৰু ভৰবেগ দুয়োটাকে সঠিকভাৱে জনাটোৱেই অসম্ভৱ হৈ পৰিল। ইয়াৰ কিছুদিন পিছতেই নিলচ্ ব'ৰে তেওঁৰ পৰিপূৰকতা নীতিৰ (Principle of complementarity) উত্থাপনেৰে কোৱান্টাম মেকানিকচৰ এই ব্যাখ্যাক আৰু এক দৃঢ় ৰূপ দিলে। ব'ৰৰ এই পৰিপূৰকতা নীতিৰ গভীৰতা আৰু ব্যাপকতা সংক্ষেপতে কোৱা বা বুজা সহজ নহয়। পদাৰ্থ বিজ্ঞানৰ সীমা অতিক্ৰম কৰি বিজ্ঞানৰ বেলেগ বেলেগ শাখাতো ই বৰ্তমান ব্যৱহৃত হব ধৰিছে। ইয়াৰ মাত্ৰ মূল কথা এষাৰ ক'ব পাৰি এইদৰে যে- পদাৰ্থ-কণা এটাৰ অৱস্থান আৰু ভৰবেগ সঠিক ভাৱে একেটা পৰীক্ষাৰ পৰাই জনাটো সম্ভৱ নহয় সঁচা, কিন্তু পদাৰ্থ-কণাটোৰ বিষয়ে ভালদৰে জানিবলৈ হ'লে আমাক দুয়োটা তথ্যৰে প্ৰয়োজন, এটা তথ্য আনটোৰ পৰিপূৰকহে (Complementary), ব্যতীত নহয়। এই সন্দৰ্ভত Allan Watts-ৰ এষাৰ উক্তি দৃষ্টিদায়ক- "You can never have the use of the inside of the cup without the outside. The inside and the outside go together. They're one" কেৱল মাথো পদাৰ্থ বিজ্ঞানীৰ মনস্তত্ত্বৰেই এনেকুৱা এটা বৃহৎ সূত্ৰৰ উদ্ভাৱণ সম্ভৱ নাছিল। ডেনিচ দাৰ্শনিক কিৰ্কগাৰ্ডে ব'ৰৰ ওপৰত কৰা প্ৰভাৱৰ ফলতেই কিশোৰ কালতেই ব'ৰৰ মনত হেনো এই সূত্ৰৰ গজালি মেলিছিল।

ব'ৰৰ পৰিপূৰকতা নীতি, হাইজেনবাৰ্গৰ অনিশ্চয়তাবাদ সূত্ৰ, স্ৰডিনজাৰৰ থিয়ৰি আৰু লুই দ্যা ব্ৰইৰ প্ৰকল্পই কোৱান্টাম মেকানিকচৰ স্বাস্থ্য সবল কৰি তুলিলে। কিন্তু ব'ৰ আৰু আইনষ্টাইনৰ যুক্তিতৰ্কৰ কটাকটিৰ ওৰ নপৰিল; ই অবিৰাম গতিত চলি থাকিল। আইনষ্টাইনে কয়- "God does not play dice" ব'ৰে উত্তৰ দিয়ে- "Who are you to dictate God." ১৯২৭ চনৰ অক্টোবৰ মাহত অনুষ্ঠিত হোৱা পঞ্চম চলভে কনফাৰেঞ্চত (5th Solvay Conference) এই তৰ্কই চূড়ান্ত ৰূপ ললে। এই কনফাৰেঞ্চত প্লাংক, আইনষ্টাইন, লুই দ্যা ব্ৰই, ব'ৰ, হাইজেনবাৰ্গ, পাউলি, স্ৰডিনজাৰ, ডিৰাককে আদি কৰি কোৱান্টাম মেকানিকচৰ আটাইকেইজন পিতৃ-পুৰুষেই উপস্থিত আছিল। আইনষ্টাইনে মিটিঙত বিশেষ একোৱেই নামাতিছিল; কিন্তু প্ৰতিদিনে ৰাতিপুৱাই ব্ৰেকফাষ্ট টেবুলত একো একোটা অভিনৱ কাল্পনিক পৰীক্ষাৰ উত্থাপন কৰি কোৱান্টাম মেকানিকচৰ সম্ভাৱ্যতা ব্যাখ্যা (Probability interpretation) ভুল বুলি দেখুৱাই দিছিল। পাউলি আৰু হাইজেনবাৰ্গে আইনষ্টাইনৰ কথাত সিমান মন নিদিছিল, কেৱল মাথো "সব ঠিক হৈ যাব, সব ঠিক হৈ যাব" বুলি কৈছিল। ব'ৰে কিন্তু আইনষ্টাইনৰ যুক্তিবোৰ মনোযোগেৰে শুনে, গভীৰভাৱে চিন্তা কৰে আৰু পাছত গধূলিৰ খোৱা টেবুলত সকলোৰে আগত সুন্দৰভাৱে আইনষ্টাইনৰ যুক্তি খণ্ডন কৰে। আইনষ্টাইনেও হাৰ নামানে। প্ৰতি দিনেই নতুন নতুন যুক্তিৰ উদ্ভাৱন। এই তৰ্ক ১৯৩০ চনত বহা ৬ষ্ঠ চলভে কনফাৰেঞ্চলৈ চলিল। এইবাৰ আইনষ্টাইনে এনেকুৱা এটা কাল্পনিক পৰীক্ষাৰ কথা ভাবি উলিয়ালে যে ব'ৰে তাৰ প্ৰত্যুত্তৰ বিচাৰি নোপোৱা হ'ল। ব'ৰ বেছ অস্থিৰ হৈ পৰিল, গোটেই দিনটো ইজনৰ পৰা সিজনৰ ওচৰত গ'ল, সকলোকে অনুৰোধ কৰিলে যে আইনষ্টাইনক যিকোনো প্ৰকাৰে বুজাই দিয়ক যে এইটো কেতিয়াও হব নোৱাৰে, এইটো কেতিয়াও হব নোৱাৰে, আইনষ্টাইনৰ যুক্তি শুদ্ধ হ'লে পদাৰ্থ বিজ্ঞানেই শেষ হৈ যাব। আনকি আইনষ্টাইনৰ পাছে পাছেও অস্থিৰ হৈ ঘূৰি ফুৰিব ধৰিলে। কিন্তু গোটেই নিশা চিন্তা কৰাৰ পাছত তেওঁ উত্তৰ বিচাৰি পালে আৰু পিছদিনা ৰাতিপুৱাই হাতত কাগজ কলম লৈ দেখুৱাই দিলে যে আইনষ্টাইন ভুল। সেই ঘটনাৰ পাছৰ পৰা আইনষ্টাইনে আৰু ব'ৰৰ কথাৰ প্ৰতিবাদ নকৰা হ'ল। শেষত ব'ৰৰ গ্ৰুপৰেই জয় হ'ল। ব'ৰে আগবঢ়োৱা ব্যাখ্যাকেই সকলোৱে কোৱান্টাম মেকানিকচৰ সঠিক ব্যাখ্যা বুলি গ্ৰহণ কৰিলে। এই ব্যাখ্যা বৰ্তমানে কোপেনহেগেন ব্যাখ্যা (Copenhagen Interpretation) বুলি জনাজাত।

যুক্তি আৰু বুদ্ধিৰ প্ৰতি সন্মান জনাই আইনষ্টাইনে কোৱান্টাম মেকানিকচৰ এই ব্যাখ্যা গ্ৰহণ কৰিলে সঁচা, কিন্তু তেওঁৰ হৃদয়ে পূৰাকৈ তাক মানি লব নোৱাৰিলে। আইনষ্টাইনে প্ৰকৃতিৰ নিয়ম কেৱল মাথো বুদ্ধি আৰু মগজুৰেই বুজিব চেষ্টা কৰা নাছিল, হৃদয়েৰেও তাক অনুভৱ কৰিব চেষ্টা কৰিছিল। মগজুত সৃষ্টি হোৱা যুক্তি, তৰ্ক আৰু গণিতৰ সমীকৰণে যেতিয়া বেহেলা বজোৱা আইনষ্টাইনৰ হৃদয়তন্ত্ৰীৰ নেদেখা তাঁৰবোৰত বেসুৰাৰ সৃষ্টি কৰিছিল তেতিয়াই তেওঁৰ কষ্ট হৈছিল। এই কষ্ট আৰু বেদনাই আইনষ্টাইনৰ জীৱনৰ শেষৰ তিনিটা দশকৰ কাম-কাজ নিয়ন্ত্ৰণ কৰিছিল। কোৱান্টাম মেকানিকচক ভুল বুলি ক'বলৈ এৰিছিল, আনকি ব'ৰৰ গভীৰ প্ৰশংসাও কৰিছিল। পুৰণা দিনৰ স্মৃতি সুঁৱৰি ১৯৪৯ চনত লিখিছিল- "It always seemed a miracle to me that this vacillating and quite contradictory basis turned out sufficient to enable Bohr- a man of brilliant intuition and keen perceptibility- to find the predominant laws of spectral lines and the electron shells of atoms. This still seems to be a miracle to me. It is a manifestation of the highest form of musicality in the realm of thought." কিন্তু তেওঁ বিশ্বাস কৰিছিল যে কোৱান্টাম মেকানিকচ্ সম্পূৰ্ণ নহয়, ইয়েই শেষ সত্য হব নোৱাৰে। ইয়াতকৈও গভীৰতাত এনে এটি সত্য, এনে এটি তত্ত্ব প্ৰকৃতিয়ে লুকাই ৰাখিছে যিটোৰ পৰা কোৱান্টাম মেকানিকচৰ নিয়মসমূহ অনুসিদ্ধান্ত হিচাপে বাহিৰ কৰিব পাৰি। সেই গভীৰতাত আচলতে সকলোৱেই নিৰ্ণয়তাবাদ মানি চলে, কোৱান্টাম মেকানিকচৰ নিয়মসমূহ তাতকৈ পাতল গভীৰতাত সেই নিৰ্ণায়ক (deterministic) নিয়মসমূহৰ পাৰিসাংখ্যিক ব্যাখ্যাহে। ভগৱানে আচলতে জুৱা নেখেলে কিন্তু আমাৰ [illegible]জ্ঞতাৰ বাবেহে তেনে দেখা পাওঁ। [illegible]য়েহে তেওঁ সকলোবোৰ আকৌ গুৰিৰ পৰা আৰম্ভ কৰিব খুজিছিল আৰু সকলোবোৰ তত্ত্বকে সামৰি লোৱা এটা একত্ৰীকৰণ তত্ত্বৰ সন্ধানত জীৱনৰ পিছৰ ছোৱা কাল নিজকে ব্যস্ত ৰাখিছিল। তেওঁ জানিছিল যে এই পথ অতি দীঘলীয়া আৰু অসম্ভৱ ধৰণে কঠিন হব, কিন্তু সেইবোৰলৈ তেওঁ সমূলি ভয় কৰা নাছিল। এই যাত্ৰাত শেষলৈ তেওঁ প্ৰায় নিসংগ যাত্ৰী হৈ পৰিছিল। ('ৰবি ঠাকুৰে জানো কেতিয়া লেখিছিল তেওঁৰ সেই কবিতা ?) বৰ্ণলৈ এবাৰ লিখিছিল- "I feel sure that you do not understand how I came by my lonely ways." আন দুজনমান বন্ধুলৈকে লিখিছিল এইদৰে- "I have become an obstinate heretic in the eyes of my colleagues. I am generally regarded as a sort of petrified object, rendered blind and deaf by the years. I find this role not too distasteful, as it corresponds very well with my temperament. ........ The essential of being a man of my type lies precisely in what he thinks and how he thinks, not in what he does or suffers." আইনষ্টাইন আইনষ্টাইনেই আছিল ! সমালোচনা আৰু ব্যৰ্থতাই তেওঁক নিজৰ একান্ত আপোন পথৰ পৰা বিৰত কৰিব পৰা নাছিল। "The path may be wrong, but it must be tried." জীৱনৰ অন্তিম মুহূৰ্তলৈকে অন্তৰৰ এই বেদনা আঁতৰ কৰিবলৈ চেষ্টা কৰিছিল। লক্ষ্য যদিও বহুত দূৰৈত তথাপি তাৰ অন্বেষণেই আছিল তেওঁৰ বাবে আপুৰুগীয়া সম্পদ। মৃত্যুৰ মাত্ৰ এমাহ আগতে (March 1955) লিখা তেওঁৰ শেষ কথাষাৰো আছিল এনেধৰণৰ- "The aspiration to truth is more precious than its assured possession."

আইনষ্টাইনৰ এই ইঙ্গিত সত্য প্ৰকাশ হয়নে নহয়, তেওঁৰ দুখ মোচন হয়নে নহয় কোনেও নাজানে, কিন্তু বৰ্তমানে তাত্ত্বিক পদাৰ্থ বিজ্ঞানৰ এক গৰিষ্ঠসংখ্যক অতি মেধাবী বিজ্ঞানী একত্ৰীকৰণৰ কামত উত্তেজিত ভাৱে ব্যস্ত হৈ আছে। সময়ে সকলো ক'ব। এই সন্দৰ্ভত লুই দ্যা ব্ৰইৰ এষাৰ কথাৰে প্ৰবন্ধৰ সামৰণি মাৰিব খুজিছো- To try to stop all attempts to pass beyond the present viewpoint of quantum physics could be very dangerous for the progress of science and would furthermore be contrary to the lessons we may learn from the history of science. This teaches us, in effect, that the actual state of our knowledge is always provisonal and that there must be, beyond what is actually known, immense new regions to discover."

# অসমঃ বৰ্তমান আৰু ভৱিষ্যত (৮)

সুজিৎ চৌধুৰী

স্বাধীনতাৰ প্ৰশ্নটো বাতিল কৰিলে অসম সম্পৰ্কে সকলো চিন্তা ভাবনা শেষ হৈ যাব। স্বাধীনতাৰ বাসনা অসমৰ জনচেতনাত সঞ্চাৰিত হৈ গৈছে। তাৰ পৰা সেই বাসনা সহজে নিৰ্মূল কৰা সম্ভৱ নহয়। যিটো সম্ভৱ হ'ব পাৰে সেইটো হ'ল জনচেতনাত সঞ্চাৰিত হোৱা স্বাধীনতাৰ বাসনাৰ কাৰণবোৰ নিৰ্ণয় কৰি তাক এটা বাঞ্ছিত গতিপথলৈ প্ৰবাহিত কৰাৰ ব্যৱস্থা কৰা। অসমীয়া মানসত যিবোৰ ক্ষোভক ভিত্তি কৰি বিচ্ছিন্নতাবাদৰ বিস্তাৰ ঘটোৱা সম্ভৱ হৈছে, তাৰ উপাদান মূলতঃ দুটি। ১) পৰিসংখ্যাই যিহকেই নকওক কিয়, সাধাৰণ মানুহৰ মনত এই বিশ্বাস অতি দৰ্লৈকে শিপাইছে যে অৰ্থনৈতিক ক্ষেত্ৰত অসম কেন্দ্ৰৰ দ্বাৰা বঞ্চিত হৈছে। ২) অসমীয়া জাতি সত্তাৰ ভৱিষ্যত নিৰাপদ নহয় – এই আশঙ্কাও মানুহৰ মনত অতি দৰ্লৈকে শিপাইছে – তেহেঁলে লাগে এই আশঙ্কাৰ কিবা বাস্তৱ ভিত্তি থাককেই বা নাথাককেই। বিচ্ছিন্নতাবাদৰ এই দুটা উপাদান সম্পৰ্কে অসমত এটা স্বস্তিৰ পৰিবেশ গঢ়ি তুলিব নোৱাৰিলে এই ৰাজ্যলৈ স্বাভাৱিক পৰিবেশ ঘূৰি অহাৰ আশা কম। নকলেও হ'ব যে বাস্তৱ পৰিস্থিতিৰ সঠিক বিশ্লেষণ আৰু সেই অনুযায়ী কাৰ্যপন্থা নিৰূপণ কৰিব পাৰিলেহে তেনে এটা স্বস্তিৰ পৰিবেশ সৃষ্টি কৰাৰ কাম আৰম্ভ কৰা সম্ভৱ।

প্ৰথম উপাদানটি পৰীক্ষা কৰিলে দেখা যাব যে ৰাজ্যৰ এই গড়মূৰি কেন্দ্ৰীয় সাহায্য অন্য ৰাজ্যৰ তুলনাত বেছি হোৱা সত্বেও বঞ্চনাৰ এই অনুভৱ পৰিব্যাপ্ত। কৌতূহলৰ বিষয় যে অগপ-ৰ শাসনকালতেই কেন্দ্ৰীয় অনুদান আৰু তেলৰ ৰয়েল্টিও যথেষ্ট পোৱা গৈছিল। অথচ বঞ্চনাৰ অনুভৱৰ পৰা উদ্ভুত স্বাধীনতাৰ আকাঙ্খাই এই সময়ছোৱাতেই আটাইতকৈ বেছি প্ৰসাৰ লাভ কৰিছিল। অনিবাৰ্যভাৱে এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে কেন্দ্ৰীয় অনুদানৰ হ্ৰাস-বৃদ্ধিৰ সৈতে বঞ্চনাৰ উপলব্ধিৰ কোনো আনুপাতিক সম্পৰ্ক নাই। ইয়াৰ লগত আন এক সত্যও প্ৰকট হৈ উঠিছে। সেইটো হ'ল ৰাজ্যিক অৰ্থভাণ্ডাৰৰ পৰিমাণগত বৃদ্ধি মানেই ৰাজ্যৰ জনসাধাৰণৰ আনুপাতিক স্বাচ্ছন্দ্য বৃদ্ধি নহয়। মূলতঃ দুটা কাৰণে সাম্প্ৰতিকতম ক্ষোভৰ বৃদ্ধি ঘটাইছে। ১) অসম আন্দোলনে এটা প্ৰত্যাশাৰ স্বপ্নৰ জন্ম দিছিল। চুক্তি স্বাক্ষৰক যেতিয়া সাফল্যৰ দ্যোতক হিচাপে চিহ্নিত কৰা হ'ল তেতিয়া সেই প্ৰত্যাশাৰ অন্তত আংশিক পূৰণৰ সম্ভৱনাত সকলোৱে উদগ্ৰীৱ হৈ প্ৰতীক্ষা কৰিছিল। আন্দোলনৰ নেতৃত্বই কিন্তু ৰাজ্যৰ শাসনভাৰ হাতত লৈ সেই দিশত প্ৰাথমিক পদক্ষেপো লব নোৱাৰিলে। বিশেষকৈ সমাজৰ বঞ্চিত চামে পৰিবৰ্তনৰ কোনো আভাসো বিচাৰি নাপালে। এতিয়া প্ৰশ্ন হ'ব, বৰ্দ্ধিত আয়ৰ অংশখিনিৰ তেনেহলে কি হ'ল ? কোনো গৱেষণা নকৰাকৈয়ে এই সত্য উৎঘাটন কৰা সম্ভৱ যে যি সুবিধাভোগী শ্ৰেণীটোৱে ৰাজ্যিক অৰ্থভাণ্ডাৰৰ ওপৰত নিয়ন্ত্ৰণ বজায় ৰাখে, ইয়াৰ সিংহভাগ তেওঁলোকৰ হাতলৈ গৈছে আৰু নতুন প্ৰাপ্তিৰ অংশীদাৰ হৈছে সদ্যউত্থিত ৰাজনৈতিক মুৰব্বী আৰু তেওঁলোকৰ সহচৰবৃন্দ। এই নতুন অংশীদাৰ সকলৰ সম্পদ বৃদ্ধিত পৰিস্থিতিৰ গুণগত পৰিবৰ্তন যিখিনি হৈছে তাৰ কথা আগেয়ে উল্লেখ কৰিছো। কিন্তু বঞ্চনাবোধ সঞ্চাৰিত কৰাৰ ক্ষেত্ৰত এওঁলোকৰ যে এটা ভূমিকা আছে সেই কথাটো কোৱা প্ৰয়োজন। আত্মৰক্ষাৰ প্ৰয়োজনতেই জনগণৰ দৃষ্টি অইনপিনে ঢাল খুওৱা অতি জৰুৰী আছিল। এই প্ৰসঙ্গত এইটো উল্লেখযোগ্য যে কেন্দ্ৰীয় বঞ্চনাৰ কথা অগপ দলৰ পক্ষে তেনেকৈ মুকলিকৈ কোৱাটো সম্ভৱ নাছিল। কাৰণ কেন্দ্ৰৰ পৰা যে অধিক আদায় হৈছে, এইটোও অগপ-ৰ ৰাজনৈতিক প্ৰচাৰ আছিল। এই ক্ষেত্ৰত জনমতক অন্যফালে প্ৰবাহিত কৰাৰ ক্ষেত্ৰত আছু আৰু আল্‌ফাই উল্লেখযোগ্য ভূমিকা লৈছিল। আছুৱে কেন্দ্ৰীয় ৰাষ্ট্ৰায়ত্ত প্ৰতিষ্ঠান, বিশেষকৈ অইল ইণ্ডিয়া আৰু অইল এণ্ড নেচাৰেল গেচ কমিচনৰ বিৰুদ্ধে স্থায়ী বিক্ষোভৰ ধাৰা অব্যাহত ৰাখিছিল। আনফালে আল্‌ফাই সেই দিশত দৃষ্টি নিক্ষেপ কৰিলে যিসকলে অসম আন্দোলনৰ সময়ত ৰেহাই পাইছিল।

আন্দোলনকালত ৰাজ্যৰ চাহ বাগানবোৰে বন্ধৰ পৰা সদায় ৰেহাই পাইছিল। আনহাতে মাৰোৱাৰী ব্যৱসায়ী সকলৰ সৈতে আছুই এক সহযোগিতা ৰক্ষা কৰি চলিছিল। আনকি কামৰূপ চেম্বাৰ্চ অব কমাৰ্চৰ সভাপতিৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত আছুৱে বিবৃতি পৰ্যন্ত দিছিল। আল্‌ফাই এই ব্যৱসায়ী শ্ৰেণীটো আৰু চাহ বাগানৰ মালিক সকলক ভাৰতীয় শোষণৰ মুখ্য প্ৰতিভূ হিচাপে চিহ্নিত কৰিলে আৰু তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ আৰম্ভ কৰিলে। ইয়াকে লৈ এনেকুৱা কিছুমান নাটকীয় ঘটনা সংঘটিত হ'ব ধৰিলে যে কেন্দ্ৰীয় চৰকাৰী অনুদানৰ প্ৰশ্নটো একেবাৰেই তল পৰি গ'ল। আৰু এই বৰ্দ্ধিত অনুদানৰ প্ৰধান অংশটো যিসকলে ভোগ কৰিবলৈ ধৰিলে তেওঁলোকৰ সৈতে আল্‌ফাই এক সুবিধাবাদী সম্পৰ্কহে গঢ়ি তুলিলে। উল্লেখনীয় যে কেন্দ্ৰীয় অনুদানৰ এই বৰ্দ্ধিত অংশটোক বন্টনৰ প্ৰশ্ন লৈ ৰাজ্যৰ সচেতন সংবাদপত্ৰ সমুহতো চকুত পৰা কোনো বিশেষ আলোচনা নহ'ল। ফলত কেন্দ্ৰৰ বঞ্চনা, ৰাষ্ট্ৰায়ত্ত কেন্দ্ৰীয় প্ৰতিষ্ঠান সমূহৰ সম্পৰ্কে উত্থিত অভিযোগ আৰু এক শ্ৰেণীৰ ব্যৱসায়ীৰ মুনাফাবাজী – এই সকলোবোৰ কথাই জনমানসত একাকাৰ হৈ কেন্দ্ৰৰ বঞ্চনাৰ কাহিনীটোকেই শক্তিশালী কৰি তুলিলে।

অনুদান আৰু ইয়াৰ বন্টনৰ মাজত যে এটা তফাৎ থাকি গ'ল আৰু সেই তফাতেই যে বঞ্চনাৰ উপলব্ধিক এক স্বতঃসিদ্ধ সত্যৰ পৰ্যায়ত লৈ গ'ল এই কথাটো তেনেকৈ ক'তো উত্থাপিত নহ'ল। তাৰো একাধিক কাৰণ আছে। প্ৰথম, যিসকল বুদ্ধিজীৱীয়ে এইধৰণৰ বিশ্লেষণ কৰিব পাৰে তাৰেই বুজন অংশই কিবা প্ৰকাৰে এই ধনৰ অংশীদাৰ হৈ আছে। তেওঁলোকে আল্‌ফাৰ হৈ অস্ত্ৰ ধৰিবলৈ নাযায় ঠিক, কিন্তু আল্‌ফাৰ দৰে সংগঠন এটা সক্ৰিয় হৈ থাকিলে কেন্দ্ৰৰ সৈতে দৰদাম কৰাৰ ক্ষেত্ৰত যি সুবিধা হ'ব তাৰ সুযোগ লবলৈ তেওঁলোক সদায় তৎপৰ। দ্বিতীয়, এই ধৰণৰ বিশ্লেষণ বাওঁপন্থী বুদ্ধিজীৱীসকলে কৰিব পাৰিলেহেঁতেন। বস্তুতঃ তেওঁলোকৰ শ্ৰেণীভিত্তিক পৰ্যালোচনাৰে এই ধৰণৰ অসম বন্টনৰ ক্ষেত্ৰবোৰ চিহ্নিত কৰিবলৈ তেওঁলোকে খুব ভালকৈ পাৰিলেহেঁতেন। তেওঁলোকৰ বিশ্লেষণৰ ঐতিহ্যই এনেকুৱা যান্ত্ৰিক যে আচল সত্যই আঁৰত থাকি যায়। সহজ সত্যটোও; জটিল বাক্যৰ মাজত হেৰাই যায়। তৃতীয়, এনেধৰণৰ সত্য উন্মোচনত আপাতকালীন মুহূৰ্তত জনচেতনাক বিপথে পৰিচালিত কৰিবলৈ ৰাজ্যৰ সুবিধাভোগী শ্ৰেণীটোৱে এনে একোটা মেকানিজম্ তৈয়াৰ কৰিবলৈ সক্ষম হৈছে; ৰাজ্যৰ খণ্ডিত জনবিন্যাসেও এই ক্ষেত্ৰত তেওঁলোকৰ সহায়ক হৈ পৰিছে।

এনেহেন পৰিস্থিতিত বাস্তৱ অৱস্থাৰ প্ৰকৃত বিশ্লেষণ আৰু তাৰ সাৰাংশ জনসাধাৰণৰ মাজলৈ পৌছাই দিয়া কামটো বৰ সহজসাধ্য নহয়। আলোচনাৰ প্ৰথম পৰ্যায়তেই মই কৈছো যে অসমীয়া বুদ্ধিজীৱী সমাজৰ হাতত জনমতক প্ৰভাৱিত কৰাৰ যথেষ্ট ক্ষমতা আছে। কিন্তু তাৰ বিনিময়ত জনমতৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ দুৰ্বলতাও তেওঁলোকে মানি লব লাগিব। এনেকুৱা পৰিবেশত জনপ্ৰিয়তা বজাই ৰখাৰ তাগিদাটোও তেওঁলোকৰ অৱশ্যম্ভাৱী কৰ্তব্যৰ তালিকাত অন্তৰ্ভূক্ত হৈ পৰে। অসমীয়া জনমানসৰ গভীৰত এনে কিছুমান ধাৰণা দৃঢ়মূল হৈ আছে যিবোৰ পূৰ্ববৰ্তী প্ৰজন্মৰ বুদ্ধিজীৱীসকলে কৃত্ৰিম উপায়েৰে ৰোপণ কৰিছিল; আৰু এই সম্পৰ্কে নিৰপেক্ষ বিশ্লেষণ কৰাৰ প্ৰতি পৰবৰ্তী প্ৰজন্মৰ বুদ্ধিজীৱীসকল অনিচ্ছুক, কাৰণ এনে কৰিলে জনপ্ৰিয়তা হেৰুওৱাৰ ভয় আছে। দেশৰ অন্যান্য অংশৰ অৱস্থা যে অসমতকৈ খুব ভাল সেইটো সঁচা নহয়, কিন্তু অসমত এনেকুৱা এটা পৰিবেশ বিৰাজ কৰিছে যে বুদ্ধিজীৱী আৰু জনসাধাৰণৰ সম্পৰ্কটো ইয়াত অতি ঘনিষ্ঠ আৰু কাৰ্যকৰ; কাজেই সামাজিক উত্তাপ আৰু বিভ্ৰম সৃষ্টি কৰাত ই সহায়ক হৈ উঠিছে। আৰু যিসকলে সোঁতৰ বিপৰীতে কলম চলায় তেওঁলোকৰো দুৰ্গতিৰ সীমা নাথাকে। আমি যেনেকুৱা এটা বিশ্লেষণ বিচাৰো সি সোঁতৰ বিপৰীতে যাব; গতিকে যিয়ে এই কামটো কৰিব তেওঁ বা তেওঁলোকে যথেষ্ট ৰিস্ক লৈ এই কাম কৰিব লাগিব।

আৰু এটা কথাও এই ক্ষেত্ৰত কোৱা দৰকাৰ অসমৰ বঞ্চনাক লৈ যিসকলে আটাইতকৈ বেছি গণ্ডগোল কৰি থাকে অসমৰ প্ৰাপ্ত ধনৰাশিৰ বৃহৎ অংশটো যে তেওঁলোকেই ভোগ কৰে এই কথাটো পৰিসংখ্যা, তথ্য আৰু তত্বৰে নিশ্চিদ্ৰভাৱে প্ৰমাণ কৰিলে আমাৰ অভীষ্ট পূৰণ নহ'ব যদিহে যিয়ে সেই কাম সম্পন্ন কৰিব তেওঁলোকৰ ওপৰত অসমবাসীৰ সম্পূৰ্ণ আস্থা নাথাকে। অৰ্থাৎ বিষয়টো একাডেমিক বিতৰ্কৰ পদ্ধতিৰে প্ৰতিপন্ন কৰিলেই কামত নাহিব। অসমীয়াৰ স্বাৰ্থৰ সম্পৰ্কে যিসকলৰ বিশ্বাসযোগ্যতা প্ৰশ্নাতীত তেনেহেন লোকে যদি অসমীয়া স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত এনেধৰণৰ বিশ্লেষণত ব্ৰতী হয় তেতিয়া হলেহে ই সাধাৰণভাৱে গৃহীত হ'ব অন্যথা নহয়। ৰাজনৈতিক দলবিলাকৰ লগত সংযুক্ত বুদ্ধিজীৱী সকলৰ সম্পৰ্কত অসমীয়া জনমানসত একধৰণৰ অবিশ্বাস যথেষ্ট গভীৰ। লাগিলে ই সংগতই হওক বা অসংগতই হওক। স্বাভাৱিকতে এনেকুৱা এক গুৰুত্বপূৰ্ণ কাৰ্যৰ বাবে তেওঁলোকে ফলপ্ৰসূ ভূমিকা পালন কৰিবলৈ সক্ষম নহয়।

সমস্যাটো য'ত সমাধানো তাতেই ওলাব বুলি আমাৰ ধাৰণা। অসম আন্দোলনৰ সময়ত অসমৰ বুজন সংখ্যক বুদ্ধিজীৱীয়ে তেওঁলোকৰ সমগ্ৰ ক্ষমতা প্ৰয়োগ কৰি অসম আন্দোলনক সহায় কৰিছিল আৰু বিনিময়ত আন্দোলনৰ উত্তাল দিনবোৰত তেওঁলোকৰ উত্তাল জনপ্ৰিয়তাই অবিশ্বাস্যভাৱে তুঙ্গত উঠিছিল। কিন্তু সেই সময়তো প্ৰথম শাৰীৰ দুই এজন বুদ্ধিজীৱীয়ে এই আন্দোলনৰ সম্ভাৱ্য পৰিণামৰ কথা বিশ্লেষণ কৰি দেখুৱাইছিল আৰু সতৰ্কও কৰি দিছিল। বিনিময়ত তেওঁলোকে লাভ কৰিছিল অসীম যাতনা আৰু লাঞ্চনা, আজি কিন্তু জনমানসত তেওঁলোকৰ বিশ্বাসযোগ্যতা যথেষ্ট স্বীকৃত। অৰ্থাৎ অসম আন্দোলনে যেনেকৈ একধৰণৰ বুদ্ধিজীৱীৰ বিভ্ৰান্তিকৰ ৰূপটো প্ৰকট কৰি তুলিছিল ঠিক তেনেকৈ বুদ্ধি চৰ্চাৰ সৎ, নিৰপেক্ষ আৰু কল্যাণকৰ দিশটোও ই উন্মোচিত কৰি তুলিছিল। তৰুণ চামৰ যিসকল বুদ্ধিজীৱীয়ে সোঁতৰ বিপৰীতে অৱস্থান কৰিছে গুণগত আৰু পৰিমাণগত এই দুয়োফালৰ পৰাই তেওঁলোকো এক উল্লেখযোগ্য শক্তি। সত্যভাষণ আৰু সত্য উৎঘাটন এই দুয়োটাতেই তেওঁলোক যথেষ্ট সক্ষম। অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ বাবে কেন্দ্ৰ কিমান দায়ী, ৰাজ্যৰ সুবিধাভোগী অংশটোৱেও তাত কিমান অৱদান যোগাইছে, এইবোৰ দেখুৱাই দিয়াৰ কামটো যদি তেওঁলোকেই হাতত লয়, লাহে লাহে জনমানসত ইয়াৰ অনুকূল প্ৰভাৱ যে পৰিবই ই নিশ্চিত। আল্‌ফাৰ সমস্যা সমাধানৰ বাবে যিবোৰ ৰাজনৈতিক পদক্ষেপ লোৱা হৈছে সেইবোৰৰ আপাতঃ সাফল্যৰ ওপৰতেই অধিক গুৰুত্ব আৰোপ কৰাটো ভুল হ'ব। অসমীয়া স্বাৰ্থ আৰু ভাৰতীয় স্বাৰ্থৰ মাজত দেখ-দেখকৈ এক দ্বন্দ্ব বিৰাজ কৰিছে। জনমানসৰ পৰা এই দ্বন্দ্বৰ ভাব আঁতৰাই পেলাব নোৱাৰি। আল্‌ফা থাকক বা নাথাকক তাৰ দৰ্শক জনসাধাৰণৰ মাজত নিশ্চয় থাকিব আৰু কিছুদিন পিছতেই সি অন্য কোনো আকাৰ ধাৰণ কৰিব। অসমখনক এক স্থায়ী ৰক্তক্ষয়ী গৃহযুদ্ধৰ মৰুত

পৰিণত হ'ব দিবলৈ দিয়া হবনে নহব এইটোৱেই আটাইতকৈ জৰুৰী কথা। আৰু যিসকল তৰুণ বুদ্ধিজীৱীক এইক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিবলৈ আহ্বান জনাইছো তেওঁলোকে পৰিস্থিতিৰ এই প্ৰেক্ষাপটত তেওঁলোকৰ আশু কৰ্তব্য নিৰূপণ কৰিব লাগিব। এই প্ৰসঙ্গতেই আল্‌ফা-কেন্দ্ৰৰ আলোচনাৰ প্ৰাৰম্ভিক ভূমিকা হিচাপে যি দাবী তোলা হৈছে তাৰ কাৰ্যকাৰিতাৰ কথাটো পৰীক্ষা কৰা দৰকাৰ। সংবাদ পত্ৰত যিধৰণে প্ৰকাশ পাইছে আল্‌ফাৰ মতে অসমত দুই ধৰণৰ নাগৰিক থাকিব। যিসকল অসমীয়া তেওঁলোকেহে কেৱল ৰাজ্য বিধান সভালৈ প্ৰতিনিধি নিৰ্বাচন কৰিব। অনা-অসমীয়া সকলৰ এই ক্ষেত্ৰত ভোট দিয়াৰ অধিকাৰ নাথাকে। অনা-অসমীয়া সকলে কেৱল কেন্দ্ৰীয় সংসদ প্ৰতিনিধি নিৰ্বাচনৰ ক্ষেত্ৰতহে ভোট দান কৰিব। ভাৰতীয় সংবিধানৰ যদি এক ডাঙৰ পৰিবৰ্তন হয় তথাপিও এনে ব্যৱস্থা কৰা হ'ব পাৰে নে নাই সি সন্দেহৰ কথা। কিন্তু আমি সম্প্ৰতি সেই প্ৰশ্নলৈ নাযাওঁ। ধৰা হ'ল অসমীয়া সংজ্ঞাটি বৰ উদাৰভাবেই প্ৰয়োগ কৰা হ'ল। জনজাতীয় আৰু অন্যান্য ভাষিক গোষ্ঠীৰ স্থায়ী অংশ এই সংজ্ঞাৰ অন্তৰ্ভূক্ত হ'ব। অথবা সংজ্ঞাটো যদি খুব সংকীৰ্ণভাবে লোৱা হয় আৰু কেৱল অসমীয়া ভাষী সকলে ৰাজ্য বিধান সভালৈ প্ৰতিনিধি প্ৰেৰণ কৰিব পাৰে তেতিয়াহলে এই ৰাজ্যৰ ভৱিষ্যত ৰাজনৈতিক প্ৰশাসনৰ স্বৰূপটো কি হ'ব পাৰে। দৃষ্টান্ত হাততেই আছে। ১৯৮৫ চনৰ নিৰ্বাচনত অগপ দলটোৱে নিশ্চিত ভাবেই অসমীয়া মানুহৰ প্ৰতিনিধি স্থানীয় দল হিচাপেই থিয় হৈছিল। আৰু সংখ্যা গৰিষ্ঠতা লাভ কৰি তেওঁলোকেই শাসনতো অধিষ্ঠ হৈছিল। কেৱলমাত্ৰ অসমীয়া লোকৰ হাতত ভোটাধিকাৰ থাকিলে যিধৰণৰ চৰকাৰ গাদীলৈ আহিলহেঁতেন, সেইবাৰ তেনেকুৱা চৰকাৰেই গাদী লাভ কৰিছিল। কিন্তু অসমীয়া মানুহৰ আকাঙ্খা পূৰণ কৰিবলৈ সেই দল আৰু তেওঁলোকৰ চৰকাৰ কিমানদূৰ সফল হ'ল সেইটো সকলোৱেই নিজ চকুৰে দেখিছে।

আল্‌ফাই গুৰুত্ব আৰোপ কৰা এই চৰ্তটোৱেই আমাৰ পূৰ্বৰ সেই বক্তব্যকেই সমৰ্থন কৰে যে ৰাজ্যৰ চৰকাৰী অৰ্থভাণ্ডাৰৰ ওপৰত পূৰ্ণ দখল অধিকাৰ কৰাৰ ইচ্ছাতেই আছুৰ আন্দোলনৰ জন্ম। আৰু সেই আন্দোলনৰেই ফচল আল্‌ফাইও সেই মৌলিক লক্ষ্যটোক অনুসৰণ কৰি চলিছে। কিন্তু সেই অৰ্থভাণ্ডাৰৰ বন্টন কি ধৰণে হ'ব এই বিষয়ে আল্‌ফাৰ কোনো নতুন বক্তব্য নাই। অৰ্থাৎ আমোলাতন্ত্ৰৰ যিটো গোষ্ঠীৰ হাতত এই বন্টনৰ নিয়ন্ত্ৰণ ন্যস্ত তেওঁলোকৰ হাততেই এই নিয়ন্ত্ৰণ অধিকতৰ ভাবে ৰৈ গলেও তাত আপত্তিৰ কোনো কাৰণ তেওঁলোকে দেখা পোৱা নাই। ৰাজনৈতিক কব্জাটো হয়তো তেতিয়া নতুন কোনো এটা গোষ্ঠীৰ হাতত আহিব। যেনে কংগ্ৰেছী দলৰ হাতৰ পৰা অগপ দলৰ হাতলৈ আহিছিল; কিন্তু তাতেটো পৰিস্থিতিৰ গুণগত পৰিবৰ্তনটো অণুমাত্ৰও হোৱা নাই। অসম আন্দোলনে অসমীয়া আকাঙ্খাৰ যি উত্তাল বিস্ফোৰণ ঘটাইছিল তাৰেই নিৰ্যাস হিচাপে অগপ দলৰ সৃষ্টি হৈছিল। সাধাৰণতে গণ আন্দোলনে যি ৰাজনৈতিক সংগঠনৰ জন্ম দিয়ে তাৰ এক গণমুখিতা অন্ততঃ এক প্ৰাথমিক পৰ্যায়ত অক্ষুণ্ণ থাকে। অগপ কিন্তু জন্মলগ্নৰ পৰাই প্ৰতিশ্ৰুতিবিমুখ। কাৰণ যি ৰাজনৈতিক প্ৰশাসনিক কালচাৰে অসম ৰাজ্যৰ পৰিচালনা কৰে তাৰ প্ৰতি কোনো মৌলিক চেলেঞ্জ অসম আন্দোলনে উত্থাপন কৰা নাছিল। আল্‌ফাৰ বদান্যতাৰ ফলত যদি কেৱল অসমীয়া লোকৰ ভোটেৰে কোনো চৰকাৰ ক্ষমতাসীন হয় তেতিয়াহলে সেই চৰকাৰও অগপ চৰকাৰৰ পথেৰে গতি কৰিব। কাৰণ এই কালচাৰ সম্পৰ্কে মানুহক সচেতন কৰাৰ কোনো দায়বদ্ধতা আল্‌ফাৰ কাৰ্যসূচীত নাই। আল্‌ফাৰ তাত্বিক পৰ্যালোচনাতো মাজে মাজে মাৰ্ক্সবাদে ভুমুকি মাৰে; সেই ক্ষেত্ৰত সুবিধাভোগী শ্ৰেণীটো সম্পৰ্কে তেওঁলোক অজ্ঞ হৈ থকাৰ কোনো কাৰণ নাই। অথচ তেওঁলোকৰ দাবীৰ পৰিপ্ৰেক্ষিতত কিন্তু ভাব হয় অসমীয়া সমাজত এইধৰণৰ এটি শ্ৰেণীৰ অস্তিত্ব সম্পৰ্কে তেওঁলোক যেন অৱগত নহয়। অজ্ঞানতাৰ এই ভাব নিশ্চয় ইচ্ছাপ্ৰসূত; আল্‌ফাইও মূলতঃ এই সুবিধাভোগী শ্ৰেণীৰেই বিক্ষুব্ধ অংশটোৰ প্ৰতিনিধিত্ব কৰিছে – ৰাজ্যৰ অৰ্থ বন্টনৰ ৰাজনৈতিক চাবিকাঠিটো নিজৰ হাতলৈ আনিব পাৰিলে মধ্যভোগী শ্ৰেণীটোৰ বাকীখিনিৰ কথাকৈলে তেওঁলোকৰ কোনো মূৰৰ বিষ নাই।

ইংৰাজীত Red herring বুলি কথা এষাৰ আছে। আল্‌ফাৰ নাগৰিক অধিকাৰৰ অসমীয়াকৰণ সংক্ৰান্ত দাবীটো এই ধৰণৰ এটা Red herring বুলি ক'ব পাৰি। মূল সমস্যাৰ স্বৰূপ বিশ্লেষণৰ পৰা জনগণক বিৰত কৰাৰ বাবেই এই দাবীৰ অৱতাৰণা। অহা দশকত এই দাবীটোৱেই হয়তো অসমৰ ৰাজনীতিত নতুন আবৰ্ত সৃষ্টিৰ কাৰণে প্ৰধান অবলম্বন হিচাপে ব্যৱহৃত হ'ব। ছবছৰীয়া অসম আন্দোলনৰ মূল শত্ৰু হিচাপে চিহ্নিত আছিল বিদেশীসকল, অগপ চৰকাৰৰ সময়ত অসমৰ চিহ্নিত শত্ৰু আছিল ভাৰতীয় ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰৰ ব্যৱসায়ীসকল আৰু নৱপৰ্যায়ত শত্ৰু হিচাপে চিহ্নিত হ'ল অসমত বাস কৰা অনা অসমীয়াসকল। এওঁলোক যে বঙালী এনে কথা কোৱা হোৱা নাই। অৰ্থাৎ অসম আন্দোলনৰ যুক্তিটোৱেই পৰিত্যক্ত হৈছে। এই সমগ্ৰ অনা অসমীয়া সকলৰ মাধ্যমেৰেই যে ভাৰতীয় ৰাষ্ট্ৰই তাৰ তথাকথিত ঔপনিবেশিক শাসন আৰু শোষণ চলাইছে এই কথা কোৱাও সম্ভৱ নহয়। অৰ্থাৎ আল্‌ফাৰ নিজস্ব বিশ্লেষণৰ সৈতে এই দাবীৰ কোনো সঙ্গতি নাই। তথাপিও এই দাবী কিয় কৰা হৈছে? কাৰণ এইবাৰৰ চিহ্নিত শত্ৰুবোৰ সংখ্যাত বেছি। প্ৰত্যক্ষভাবে দৃষ্টিগোচৰ আৰু ৰাজ্যৰ যিকোনো অঞ্চলতেই এওঁলোকক পোৱা যায়। এইকাৰণে অলপ পৰিশ্ৰমেৰেই দীৰ্ঘস্থায়ী এক উত্তপ্ত পৰিবেশ সৃষ্টিৰ বাবে এইবাৰৰ লক্ষ্য প্ৰস্তুতি খুবেই উপযোগী। এনেকৈ এটাৰ পিছত এটা ইছ্যুৰ ধাৰাবাহিক জন্ম আৰু মৃত্যু যে হৈছে তাৰ লক্ষ্য কিন্তু এটাই। বন্টিত অৰ্থৰ ভাগবোৰ কোনে কেনেকৈ হাত কৰিছে এই সম্পৰ্কে মানুহৰ কৌতূহলক আনফালে ধাবিত কৰা। বস্তুতঃ এই প্ৰশ্নটিৰ উত্তৰ পোৱা মানেই ৰাজ্যখনৰ একাধিক সমাধান পোৱা। আৰু সেই বাবেই ইয়াক পোহৰলৈ আনিবৰ বাবে ইমান টনা-আঁজোৰা। কেন্দ্ৰীয় অনুদান আৰু ইয়াৰ বন্টনৰ মাজত জটিল সমীকৰণটোৰ আশু সমাধান বিচাৰি উলিওৱাটোৱেই অত্যন্ত জৰুৰী আৰু ইয়াক বাদ দি ৰাজ্যৰ ভৱিষ্যত সমৃদ্ধিৰ ভিত্তি গঢ়ি তোলা অসম্ভৱ। ■





প্ৰবন্ধ

# ব্যক্তিৰ মনৰ স্বাধীনতা, মাৰ্ক্সবাদ আৰু লৰেন্স

কুমুদ বৰুৱা

*যোৱা সংখ্যাৰ পাছৰ পৰা*

এই আলোচনাৰ সাম্প্ৰতিক গুৰুত্বপূৰ্ণ পৰ্যায়ত, বৰ্তমান এক বিশেষ তাত্বিক দিশৰ পৰা মনৰ স্বাধীনতাৰ ধাৰণাটো বিচাৰ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছো। সাধাৰণতে দেখা যায় যে অন্তৰ্বস্তুৰ ফালৰ পৰা সামাজিক চেতনা (Social Conciousness) যদিও সামাজিক সত্তা (Social being) তথা বস্তুজগতৰ প্ৰতিফলন, এই প্ৰতিফলনক, এক বিশেষ অৰ্থত কোনো গৌণ কাৰ্য (Passive act) বুলিও কব নোৱাৰি। যিয়েই কি নহওক, গৌণ কাৰ্য হ'লেও, দৰাচলতে চেতনাৰ এটা সক্ৰিয় চৰিত্ৰৰ ভূমিকা পালনৰ বিৰুদ্ধাচৰণ কাৰ্য্য সম্ভৱো নহয়। চেতনাৰ এনে সক্ৰিয় ভূমিকা (active role) পালন কৰে ভাবাদৰ্শগত উদ্দেশ্য বা মনোবৃত্তিয়ে (Ideological motives)। মাৰ্ক্সে উপলব্ধি কৰিছিল যে সমাজৰ অতীব প্ৰয়োজনীয় প্ৰগতিশীলতাৰ স্বাৰ্থত ভাবাদৰ্শৰ এনে সক্ৰিয় ভূমিকাৰ বিৰুদ্ধাচৰণ কৰাটো প্ৰায়েই অসম্ভৱ হৈ পৰে। হয়তো তেনেকুৱা অৰ্থতেই মাৰ্ক্সীয় বস্তুবাদত চেতনাৰ এনে সক্ৰিয় চাৰিত্ৰিক বৈশিষ্ট্যৰ গুৰুত্ব। ভাবাদৰ্শৰ (Ideology) প্ৰভাৱিত চেতনাৰ (conciousness) এনে প্ৰতিফলন (reflection) এক জটিল দ্বান্দ্বিক প্ৰক্ৰিয়াৰ (Dialectical process) ফলশ্ৰুতি – এনে কাৰণতেই চেতনাৰ সক্ৰিয় চৰিত্ৰটোৰ (active character) অস্তিত্ব লক্ষ্য কৰিব পাৰি। গতিকে বাস্তৱিকতে অন্তৰ্বস্তুৰ ফালৰ পৰা চেতনা যদিও সামাজিক বাস্তৱৰ অনিবাৰ্য প্ৰতিফলন, চেতনাই কিন্তু কেৱল নিৰ্জীৱ প্ৰতিফলনৰ দৰে বাস্তৱৰ, বস্তুজগতৰ প্ৰতিফলন নঘটায়; ই সেই বাস্তৱৰ মৰ্মতেই প্ৰৱেশ কৰিবলৈ সক্ষম হয়, তাক বোধগম্য কৰি তুলিব পাৰে আৰু তাক আমাৰ জ্ঞান প্ৰক্ৰিয়াৰে অন্তৰ্গতও কৰিব পাৰে আৰু সেয়ে এক বিশেষ অৰ্থত ভাবগতভাবে (Ideologically) বস্তুৰ ৰূপান্তৰো সম্ভৱ কৰি তোলা যেন লাগে ('conciousness is secondary in its content because it reflects material reality. But it does not simply copy reality, it strives to cognise, comprehend and penetrate into its



দি এইছ লৰেন্স

essence, and in a sense ideally to transform it'— HISTORICAL MATERIALISM, Basic Problems, P. 276)। বস্তু আৰু চেতনাৰ মাজৰ দ্বান্দ্বিক সম্পৰ্কত চেতনাৰ এনে সক্ৰিয় ভূমিকাৰ ফল স্বৰূপেই, সমাজৰ বস্তুগত তথা অৰ্থনৈতিক ভিত্তিৰ এনে ভাবগত প্ৰতিফলনক (ideological reflection) বস্তুজগতৰ পৰা কিছু পৰিমাণে স্বতন্ত্ৰ বুলিও ক'ব পৰা যায় – a convincing abstraction of reality হিচাপে। আনকি স্বয়ং কাৰ্ল মাৰ্ক্সেও মানুহৰ চেতনাৰ এই সক্ৰিয় বৈশিষ্ট্যটোক (active character) বস্তুৰ মহত্তম বিকাশৰ এটা প্ৰবল পৰাক্ৰমী মানৱীয় সক্ৰিয়তা (vigorous human activity) হিচাপে ব্যাখ্যা কৰি গৈছে। সমাজৰ প্ৰয়োজনীয়তাৰ স্বাৰ্থত, চেতনাৰ সক্ৰিয়তাৰ ব্যাখ্যাত, মাৰ্ক্সৰ বাবে, সি আছিল সামাজিক বিপ্লৱৰ এটা ব্যৱহাৰিক, লাগতিয়াল অভিজ্ঞতাৰ দৰে। কিন্তু দুখৰ বিষয় যে ভাববাদী সকলে ইয়াৰ বিপৰীতে, তাক নিজ স্বাৰ্থত absolutise কৰি, বস্তুক গৌণ আৰু চেতনাক মুখ্য বুলি ক'বলৈ প্ৰয়াস কৰা দেখা যায়। কিন্তু সুস্থ মাৰ্ক্সবাদীয়ে পৰিষ্কাৰভাবে বুজি পায় যে মাৰ্ক্স বা মাৰ্ক্স বিশেষজ্ঞৰ পৰা অসংলগ্ন উদ্ধৃতি দি তাৰ ভুল ব্যাখ্যা কৰিলেই বা বাস্তৱৰ মোহগ্ৰস্ত দৃষ্টিভংগীৰে absolutise কৰিলেই চেতনাৰ বিশেষ বৈশিষ্ট্য হিচাপে "ভাবগত প্ৰতিফলন" মুখ্য হৈ নেযায়। মাৰ্ক্সবাদী সমালোচক ক্ৰিষ্টোফাৰ কডৱেলৰ অন্য এটা তাৎপৰ্যপূৰ্ণ মন্তব্য এই প্ৰসংগত বিশেষভাবে প্ৰণিধানযোগ্য বুলি বিবেচিত হ'ব ঃ 'They can only escape and become free by understanding the active nature of liberty and by becoming concious of the path they must follow to attain it. Their will is not free as long as they will liberty but produce unfreedom. It is only free when they will communism and produce liberty (Studies In A Dying Culture, P. 147)। এনে কাৰণতেই প্ৰতিক্ৰিয়াশীল বুৰ্জ্জোৱা সদায়েই "স্ব-নিয়োজিত" স্বাধীনতাৰ "বন্দীশাল"ত বন্দী

হৈ থাকে।

চেতনাৰ এই ধৰণৰ ভাবাদৰ্শগত (ideological) আপেক্ষিক স্বাধীনতাৰ প্ৰসংগত মহামতি লেনিনে দঢ়াই দঢ়াই কৈ গৈছিল যে বস্তুৰ বিকাশৰ উৰ্ধ্বতন স্তৰত চেতনাৰ সচেতন লক্ষ্য অথবা ভাবাদৰ্শগত মনোবৃত্তি (ideological motives) যিমানেই স্বতন্ত্ৰ বুলি ভাব নহওক কিয়, সেইবিলাক সদায়েই ঐতিহাসিক অভিজ্ঞতাৰ (ভাবাদৰ্শৰ ইতিহাসৰ) কযটিশিলতহে চৰ্তবদ্ধ আৰু এই ঐতিহাসিক চৰ্তবদ্ধতাৰ (Historical conditionality) চাৰিসীমাৰ ভিতৰতহে মানুহে নিজ ইচ্ছা অনুসৰি ভাবাদৰ্শগত ভাবেহে, স্বতন্ত্ৰ ৰূপত বিশেষ বিশেষ ঐতিহাসিক কৰ্মকাণ্ডত প্ৰবৃত্ত হ'ব পাৰে। অৰ্থাৎ তাতো মূল অনুপ্ৰেৰণা বস্তুগতহে। পাৰ্থক্য কেৱল ইয়াতেই যে ভাববাদীয়ে স্ব-নিয়োজিত (Self-Determined) পূৰ্ব ধাৰণাৰে প্ৰকৃত কাৰ্যকাৰণৰ (Causality) সম্বন্ধে অজ্ঞতা প্ৰকাশ কৰে আৰু চেতনাৰ সক্ৰিয় চৰিত্ৰক নিজ মনোবৃত্তিগত উদ্দেশ্য পূৰণৰ স্বাৰ্থত ব্যৱহাৰ কৰে। কিন্তু প্ৰগতিবাদীয়ে চেতনাৰ সেই সক্ৰিয় চৰিত্ৰক ঐতিহাসিক বৈজ্ঞানিক কাৰণতে সমাজ বিকাশৰ প্ৰকৃত গতিৰ স্বাৰ্থত ব্যৱহাৰ কৰে।

এইখিনিতে এটা প্ৰশ্ন উত্থাপন কৰিব পৰা যায় যে, বস্তুজগতৰ ভিত্তিত ভেঁজা নিদিয়াকৈ, কোনো "স্বতন্ত্ৰ" চেতনাৰ বৈশিষ্ট্য স্বৰূপ, ভাবাদৰ্শৰ আপেক্ষিক স্বাধীনতাৰ "স্ব-নিয়োজিত" ধাৰণাই, সামাজিক মানুহৰ কামত অহাকৈ বস্তুগত ইতিহাস নিৰ্মাণ কৰিব পাৰিবনে ? উত্তৰ হ'ব, নোৱাৰে। এনে প্ৰশ্নৰ ধনাত্মক উত্তৰ, চেতনাৰ ভাবগত আপেক্ষিক স্বাধীনতাক absolutise কৰিব খোজা ভাববাদী বুদ্ধিজীৱীৰ বাবে হয়তো প্ৰমাণিত হ'ব এটা ব্যৰ্থ দুঃস্বপ্নৰ দৰে; শেষ বিচাৰত যাৰ স্বৰূপ উম্ঘাটিত হ'ব নানা তৰহৰ anarchyৰ শ্বাসৰুদ্ধতাত।

তাৰ আনুষংগিক হিচাপে যিহেতু আমিও হৃদয়ংগম কৰিব পৰা হৈছো যে মানুহৰ সক্ৰিয় চৰিত্ৰৰ চেতনাৰ বৈশিষ্ট্যই, বুৰ্জ্জোৱাৰ বিপৰীতে মুক্তিকামী জনগণৰ প্ৰয়োজনীয় ইতিহাস ৰচনাত সহায়তাও কৰিব পাৰে; সেয়েহে ভাবাদৰ্শগত আপেক্ষিক স্বাধীনতাৰ আপেক্ষিক সত্যকো, সমাজ বিকাশৰ ইতিহাসৰ স্বাৰ্থতেই আমি দ্বিধাহীনভাবে স্বীকৃতি প্ৰদান কৰিব লাগিব।

কিন্তু আজি আমাক এনে আলোচনাৰ প্ৰয়োজন হ'ল কিয় ? আজি আমাৰ দেশত মানুহৰ মনৰ স্বাধীনতা লুণ্ঠিত আৰু পদদলিত নেকি ? নে তাৰ বিপৰীতে, আমাৰ দেশত তথাকথিত গণতন্ত্ৰৰ নামত, মনৰ অবাধ স্বাধীনতাৰ নৈৰাজ্যই মানৱ সভ্যতা তথা মানৱ মুক্তিৰ পথত প্ৰধান হেঙাৰ স্বৰূপেহে থিয় দিছে ?

বৰ বেছি কষ্ট নকৰিলেও আমি সহজেই ধৰিব পৰা হৈছো যে, আমাৰ ইয়াত ব্যক্তি স্বাধীনতাৰ ওপৰত হস্তক্ষেপ শ্ৰেণীসাপেক্ষহে। গৰিষ্ঠ সংখ্যক বঞ্চিত আৰু নিৰ্যাতিত জনসাধাৰণৰ স্বাধীনতা (Liberty) আজি অৰ্থনৈতিক আৰু সামাজিক দুয়োটা দিশতেই লুণ্ঠিত আৰু পদদলিত। কিন্তু ইয়াৰ বিপৰীতে, তথাকথিত গণতান্ত্ৰিক মূল্যবোধৰ মুকলিমূৰীয়া পৰিবেশতো, ব্যক্তিৰ মনৰ অবাধ স্বাধীনতাৰ ফলত সৃষ্টি হোৱা নৈৰাজ্যই, আমাৰ ইয়াত, মধ্যশ্ৰেণী আৰু মুষ্ঠিমেয় শোষক শ্ৰেণী, উভয়ৰে স্বাধীনতাকো অন্য এক প্ৰসহণত পৰিণত কৰিছে। শ্ৰেণী-নিৰ্বিশেষে, আমাৰ ইয়াত তথাকথিত 'স্বাধীন' গণতান্ত্ৰিক নাগৰিক আজি সঁচায়ে স্বাধীননে ?

উত্তৰ স্বৰূপে ডঃ হীৰেণ গোহাঁইদেৱৰ এটা তাৎপৰ্যপূৰ্ণ যুক্তিৰ ('সাহিত্য আৰু চেতনা' গ্ৰন্থত 'অসমীয়া সাহিত্যত যুগ পৰিবৰ্তন' প্ৰবন্ধ দ্ৰষ্টব্য) সূত্ৰ ধৰি আমিও ধাৰণা কৰিব পৰা হৈছো যে সম্প্ৰতি অসমৰ এটা বিশেষ বিকাশশীল ঐতিহাসিক পৰিস্থিতিৰ অপৰিহাৰ্যতাৰ পৰা মুক্তিৰ উপায় হিচাপে, নিত্য-নতুন ভাবাদৰ্শৰ অৰাজকতাৰ মাজত চিন্তাশীল বুদ্ধিজীৱীয়ে নিজস্ব ভাবাদৰ্শগত কাৰণতেই হয়তো, নিজৰ লগতে তেওঁ বাস কৰা বৃহৎ সমাজখনৰো সুস্থিৰতাৰ অৱলম্বন বিচাৰিবলৈ প্ৰয়াস কৰিছে অথবা তাৰ বাবে ব্যাকুল হৈ উঠিছে। ই অৱশ্যে ঐতিহাসিকভাৱে সমৰ্থিত ন্যায়সংগত আকাংক্ষা। কিন্তু সমস্যাটো হ'ল – অমোঘ সত্যৰ নিৰ্ভুল ধাৰণা অবিহনে, আপেক্ষিক সত্যৰ বিভ্ৰান্ত ধাৰণাই (Illusion) আমাক কেনেকৈ ৰক্ষা কৰিব ? শুদ্ধ বৈপ্লৱিক ভাবাদৰ্শৰ চেতনাৰ সক্ৰিয়তা অবিহনে এই কাম সম্ভৱ নে ? সেয়ে, তেওঁলোকক চেতনাৰ স্বাধীনতাৰ অৰ্থ বিচাৰোতে 'নতুন অনুসন্ধানৰ আঁৰৰ সত্য'ৰ নিখুঁত জ্ঞানো অনিবাৰ্যভাবে প্ৰয়োজন নহ'বনে ? অৰ্থাৎ মাৰ্ক্সৰ মূল অন্তৰ্দৃষ্টি বুজাৰ আন্তৰিকতা তথা আগ্ৰহৰো তেওঁলোকৰ প্ৰয়োজন নহ'ব জানো ?

এনে সমস্যাৰ আঁত ধৰিয়েই, ইয়াৰ পিছৰ আলোচনাত, আমি ক'বলৈ প্ৰয়াস কৰিম যে "ভাবাদৰ্শৰ আপেক্ষিক স্বাধীনতা"ৰ ধাৰণাটোও এটা আপেক্ষিক সত্যহে (Relative truth)। শেষ বিচাৰত সেই ধাৰণাটো "চেতনা"তকৈ ব্যক্তিৰ "গোপন অভিপ্ৰায় বা মনোবৃত্তি"ৰ (Motive, Mentality) লগতহে জৰিত ধাৰণা। বস্তুগত বাস্তৱতাৰ ধাৰণাৰে "চেতনাৰ আপেক্ষিক স্বাধীনতা" বুলি কোনো কথা থাকিব নোৱাৰে। দ্বন্দ্বমূলক বস্তুবাদে (Dialectical Materialism) তেনে ভাববাদী ধাৰণা সবিস্ময়ে প্ৰত্যাখ্যান কৰে। বস্তুজগতৰ বাস্তৱত চেতনা আপেক্ষিক ভাবেও স্বতন্ত্ৰ নহয়। বস্তুহে আচলতে স্বতন্ত্ৰ আৰু তাৰ লগত চেতনাৰ নিৰ্দিষ্ট সম্পৰ্ক দ্বান্দ্বিক বাস্তৱতা মাথোন; য'ত বস্তুৱেই মুখ্য, চেতনা গৌণ। ভাবাদৰ্শগত স্বাধীনতাৰ প্ৰশ্নত, বিশেষ আপেক্ষিক সত্যৰ নৈৰাজ্যৰ পৰিবেশত, সেয়ে ব্যক্তিৰ ভাবাদৰ্শগত মনোবৃত্তি বিচাৰেই অধিক যুক্তিসংগত কাম হ'ব বুলি এতিয়া আমাৰ ধাৰণা প্ৰবল হ'ব লাগিছে।

এই কথা এইবাবেও যুক্তিপূৰ্ণ যে ভাবাদৰ্শৰ সৌহাৰ্দ্দ্যপূৰ্ণ সম্পৰ্ক নিশ্চয়কৈ ব্যক্তিৰ সচেতন অথবা অচেতন মনোবৃত্তিৰ (Motive) লগতহে স্থাপিত হোৱাৰ সম্ভাৱনীয়তা থাকে। তেনে মনোবৃত্তিৰ "মুকলি" ৰাজ্যতহে আচলতে ভাবাদৰ্শৰ অবাধ স্বাধীনতাও স্বীকৃত হ'ব পাৰে। এই তথাকথিত "মুকলিমূৰীয়া" আপেক্ষিক স্বাধীনতাৰ অৰ্থ বস্তুজগতৰ বস্তুনিষ্ঠ বাস্তৱৰ নিয়ম আৰু প্ৰয়োজন পূৰণৰ বিপৰীতে বা তাৰ উৰ্ধ্বত আলসতে ওপঙি থকা বস্তু নহয়নে (a mythical being hovering over society in the form of "universal conciousness", a "national spirit") ? দেখাতেই এনে স্বাধীনতাৰ লগত দাৰ্শনিক বৈজ্ঞানিক ভাবে যুক্তিসিদ্ধ ধাৰণা অৰ্থাৎ বস্তুৰ অনিবাৰ্য প্ৰতিফলন ৰূপত চেতনাৰ সক্ৰিয়তাৰ দৃষ্টিভংগী নিমিলে। বস্তুগত সম্পৰ্কৰ বাহিৰত এখন স্ব-নিয়োজিত (Self-determined) জগততহে এনে স্বাধীনতা বিৰাজমান ঃ আলাসতে ওপঙি থাকি স্বাধীন অস্তিত্ব অনুভৱ কৰিব পৰাটোৱেই তাৰ তেনে ক্ষমতা বিকাশৰ ভাবগত দৰ্শন, আৰু নিশ্চয়কৈ, ভাবগতভাবে এনে স্বাধীনতাৰ অৰ্থ মানুহৰ তেনে জাতীয় মনোবৃত্তিৰ লগতহে জৰিত, বৈজ্ঞানিক যুক্তিবাদত বিশ্বাসী সক্ৰিয় চৰিত্ৰৰ চেতনাৰ ঐতিহাসিক ইতিবাচক দিশৰ লগত নহয়।

আপোন উদ্দেশ্য বা মনোবৃত্তিৰ যি







আপেক্ষিক স্বাধীনতা সামাজিক মানুহে নিজৰ 'চেতনা'ত অনুভৱ কৰিব পৰাটো সম্ভৱপৰ বুলি ইমানপৰে দেখুৱাবৰ প্ৰয়াস কৰা হৈছে; দৰাচলতে তেনে অস্তিত্ব স্বীকাৰ, অন্তিম বিচাৰত শোষক শ্ৰেণীৰ সচেতন বা অচেতন Self-Determination-ৰ স্বাৰ্থতহে সম্ভৱপৰ। ব্যক্তিৰ স্বাধীন ইচ্ছাশক্তিৰ (Free will) এনে স্বাধীনতাৰ অৱশ্যেই "নিজস্ব" নিয়ম আৰু প্ৰয়োজন থাকিব লাগিব। পৰাধীন সামাজিক মানুহৰ প্ৰয়োজনৰ স্বাৰ্থত কাৰ্ল মাৰ্ক্সে মানুহৰ চেতনাৰ সক্ৰিয় চৰিত্ৰৰ মাজত ভাবাদৰ্শগত 'স্বাধীন' বিকাশৰ যি সম্ভাৱনা লক্ষ্য কৰিছিল, দেখাতেই সেই স্ব-নিয়োজিত সক্ৰিয়তাৰ চৰিত্ৰ, তাৰ পৰা বেলেগ। তাৰ মৌলিক পাৰ্থক্য হ'ল বস্তুগত সম্পৰ্কৰ বাস্তৱতাত। এনে কাৰণতেই, আমি ভাবো, "ভাবাদৰ্শৰ আপেক্ষিক স্বাধীনতা"ক সাম্প্ৰতিক যুগত ব্যক্তিৰ "মনোবৃত্তিৰ আপেক্ষিক স্বাধীনতা" বুলি নামকৰণ কৰিলেহে সমস্যাটোৰ এটা উচিত বিচাৰ সম্ভৱ হ'ব পাৰে।

বুৰ্জ্জোৱা মনোবৃত্তিৰ অৱশেষ ৰূপত ভাবাদৰ্শৰ আপেক্ষিক স্বাধীনতা ব্যক্তিয়ে ইতিহাস-পৰম্পৰাৰ পৰা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰে। ভাবাদৰ্শৰ ইতিহাসৰ লগত জৰিত, এনে উত্তৰাধিকাৰৰ ধাৰণাটো, বস্তুগতভাবে সক্ৰিয় বৈজ্ঞানিক চেতনাতকৈ, ব্যক্তিৰ স্ব-নিয়োজিত 'স্বাধীন' ভাববাদী মনোবৃত্তিৰ লগতহে জৰিত কৰিব পৰা যায়। কডৱে'লৰ ভাষাত – 'Freedom is the conciousness of necessity'। এনে কাৰণতেই আমি যদি ব্যক্তিৰ ভাবাদৰ্শৰ ইতিহাস বিকাশৰ ধাৰা অধ্যয়ন কৰো, তেতিয়াহ'লে দেখিবলৈ পাম যে সমাজ বিবৰ্তনৰ কোনো যুগতে অৰ্থনৈতিক বিকাশৰ লগত ভাবাদৰ্শৰ ইতিহাসৰ উত্থান-পতনৰ প্ৰত্যক্ষ সম্পৰ্ক নাই। দাৰ্শনিক বৈজ্ঞানিকভাবে, বস্তুগত ভিত্তিয়ে সক্ৰিয় চেতনাক প্ৰভাৱিত কৰাটো বিজ্ঞানসন্মত ধাৰণা; কিন্তু সি ব্যক্তিৰ সক্ৰিয় চেতনাৰ আলাসতে ওপঙি ফুৰিব বিচৰা স্বাধীন প্ৰবৃত্তিৰ বৈশিষ্ট্যক প্ৰভাৱিত নকৰিবও পাৰে বা নকৰেই। এনে কাৰণতেই ব্যক্তিৰ "অবৈজ্ঞানিক ভাবাদৰ্শৰ ইতিহাস" বস্তুৰ দ্বাৰা নিয়ন্ত্ৰিত সক্ৰিয় বৈজ্ঞানিক চেতনাতকৈ, ব্যক্তিৰ সুৰক্ষিত মনস্তত্ত্ব তথা আপেক্ষিক ভাবে স্বাধীন মনোভাবৰ (Free will) লগতহে সম্পৰ্কযুক্ত।

ভাবাদৰ্শৰ আপেক্ষিক স্বাধীনতাৰ প্ৰশ্নত, মাৰ্ক্সৰ 'Vigorous human activitiy'ৰ ধাৰণাৰ প্ৰসংগত, আৰু এটা কথা আমি মনত ৰখাটো প্ৰয়োজনীয় বুলি বিবেচিত হয়। সেইটো হ'ল, শোষকৰ 'Self-determination'ৰ সমাজ-ব্যৱস্থাত, শ্ৰম-বিভাজনৰ (Division of Labour) বাস্তৱতাৰ লগত ব্যক্তিৰ মনৰ স্বাধীনতাৰ (Liberty) নিৰ্দিষ্ট সম্পৰ্ক। অৰ্থাৎ শ্ৰম-বিভাজনৰ বাস্তৱতাৰ লগত যদি আমি ব্যক্তিৰ মনৰ স্বাধীনতাৰ 'Self-Determinism' তথা 'Free will'ৰ বাস্তৱতা জৰিত কৰো, তেতিয়াহ'লে আমি দেখিবলৈ পাম যে, শ্ৰম-বিভাজন সাপেক্ষে ব্যক্তি-স্বাধীনতাৰ ধাৰণাও পৃথক পৃথক। উদাহৰণ স্বৰূপে, এজন বুদ্ধিজীৱীৰ বাবে ব্যক্তি-স্বাধীনতাৰ যি ধৰণৰ চৰ্ত আৰোপিত হ'ব, এজন কৃষক বা শ্ৰমিকৰ পক্ষে তেওঁৰ ব্যক্তি-স্বাধীনতাৰ চৰ্তও বেলেগ ধৰণৰ হ'ব। তেনে পৃথক পৃথক চৰ্তবদ্ধতাৰ মাজত আমি এটাই সাধাৰণ বৈশিষ্ট্য লক্ষ্য কৰিব পাৰো, সেইটো হ'ল – 'the motive of individual profit'। এক বিশেষ অৰ্থত ইয়াত বুৰ্জ্জোৱা আৰু মাৰ্ক্সবাদী মতাদৰ্শৰ মাজত কোনো বিৰোধ নাই। তেতিয়াহ'লে ইমানবোৰ যুক্তি-তৰ্কৰ প্ৰয়োজন কিহৰ বাবে ? কিন্তু মতাদৰ্শৰ বিশেষ অৰ্থৰ বিৰোধহীনতাই সমস্যাটো সমাধানৰ ইংগিত বহণ কৰে জানো ? উত্তৰ হ'ব, নকৰে। তেনে বিৰোধহীনতাই সমস্যা সমাধানৰ ইংগিত নিদিয়ে; বৰং অন্য এটা গুৰুত্বপূৰ্ণ মূল সমস্যাৰ স্বৰূপহে উদঙাই দেখুৱায়। সেইটো মূল সমস্যা সমাধানৰ বাবে তেতিয়াহ'লে নিৰ্ভুল চিন্তাৰ ভিত্তি কি হ'ব ? সেয়ে আমি প্ৰশ্ন কৰিবলৈ বাধ্য যে শ্ৰম-বিভাজনৰ ফলত উদ্ভৱ হোৱা পৃথক পৃথক শ্ৰমৰ লগত জৰিত ব্যক্তিৰ নিজৰ নিজৰ স্বাধীনতা কেনেকৈ অক্ষুণ্ণ ৰাখিব পৰা যাব ? কোৱা বাহুল্য হ'ব যে ভাববাদী বুদ্ধিজীৱীয়ে, আনকি সামাজিক নিয়ম আৰু প্ৰয়োজন সম্পৰ্কে অসচেতন বহুতো নিষ্ঠাবান বুদ্ধিজীৱীয়েও বুৰ্জোৱা সমাজ ব্যৱস্থাৰ স্থিতাৱস্থা, নানা তৰহৰ নৈৰাজ্যৰ দোহাই দি, বাহাল ৰাখিবলৈ বিচাৰে আৰু সেই দৃষ্টিকোণেৰেই অন্যান্য শ্ৰমৰ লগত জৰিত ব্যক্তিৰ স্বাধীনতা প্ৰদানৰ, যি ন্যায়-বিচাৰ (Law), গণতন্ত্ৰ (Democracy) আৰু সাংবিধানিক (Constitution) সুবিধা দিয়াৰ যুক্তি আগবঢ়ায়, সেইবোৰ কিছুমান আত্মঘাতী, উপকৰা ধাৰণা অথবা বিভ্ৰান্তিৰ (Fallacy) বাহিৰে অন্য একো নহয় বুলি নিতৌ প্ৰমাণিত হৈয়ে আছে। তেওঁলোকে স্বাধীনতা আৰু পৰাধীনতাৰ বিচ্ছিন্ন ধাৰণা এটাৰেই কেৱল সমস্যা সমাধানৰ ওপৰত বিশ্বাস ৰাখে। কিন্তু দৰাচলতে, মৌলিকভাবে, সমস্যাটো তাৰ লগত সম্পৰ্কযুক্ত নহয়। সমস্যাটো জৰিত থাকে স্বাধীনতা (Freedom) আৰু পৰাধীনতাৰ (Unfreedom) বাস্তৱতা সৃষ্টি কৰা কাৰণ (cause) আৰু তাৰ পৰিণামৰ (effect) লগতহে। বুৰ্জ্জোৱাৰ সামাজিক সম্পৰ্কহে (Bourgeois social relations) এনে বৈষম্যৰ পৃথক পৃথক বাস্তৱ সৃষ্টিৰ বাবে মূলতঃ জগৰীয়া। শোষক শ্ৰেণীৰ গণতন্ত্ৰ আৰু সংবিধানৰ জৰিয়তে শোষিত শ্ৰেণীৰ ন্যায়বিচাৰ বাস্তৱত সম্ভৱ নে ? আমাৰ জীৱন্ত বাস্তৱ অভিজ্ঞতাই আমাক তাকে শিকায় নে ? অৱশ্যে এটা কথা নেমানি উপায় নাই যে শোষক শ্ৰেণীৰ কাৰছাজিয়ে (Manipulation) সমতা আৰু ন্যায়বিচাৰৰ ভাবাদৰ্শগত মায়াৰ (illusion) সৃষ্টি কৰি সাময়িক ভাবে হ'লেও তেওঁলোকৰ ভাবাদৰ্শৰ প্ৰতি জনসাধাৰণক আকৃষ্ট কৰিব পাৰে। কিন্তু কিমান দিনলৈ ? সময় আগবাঢ়ে, সমাজৰ বিৰূপ বিকাশ ঘটে আৰু এদিন তেওঁলোকৰ অবৈজ্ঞানিক আদৰ্শৰ মাজত নিহিত অন্তৰ্দ্বন্দ্বই তেওঁলোকৰ সুপৰিকল্পিত অভিনয়ৰো মুখা খুলি দিয়ে। ভুল মতাদৰ্শৰ ফলশ্ৰুতিৰূপত বাঢ়ি গৈ থকা নানা তৰহৰ আৰ্থ-সামাজিক সংকটে তেওঁলোকৰ ন্যায়-বিচাৰ, গণতন্ত্ৰ আৰু সংবিধানৰ প্ৰকৃত স্বৰূপহে উদঙাই দেখুৱায়। এক বিশৃংখল পৰিবেশত তেওঁলোকলৈ অৱশিষ্ট ৰয়গৈ, গণস্বাৰ্থ বিৰোধী জোৰ-জুলুম আৰু ৰাষ্ট্ৰীয় দমননীতি। এনে নৈৰাজ্যৰ পৰিবেশত, ব্যক্তি স্বাধীনতাত বিশ্বাসী, আনকি নিষ্ঠাবান বুদ্ধিজীৱীসকলৰ সাধু জীৱনো আন এটা সমস্যাৰ মুখামুখি হয়। তেওঁ হয়তো বুজি নেপায় যে তেওঁৰ নিজৰেই স্বাধীনতাৰ ধাৰণাটো সম্পূৰ্ণ মুক্ত বা স্বতন্ত্ৰ নহয়। সেইটো আচলতে বিশেষভাবে তেওঁৰ অন্তৰ্জগতৰ এটা অভিপ্ৰায় বা মনোবৃত্তিহে, যিটো তেওঁৰ জীৱন দৰ্শন বা ভাবাদৰ্শৰ লগত একান্তভাবে জৰিত আধাৰবিহীন ধাৰণাহে। দাৰ্শনিকভাবে অথবা বৈজ্ঞানিক বস্তুবাদী যুক্তিৰ ভিত্তিত সি বস্তুৰ অধীন চেতনাৰ সক্ৰিয়তাৰ লগত জৰিত নহয়। ক্ৰিষ্টোফাৰ কডৱে'লৰ ভাষাতেই সেয়ে প্ৰশ্ন কৰিব পৰা যায় – 'Can he enjoy a freedom which is sustained by the same cause as the workers' unfreedom ?' (Studies **In A Dying Culture**, P. 128)। দুৰ্ভাগ্যজনক সত্যটো হ'ল এয়ে, ভাবাদৰ্শৰ

ইতিহাসৰ পৰম্পৰাগত সৃষ্টিশীলতাৰ অপৰিবৰ্তনীয়, চিৰন্তন সত্যৰ উৰ্দ্ধত বৈজ্ঞানিক যুক্তিবাদৰ কোনো সামাজিক সুফল আজি আৰু সম্ভৱ নহয় বুলি হয়তো তেনে বুদ্ধিজীৱীয়ে নিজস্ব যুক্তি আৰু আত্মসন্তুষ্টি ব্যক্ত কৰাত কিছু পৰিমাণে হ'লেও সফলতা লাভ কৰিব পাৰিব। যদি সেই কথাই সঁচা, আমাক কাকো বৈজ্ঞানিক যুক্তিৰ প্ৰয়োজন নাই ? সমাজ বিকাশৰ অপ্ৰতিৰোধ্য গতিত কোন ছহিদ হ'বগৈ, সেই কথা সময়েহে প্ৰমাণ কৰিব। তথাপিতো যুক্তিবাদৰ প্ৰতি যথাযোগ্য শ্ৰদ্ধা থকা বাবেই এটা কথা নিশ্চিতভাবে আমি বুজি পাওঁ যে যি কাৰণত (cause) শ্ৰম-বিভাজনৰ বাবে বুদ্ধিজীৱীৰ স্বাধীনতা আপাততঃ ন্যায়সংগত যেন লাগে; একেটা কাৰণতেই আচলতে শ্ৰমিক এজনৰ পৰাধীনতাও নিশ্চিত। মাৰ্ক্সবাদৰ মতে, এনে সমস্যা সমাধানৰ এটাই উপায় থাকে – সি হ'ল সমস্যাৰ মূল কাৰণ বুৰ্জ্জোৱা সামাজিক সম্পৰ্কৰ (তেহেলৈ উৎপাদন সম্পৰ্কৰ) আমূল পৰিবৰ্তন।

সি যিয়েই কি নহওক, এটা কথা আমি দ্বিধাহীনভাবে স্বীকাৰ কৰিবই লাগিব যে বৈজ্ঞানিক দাৰ্শনিকভাবে "বস্তুৰ অধীন চেতনা"ৰ কোনো নিজস্ব স্বাধীনতা বাস্তৱত সম্ভৱ নহয়। ব্যক্তি-স্বাধীনতা বা পৰাধীনতাৰ বিষয়টো ব্যক্তিৰ সক্ৰিয় চেতনাৰ বিশেষ বৈশিষ্ট্য – তাৰ নিৰ্দিষ্ট সম্পৰ্ক মনৰ Self-Determinism নাইবা Free willৰ লগতহে। ই ব্যক্তিৰ সুৰক্ষিত মনস্তত্বৰ বিষয়। আনকি সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাতো মাৰ্ক্সবাদী ঐতিহাসিক বস্তুবাদৰ (Historical Materialism) সন্মুখত ই এটা অতিশয় প্ৰত্যাহ্বান পূৰ্ণ সমস্যা। মানসিক আৰু শাৰীৰিক এই দুই ধৰণৰ শ্ৰম-বিভাজনেই আচলতে বস্তুগত উৎপাদন আৰু আধ্যাত্মিক-মানসিক উৎপাদনক দুই ভাগত বিভক্ত কৰিলে আৰু তাৰ ফলতেই আধ্যাত্মিক-মানসিক শ্ৰমৰ লগত জৰিত ব্যক্তিয়ে তেওঁৰ মনৰ স্বাধীনতাৰ আৰু বস্তুগত উৎপাদনৰ লগত তেওঁৰ কোনো সম্পৰ্ক নথকাৰ এটা বাহ্যিক ধাৰণা পোষণ কৰিবলৈ ল'লে। সমাজ বিকাশৰ ফলত মানসিক শ্ৰমৰ দিশতো একেধৰণেৰেই অন্যান্য উপ-বিভাজন হ'বলৈ ধৰিলে। নিজ কৰ্মৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোক যি ভাবাদৰ্শৰ দ্বাৰা পৰিচালিত হ'ল, সেইবিলাকো আচলতে শোষক-শাসক শ্ৰেণীৰ স্বাৰ্থৰ দ্বাৰাই প্ৰভাৱিত হ'ল। ফলত আইন-কানুন, ৰাজনীতি, দৰ্শন, ধৰ্ম আৰু কলা-সংস্কৃতি – আদি ভিন. ভিন দিশত ভিন ভিন বিশেষজ্ঞৰ আৱিৰ্ভাৱ ঘটিল। আনকি শ্ৰেণী-সমাজৰ পৰা শ্ৰেণীহীন সমাজৰ উত্তৰণ প্ৰক্ৰিয়াত এই আপেক্ষিক স্বাধীনতাৰ বাহ্যিক ধাৰণাৰো অৱলুপ্তি নঘটিল। ভাবাদৰ্শৰ বিকাশ প্ৰক্ৰিয়াত পৰম্পৰাগত ভিত্তিত, ই এটা অপৰিবৰ্তনীয় নিয়ম হিচাপেই সমাজত থাকি গ'ল। সাম্যবাদী সমাজ গঠনৰ সন্মুখত সেয়ে ই এটা প্ৰধান প্ৰত্যাহ্বান ৰূপেই থাকি গ'ল। আনহাতে শ্ৰম-বিভাজনৰ ফলত হোৱা এনে বাহ্যিক ধাৰণাই অৱশ্যে স্বাধীনতা বিচৰা বুদ্ধিজীৱীক অপৰাধবোধৰ অৱস্থাতহে পেলাবলৈ বাধ্য, কিয়নো, তাৰ ভিন্ন ভিন্ন স্বাধীনতা প্ৰয়াসৰ কুৎসিত মুখ আৰু মুখাই বিচিত্ৰতাৰ মাজেৰে নিষ্ঠাবানজনকো লজ্জিত কৰি তুলিবলৈ বাধ্য। সমাজবিকাশৰ ঐতিহাসিক অনিবাৰ্য পৰিণতি স্বৰূপেই সমাজবাদী-সাম্যবাদী সমাজতো এনে বিৰোধ তথা দ্বন্দ্বৰ গতি ত্বৰান্বিত হ'ব। কিন্তু মাৰ্ক্সবাদৰ মানৱীয়, সক্ৰিয় কল্পনা মতে, বাহ্যিক স্বাধীনতা প্ৰয়াসীৰ ধাৰণাৰ বিপৰীতে সমাজবাদী-সাম্যবাদী সংস্কৃতিৰ কাৰ্য-ব্যৱস্থা তথা তাৰ সুফলবোৰে মানুহৰ মনৰ পুঞ্জীভূত বাহ্যিক স্বাধীনতাৰ ধাৰণাৰ সংশোধন আৰু ৰূপান্তৰ ঘটাবলৈ সক্ষম হ'ব। কিন্তু প্ৰশ্ন উঠে, সাম্যবাদী সমাজ-ব্যৱস্থাৰ বাস্তৱৰ স্বপ্নত ছোভিয়েত ৰাছিয়াই ব্যক্তি-স্বাধীনতাৰ সমস্যাটো সমাধান কৰিব পাৰিলেনে ? Ideological ফ্ৰন্টত, সমাজবাদী মানৱীয় সচেতনতাই প্ৰতিক্ৰিয়াশীল মনোবৃত্তি পৰাভূত কৰিবলৈ সক্ষম হ'ল নে ?

এনেবোৰ সমসাময়িক প্ৰশ্নৰ উত্তৰ বিচাৰিয়েই আমি মনীষী লৰেন্সৰ জীৱনৰ বুৰ্জোৱা, আঁকোৰগোজ মনোভাবৰো ব্যাখ্যা আগবঢ়াবলৈ চেষ্টা কৰিম। আজিৰ যুগত মনীষী লৰেন্সৰ, প্ৰাসংগিকতা তথা ব্যৰ্থতাৰ ন্যায্যতা হয়তো এনেবোৰ সমস্যাৰ ব্যাখ্যাৰ মাজতেই নিহিত আছে। যথাৰ্থ আৰু বস্তুনিষ্ঠ আলোচনাইহে সেইবোৰ খুতিনাতি আৰু দৃষ্টিকোণ পোহৰলৈ আনিব পাৰিব।

"Political, juridical, philosophical, religious, literary, artistic, etc., development is based on economic development. But all these influence one another and also the economic basis. It is not that the economic situation is the only cause, solely active, while everything else has only passive effect. There is rather, interaction on the basis of economic necessity, which ultimately always paves the way for itself." **(Frederick Engels,** HISTORICAL MATERIALISM, Basic Problems, P. 278)

অত্যন্ত দুখেৰে সৈতে মই এই কথা স্বীকাৰ কৰিবলৈ বাধ্য হৈছো যে মাৰ্ক্সৰ বস্তুবাদী বিশ্ববীক্ষা আৰু মাৰ্ক্সৰ সক্ৰিয় চেতনাৰ (Vigorous human activity) তত্ত্বক বুৰ্জ্জোৱা ভাবাদৰ্শই কিমান অসন্মানেৰেই যে বিকৃত কৰিবলৈ প্ৰয়াস কৰা নাই ! তাৰ অন্যতম সাক্ষী স্বৰূপ হ'ল – মাৰ্ক্সবাদৰ বিৰুদ্ধে 'Economic Determinism'ৰ উদ্দেশ্য প্ৰণোদিত অথবা অসচেতন অভিযোগ। এংগেলচৰ দৰে মাৰ্ক্সেও জানো কৈ যোৱা নাছিল যে বস্তুগত বাস্তৱতাক বস্তুগত ধাৰণাৰেই বুজিব লাগিব; তথাপিতো চেতনাৰ সক্ৰিয় চৰিত্ৰৰ প্ৰভাৱত এনেকুৱা কথাও সামাজিক সত্যত পৰিণত হয় যে কেতিয়াবা ভাবাদৰ্শও এটা বস্তুগত শক্তিলৈ পৰিণত হয়, যেতিয়াই ই জনগণৰ হৃদয়ৰ মৰ্মত প্ৰবেশ কৰিবলৈ সক্ষম হয়। কিন্তু মাৰ্ক্সৰ তেনেকুৱা মন্তব্য গোপন কৰা হ'ল আৰু কোৱা হ'ল যে মাৰ্ক্সে কেৱল "বস্তুগত" কথাহে বেছিকৈ কৈছিল, "ভাবাদৰ্শ"ৰ বাস্তৱতা পাহৰি পেলাইছিল। এনেকুৱা অপপ্ৰচাৰৰ লগত ব্যক্তিৰ চেতনাৰ সক্ৰিয় চৰিত্ৰ সম্পৰ্কত, মাৰ্ক্সৰ অন্তৰ্দৃষ্টিৰ (Insight) ঔজ্জ্বল্যত বিভাসমান মন্তব্যৰ কিবা সম্পৰ্ক আছে নে ? উত্তৰ হ'ব, নাই। মাৰ্ক্সে ভাবাদৰ্শৰ সেই সক্ৰিয় বাস্তৱতাৰ কথা কৈছিল, যি বাস্তৱতাই, অন্তিম বিচাৰত মনৰ ভাবাদৰ্শগত কৃত্ৰিম বা নকল অনুভুতিৰ (Counterfeit emotion) পৰিবৰ্তে প্ৰকৃত, নিষ্ঠাবান অনুভুতিৰ (Vital & Sincere emotion) জৰিয়তেহে সমাজৰ বৈজ্ঞানিক বিকাশৰ দায়ত জনগণৰ বৈপ্লৱিক শিক্ষা নিশ্চিত কৰিব পাৰে।

এনে পৰিপ্ৰেক্ষিততেই, সমাজৰ ঐতিহাসিক বিকাশত, মাৰ্ক্সবাদৰ চৰ্চ্চাতো, লৰেন্সৰ ধাৰণাবলয়ত অৱস্থান কৰা ব্যক্তিৰ সুৰক্ষিত মনস্তত্বৰ (যথা, (Vital and sincere emotion, counterfeit emotionৰ বিষয়ে এই লানি ৰচনাৰ দ্বিতীয় প্ৰবন্ধত আলোচনা কৰা হৈছে। ১৯৯১ চনৰ বিশেষ শাৰদীয় সংখ্যা 'সূত্ৰধাৰ' চাওক) সক্ৰিয় চৰিত্ৰৰ অথবা অন্যভাষাত, ভাবাদৰ্শৰ আপেক্ষিক স্বাধীনতাৰ কথাটোও অতিশয় প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ। *(আগলৈ)*






# STATEFED

অসম ৰাজ্যিক সমবায় বেচা-কিনা আৰু গ্ৰাহক ফেডাৰেচনে (ষ্টেটফে'ড) অসমৰ প্ৰগতিৰ ক্ষেত্ৰত ৰাজহুৱা ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি, সমবায় আন্দোলনক ক্ষিপ্ৰতাৰে আগুৱাই নিয়াত অৰিহণা যোগাই আহিছে।

ভাৰতৰ উদ্যোগিক বিকাশৰ মানচিত্ৰত পিছপৰি থকা অসমত উদ্যোগ বিকাশৰ ক্ষেত্ৰত "তৃপ্তি বনস্পতি" আৰু 'তৃপ্তি গোল্ড' টি'ৰ উৎপাদন আৰু ইয়াৰ জনপ্ৰিয়তা তথা সফলতা ষ্টেটফেডৰ এক দৃঢ় পদক্ষেপ।

কৃষিপ্ৰধান এই ৰাজ্যত কৃষকসকলক উন্নত-মানৰ বীজ আৰু সাৰ যোগানে ৰাজ্যখনত সেউজ বিপ্লৱ কেউদিশে বিয়পায় তোলাত ষ্টেটফেডে প্ৰত্যক্ষভাৱে অৰিহণা যোগাই আহিছে।

ষ্টেটফেড্


OKDISCD

কবিতা

## একান্ত ব্যক্তিগত

মাধবী দত্ত

যোৱানিশা অন্ধকাৰৰ দেশলৈ গুচি গলো অলক্ষিতে
থুপি থুপি ফুলেৰে গছত ওলোমা জোনাকবোৰ
থুপাই থলো একান্ত ব্যক্তিগত নথি-পত্ৰৰ মোনাত ।
ব্যক্তিগত ?

এৰা একান্ত ব্যক্তিগত ফুল আৰু জোনাকৰ সৈতে
পাতনিৰ অন্ধকাৰত শাৰী শাৰীকৈ মোৰ চিনাকি গান;
গানেই কিজানি ?

এৰা প্ৰেমিকৰ উম্মাৰে ঘূৰি ফুৰা এটা গান ।
ফটিকাৰ বাটিত চুমুক মাৰি ধৰফৰাই উঠা কলিজাটোৱে
সাগৰৰ বুকুত হেনো ঢৌৰ লহৰ লেখিব খোজে
বিশাল অন্ধকাৰৰ দেশত
আই মোৰ অ' আউলী বাউলী চুলি
সোণৰ কাৰেঙত
আই মোৰ অ'
ফুলৰ পালেঙত
আই মোৰ অ'
আই মোৰে মৰা জোন হৈ সৰাইছে হাঁহি ।
বেদনাৰ নীলা চৰাই জনীয়ে উচুপি ওৰেটো নিশা
উকা কাগজখিলা তিয়াই দিছিল চকুৰ পানীৰে
কাগজখিলা পঢ়ি উঠি মই বৃন্তৰ সৈতে
চিঙি থৈছিলো কলিজাটো ব্যক্তিগত নথি-পত্ৰৰ মোনাত
হায় মোৰ নীলা চৰাইজনী !
তয়েই চাগৈ মোৰ একান্ত ব্যক্তিগত প্ৰেমিকা । ▫

## আগতেতো জনা নাছিলো

দিব্যলতা দত্ত

এতিয়া মই প্ৰেমত নপৰাকৈয়ে প্ৰেমৰ কবিতা লিখিব পাৰো ।
সাগৰ নেদেখাকৈও অনুভৱ কৰিব পাৰো সাগৰৰ বিমূৰ্ত বিশাল ৰূপ ।
মৃত্যুৰ সতে এতিয়া মই সহজে আলাপ কৰো ।
ভাবিলেও ভাল লাগে, মৃত্যুও যে ইমান সুন্দৰ হ'ব পাৰে আগতেতো জনা নাছিলো ।

এতিয়া মই ইচ্ছা কৰিলেই দেশ এৰি গুচি যাব পাৰো,
ইচ্ছা কৰিলেই হ'ব পাৰো নাগৰিক বিশাল বিশ্বৰ ।
কোনোবা নিগ্ৰোৰ পিঠিত শুকাই কৰাল মৰা তেজৰ
ওপৰেদি আলফুলে মোৰ সহানুভূতিৰ হাত দুখন বুলাই দিব পাৰো ।

এতিয়া মই মৰুভূমিতেই মনিব পাৰো সাগৰৰ সুদূৰ নীলিম ।
আগতেতো জনা নাছিলো আখৰেও জীৱন ইমান সুন্দৰ কৰি তুলিব পাৰে বুলি ।▫

## তেজে ধোৱা হৃদয়ত প্ৰেম

কাব্যশ্ৰী মহন্ত

গভীৰ নিশাৰ সতে মুখামুখি নোহোৱালৈকে মই জনা নাছিলো
কেনেকৈ শান্ত শিশুৰ দৰে হিয়াৰ গোপন অলিন্দত
সংগোপনে শুই থাকে প্ৰেম !
তেৱোঁতো ইমানদিনে জনাই নাছিল
হৃদয়ত তেওঁৰো আছিল বুলি
পাৰ হোৱা জোনাকৰ করুণ প্ৰলেপ ।

আমি সংগীৰ দৰে লগ হওঁ, বন্ধুৰ দৰে কথা পাতো,
অতীত বা ভৱিষ্যৰ কোনো এক মৰ্মন্তুদ মুহূৰ্তত থাপি লৈ হৃদয়
তাৰ পিছত ঘূৰি ঘূৰি আহো আপোন বাসুলৈ,
মোৰ বাবে য'ত অপেক্ষা কৰি থাকে,
এসোপা কিতাপ, এডাল কলম, এডাল তুলাপাত,
আৰু তেওঁৰ তাত অন্তৰতম নিবিড় আশ্ৰয় ।
চৌপাশৰ অজস্ৰ জড় পদাৰ্থৰ নিৰ্বিকাৰ সান্ত্বনাৰ মাজত
খুচি-বিন্ধি সুমুৱাই থওঁ নিজক,
শলখা লগাই থওঁ,
পৰিভ্ৰমণৰত পথিকৰ কাষত মৌন সহযাত্ৰী হোৱাৰ দুৰ্বাৰ বাসনা ।

ওহোঁ, মই হাবাথুৰি খোৱা নাই,
মোহ আৰু ভ্ৰান্তিৰ নিৰৰ্থক সংজ্ঞা খেপিয়াই;
প্ৰেমৰযে কোনো নিৰ্ভুল ব্যাকৰণ নাই ।
তেজেধোৱা ছালত আধালিখা কবিতাৰ পাণ্ডুলিপি লৈ,
প্ৰেম আহে খুব সংগোপনে
কেনেকৈযে কলিজাত বহুৱাই দিয়ে বিষাদৰ খোলা তৰোৱাল ।

মোৰ কুঠৰীলে আহি চালে দেখা পাবা,
কিতাপ, কলম আৰু তুলাপাতৰ মাজত
কেনেকৈ লৰচৰ কৰিছে জুলীয়া হেঁপাহ,
নদীৰ মেলানি তীৰলৈ আজি সেয়ে মই
হেঁপাহকে সংগী কৰি ল'লো ।▫



## কবিতা

**নীলিম কুমাৰ**

সেই জলকুণ্ডটোত ডুব গৈ থকা এতিয়াও মনত আছে।
ফাটি গৈছিল সেই আৱৰণ আৰু যন্ত্ৰণাৰ এটা চিঞৰে
মোক এটা ঠেক বাটেৰে ঠেলি লৈ আহিছিল।
তাৰ পিছত মোৰ ওঁঠত দুটা মাংসপিণ্ডৰ দুগ্ধ।
সেই ঠেক বাটটো, জলকুণ্ডটো, মাংসপিণ্ড দুটা আৰু কিছু চেনেহ
যিয়ে ধাৰণ কৰিছিল তেওঁ আছিল মোৰ মা।

যেতিয়া গম পাইছিলো পিতাৰ অস্তিত্ব, মই বুজা নাছিলো
তেওঁৰ স'তে মোৰ সম্পৰ্ক। হয়তো মাৰ স'তে তেওঁৰ সম্পৰ্ক
আছিল মধুৰ, কিয়নো মই বহুবাৰ দেখিছিলো তেওঁলোকৰ
আলিংগনৰ দৃশ্য

মই বৰ্তমানতকৈ কিছু পিছ পৰা, কিন্তু স্মৰণাতীত অতীতৰ কিছু কথা
মই তোমালোকতকৈ অলপ বেছি জানো।
সেয়ে মোক এৰি নিদিবা। □

## অন্য এক যুদ্ধক্ষেত্ৰৰ পৰা

প্ৰদীপ শৰ্মা

(১)
হাতত ঘঁহি ল'লো আকাশৰ মত্ততা
মোৰ টলমল জুপুৰি কঁপাই
উজানৰ তেজৰ সোঁত
সোঁতত উটা ভুৰবোৰত ভাহি ফুৰিছে
তপ্ত ৰক্তাক্ত কিছুমান চিঞৰ

ধোঁৱা আৰু ধোঁৱা
ৰাতিৰ ওঁঠত জ্বলে লেম এটা
পানীৰ তলত মুখ ভেঙুচায় পথাৰে

(২)
ইপাৰ সিপাৰ ভেদি
কাল-পুৰুষৰ তৰোৱালৰ হাঁহি
ৰক্তক্ষৰা ত্ৰিভূৱন চৰাচৰ

মানুহবোৰ পৰস্পৰৰ পৰা কিমান দূৰত্বত
অথবা পৰস্পৰৰ ভিতৰত কিমান গভীৰত
প্ৰত্যেকৰে বুকুত নেলী বৰকাজুলিৰ ক্ষত

(৩)
পাটমাদৈটোৱে উৰি আহি পিন্ধালেহি
বনগীত এটা বুঢ়া আঁহতৰ ডিঙিত
মোৰ সমগ্ৰ দেহত এতিয়া সেই গোপন নিষিদ্ধ বিস্ময়
যেনিয়েই চোৱা দেখিবা
জুইৰ মাজতো যুদ্ধৰ মাজতো মানুহবোৰে
সকাহ পালেই পখিলা হৈ উৰিছে
বিচাৰি ফুৰিছে হেৰোৱা বিহুৱান

শিলৰ বুকুত অংকিত কৰিছে
হৃদয়ৰ গোপন ঐশ্বৰ্য

(৪)
শিলৰ শৰীৰত মেৰ খোৱা মই
সেউজীয়া গান
মানুহবোৰৰ মুখত গানৰ একোটা মুদ্ৰা

আহত হৃদয়ত শিশুৰ ওঁঠৰ কলতান

আৰু পাৰ ভাঙি বোৱা এখন নৈ সাবটি
তাই এক আচ্ছাদিত কুমাৰী
জুইৰ মাজতো যুদ্ধৰ মাজতো তাইৰ
সযত্ন লালিত কৌমাৰ্যত অন্তৰ্লীন
আমাৰ দেহাতীত পৃথিৱী

(৫)
সূৰ্যৰ সোণালী আঁচল কামুৰি চিঞৰে
প্ৰেমৰ শিশুৱে

থৌকিবাথৌ দুপৰৰ নদী
হৃদয়ত হৃদয় নীৰৱ শিল্পৰ আকৃতি

সূৰ্য এতিয়া সহস্ৰ ক্ৰোধৰ নিশ্বাস
এখন অদৃশ্য যুদ্ধৰ বাবে
এক আগ্নেয় আহ্বান

তাৰ সুতীক্ষ্ণ তৰোৱালে ভেদ কৰিছে
স্থিতি উন্মাদনা সংঘৰ্ষ নিৰ্বেদ নিৰ্বিশেষে
সমস্ত ব্যাকুল কলৰৱ □



OKDISCD

স্মৃতিচাৰণ

# লগ পোৱা কেইজনমান নেতাৰ ব্যক্তিগত পৰিচয়

গোলাপ বৰবৰা

## শ্যামাপ্ৰসাদ মুখাৰ্জী

আমি তেতিয়া কলিকতাত কলেজীয়া ছাত্ৰ। মই বঙ্গবাসী কলেজত পঢ়িছিলো। আছিলো কেনিং হোষ্টেলত। ২য় মহাযুদ্ধৰ সময়ত গুৱাহাটীৰ কটন কলেজ আৰু তাৰ পুৰণি হোষ্টেল কেইবাটাও সৈন্যবাহিনীৰ দখলত থকা কাৰণে কলিকতাত সেই সময়ত বিভিন্ন কলেজত অসমীয়া ছাত্ৰ বহুত আছিল। সেই সময়ত '৪২-ৰ বিপ্লৱ শাম কাটি আহিছিল। স্বাধীনতা আন্দোলনৰ নেতাসকল জেলৰ পৰা মুকলি হৈ অহাৰ পিছত বহুতেই কলিকতালৈ আহিছিল। আনহাতে দিল্লীৰ লালকিল্লাত আজাদ হিন্দ ফৌজৰ বীৰ যোদ্ধা সকলৰ বিচাৰৰ কথাও কাগজে পত্ৰই পঢ়ি ছাত্ৰসকল ৰোমাঞ্চিত হৈছিলো হক। বিভিন্ন জনৰ বক্তৃতা শুনিবলৈ গৈছিলো, শ্ৰদ্ধানন্দ পাৰ্ক, দেশপ্ৰিয় পাৰ্ক, দেশবন্ধু পাৰ্ক, চিনেট হল, ইউনিৰ্ভাচিটি ইনষ্টিটিউট আদিত।

ডাঃ শ্যামাপ্ৰসাদ মুখাৰ্জী আছিল সেই সকলতকৈ বেলেগ এজন নেতা। তেতিয়া তেখেত আছিল হিন্দু মহাসভাত। স্বাধীনতাৰ মন্ত্ৰেৰে উদ্বুদ্ধ ছাত্ৰ আৰু জনসাধাৰণৰ হিন্দু মহাসভাৰ প্ৰতি সমৰ্থন নাছিল। তথাপি এদিন শ্ৰদ্ধানন্দ পাৰ্কত তেখেতৰ বক্তৃতা শুনিবলৈ গৈছিলো। সভাত মানুহো বিশেষ হোৱা নাছিল। কিন্তু পিছত শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ব্যক্তিত্বৰ এটা দিশে মোৰ মনত গভীৰ ৰেখাপাত কৰিছিল। তাকে ক'ব খুজিছো।

আজাদ হিন্দ ফৌজৰ বীৰ যোদ্ধা ৰচিদ আলিৰ মুক্তিৰ দাবীত ছাত্ৰ সকলে "ৰচিদ আলি দিৱস" পালন কৰি দীঘল শোভাযাত্ৰা উলিয়াইছিল। কংগ্ৰেছ পতাকাৰ লগতে মুছলীম লীগৰ পতাকাও উৰাইছিল শোভাযাত্ৰাত একেলগে অহা মুছলমান ছাত্ৰসকলে। ছাত্ৰসকলৰ উদ্দেশ্য আছিল গৱৰ্নৰ নিবাসৰ কাষৰ আলিয়েদি শোভাযাত্ৰা কৰি যোৱা। কিন্তু তাৰ আগতেই ধৰ্মতলা ষ্ট্ৰীটত ৱাচেল মোল্লাৰ ডাঙৰ দোকানখনৰ ওচৰত পুলিচে বেৰিকেড্ দি লাঠি আৰু বন্দুক জোঁকাৰি ছাত্ৰসকলক বাধা দিলে। চৌৰঙ্গীৰ ফালৰ পৰা আন এদল ছাত্ৰ তালৈ আগবাঢ়ি আহিবলৈ চেষ্টা কৰোতে ৰামেশ্বৰ বেনাৰ্জী নামৰ এজন ছাত্ৰৰ পুলিচৰ গুলিত মৃত্যু হ'ল। উত্তেজনাই দেখা দিলে। ছাত্ৰ নেতাসকলে পৰিস্থিতি নিয়ন্ত্ৰণৰ কাৰণে শোভাযাত্ৰাকাৰী সকলক ধৰ্মতলা ষ্ট্ৰীটত বাটৰ ওপৰতে বহি যাবলৈ কলে। সকলো ছাত্ৰৰ দাবী শোভাযাত্ৰা আগবাঢ়ি যাবলৈ দিবই লাগিব। কিৰণ শঙ্কৰ ৰায়, শৰৎ চন্দ্ৰ বসু আদি বিশিষ্ট কংগ্ৰেছ নেতাসকলক ঘটনাস্থলীলৈ মাতি পঠোৱা হ'ল। কোনো নাহিল। মাত্ৰ বাণী পঠিয়ালে – "beware of the communists!" ছাত্ৰ সকল ক্ষুব্ধ হ'ল। কিন্তু ৰাস্তাৰ ওপৰত বহিয়েই ৰাতিটো কটালে।

পিছদিনা আগবেলা দেখা গ'ল – শ্যামাপ্ৰসাদ মুখাৰ্জী আহিছে। হিন্দু মহাসভাৰ নেতা হিচাপে নহয়, কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে। ছাত্ৰ নেতা সকলৰ লগত প্ৰথমে কথা পাতিলে। তাৰ পিছত গৱৰ্নৰ কেজিৰ ওচৰলৈ গ'ল। এইদৰে মুখাৰ্জীয়ে ধৰ্মতলা ষ্ট্ৰীটৰ পৰা গৱৰ্নৰ হাউচলৈ দুবাৰমান অহাযোৱা কৰিলে। শেষত তেখেতে গৱৰ্নৰক বুজাবলৈ সমৰ্থ হ'ল যে ছাত্ৰসকলে শোভাযাত্ৰ কৰি ৰচিদ আলিৰ মুক্তিৰ দাবীত ধ্বনি দি যাব, কোনো গণ্ডগোলৰ সম্ভাৱনা নাই। গৱৰ্নৰ সন্মত হ'ল। পুলিচৰ বেৰিকেড্ উঠিল। ছাত্ৰসকলৰ শ্যামাপ্ৰসাদৰ ব্যক্তিত্বৰ প্ৰতি সন্মানত মূৰ দোঁ খালে। শোভাযাত্ৰা শান্তিপূৰ্ণভাৱে আগবাঢ়ি গ'ল।

এইজন শ্যামাপ্ৰসাদ মুখাৰ্জী তাৰ পিছতে অসমলৈও আহিছিল হিন্দু মহাসভাৰ প্ৰচাৰ কৰিবৰ কাৰণে। নগাওঁ আৰু গুৱাহাটীৰ জনসভাত সেই সময়ত অসমত থকা বঙালী হিন্দুসকলক তেখেতে পৰামৰ্শ দিছিল – "একেখন বঙ্গদেশৰ পৰা অহা মুছলমানসকলে অসমত অসমীয়া ভাষা গ্ৰহণ কৰি অসমীয়া মানুহৰ আপোন হ'ব পাৰিছে, তোমালোকে বঙালী হাইস্কুল খুলি ভুল কৰিছা।"

শ্যামাপ্ৰসাদ মুখাৰ্জী কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থাকোতে অসমীয়া ছাত্ৰ বহুতেই পৰীক্ষা আদি দিয়াত কিবা অসুবিধা পালে তেখেতক লগ ধৰিছিল আৰু তেখেতে সুবিধা কৰিও দিছিল। তেখেতে বোধকৰো পাহৰা নাছিল যে তেখেতৰ পিতৃ ছাৰ আশুতোষ মুখাৰ্জী কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থাকোতেই বিশ্ববিদ্যালয়ে অসমীয়া ভাষাক এটা অন্যতম ভাৰতীয় ভাষা বুলি স্বীকৃতি দিছিল।

শ্যামাপ্ৰসাদ ১৯৪৬ চনত ভাৰতীয় সংবিধান সভা (constituent assembly)ৰ সদস্য মনোনীত হৈছিল আৰু অন্তৰ্বৰ্তী কালীন চৰকাৰৰ এজন অন্যতম মন্ত্ৰীও হৈছিল। কিন্তু জৱাহৰলাল নেহৰুৰ সৈতে নীতিগত পাৰ্থক্যৰ কাৰণে মন্ত্ৰীপদ ইস্তফা দিলে।

## আব্দুল গফুৰ খানৰ কথা



মানুহজনক প্ৰথম দেখিছিলো ১৯৪৫ চনৰ শেহৰ ফালে কলিকতাৰ পাৰ্ক চাৰ্কাচ এলেকাত মৌলানা আজাদৰ বঙলাটোৰ আগফালে। কংগ্ৰেছৰ নেতাসকল জেলৰ পৰা ওলাই অহাৰ পিছত কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ কেইবা বছৰৰ পিছত প্ৰথম সভা মৌলানা আজাদৰ ঘৰত। বহুলোক নেতাসকলক চাবলৈ গৈছিল। আমিও গৈছিলো। ৬ ফুটতকৈও ওখ, দীঘল নাকটোৰে সৈতে সাধাৰণ মোটা খদ্দৰৰ দীঘল কুৰ্তা আৰু পাঠানসকলে পিন্ধা পাইজামাৰে সৈতে এই মানুহজনে মোক সেইদিনা আন নেতাসকলতকৈ বেছি আকৰ্ষণ কৰিছিল।

১৯৩০ চনত আইন অমান্য আন্দোলনৰ সময়ত এইজন গফুৰ খানৰ নেতৃত্বতে উত্তৰ পশ্চিম সীমান্তৰ দুৰ্ধৰ্ষ পাঠান সকলে অহিংস শান্তিপূৰ্ণ আন্দোলনত জঁপিয়াই পৰি পুলিচৰ অত্যাচাৰৰ সন্মুখীন হৈছিল। তেখেতৰ স্বেচ্ছাসেৱক বাহিনীৰ নাম আছিল "খুদা-ই-খিদ্‌মদ্‌গাৰ"। ভাৰতবাসীয়ে তেখেতক নাম দিছিল সীমান্ত গান্ধী। ১৯৩৭ চনৰ নিৰ্বাচনত তেখেতৰ নেতৃত্বতে মুছলিম প্ৰধান উত্তৰ পশ্চিম সীমান্ত প্ৰদেশত মুছলিম লীগক বেয়াকৈ পৰাজিত কৰি কংগ্ৰেছ মন্ত্ৰীসভা গঠিত হৈছিল, তেখেতৰে ভায়েক ডাঃ খান চাহেবক প্ৰধান মন্ত্ৰী হিচাপে লৈ। ১৯৪৬ চনৰ নিৰ্বাচনতো মুছলিম আসন বিলাকৰ ১৯খন পাইছিল কংগ্ৰেছে, ১৫খন পাইছিল মুছলিম লীগে। সাধাৰণ আসন ৮খনো লাভ কৰিছিল কংগ্ৰেছে। মন্ত্ৰী সভা গঠন হৈছিল ডাঃ খান চাহেবৰ নেতৃত্বত। বছৰৰ শেহলৈ কংগ্ৰেছৰ মিৰাট অধিবেশনত যেতিয়া বাঢ়ি অহা হিন্দু-মুছলমান বিভেদৰ বিষয়ে আৰু মুছলিম লীগৰ পাকিস্তান দাবীৰ বিষয়ে আলোচনা হৈছিল তেতিয়া চৰ্দাৰ পেটেলে তেখেতৰ বক্তৃতাত মুছলিম লীগ বুলি নকৈ বাৰে বাৰে "মুছলমান সকলে" – বুলি কৈছিল আৰু গফুৰ খানে বাৰে বাৰে উঠি তাৰ প্ৰতিবাদ কৰিছিল। তেখেতে কৈছিল – সকলো মুছলমান মুছলিম লীগৰ সমৰ্থক নহয়।

দেশ বিভাজনৰ প্ৰশ্ন যেতিয়া আহি পৰিল সেই সময়ত নেহৰু-পেটেল-আজাদ-ৰাজেন্দ্ৰপ্ৰসাদ আদি ডাঙৰুৱা নেতাসকলে দেশ বিভাজন মানি ললে। সেই বিষয়ে কংগ্ৰেছ কাৰ্যনিৰ্বাহক সমিতিৰ সভাত আলোচনা হওঁতে বিভাজনৰ বিৰুদ্ধে জ্যেষ্ঠ নেতা সকলৰ মাজত কেৱল খান আব্দুল গফুৰ খানেহে ভোট দিলে। লগতে জয়প্ৰকাশ নাৰায়ণ আৰু ডাঃ ৰামমনোহৰ লোহিয়াই। মহাত্মা গান্ধীয়েও দেশ বিভাজনৰ বিৰোধিতা কৰিছিল, কিন্তু তেখেত সেই সময়ত কংগ্ৰেছ কাৰ্যনিৰ্বাহকৰ সদস্য নাছিল। দেশ বিভাজনৰ আগে আগে গফুৰ খানে কৈছিল – ভাৰত যদি একেখন হৈ নাথাকে তেন্তে উত্তৰ পশ্চিম সীমান্ত প্ৰদেশক এখন স্বাধীন দেশ কৰা হওক, আমি পাকিস্তানত নাথাকো। লৰ্ড মাউন্টবেটেনে সেই দাবী মানি লোৱাৰ অধিকাৰ বৃটিছ চৰকাৰে তেওঁক দিয়া নাই বুলি কলে।

দেশ বিভাজন হ'ল। স্বাধীন ভাৰতৰ দাবীত আন যেই কোনো কংগ্ৰেছ নেতাৰ তুলনাত গফুৰখানে বেছি বছৰ জেলত কটাব লগীয়া হৈছিল। পাকিস্তান হোৱাৰ পিছতো তেখেতে ধৰ্মৰ ভিত্তিত সৃষ্টি হোৱা পাকিস্তান কোনো দিন মনে-প্ৰাণে স্বীকাৰ কৰি নললে পাকিস্তানী শাসকসকলৰ বহুতো অনুৰোধ সত্বেও। আকৌ বছৰৰ পিছত বছৰ জেলত কটাব লগীয়া হ'ল। দীঘলীয়া জেল যাতনা আৰু বয়সৰ বাঢ়ি অহা হেঁচাই তেখেতক জুৰুলা কৰিলে। শেষত পাক-চৰকাৰৰ সন্মতি ক্ৰমেই কাবুলত নিৰ্বাসিত জীৱন যাপন কৰিবলৈ ললে।

১৯৬৯ চনৰ শেষৰ ফালে গফুৰ খান এবাৰ ভাৰতলৈ আহিছিল। বিমানৰ পৰা নামোতে গাত আগৰ দৰেই মোটা খদ্দৰৰ দীঘল কুৰ্তা, পাঠান সকলে পিন্ধাৰ দৰে এটা পাইজামা, গাত কুৰ্তাৰ ওপৰত এটা জেকেট, কান্ধত পেলাই লোৱা খহতা উলৰ এখন চাদৰ। হাতত সৰু এটা কাপোৰৰ টোপোলা। লগত আহিছিল গাভৰু নাতিনীয়েক। দিল্লীৰ ৰাজহুৱা সম্বৰ্ধনা সভাত তেখেতে স্পষ্টকৈ কৈছিল "হিন্দুস্তান নে মুঝে ধোকা দিয়া" – অৰ্থাৎ ভাৰতে মোক ঠগিলে।

মই তেতিয়া ৰাজ্য সভাৰ সদস্য হিচাপে দিল্লীত। গফুৰ খান দিল্লীত থকা দিন কেইটাৰ ভিতৰতে আমি ছ'চিয়েলিষ্ট এম, পি কেইজনমানে তেখেতক ১৯নং গুৰুদ্বাৰা ৰাকাবগঞ্জৰ আগতে ডাঃ লোহিয়া থকা ঘৰটোলৈ মাতি আনিছিলো। লোহিয়া কিন্তু তাৰ আগতেই ১৯৬৭ চনত দ্বিতীয়বাৰ লোকসভালৈ নিৰ্বাচিত হোৱাৰ কেইমাহমানৰ পিছতে অক্টোবৰ মাহত ঢুকাইছে। সেই ঘৰটো ডাঃ লোহিয়াৰ সোঁৱৰণি হিচাপে ৰাখিবলৈ ছ'চিয়েলিষ্ট সকলে চৰকাৰৰ ওচৰত দাবী কৰিছিল আৰু চৰকাৰক দখল এৰি দিয়া নাছিল।

জাৰৰ দিনৰ দুপৰীয়া। ঘৰৰ বাহিৰৰ ঘাঁহনিত কাপোৰ পাৰি দিয়া হ'ল। তাতে আহি গফুৰ খান বহিল। দিল্লীত উপস্থিত থকা ছ'চিয়েলিষ্ট কৰ্মী সকলো বহিলো। ডাঃ লোহিয়াৰ কথা মৰমেৰে সুঁৱৰিলে। লোহিয়া জীয়াই থাকোতে কেইবছৰমানৰ আগতে কাবুলত তেখেতক লগ পাবলৈও গৈছিল। সেইদিনা তেখেতৰ লগত বহুতো আলোচনা হ'ল, – দেশ বিভাজনৰ আগৰ ৰাজনীতিৰ কথা, পাকিস্তানৰ মিলিটাৰী প্ৰাধান্য থকা চৰকাৰৰ কথা, তেখেতে শুনা মতে ভাৰতত বাঢ়ি অহা দুৰ্নীতি, চৰকাৰী অপচয় আদিৰ কথা। তেখেতে আমাক পৰামৰ্শ দিলে। হিন্দু-মুছলমানৰ মাজত সম্ভাৱ ৰক্ষা কৰি চলিবলৈ, সৰল জীৱন যাপন কৰি জনসাধাৰণৰ স্বাৰ্থত কাম কৰি যাবলৈ। দু-ঘন্টামানৰ মূৰত হিয়া-ভৰা ওলগ জনাই তেখেতক বিদায় দিলো।

*(ক্ৰমশ)*

# অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতা – কাৰণ আৰু প্ৰতিকাৰ

অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ কাৰণ আৰু তাৰ প্ৰতিকাৰ সম্বন্ধে অসমৰ বিশিষ্ট ব্যক্তিসকলৰ পৰা সংগ্ৰহ কৰা এলানি মতামত ইতিমধ্যে ১ মাৰ্চৰ পৰা প্ৰকাশ পাইছে। এইবাৰৰ মতামত দাঙি ধৰিছে **ভাস্কৰ বৰুৱা** আৰু **পৰমেশ্বৰ শৰ্মাই**।

## ভাস্কৰ বৰুৱা

অসম এনেকুৱা ৰাজ্য য'ত প্ৰাকৃতিক সম্পদ যথেষ্ট আছে, অথচ এইখিনি সম্পদৰ উপযুক্ত ব্যৱহাৰ নোহোৱাৰ বাবে এখন দৰিদ্ৰ অনগ্ৰসৰ ৰাজ্য ৰূপে পৰিগণিত হৈছে।

তলত উল্লেখ কৰা সমস্যাসমূহ অসমৰ আৰ্থিক অনগ্ৰসৰতাৰ প্ৰধান কাৰণ বুলি মই ভাবো ঃ

১) অস্বাভাৱিকভাবে বৃদ্ধি হোৱা জনসংখ্যা।

২) প্ৰয়োজনতকৈ অধিক লোকৰ কৃষিৰ ওপৰত নিৰ্ভৰশীলতা। কৃষিৰ অনগ্ৰসৰতাৰ ফলত নিম্ন উৎপাদন।

৩) সঘনে হৈ থকা বানপানী।

৪) অন্য ৰাজ্যৰ লগত থকা যাতায়াতৰ সমস্যা।

৫) বিনিয়োগৰ বাবে পাবলগীয়া মূলধনৰ অভাৱ আৰু স্থানীয় পুঁজিৰ অভাৱ।

৬) প্ৰাকৃতিক সম্পদৰ অব্যৱহাৰিতা।

৭) বিদ্যুৎৰ নাটনি, ইত্যাদি।

এই সমস্যাসমূহৰ যথাযথভাবে প্ৰতিকাৰ কৰিব পাৰিলেই অসমৰ আৰ্থিক সমস্যা যথেষ্ট পৰিমাণে লাঘৱ হব। অস্বাভাৱিক জনসংখ্যা বৃদ্ধি ৰোধ কৰিবলৈ প্ৰৱৰ্তিত হৈ থকা পৰিয়াল কল্যাণ আঁচনিবোৰ গ্ৰহণ কৰিবলৈ ৰাইজ আগবাঢ়ি আহিব লাগিব। প্ৰয়োজনতকৈ অধিক লোকে কৃষিকেই জীৱিকা হিচাপে লোৱা বাবে পৰোক্ষভাবে নিবনুৱা সমস্যাই দেখা দিছে। গতিকে অতিৰিক্ত কৃষিজীৱীসকলক অন্যান্য উদ্যোগ গ্ৰহণ কৰিবলৈ উদ্‌গনি আৰু সুবিধা দিব লাগিব। বানপানীৰ সমস্যা সমাধানৰ কাৰণে এখন "মাষ্টাৰ" পৰিকল্পনা প্ৰস্তুত কৰি ইয়াক পৰ্যায়ক্ৰমে কাৰ্যকৰী কৰিবলৈ ব্যৱস্থা লব লাগিব। ঠিক তেনেকৈ যাতায়াতৰ সমস্যাসমূহ দূৰ কৰিবলৈ উন্নত পথ, জল পৰিবহন আৰু ৰেল সেৱাৰ উন্নতি অপৰিহাৰ্য। অসমৰ উদ্যোগীকৰণত মূলধনৰ অভাৱে এক অন্তৰাই সৃষ্টি কৰিছে। এইক্ষেত্ৰত ৰাষ্ট্ৰীয়কৃত বেংকসমূহক অধিক ঋণৰ সুবিধা আগবঢ়াবলৈ সৈমান কৰাব লাগিব। অব্যৱহিত প্ৰাকৃতিক সম্পদসমূহ ব্যৱহাৰ কৰি বিভিন্ন উদ্যোগ গঢ়ি তুলিব লাগিব আৰু লগতে বিঁদ্যুৎৰ নাটনি দূৰ কৰিবলৈ বিভিন্ন ধৰণৰ বিদ্যুৎ প্ৰকল্প গঢ়ি তুলিব লাগিব।

পৰিকল্পনা বিকেন্দ্ৰীকৃত কৰা হৈছে। যথাযথ স্থানীয় আঁচনি স্থানীয় সম্পদ ভিত্তিত গ্ৰহণ কৰিব লাগিব। ইয়াৰ ফলত বহুখিনি স্থানীয় সম্পদৰ পৰা উৎপাদন আৰু নিয়োগ বৃদ্ধি হলেও গাওঁ অঞ্চলৰ মানুহৰ উপাৰ্জন বৃদ্ধি পাব।

আনফালে উদ্যোগৰ যোগেদি কেঁচামালৰ সদ্ ব্যৱহাৰ কৰি অসমৰ ভিতৰতে মূল্য সংযোজন কৰিব লাগিব।



## পৰমেশ্বৰ শৰ্মা

ভাৰতৰ প্ৰধান ৰাজ্যকেইখনৰ ভিতৰত আৰ্থিক উন্নয়নৰ মান আৰু অৰ্থনৈতিক বিকাশৰ হাৰৰ বিষয়ত, বিহাৰক বাদ দিলে, অসম আটাইতকৈ পিছপৰা। বিশেষ চিন্তণীয় কথাটো হৈছে, ৰাজ্যখনৰ এই স্থবিৰতা কোনো খণ্ডবিশেষত সীমিত হৈ থকা নাই। ই সৰ্বাত্মক। কৃষি, উদ্যোগ, যাতায়াতৰ সা-সুবিধা, সাক্ষৰতাৰ হাৰ আদি প্ৰায় সকলো ঘাই ক্ষেত্ৰতেই ৰাজ্যখন আন বেছিভাগ ৰাজ্যৰ তুলনাত পিছপৰা।

এতিয়া প্ৰশ্ন হৈছে এনে ব্যাপক অনগ্ৰসৰতাৰ কাৰণসমূহ কি? আৰু তাৰ প্ৰতিকাৰ ব্যৱস্থাই বা কেনে ধৰণৰ হ'ব? অৰ্থনৈতিক অনগ্ৰসৰতা এটা জটিল সমস্যা। এটা চমু আলোচনাৰ ঠেক পৰিসৰৰ ভিতৰত ইয়াৰ সম্যক বিচাৰ সম্ভৱ নহয়। সেয়ে আলোচনাটো কেইটামান মূল দিশৰ ভিতৰতে আবদ্ধ ৰখা হ'ব।

ইতিমধ্যে গোটাচেৰেক দিশৰ ওপৰত আলোচনা হৈছে বুলি জনা গৈছে। তাৰ পুনৰাবৃত্তি নিষ্প্ৰয়োজন হ'লেও হয়তো প্ৰসংগক্ৰমে ঠায়ে ঠায়ে পুনৰ উল্লেখ হব পাৰে।

অসমীয়া মানুহৰ কেইটামান চাৰিত্ৰিক দুৰ্বলতাৰ কথা কোৱা হয়। কৰ্মবিমুখতা, অলসপ্ৰিয়তা, কামত লেহেম বিশেষকৈ শাৰীৰিক পৰিশ্ৰমৰ প্ৰতি বিৰাগ অসমীয়া মানুহৰ জাতিগত দোষ। তাহানি কুসুম নায়াৰৰ Blossoms In Dust নামেৰে পুথি এখন পঢ়িছিলো। পুথিখনত অসমৰ কৃষিৰ ওপৰত এটা অধ্যায় আছিল। শিৰোনামাটো আছিল Agriculture with





Diginity। নগাঁওৰ চুবুৰীয়া গাঁৱত বাস কৰা দুটা মুছলমান খেতিয়ক পৰিয়ালৰ কথা। প্ৰথমটো থলুৱা; আনটো পমুৱা। থলুৱা পৰিয়ালটোৱে পেটে-ভাতে খাই থাকিব পৰা পৰিমাণে খেতি কৰে। পমুৱা পৰিয়ালটো কিন্তু উদ্যমী। নিজৰ প্ৰয়োজনৰ অতিৰিক্ত পৰিমাণে শাক-পাছলি কৰি আঠ-দহ মাইল আঁতৰৰ হাটত বেচি ওপৰঞ্চি ধন উপাৰ্জন কৰে। যান-বাহনৰ সুবিধা নথকাত শাক-পাছলিৰ ভাৰখন নিজেই কঢ়িয়াই নিব লগা হয়। অসমীয়া পৰিয়ালটোৱেওনো একেটা সুবিধা কিয় নলয়? ডাঙৰ ল'ৰাটোৱে তপৰাই উত্তৰ দিলে, "আমি কিবা পমুৱানে, শাক-পাছলিৰ বোজা কঢ়িয়াই অত বাট খোজ কাঢ়ি কেইটামান টকা ঘটিবৰ বাবে?" উত্তৰটোত অধ্যায়টোৰ শিৰোনামাৰ ব্যঙ্গটো সুস্পষ্ট হৈ পৰিল!

অৱশ্যে অৱস্থা আৰু পৰিবেশৰ পৰিৱৰ্তন সাপেক্ষে এটা জাতিৰ চাৰিত্ৰিক পৰিৱৰ্তনো ঘটিব পাৰে। একালত কানীয়া আৰু সোৰোপা বুলি সকলোৱে ইতিকিং কৰা চীন আৰু কোৰিয়াবাসীসকলে আজি পৃথিৱীৰ অগ্ৰণী জাতিসমূহৰ মাজত ঠাই পাইছে। বিখ্যাত Development Economist অধ্যাপক হেনছেনে প্ৰসঙ্গক্ৰমে মন্তব্য কৰিছিল – আপদ-বিপদ, দুখ-দুৰ্যোগে এটা জাতিক সদায় পঙ্গু কৰি নোতোলে। বৰং বহুত সময়ত সিবিলাকৰ পৰা উদ্ভৱ হোৱা প্ৰত্যাহ্বানবিলাকে দুৰ্গতসকলৰ অন্তৰত আত্মবিশ্বাস আৰু নতুন উদ্যম-উদ্দীপনাহে যোগায়।


এই কথাষাৰৰ সত্যতা বিচাৰি বেছি আঁতৰলৈ যাব নেলাগে। ডিমৰীয়া ব্লকৰ পৰা কিছু ফালৰি কাটি আগুৱাই গ'লেই পোৱা যাব মলয়বাৰী অঞ্চলটো। কলং নৈৰ পাৰৰ বিস্তৃত এই অঞ্চলটোৰ অধিবাসীসকল এসময়ত দুৰ্গত ভগনীয়া লোক আছিল। এই অঞ্চলটোত ঘাইকৈ দুটা সম্প্ৰদায়ৰ মানুহ আছে। প্ৰথমটো সম্প্ৰদায়ৰ লোকসকল এসময়ত পলাশবাৰী, বামুন্দী আদি অঞ্চলৰ বাসিন্দা আছিল। বানপানী আৰু গড়াখহনীয়াত খেতিৰ মাটি আৰু ঘৰ-বাৰী সকলো হেৰুৱাই মলয়বাৰীত আহি নকৈ জীৱন আৰম্ভ কৰিছে। আনটো সম্প্ৰদায় হৈছে আগৰ পূব-পাকিস্তানৰ পৰা উঠি অহা নমঃশূদ্ৰ লোক।

এই লিখকে যাঠি চনত অঞ্চলটো চাবলৈ গৈছিলো। ইতিমধ্যে বিশেষকৈ থলুৱা খেতিয়কসকলৰ মাজত জীৱন নিৰ্বাহৰ মানৰ ক্ষেত্ৰত চকুতলগা উন্নতি দেখিবলৈ পোৱা গৈছিল। মূল গাওঁখনৰ শাৰী শাৰী ঘৰ-বাৰীবোৰ চাফ-চিকুণ আৰু বেৰবোৰো চুন দিয়া। বাট-পথবোৰ পোন আৰু পৰিপাটি কৰি ৰখা। গাওঁখনত এখন বহুমুখী সমবায় আছে। প্ৰয়োজনীয় সকলো সামগ্ৰী সুলভ মুল্যত যোগাবলৈ এটা বিক্ৰী কেন্দ্ৰ আৰু হাঁহ-পাৰ, গৰু-ছাগলী পালিবলৈ এখন পাম এই সমবায়খনৰ দুটা প্ৰধান বিভাগ। গাওঁখনত একেটাই মাথোন খেতি হয় যদিও, মাটি সাৰুৱা হোৱা গতিকে বুজন পৰিমাণ শস্য ৰাহি হয়। গাওঁখন কেবাটাও চুবুৰীত ভাগ কৰা হৈছে আৰু প্ৰতিটো চুবুৰীতে একোটা সমূহীয়া শস্য ভঁৰাল। ভঁৰালটোলৈ প্ৰতিটো খেতিয়ক পৰিয়ালে নিৰ্দিষ্ট পৰিমাণ শস্য বৰঙণি হিচাপে দিব লাগে। দৰাচলতে ভঁৰালটো এটা সাহায্য নিধি হিচাপে ব্যৱহাৰ কৰা হয়। আটকৰ সময়ত বা আন বিশেষ প্ৰয়োজন পূৰাবলৈ গাওঁবাসীক ভঁৰালটোৰ পৰা ঋণ সাহায্য যোগোৱা হয়।

তাৰ পিছতো মলয়বাৰীলৈ দুবাৰো গৈছো। প্ৰতিবাৰেই অঞ্চলটোৰ আগতকৈ কিছু উন্নতি চকুত পৰিছিল। শেহতীয়াবাৰ আজি আঠ বছৰমান আগতে যাওঁতে এটা বিশেষ পৰিৱৰ্তন চকুত পৰিল। অঞ্চলটোত এতিয়া বছৰে দুটাকৈ খেতি হয়। তাৰ কাৰণ জলসিঞ্চনৰ উন্নত ব্যৱস্থা। প্ৰায় একুৰি আঠটা উত্তোলন জলসিঞ্চনৰ যোগেদি পথাৰৰ এক বিস্তৃত অঞ্চলত পানী যোগোৱা হয়। খেতিৰ বাদেও কেবাজনো খেতিয়কৰ বাৰীত বুজন পৰিমাণে মাছ, গৰু, ছাগলী, হাঁহ, কুকুৰা পোহাৰ ব্যৱস্থা দেখিলো। দুই-চাৰিজন খেতিয়কৰ ঘৰত গোবৰ গেছেৰে ৰন্ধা-বঢ়াৰ, বিজুলি চাকি আৰু ফেন চলোৱাৰ বন্দোৱস্তও আছে।

মুঠতে মলয়বাৰীৰ একালৰ দুৰ্গত লোকসকলৰ এই অভাৱনীয় আৰ্থ-সামাজিক পুনৰুত্থানৰ দৃষ্টান্তটোৱে প্ৰমাণ কৰিছে অৱস্থাৰ বাধ্যবাধকতা, প্ৰয়োজনীয় সা-সুবিধা আৰু উপযুক্ত আৰ্থ-সামাজিক পৰিবেশৰ সংযোগ ঘটিলে অসমীয়া জাতিৰো সামগ্ৰিক উন্নয়ন সহজসাধ্য নহ'লেও অসাধ্য নহয়। প্ৰথমতেই কোৱা হৈছে যে সমস্যাটো বেছ জটিল। অকল চাৰিত্ৰিক দুৰ্বলতাৰ কাৰণেই জাতিটো আগবাঢ়িব পৰা নাই বুলি ক'লে বঢ়াই কোৱা হ'ব। অৱশ্যে জাপান আৰু চুইজাৰলেণ্ডৰ দৃষ্টান্তই প্ৰমাণ কৰে যে জাতীয় চৰিত্ৰই হৈছে জাতীয় উন্নয়নৰ কাৰণে সৰ্বপ্ৰধান সম্পদ। তথাপিও, বিবিধ প্ৰাকৃতিক সম্পদেৰে সমৃদ্ধ অসমৰ অনগ্ৰসৰ অৱস্থাটোৰ প্ৰধান কাৰণ আন কেবাটাও আছে। তাৰ ভিতৰতে বিশেষ গুৰুত্বপূৰ্ণ কাৰণ কেইটা হৈছে আঞ্চলিক বৈষম্য, অৰ্থনৈতিক পৰিকল্পনা আৰু তাৰ অনুশীলনত পৰিলক্ষিত ত্ৰুটি আৰু সৰ্বোপৰি, মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত দেখা নানা বেমেজালি আৰু আঁসোৱাহ। ইয়াৰ প্ৰতিটোৱেই বহুল আলোচনাৰ বিষয়।

*(ক্ৰমশঃ)*

# অসমৰ শিপিনীৰ হাতে বোৱা কাপোৰ ব্যৱহাৰ কৰক ।

হস্ত তাঁত শিল্পৰ উৎপাদিত বস্ত্ৰ ক্ৰয় কৰি — দুখীয়া শিপিনীসকলক উপকৃত কৰক । অসমৰ গ্ৰাম্য অৰ্থনীতিৰ বিকাশত অৰিহণা যোগাওক ।

(অসমৰ হস্ত তাঁত আৰু বস্ত্ৰ শিল্প সঞ্চালকালয়ৰ দ্বাৰা প্ৰচাৰিত)




# স্মৃতি নৈ হৈ বৈ যায়

**ৰুলেশ্বৰ দাস**

আশা বাস্তৱ জীৱনৰ মূল চাহিদা । আশা হ'ল গতি । গতিয়েই জীৱন । এই জীৱনধাৰা যেতিয়া বাস্তৱমুখী হয় সি সুন্দৰৰ চেতনা পায় আৰু সুন্দৰৰ ৰঙেৰে মন ৰাঙলী হয় । তেতিয়াই কল্পনাৰ ধুনীয়া নৈৰ দৰে বাস্তৱৰ নৈয়ে সুন্দৰৰ চেতনা যোগায় । তাত থাকে প্ৰকৃতি, সমাজ, অৰ্থনীতি আৰু বুৰঞ্জীৰ প্ৰসঙ্গ ।

এনে এখন প্ৰাসঙ্গিক নৈ হ'ল গেলাবিল । গোলাঘাট জিলাৰ পূবৰ পৰা পশ্চিমলৈ বৈ যোৱা এইখন নৈ । ই স্মৃতি হৈ বৈ যায় সৰু সৰু মানুহৰ ধুনীয়া গাওঁবিলাকৰ মাজেৰে ।

কোনোবা দেৱতাৰ সু-দৃষ্টিত এই নৈৰ হ 'ল সৃষ্টি । নগা পৰ্বতৰ পৰা বৈ অহা কাকডোঙা আৰু ভোগদৈ নৈৰ সঙ্গমস্থলৰ পৰাই এই গেলাবিল নৈ । ইয়াৰ পানী ঘোলা । সেয়েহে বুঢ়াসকলে ইয়াৰ নামকৰণ কৰিলে 'গেলাবিল' বুলি । ই ধনশিৰী বৰনৈলৈকে বৈ গৈছে । গেলাবিলৰ দুয়ো পাৰে কৈবৰ্ত মানুহৰ গাওঁবোৰ । তাত আছে সৰু মানুহৰ সমাজবোৰ । যেনে — গেন্ধালী, বিলতীয়া, মাজগাওঁ, নেঘেৰিটিং, খোলাকটী, ধেমাজী, দলিজলীয়া, হাঁহচৰা, শেনচোৱা, ৰঙামাটি, কুৰুহাবাৰী, ৰঙাগড়া, মহুৰামুখ আদি । এই গাওঁবোৰৰ মানুহৰ আগৰ দিনত কোনো অভাৱ নাছিল । লাগ বুলিলে ধান-চাউল, খৰি-খেৰ, মাহ-সৰিয়হ, মাছ-পুঠি সহজতে পাইছিল । গাঁৱৰ বুকুফালে গেলাবিল নৈ আৰু পিঠিফালে বহল খেতি পথাৰ সমূহ । সেউজীয়া পথাৰসমূহত চৰি থকা গৰু-ম'হ-ছাগলীবোৰে পথাৰৰ সৌন্দৰ্য সোণত সুৱগা চৰোৱা যেন লাগে । তাৰ পৰা বলি অহা ৰিব্ ৰিব্ বতাহজাক গাঁৱত ভোগ কৰা যায় । তাত ডেকা-বুঢ়া সকলোৰে মুখৰ পৰা সন্তোষৰ নিজৰা বয় । নৈৰ পাৰৰ গছৰ তলত পিলিঙাইঁতে 'টিম্ তাক্ তেৰেনাক্.......' ঢোলৰ চেও মাৰে । সুঠাম দেহৰ গাভৰুহঁতৰ হাঁহিৰ খিলখিলনীত ডালিমগুটীয়া দাঁত ওলায় । মাজে মাজে ঢেঁকী আৰু উৰলৰ 'ধুপুচ্-ধাপাচ্' শব্দ শুনা যায় । তেওঁলোকৰ মনলৈ ৰং নামে । মনত ৰং লাগিলে জগত খনকেই ৰঙীন দেখা যায় । শোৱাপাটীৰ পৰা ওচৰতে বা দূৰতে তাল, খোল, নেগেৰা শব্দ মিশ্ৰিত হৰিনামৰ অমৃত ধ্বনি শুনিবলৈ পোৱা যায় । ঘৰৰ আগফাল পাছফালৰ বাৰীত পাণ-তামোলৰ গছ, বাঁহ, কল আৰু জুটুলা হাবিয়ে সেউজীয়াখিনি সংৰক্ষণ কৰে । শাৰী শাৰী এই ঘৰবিলাকৰ মাজতে ওখ পাখ বহল টিনৰ ঘৰটিয়েই 'নামঘৰ', পুৱা-গধূলি তাৰ পৰা নিৰ্গত হোৱা হৰিনামৰ ধ্বনিয়ে গাঁৱত যেন বৈকুণ্ঠৰ প্ৰভাৱ পেলায় । ভৰা বুকুৰ গেলাবিলৰ ভটীয়া পানীত নাৱত গৈ থাকোতে এই পৱিত্ৰ গীত শুনিলে দেহমন শাঁত পৰি যায় । নৈৰ কাষত গৰু-ম'হৰ খুঁটীবোৰ দেখা যায় । গাওঁবিলাকৰ পৰা অসমৰ চহৰ সমূহলৈ আহ যাহ কৰিব পৰা পথ সমূহ সংলগ্ন আছে । বাছ-মটৰ চলে নিয়মীয়াকৈ । শিক্ষা-দীক্ষাতো এইলোক সকল আগৰণুৱা হোৱাৰ প্ৰয়াস । প্ৰায় সকলোৰে ঘৰত শিক্ষিত মানুহ আছে । অকল সেয়ে নহয়, আধ্যাত্মিক শক্তিও তেওঁলোকৰ প্ৰবল । ল'ৰা-বুঢ়া সকলোৰে অন্তৰত ঈশ্বৰ বিশ্বাস পৰিলক্ষিত । গাঁৱৰ মানুহবিলাক ভোগী আৰু স্বভাৱত সৰল । হিন্দুয়েই হওক বা মুছলমানেই হওক সকলোৰে মাজত ভ্ৰাতৃত্বৰ ভাব বৰ্তমান ।

> অনুমান এই গেলাবিল পৰীয়া কৈবৰ্ত মানুহখিনি পুৰণিকলীয়া । তেওঁলোক আঞ্চলিক মিচিং আৰু কছাৰী জনজাতি লোক সকলৰ সমসাময়িক । আদিতে তেওঁলোক জল পথেৰে দক্ষিণ ভাৰতৰ পৰা আহি আহি এই অঞ্চলত বসবাস কৰিবলৈ লয় । তেওঁলোকৰ শৰীৰৰ গঠন আৰু গাৰ বৰণ প্ৰায় তামিলনাডুৰ দ্ৰাবিড় সকলৰ দৰেই । প্ৰথমতে তেওঁলোক অৱহেলিত হৈ থকা যেন বোধ হয় । আহোম ৰাজত্বৰ কালত অসমলৈ ৰাজনীতি, সমাজনীতি আৰু ধৰ্মনীতিৰ শৃংখলতা অহাৰ লগে লগে এই সৰু মানুহখিনিয়ে স্বীকৃতি পায় — 'অসমীয়া' বুলি ।

ল'ৰা-বুঢ়া সকলোৰে মাত-কথাত মসৃণতা থাকে। কাৰোবাৰ মাজত ব্যক্তিগত টেঙা-মিঠা থাকিলেও সি ক্ষন্তেকীয়া।

অনুমান – এই গেলাবিল পৰীয়া কৈবৰ্ত মানুহখিনি পুৰণিকলীয়া। তেওঁলোক আঞ্চলিক মিচিং আৰু কছাৰী জনজাতি লোক সকলৰ সমসাময়িক। আদিতে তেওঁলোক জলপথেৰে দক্ষিণভাৰতৰ পৰা আহি আহি এই অঞ্চলত বসবাস কৰিবলৈ লয়। তেওঁলোকৰ শৰীৰৰ গঠন আৰু গাৰ বৰণ প্ৰায় তামিলনাডুৰ দ্ৰাবিড় সকলৰ দৰেই। প্ৰথমতে তেওঁলোক অৱহেলিত হৈ থকা যেন বোধ হয়। আহোম ৰাজত্বৰ কালত অসমলৈ ৰাজনীতি, সমাজনীতি আৰু ধৰ্মনীতিৰ শৃংখলতা অহাৰ লগে লগে এই সৰু মানুহখিনিয়ে স্বীকৃতি পায় – 'অসমীয়া' বুলি। ওচৰৰ মিচিং আৰু কছাৰী সম্প্ৰদায়ৰ লোক সকলে তেওঁলোকৰ কোনো অপকাৰ নকৰিছিল। বৰঞ্চ মিলিজুলি থকাৰেই উমান পোৱা যায়। এওঁলোকে বনৰ জীৱ-জন্তু, পানীৰ মাছ-কাছ ধৰি জীৱন নিৰ্বাহ কৰিছিল। খেতি-বাতিতকৈ মাছ মৰাত অভ্যস্ত আছিল বেছি। জীৱ-জন্তু আৰু চৰাইৰ মাতত এওঁলোক আকৃষ্ট হৈছিল আৰু সেইবোৰৰ মাত মাতি গীত গাইছিল। নাৱৰ টিঙত বহি এইলোক সকলে আপোন ভোলা হৈ ভগৱান কেন্দ্ৰিক গীত সমূহ ৰচনা কৰি গাইছিল। সেয়েহে এতিয়া কৈবৰ্ত মানুহৰ মাজত সততে গীত-মাত, গান-বাজনাৰ চৰ্চা পৰিলক্ষিত।

১৭৪৪ চনত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই দেৱগ্ৰাম (দেৰগাওঁ)ত বাহৰ পাতিছিল। তাৰ পৰা বৰ্তমানৰ নেঘেৰিটিং পাহাৰৰ প্ৰখ্যাত 'শিৱদ'ল'ৰ নিৰ্মাণ কাৰ্য চলাইছিল। এই জাগ্ৰত মহাপ্ৰভুৰ শিৱদ'লত ব্যৱহৃত ইটা আৰু ইয়াৰ গাঁথনিত ব্যৱহাৰ কৰিছিল বৰা চাউল, মাটি মাহ আৰু বৰালী মাছৰ বিজলুৱা কণী। এই মাছ গেলাবিলত পোৱা গৈছিল প্ৰচুৰ। সেয়ে বিহুনামত কোনোৱে গায় – 'গেলাবিলৰ বৰালী খাই যা ছোৱালী'। মাছ আৰু মাছৰ যোগান ধৰিছিল – গেলাবিল পৰীয়া কৈবৰ্তসকলে। তেওঁলোকক কোৱা হৈছিল যোগনীয়া ফৈদ। এই গেলাবিল নৈখনি ৰজা আৰু ডা-ডাঙৰীয়া সকলে ব্যৱহাৰ কৰিছিল নাওখেলা আৰু মাছ ধৰা খেমালি কাৰ্যত। এই নৈৰ বুঢ়াগোহাঁই ডুবিয়ে সেই কথা কয়। সৰু মানুহ বুলি আহোম ৰাজে কেতিয়াও তেওঁলোকক অৱহেলা নকৰিছিল। মাজে সময়ে.. উপঢৌকণহে তেওঁলোকক যাচিছিল। গোলাঘাট জিলাৰ বৰুৱাবামুণ গাঁৱৰ ওচৰত গুৰ যোগনীয়া গাঁৱৰ কৈবৰ্ত মানুহখিনিয়ে ৰাজ হাউলীত গুৰৰ যোগান ধৰিছিল আৰু তেওঁলোকৰ নামেৰে এই ঠাইৰ নাম হ'ল 'গুৰ যোগনীয়া'। সেই একে অঞ্চলৰ বৰ্তমান বাতিপৰীয়া আহোম গাঁৱৰ ওচৰৰ 'ৰাংঢালী' গাঁৱৰ কৈবৰ্ত মানুহখিনিয়ে ৰাজহাউলীলৈ খেমেলীয়া-খুহুটীয়া কথা আৰু বহুৱা নৃত্যৰে ৰং ৰহইচ আনিছিল। সেই বাবে এই ঠাইৰ নাম দিছিল 'ৰাংঢালী'। শিৱমন্দিৰৰ বাবে ইটা আৰু মাটিৰ পাত্ৰসমূহ তৈয়াৰ কৰিছিল এই নৈৰ পাৰতে থকা কুমাৰ সকলে। তেওঁলোকৰ বৰ্তমান গাওঁখন দেৰগাঁৱৰ মাজেদি যোৱা ৩৭ নং ৰাষ্ট্ৰীয় পথৰ উত্তৰ পাৰে আৰু গেলাবিল নৈ লৈকে বিস্তৃত। এই গাওঁখনি গছ-গছনিৰে শোভিত আৰু গম্ভীৰ। শিৱমন্দিৰত নৃত্য পৰিবেশন কৰিছিল বৰ্তমান গেলাবিলৰ পাৰতে বাস কৰা নেঘেৰিটিঙৰ নট গাঁৱৰ উপৰি পুৰুষ সকলে।

উনবিংশ শতিকাৰ মাজভাগত বৃটিছে নেঘেৰিটিং অঞ্চলত চাহ-খেতি কৰিবলৈ ল'লে। তাৰ বাবে অনেক উৰীয়া আৰু বিহাৰী বনুৱাৰ আমদানি হ'ল। এই চাহ কোম্পানী আছিল ব্ৰহ্মপুত্ৰ চাহ কোম্পানী। বৃটিছ চাহাব আৰু বনুৱা সকলে গেলাবিলৰ দাঁতিতে বসবাস কৰিবলৈ ল'লে। তেওঁলোকৰ যাতায়াত আছিল. পানী জাহাজেৰে। নেঘেৰিটিং ঘাট নামেৰে ঘাট এটিও আছিল ব্ৰহ্মপুত্ৰৰ পাৰতে। ইয়াৰ বৰ্তমান নাম চিকাৰীঘাট। দেৰগাঁৱৰ পৰা ১০ কিঃমিঃ উত্তৰত ব্ৰহ্মপুত্ৰৰ পাৰত। এই ঘাটেৰে প্ৰচুৰ চাহ ৰপ্তানি হৈছিল নেঘেৰিটিঙৰ পৰা। মহাকালৰ প্ৰভাৱত বৃটিছ চাহাব সকলে এই ঠাই এৰিব লগা হ'ল কিন্তু বনুৱা সকল গেলাবিল পৰীয়া হৈ ৰ'ল। তেওঁলোক আঞ্চলিক পুৰণি অসমীয়া সকলৰ লগত মিলি গ'ল। বহু দূৰৈৰ পৰা দেখা পোৱা নেঘেৰিটিং পাহাৰৰ ওপৰত থকা মহাপ্ৰভু শিৱদ'লেহে যেন গেলাবিল নৈ কাষৰীয়া সৰু মানুহবিলাকক শান্তিত ৰাখিছে এনে বোধ হয়।

যুদ্ধবিগ্ৰহত অভ্যস্ত নথকা কৈবৰ্ত সম্প্ৰদায়ক কৰ্মযোগী হিচাপে দেখা যায়। এই বাবে তেওঁলোক দেশৰ বৰ্তমান ৰাজনীতি, সমাজনীতি আদিত আসন পাইছে। ইয়াৰ অন্তৰালত আছে আহোমৰাজৰ পৰা পোৱা স্নেহ আৰু স্বীকৃতি আৰু ইয়েই যেন গেলাবিল নৈৰ স্মৃতি, যি নৈ হৈ বৈ যায়। ■

## শুধৰণী

১৬-১৯ ফেব্ৰুৱাৰী সংখ্যা সূত্ৰধাৰত প্ৰকাশিত ডাঃ নোমল পেগুৰ 'মিছিং শব্দৰ উৎস' শীৰ্ষক লেখাটিৰ ৪৩ পৃষ্ঠাৰ দ্বিতীয় স্তবকৰ পঞ্চম শাৰীৰ বাক্যটোত ৫০০০ বছৰ বুলি ভুল হৈ ছপা হৈছে। প্ৰকৃততে হব লাগিছিল ৫০০ বছৰ।

◻

১৬-৩১ মাৰ্চৰ সূত্ৰধাৰত ১৮ পৃষ্ঠাত প্ৰকাশিত ড° গোবিন্দপ্ৰসাদ শৰ্মাৰ 'অসমীয়া উপন্যাস ১৯৭০-১৯৯১' প্ৰবন্ধটিৰ 'Bildangsyoman শব্দটি ভুলকৈ Bildungrowan বুলি ছপা হৈছে।

◻

বসন্ত সংখ্যা সূত্ৰধাৰত ৩৭-৩৮ পৃষ্ঠাত প্ৰকাশিত প্ৰীতি কাকতিৰ 'গ্ৰেণাইট বিউটি'ৰ ফটোৰ পৰিচয়লিপি ভুলক্ৰমে প্ৰকাশ পাইছে। ৩৭ পৃষ্ঠাত প্ৰকাশিত পৰিচয়লিপি হব লাগিছিল 'ড্ৰৱ' ড্ৰেচিং ৰুম' আনহাতে ৩৮ পৃষ্ঠাত প্ৰকাশিত পৰিচয়লিপি হব লাগিছিল 'পৰিয়ালৰ প্ৰতিকৃতিৰে সুসজ্জিত ডাইনিং হল'

◻

১৬-৩১ মাৰ্চৰ ৩৪-৩৫ পৃষ্ঠাত প্ৰকাশিত 'অসমৰ আৰ্থিক অনগ্ৰসৰতা আৰু তাৰ প্ৰতিকাৰ শীৰ্ষক মতামতত বিশিষ্ট ব্যক্তি কৃষ্ণপ্ৰসাদ বৰুৱা আৰু থানেশ্বৰ বৰুৱাৰ পৰিচয়লিপি ভুলক্ৰমে প্ৰকাশ পাইছে। প্ৰকৃততে তেখেতসকলৰ পৰিচয়লিপি হব লাগিছিল



থানেশ্বৰ বৰুৱা,



কৃষ্ণপ্ৰসাদ বৰুৱা

◻

বসন্ত সংখ্যা সূত্ৰধাৰত নৱনীতা গঁগৈৰ গল্প 'অৰ্গল'ৰ একাংশ অনুৰাধা দাসৰ ভ্ৰমণ কাহিনী 'দিৱান'ৰ সৈতে ১৩৭ পৃষ্ঠাত ভুল হৈ ছপা হৈছে। অনিচ্ছাকৃত এই ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো।

*সম্পাদনা বিভাগ,*





বিচিত্ৰা

# সূৰ্যইহে সাৰথি


ডিম্বেশ্বৰ চলিহা

১৯৯০ চনৰ ২৩ মে'। এখন নতুন মটৰ গাড়ীৰ উন্মোচনী উৎসৱ। গাড়ীখনৰ ইন্ধন হ'ল সৌৰ শক্তি। এক অভিনৱ পদ্ধতি। গাড়ীখন লাহে লাহে আহি এক বিৰাট মানুহৰ সমাবেশৰ মাজত থমকি ৰ'লহি। সৌৰ শক্তিৰেও গাড়ী চলাব পাৰি। এক বিস্ময়কৰ ঘটনা। চাৰিওফালে হৰ্ষধ্বনি, চাৰিওফালে হাত চাপৰি। আচৰিত কথা যে গাড়ীখন কোনো মহৎ বিজ্ঞানীৰ উৰ্বৰ মস্তিষ্কৰ পৰা ওলোৱা সৃষ্টিৰ নিদৰ্শনো নাছিল। ইয়াক সাজি উলিয়াইছিল কালিফৰ্ণিয়াৰ এখন ইঞ্জিনিয়াৰিং স্কুলৰ চৌব্বিশ জন ছাত্ৰই। লগত আছিল সেই স্কুলৰে সাত গৰাকী শিক্ষক। পৰিকল্পনা কৰাৰে পৰা গাড়ীখন সাজি উলিয়াবলৈ সময় লাগিছিল প্ৰায় এবছৰ।

এই সৌৰ শক্তি চালিত গাড়ীখনৰ ওজন আছিল ১৮০ কিলোগ্ৰাম। গাড়ীখনৰ ৭.৭ বৰ্গমিটাৰ মজিয়াখনত ৯২০০টা চিলিকনৰ সৌৰ চে'ল (Solar cell) মেলি থোৱা হৈছিল। এই চে'লবিলাকে সৌৰ শক্তি আহৰণ কৰি মটৰলৈ পঠায় আৰু মটৰে বেটেৰী বিলাক চাৰ্জ কৰি থাকে। বেটেৰী বিলাকৰ গঠনো মন কৰিবলগীয়া। ৰূপ আৰু সীহেৰে তৈয়াৰী। আমাৰ গাড়ী মটৰৰ বেটেৰীৰ দৰে নহয়। বেটেৰীৰ প্ৰতিটো চে'ল একোখন তাচপাতৰ সমানহে হ'ব।

স্কুলখনৰ মেকানিকেল ইঞ্জিনিয়াৰিঙৰ শিক্ষক আৰু গাড়ীখনৰ নিৰ্মাণ কাৰ্যৰ গুৰি ধৰোতা ৰিচাৰ্দ দা ৰবাৰ্টৰ মতে এমুঠিমান ছাত্ৰই এনে এক অভিনৱ পৰিকল্পনাৰে সকলো ধৰণৰ পথতে চলাব পৰা সৌৰ শক্তি চালিত গাড়ী এখন সাজি প্ৰযুক্তি বিদ্যাক বহুত ওপৰলৈ তুলিলে। গাড়ীখনৰ নাম দিয়া হ'ল – সৌৰ ঈগল (Solar Eagle)। গাড়ীখনে খুব বেছি ১৩০০ ওৱাট লৈকে বিদ্যুত শক্তি উৎপাদন কৰিব পাৰে। ইঞ্জিনত থকা মটৰটোৰ লগত পাছফালৰ বাওঁ চকাটো ফিটাৰে সংলগ্ন হৈ থাকে। গতিকে মটৰটো ঘূৰিলেই চকা ঘূৰে। গাড়ীখনৰ চকা চাৰিটা। প্ৰতিটোৰে নিজস্ব চাচ্‌পেনচন্‌ আছে। অৱশ্যে অসুবিধাটো হ'ল যে গাড়ীখনত মানুহ কেৱল এজনহে বহিব পাৰে।

ছাত্ৰ কেইজনে কম্পিউটাৰৰ সহায় লৈ যিমানখিনি পাৰে, গাড়ীখন উন্নত কৰিবলৈ চেষ্টা কৰিলে। বেটেৰীত সঞ্চয় কৰি থোৱা সৌৰ শক্তিৰে ৰাতিপুৱা আৰু আবেলিভাগত গাড়ী চলোৱাৰো ব্যৱস্থা কৰিলে। কাৰণ, সেইখিনি সময়ত সূৰ্যৰ পোহৰৰ তীব্ৰতা কমে। আকৌ দিনৰ ভাগতো কেতিয়াবা ওখ ঠাইলৈ গাড়ী চলাব লগা হলে ওপৰঞ্চি শক্তি বেটেৰীৰ পৰা ল'ব লগা হয়। ৰাতিপুৱাৰ দু-ঘন্টামান পাছতেই আৰু সন্ধিয়াৰ দুঘন্টামান আগতেই বেটেৰীবিলাক সৌৰ শক্তিৰে চাৰ্জ কৰা হয়। বেটেৰী একোটাৰ ওজন ৩৫ কিলোগ্ৰাম।



গাড়ীখন দীঘলে ছয় মিটাৰ বহলে দুই মিটাৰ আৰু ওখই এক মিটাৰ। গাড়ীখন ঘাইকৈ এলুমিনিয়ামৰ টিউব যোৰা দিয়েই সজা হৈছিল। সেই কাৰণে গাড়ীখনৰ ওজনো কম – চাৰে চৌধ্যকিলোগ্ৰাম মাত্ৰ। আচৰিত কথা যে এই সৰু গাড়ীখনে ঘন্টাত ১০৪ কিলোমিটাৰ পৰ্যন্ত দূৰত্ব অতিক্ৰম কৰিব পাৰে।

সৌৰ শক্তিয়ে যে কেৱল গাড়ীহে চলায়, সিও নহয়। ইয়াৰ সহায়ত ডাঙৰ ডাঙৰ কল-কাৰখানাও চলাব পাৰি। ল'চএঞ্জেলচৰ পৰা ২২৪ কিলোমিটাৰ উত্তৰ-পূবত ম'জাভা (Mozava) মৰুভূমিত পৃথিৱীৰ আটাইতকৈ ডাঙৰ সৌৰশক্তি আহৰণ কেন্দ্ৰটো স্থাপন কৰা হৈছে। এই কেন্দ্ৰটোৱে প্ৰথম অৱস্থাত ৮০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিছিল। এই বিদ্যুৎ ১৯৮৯ চনৰ ২৮ ডিচেম্বৰৰ পৰা দক্ষিণ কালিফৰ্ণিয়ালৈকো নিয়া হৈছে। পৰীক্ষা কৰি দেখা গৈছে যে এইখিনি বিদ্যুতে ১,১৫,০০০ মানুহৰ দৈনন্দিন চাহিদা পূৰণ কৰিব পাৰে। এই আহৰণ কেন্দ্ৰটোৰ মুখ্য বিষয়া জেমচ্‌ চি বেজৰে (James C Bazor) গৌৰৱেৰে কৈছে – আমি পেট্ৰোল, কয়লা বা আণবিক শক্তিতকৈ বহুত কম দামতেই সৌৰ শক্তিৰ ব্যৱস্থা কৰি লৈছো। কয়লা, পেট্ৰোলৰ দৰে ইয়াৰ পৰা পৰিবেশ প্ৰদূষণ হোৱাৰো ভয় নাথাকে আৰু আনৰ দৰে পাৰ্মিট বিচাৰিও হাবাথুৰি খাব নালাগে।

বিদ্যুৎ উৎপাদন কেন্দ্ৰ সমূহৰ পৰা বায়ু প্ৰদূষণ, এচিদ বৰষুণ বা গছ-গছনিৰ অপকাৰ আদি হ'ব পাৰে। কিন্তু সৌৰ শক্তিৰ ব্যৱহাৰে এইবোৰ একোৱেই নকৰে। ম'জাভাত থকা সৌৰ শক্তি আহৰণ কেন্দ্ৰটোৰ ক্ষমতা দিনক দিনে বঢ়োৱা হৈছে। বৰ্তমান ইয়াৰ পৰা ২৭৪ মেগাৱাট শক্তি উৎপাদন কৰা হৈছে। ১৯৯৪ চন মানত এই কেন্দ্ৰৰ পৰা ৬৮০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা হ'ব। এইখিনি বিদ্যুতে এক নিযুত মানুহৰ চাহিদা পূৰণ কৰিব পাৰিব।

এই উৎপাদন কেন্দ্ৰত নেওৰাৰ আকৃতিৰ কিছুমান দীঘলীয়া পাত্ৰ থাকে। এই পাত্ৰবোৰেই প্ৰথমতে সৌৰশক্তি আহৰণ কৰে। পাত্ৰত প্ৰতিফলিত হোৱা সূৰ্যৰ পোহৰ বিশেষ ভাবে লেপন দিয়া কিছুমান তীখাৰ পাইপত পেলাই দিয়া হয়। এই তীখাৰ পাইপবিলাক কিছুমান আইনাৰ পাইপৰ মাজত সুমুৱাই থোৱা হয়। এই আইনাৰ পাইপবিলাক বায়ুশূন্য কৰি লোৱা হয়। তীখাৰ পাইপৰ ভিতৰত থোৱা হয় এবিধ কৃত্ৰিম তেল। পাইপত পোহৰ পৰিলেই এই তেল গৰম হৈ ৩৯০.৬ চেন্টিগ্ৰেড পৰ্যন্ত পায়গৈ। এই উত্তাপত নিৰ্গত হোৱা গেছেই টাৰবাইন চলায় আৰু ফলত বিদ্যুতৰ উৎপাদন হয়। মাজে সময়ে

অধিক বিদ্যুৎৰ প্ৰয়োজন হয় আৰু সেইখিনি পূৰাবলৈ অতিৰিক্তভাবে প্ৰাকৃতিক গেছৰ পৰা টাৰ্বাইন চলোৱাৰ ব্যৱস্থাও থাকে।

সৌৰশক্তি আহৰণৰ ব্যৱস্থা সমূহ দিনক দিনে অধিক উন্নত কৰা হৈছে। সেই কাৰণেই যোৱা পাঁচোটা বছৰত সৌৰ শক্তিৰ বাবদ হ'ব লগা খৰচ শতকৰা ৬৬ ভাগ কমিছে। আণৱিক শক্তি উদ্যোগৰ তুলনাতো সৌৰ শক্তি উদ্যোগৰ খৰচ কম। কালিফৰ্ণিয়াত আৰু এটা ডাঙৰ সৌৰ শক্তিৰ উদ্যোগ গঢ়ি উঠিছে। ই পৃথিৱীৰ আটাইতকৈ ডাঙৰ ফটো ভল্টীয় (Photo Voltaic) শক্তি উদ্যোগ। এই উদ্যোগৰ পৰা প্ৰথমতে ৬ মেগাৱাট বিদ্যুত শক্তি পোৱা হৈছিল। বৰ্তমান চাৰে ছয় মেগাৱাট হৈছেগৈ। ইয়াত ৯টা কোঠাত শাৰী শাৰীকৈ ৭৫৬টা ঘূৰীয়া অক্ষীয় পথ (Duel axis trackers) আছে। প্ৰতিটোৰে শক্তি আহৰণ আৰু শক্তি নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা আছে। এই ব্যৱস্থাৰে ডি চি কাৰেন্টক এ চি লৈ ৰূপান্তৰিত কৰিব পাৰি। মুঠ ট্ৰেকাৰৰ দৈৰ্ঘ্য ১১ মিটাৰ আৰু প্ৰস্থ ৯.৮ মিটাৰ।

এই ট্ৰেকাৰসমূহ দূৰৈৰ পৰা কম্পিউটাৰৰ সহায়ত নিয়ন্ত্ৰণ কৰা হয়। সূৰ্যৰ পোহৰ ভালকৈ পৰিবৰ কাৰণে কম্পিউটাৰৰ সহায়ত ট্ৰেকাৰসমূহ ইফাল সিফাল কৰি দিব পাৰি। উদ্যোগটোত এটা ডিজেল চালিত জেনেৰেটৰো থাকে। ৰাতি আন্ধাৰ হ'লে ইয়াক ব্যৱহাৰ কৰা হয়। বৰ বেছি জোৰত বতাহ বলিলে এই জেনেৰেটৰৰ শক্তিৰ সহায়তে ট্ৰেকাৰবোৰ জপাই থোৱা হয়। উদ্যোগটোৰ চাৰিওপিনে পাঁচোটামান বতৰ নিৰীক্ষণ কেন্দ্ৰ আছে। বতাহৰ গতিবেগ সম্বন্ধে ইয়াৰ পৰাই খা-খবৰ কম্পিউটাৰলৈ গৈ থাকে।

সৌৰ শক্তিৰ ব্যৱহাৰ আমাৰ দেশতো দিনক দিনে বৃদ্ধি পাই আহিছে। আমি বছৰত যথেষ্ট দিন সূৰ্যৰ পোহৰ পাওঁ। গতিকে এক ব্যাপক পৰিমাণৰ শক্তি আমি আহৰণ কৰিব পাৰো। গাড়ী-মটৰ, কল-কাৰখানা চলোৱাৰ কথা বাদ দি ৰন্ধা বঢ়া, পানী গৰম কৰা আদি নানা ঘৰুৱা কামৰ কাৰণেও আমি সৌৰ শক্তিক কামত লগাব পাৰো। বৰ্তমান নানান কাৰণত হাবি-জংঘলৰ পৰিমাণ কমি আহিছে। গতিকে ইন্ধন হিচাপে ব্যৱহাৰ কৰিবলৈ খৰি-খেৰৰ অভাৱো দিনক দিনে বৃদ্ধি পাইছে। কেৰাচিন বা গেছৰ ষ্টোভ ব্যৱহাৰ কৰাৰ সামৰ্থ্যও আমাৰ বহুতৰে নাই আৰু থাকিলেও ভূগৰ্ভৰ খনিজাত তেল কিমান দিন থাকে -সিও এক সন্দেহৰ কথা। গতিকে এটা সময়ত আমি সৌৰ শক্তিৰে যে সহায় ল'ব লাগিব -সেইটো খাটাং। ভৱিষ্যতে শক্তি সংকটৰ ভয়াবহ মুহূৰ্তবোৰত আমাৰ একমাত্ৰ সাৰথি হ'ব সম্ভৱ সূৰ্যইহে।

বিচিত্ৰা

# ধৰণীধৰ ডেকাঃ সংগী যাৰ হাতুৰি আৰু কলম

প্ৰসন্ন কুমাৰ ডেকা

১৯৪৮ চনৰ শেষ কি ১৯৪৯চনৰ আদি ভাগতে আমি কলেজৰ মজিয়া গৰকা কেইজনমান ছাত্ৰই ভাতৃ সংঘ নাম দি সৰ্থেবাৰীত এটা অনুষ্ঠান পাতো। উদ্দেশ্য ভাতৃৰ দৰে মিলি জুলি ঘাইকে সাহিত্য চৰ্চা কৰা।

ভাতৃসংঘৰ আমাৰ আলোচনা-বিলোচনাত প্ৰায়ে যোগদান কৰিছিল এজন ডেকা কহাঁৰে। কহাঁৰ বুলিও এলাপেছা কহাঁৰ নহয়, একেবাৰে ওজা কহাঁৰ। আগৰ পৰা চলি অহা সাধাৰণ বটা, শৰাই, বান-বাটিৰ উপৰিও এওঁ সাঁফৰ থকা শৰাই সাঁফৰ থকা বান বাটি আৰু সাঁফৰঁ থকা গিলাচ তৈয়াৰ কৰিব পাৰিছিল। জালুকবাৰীত ২য়বাৰ বহা কংগ্ৰেছ মহা সভাৰ প্ৰদৰ্শনীলৈ এওঁ এখন কাহঁৰ সিংহাসন আৰু অশোক চক্ৰৰ মডেল এটা পঠাই সোণৰ আঙঠি পুৰস্কাৰ পাইছিল। মানুহজনৰ এটা স্বভাৱ আছিল–দিনত হাফৰত তাও দি বৰ হাতুৰিৰে পিটিপিটি কাঁহৰ বাচন গঢ়ে। গধূলি বৰ হাতুৰি লোৱা পেশীযুক্ত বলিষ্ঠ হাতত তুলি লয় কোমল মলম, কেৰাচিন তেলৰ চাকিৰ কাষত ঢাৰি পাৰি বহি লৈ পীৰা এখনকে মেজৰ দৰে পাৰি যেতিয়াই যি ভাব আহে লেখি যায়–গীত-কবিতা, নাটক-উপন্যাস। সেই সময়ত আমাৰ ইয়াত ডেকা ডঙুৱাইঁতে প্ৰায়ে নাট্যাভিনয় আদি কৰিছিল। তাৰ আখৰালৈ গৈ মানুহজনে আনকি তাৰ পৰিচালনাৰো দায়িত্ব লৈছিল। মানুহজনৰ নাম শ্ৰীধৰণীধৰ ডেকা। ধৰণীধৰ ভূঞা বুলিও এজন ওজা কহাঁৰ আছিল, তেওঁ জ্যেষ্ঠ, এওঁ কণিষ্ঠ।

চন তাৰিখ মনত নাই। এদিনাখন ধৰণী কঁহাৰে আমাক তেওঁৰ ঘৰলৈ মাতি নিলে আৰু বুৰঞ্জীমূলক নাটক এখনৰ পাণ্ডুলিপি এটা আনি তাৰে দুটামান দৃশ্য পঢ়ি শুনালে। ইয়াৰ পাচতো মাজে মাজে আমাক মাতি নি প্ৰায় গোটেই নাটকখনকে শেষ কৰি পঢ়ি শুনাইছিল। পাঁচ অংকীয়া ডাঙৰ নাটক, নাম 'মানৰদিন'। পাচত তেঁও ইয়াক নিজে ছপা কৰিও উলিয়ায়। নাটকখনৰ কপি আজি মোৰ হাতত নাই, থূল মূল কথাখিনিৰ বাহিৰে খুটি-নাটি বোৰ পাহৰিছো। সেয়ে তাৰ সম্পূৰ্ণ পৰিচয় দিব পৰা নগল। সেই সময়তে বেজবৰুৱা, গোহাঞি বৰুৱা আদিৰ বুৰঞ্জী মূলক নাটকৰ লগত তুলনা কৰি বুজিব পাৰিছিলো যে কঁহাৰ ধৰণী ডেকাৰ নাটক খনো তেওঁলোকৰ নাটকতকৈ কোনো গুণে হীন নহয়; বৰং তেখেত সকলৰ নাটকতকৈ এইখন নাট মঞ্চৰ অধিক উপযোগী আছিল আৰু অনেক ঠাইত খোলা মঞ্চত ইয়াৰ সফল অভিনয়ো হৈছিল।

আমি এদিন শ্ৰীডেকাক সুধিছিলো– আপুনি এজন কঁহাৰ, কলেজ নালাগে স্কুলীয়া শিক্ষাও আপোনাৰ নাই বুলিব লাগে। কাৰ প্ৰেৰণাত কিদৰে আপুনি এই সুন্দৰ নাটকখন লেখি উলিয়ালে?

উত্তৰত তেওঁ কৈছিল-

আমাৰ দেউতা অধ্যয়নশীল মানুহ আছিল; বিশেষকৈ তেওঁ বাংলা ভাষাৰ নানান কিতাপ মগাই আনিছিল। মই সেইবোৰ পঢ়িছিলো। স্কুল এৰাৰ পাচতো মই অধ্যয়ন কৰিবলৈ এৰা নাছিলো। সৰ্থেবাৰী ৰাজহুৱা পুথিভঁৰালৰ প্ৰায় -এহেজাৰ কিতাপৰ ইংৰাজী বাদে মই আটাইখনকে পঢ়িছিলো। সেইবোৰ পঢ়াৰ পৰাই নেকি মোৰো অন্তৰত কিতাপ লেখাৰ ধাউতি এটাই থিত লয়।

তাৰ পাচত আমাৰ ফালে স্হিৰ দৃষ্টিৰে কিছু সময় চাই থাকি আকৌ কৈ গৈছিল:-

আমাৰ ঘৰত গীত পদৰো চ্চা আছিল। সেয়ে মই সৰুৰে পৰা গীত পদ, নাট-ভাওনাৰ প্ৰতি আকৃষ্ট হওঁ। তোমালোকে জনাই ; বিয়াৰ পাচতো মই নাট্যাভিনয়ৰ আখৰাত যোগ দি ফুৰো, গীতপদ গাওঁ আৰু আনকো গাবলৈ শিকাওঁ। এদিন মোৰ মানুহজনীয়ে ক'লে, লোকৰ লেখাত নিৰ্ভৰ নকৰি নিজেও নেলেখে কিয়? ক-ম নজনা এই মানুহজনীৰ কথাই মোক অভিভূত কৰিলে। দৰাচলতে তেওঁৰ প্ৰেৰণাতে মই কলম হাতত লওঁ আৰু তেওঁৰ সঞ্চয়ৰ ধনেৰেই মই মানৰ দিন ছপা কৰো। কিন্তু দুৰ্ভাগ্য বেচেৰীয়া তাক দেখি নগ'ল। এটি কন্যা সন্তান জন্ম দি অকালতে আমাৰ সকলো চেষ্টা নিষ্ফল কৰি প্ৰসূতি ৰোগত মৃত্যুক আঁকোৱালি ললে। তেওঁৰ স্মৃতিয়ে এতিয়া মোৰ প্ৰেৰণাৰ উৎস।

'মানৰ দিন'ৰ উপৰিও তেওঁ আৰু তিনি চাৰিখনমান নাটক ৰচনা কৰিছিল; কিন্তু পত্নী বিয়োগৰ পাছত তেওঁৰ পাৰিবাৰিক জীৱনত নানান বেমেজালিয়ে দেখা দিয়ে; কণকণ ল'ৰা-ছোৱালী কেইটাক এৰি কৰ্মতো লাগিব নোৱৰা হ'ল। সাতে সোতৰই তেওঁৰ আৰ্থিক অৱস্থা বেয়ালৈ আহিল। উপায় নাপাই তেওঁ দ্বিতীয় দাৰ পৰিগ্ৰহ কৰিলে আৰু কৰ্ম আৰু অন্নৰ সংস্থান বিচাৰি ১৯৫৮ চনত লক্ষীমপুৰলৈ উঠি গ'ল। তাতো প্ৰথম অৱস্থাত তেওঁ একো এটা কৰিব পৰা নাছিল। পাছত নিজৰ হাতুৰিটোৰ যহতে খোপনি পুতিবলৈ সমৰ্থ হয়। লাহে লাহে তাতো তেওঁ নিপুণ কাঁহ শিল্পীৰূপে পৰিচিত হয় আৰু তেওঁৰ হাতে-গঢ়া বাচন বৰ্তন দূৰ দূৰণিৰ গাঁৱৰ লোকেও আগ্ৰহেৰে কিনি নিবলৈ ধৰে। ইয়াৰ প্ৰায় দহ বছৰ পাছত ১৯৬৭ চনত অৰুণাচলৰ জিৰোত শিল্প প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষকৰ চাকৰিত যোগদান কৰে আৰু ১৯৮৫ চনত অৱসৰ পোৱালৈকে ওঠৰ বছৰকাল তাত কটায়। অৱসৰ গ্ৰহণৰ পাছত সম্প্ৰতি তেওঁ উত্তৰ লক্ষীমপুৰৰ বৰমুৰীয়া তিনি আলিত স্হায়ী ভাবে থাকিবলৈ লৈছে।

জিৰোত চাকৰি কৰি কটোৱা এই ওঠৰটা বছৰকে তেওঁৰ জীৱনৰ শ্ৰেষ্ঠ কাল বুলি ক'ব পাৰি। এই কালছোৱাতে তেওঁ কেইবাখনো পূৰ্ণাংগ নাটক, একাংকিকা, কবিতা আৰু উপন্যাস ৰচনা কৰে। নাচ-গান, নাট্যাভিনয় আদিতো অংশগ্ৰহণ কৰে। ইয়াতেই তেওঁ ইতিপূৰ্বে কোনো দিনে নকৰা কাম এটা কৰিব লগা হয় আৰু কৰি সফলো হয়। 'ছাহজাহান' নামৰ নাট এখনৰ আখৰা কৰা হৈছিল। এটা দৃশ্যত ছাহজাহানে তাজমহললৈ চাই চাই চকু পানী টোকা দেখুওৱা হৈছে। পৰ্দাত ডাঙৰকৈ তাজমহলৰ ছবি এখন আঁকি প্ৰদৰ্শন কৰিলে দৃশ্যটো উপভোগ্য হয়। পাছে ছবি আঁকোতা মানুহ নাই। আমাৰ কঁহাৰৰ হাতত হাতুৰিৰ লগতে ইতিমধ্যে কলম উঠিছে, কিন্তু তুলিকা চুই পোৱা নাই। কাঁহৰ বাচনত যদি বিবিধ ফুলপাত, লতা, নক্সা ছেনীৰেই কাটিব পাৰি, কেনভাচত ৰং তুলিৰে ছবি আঁকিব নোৱাৰিব কিয়? এই প্ৰত্যয়কে লৈ তেওঁ ৰং-তুলি যতনাই তাজমহল অঁকাত লাগি যায়। তাজমহল অঁকা হ'ল আৰু তাক মঞ্চত প্ৰদৰ্শন কৰাও হ'ল। পাছদিনা নাটকৰ লগতে দৰ্শকৰ মুখত ছবিখনৰো ভূয়সী প্ৰশংসা শুনা গ'ল। এয়ে আৰম্ভণি। ইয়াৰ পাছত ধৰণী কঁহাৰৰ হাতত হাতুৰি আৰু কলমৰ লগতে তুলিকাইও ঠাই পালে। এতিয়া আকৌ দা-কুঠাৰেও হাতত ঠাই পাইছে। কিয়নো দা-কুঠাৰেৰে কাঠ-বাঁহ কাটি কিবা নহয় কিবা এটা সজাইছে।



সাহিত্য কৰ্মৰ ভিতৰত মানৰ দিনকে ধৰি এতিয়ালৈকে তেওঁ যোলখন গ্ৰন্থ ৰচনা কৰিছে। তাৰে ছখন পূৰ্ণাংগ নাট, তিনিখন একাংকিকা, দুখন উপন্যাস, তিনিখন কবিতা পুথি আৰু দুখন আত্মকথন জাতীয় ৰচনা -এখনত তেওঁৰ সাংসাৰিক জীৱন আৰু আনখনত শিল্পী জীৱনৰ পৰিচয় দিয়া হৈছে।

ককাক আৰু পিতাকৰ জন্মস্হান সৰ্থেবাৰী হলেও এওঁৰ আকৌ জন্ম হৈছিল টিহৰ হেলচা-পাৰাত, ১৯১৩ চনত। তাত আঠ বছৰীয়া হোৱাৰ পাছত সৰ্থেবাৰীত থাকিয়ে ডাঙৰ দীঘল হয়, পঢ়াশালিলৈ যায়; কিন্তু ছাত্ৰ বৃত্তি স্কুল পাছ নকৰাকৈ ১৪ বছৰ বয়সতে স্কুল এৰি কাঁহ কোবাই নিজৰ ভাত-মোকোলাব লগাত পৰে। ১৭ বছৰ বয়সত এওঁ বিবাহ পাশত আবদ্ধ হয়। তেতিয়া সৰ্থেবাৰীত বাল্য-বিবাহৰ প্ৰচলন আছিল। এয়া আছিল তেওঁৰ আগ বিয়া। পাছ বিয়াৰ আগে আগে তেওঁ আকৌ এজন 'বাবা'ৰ শিষ্য হৈও কেইবছৰমান কটায়। নানান প্ৰবন্ধ কৰিহে তেওঁক সংসাৰলৈ অনা হয়। 'মোৰ জীৱন দৰ্শন' নামৰ আত্মকথা জাতীয় প্ৰথম পুথিখনত এইবোৰ কথাৰ বিতং বিৱৰণ আছে।

শ্ৰীডেকাৰ বয়স বৰ্তমান সাতসত্তৰ বছৰ। এতিয়াও শ্ৰীডেকাই কৰ্মৰ পৰা অৱসৰ লোৱা নাই।

'মোৰ শিল্পী জীৱন' নামৰ অপ্ৰকাশিত গ্ৰন্হখনৰ সামৰণিত শ্ৰীডেকাই লেখিছে–

'মই এজন আদবলিয়া মানুহ। স্কুল এৰি দেউতাৰ পৰা হাতুৰি মোৰ হাতত তুলি ললো। সেই হাতুৰি মোৰ হাতত আজিও আছে। মোৰ বলিয়ালি স্বভাৱৰ কাৰণে কেতিয়াবা হাতুৰি এৰি কলম ধৰো – নাটক লিখো, উপন্যাস লিখো, কবিতা লিখো। লেখাৰ পাছত ঘৰৰ এচুকত সজাই থওঁ; তাতেই মোৰ আনন্দ। হাতুৰি এৰি ৰং-তুলি লৈ ছবি আঁকো। ইও মোৰ আনন্দ। হাতুৰি এৰি দা কুঠাৰ লওঁ, বাঁহ-কাঠ কাটি কিবা এটি বস্তু সাজি উলিয়াওঁ। এনেকৈয়ে মোৰ দিনবোৰ গৈ আছে। হাতুৰি লৈয়ে মই এদিন শেষ নিঃশ্বাস ত্যাগ কৰিম। মোৰ হাতৰ শিল্প কৰ্মতো এদিন ঘূণে ধৰিব, মামৰে খাব। অৱশেষত সিবোৰো এদিন ধৰাৰ বুকুত জাহ যাব। শিল্পীৰ অমৰত্ব শিল্প কৰ্মত, সৃষ্টিত। মই তেনে কোনো অমৰ শিল্প-সৃষ্টি কৰিব পৰা নাই, গতিকে মোৰ মৃত্যুৰ লগে লগে শিল্প কৰ্মৰো মৃত্যু অনিবাৰ্য।.....

অসমৰ চুকে কোণে অনেক প্ৰতিভা সুযোগৰ অভাৱত মৰহি গৈছে, মলঙি আছে। ধৰণীধৰ ডেকাৰ দৰে অনেক শিল্পীৰ সৃষ্টি স্বীকৃতিৰ অভাৱত, প্ৰকাশৰ অব্যৱস্হাত শিল্পীৰ মৃত্যুৰ লগে লগে নিশ্চিহ্ন হৈছে, হবও। অতিশয় নৈৰাশ্যজনক হলেও ধৰণী ডেকাৰ শেষ কথাষাৰ আমাৰ অসমত দিন-ৰাতিৰ দৰে নিৰ্ঘাত সত্য।

শ্ৰীধৰণীধৰ ডেকাৰ শেষ কথাষাৰ অসত্য হোৱাহেঁতেন!

# গুৱাহাটী পৌৰ নিগম

এখন মহানগৰৰ দায়িত্ব অকল বিষয়াসকলৰ ওপৰতে নিৰ্ভৰ নকৰে । এই দায়িত্ব সমানে নাগৰিক সকলৰো ।

উভয়ৰ সংস্পৰ্শত এখন সুন্দৰ, চিকুণ নগৰ গঢ়ি উঠে ।

আমি নাগৰিকসকলৰ পৰা দিহা পৰামৰ্শ, উপদেশ আৰু সুপৰিকল্পিত আঁচনি বিচাৰো ।

উত্তৰ-পূৰ ভাৰতত একমাত্ৰ মহানগৰী গুৱাহাটী । পুৰাণ প্ৰসিদ্ধ প্ৰাগ্‌জ্যোতিষ কামৰূপক মহীয়ান ৰূপত সজোৱা উভয়ৰে কৰ্তব্য ।

আয়ুক্ত
গুৱাহাটী পৌৰ নিগম


মতান্তৰ

# প্ৰসঙ্গ ঃ স্বাধীনতা আন্দোলনৰ ইতিহাস

সুভাষ সাহা

'সূত্ৰধাৰ'ৰ ১৬-৩১ জানুৱাৰী '৯২ সংখ্যাত 'স্বাধীনতা আন্দোলনৰ ইতিহাস' শীৰ্ষক ড° ৰমেশ কলিতাৰ বিশেষ নিবন্ধ ৰূপে প্ৰকাশিত গ্ৰন্থ সমালোচনাটি পঢ়িলো । আমাৰ দ্বাৰা সম্পাদিত আৰু উত্তৰ-পূব ভাৰত বুৰঞ্জী সংস্থাৰ দ্বাদশ বাৰ্ষিক সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ দ্বাৰা প্ৰকাশিত 'অসমৰ স্বাধীনতা সংগ্ৰাম, প্ৰথম পৰ্ব, (১৮২৬-১৯০০)' শীৰ্ষক গ্ৰন্থখন ময়েই নিজ হাতেৰে লিখি সমালোচনাৰ বাবে ড° কলিতাক দিছিলো সন্মিলন থলী জাগীৰোড মহাবিদ্যালয়ত । ইমান সোনকালে গ্ৰন্থখন পঢ়ি এটি সমালোচনা যুগুতাই প্ৰকাশ কৰাৰ বাবে প্ৰথমেই সমালোচক কলিতাক জাগীৰোড মহাবিদ্যালয় তথা অভ্যৰ্থনা সমিতিৰ হৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো । তেখেতৰ সমালোচনাটি অকল বস্তুনিষ্ঠই হোৱা নাই, বিভিন্ন দিশৰ পৰা সত্যানুসন্ধানীও । গ্ৰন্থখন সামগ্ৰিকভাবে 'আধুনিক অসমৰ সভ্যতা-সংস্কৃতি, অৰ্থনীতি আৰু ইতিহাসৰ প্ৰতি অনুৰাগী ছাত্ৰ, শিক্ষক, গৱেষক আৰু ৰাজনীতিবিদ সকলৰ বাবে অৱশ্যে পাঠ্য এখন মূল্যবান গ্ৰন্থ' বুলি মন্তব্য কৰি কিছু ঐতিহাসিক তথ্য আৰু তাৰ বিশ্লেষণ সম্পৰ্কে ড° কলিতাই দ্বি-মত প্ৰকাশ কৰিছে । ড° কলিতাৰ সকলো মন্তব্যৰ স'তে আমি একমত নহয় যদিও তেখেতে উত্থাপন কৰা প্ৰশ্নসমূহে ভৱিষ্যতে ইতিহাস চৰ্চাৰ নতুন নতুন দিশ উন্মোচিত কৰাৰ সম্ভাৱনা নিশ্চয় আছে । সংকলনখনত সন্নিবিষ্ট মোৰ প্ৰবন্ধ 'সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামত পাৰ্বত্য জনজাতিৰ ভূমিকা' আৰু 'ফুলগুৰিৰ কৃষক-বিদ্ৰোহ, এটি সমীক্ষা' সম্পৰ্কত তেখেতৰ মন্তব্যও সামগ্ৰিকভাবে আমি মানি লব পৰা নাই । তলত আমাৰ মতামত প্ৰকাশ কৰিলো ।

'সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰাম -------' প্ৰবন্ধটি 'সুলিখিত' বুলি উল্লেখ কৰিও ড° কলিতাই মন্তব্য কৰিছে 'নাম ভূমিকাই সামৰি লোৱাৰ দৰে বিষয়বস্তুৰ আলোচনাই প্ৰয়োজনীয় আৰু সমপৰ্যায়ৰ বিস্তৃতি লাভ কৰা নাই । তেওঁ আলোচনা সীমিত ৰাখিছে কেৱল খাচী-জয়ন্তীয়া আৰু লুচাই পাহাৰৰ অধিবাসীসকলৰ বৃটিছ বিৰোধী বিদ্ৰোহ-অভ্যুত্থানতে । ফলত নাম ভূমিকাৰ আৰু বিষয়বস্তুৰ আলোচনাৰ সীমাবদ্ধতাই বিসঙ্গতিৰ সৃষ্টি কৰিছে ।' সমালোচকে আলোচ্য প্ৰবন্ধটিত কি বিসঙ্গতি দেখা পালে আমি ধৰিব নোৱাৰিলো । খাচী, জয়ন্তীয়া, লুচাই বা কুকীসকল পাৰ্বত্য জনজাতি নহয় নেকি ? নে তেওঁলোকৰ দ্বাৰা সংগঠিত সেই সময়ৰ বিদ্ৰোহসমূহক ড° কলিতাই সাম্ৰাজ্যবাদ বিৰোধী ভূমিকা বুলি স্বীকাৰ নকৰে ? উত্তৰ-পূৰ্বাঞ্চলৰ পাৰ্বত্য জনজাতিসকলৰ ভিতৰত এই তিনিটা জনজাতিয়েই অন্যতম উল্লেখযোগ্য জনগোষ্ঠী । দ্বিতীয়তঃ এই জনজাতি সকলৰ নেতৃত্বত সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ দীঘলীয়া ইতিহাস আছে । আলোচ্য সময়ছোৱাত অন্যান্য জনজাতিসকলৰ (পাৰ্বত্য) তেনে দীঘলীয়া ইতিহাস নাই । তথাপিও আমি ১৮২৫ চনৰ পৰা ১৯৯২ চনলৈকে সাম্ৰাজ্যবাদৰ লগত সংঘাতপূৰ্ণ উল্লেখযোগ্য ঘটনাৱলীৰ এটি ধাৰাবাহিক তালিকাপঞ্জী সন্নিবিষ্ট কৰি মিছিমি, খামতি, মণিপুৰী, চিংফৌ, ডফলা জনজাতিসকলৰ বৃটিছ সাম্ৰাজ্যবাদ বিৰোধী প্ৰতিক্ৰিয়াৰ বুজ লবৰ চেষ্টা কৰিছো । গতিকে নাম ভূমিকাৰ লগত বিষয়বস্তুৰ বিসঙ্গতি ক'ত কেনেকৈ দেখা পালে আমি ধৰিব পৰা নাই । আমাৰ লেখা আৰু অধ্যয়নৰ সীমাবদ্ধতা নাই বুলি আমি দাবী কৰিব খোজা নাই, কিন্তু ড° কলিতাই মন্তব্য কৰাৰ দৰে নাম ভূমিকাৰ লগত বিষয়বস্তুৰ আলোচনা 'প্ৰয়োজনীয় আৰু সমপৰ্যায়িৰ বিস্তৃতি লাভ কৰা নাই' বোলাৰ যুক্তিযুক্ততা মানি লব নোৱাৰিলো । 'বিস্তৃতি' মানে ড° কলিতাই কি বুজাব খুজিছে সেয়াও আমাৰ বোধগম্য নহ'ল । ড° কলিতাই নজনা নহয় যে আলোচ্য গ্ৰন্থখনৰ যি শিৰোনামাত বিষয়বস্তুসমূহ লেখকসকলে আলোচনা কৰিছে– সেই শিৰোনামাত প্ৰতিটো প্ৰবন্ধৰ বিষয়বস্তুকে লৈ কেবাখনো বৃহৎ আকাৰৰ গ্ৰন্থ লিখিব পাৰি । এনে গ্ৰন্থ ইংৰাজী ভাষাত আছেই । গতিকে ড° কলিতাই একেখন গ্ৰন্থতেই (মাত্ৰ ১৪৩+১০ পৃষ্ঠাৰ) সকলো বিষয় বিচাৰি 'বিস্তৃতি' আশা কৰাটো জানো সমীচীন ? সীমাবদ্ধতাৰ (পৰিসৰৰ) মাজতো লেখকসকলে আলোচ্য বিষয়বস্তু কেনেভাবে আৰু কিমান দক্ষতাৰে আৰু সাধাৰণ পাঠকৰ বোধগম্য হোৱাকৈ উপস্থাপন কৰিব পাৰিছে– আমি ভাবো সেইটোহে অধিক বিচাৰ্য বিষয় । আচলতে ড° কলিতাই এই কথা নুবুজা নহয় । বুজে, আৰু ভালকৈয়ে বুজে । বুজিও ইচ্ছাকৃতভাবে প্ৰায় ব্যক্তিগত আক্ৰমণৰ মনোবৃত্তিৰে উক্ত মন্তব্য কৰিছে বুলি আমাৰ অনুমান হয় । তাৰ প্ৰমাণ মোৰ দ্বিতীয় প্ৰবন্ধ 'ফুলগুৰিৰ কৃষক বিদ্ৰোহ ঃ এটি সমীক্ষা' সম্পৰ্কে আলোচনা কৰিবলৈ গৈ 'পালমৰা বিধৰ' 'গড় গাঁৱৰ কথা কোৱা' ইত্যাদি মন্তব্য কৰিছে । এনে মন্তব্যৰ মাজেৰে ড° কলিতাই সমালোচনাক ব্যক্তিগত আক্ৰমণৰ পৰ্যায়লৈ নি ইতিহাস চৰ্চাৰ এক অসুস্থ পৰিবেশ সৃষ্টি কৰিব খুজিছে । প্ৰকাৰান্তৰে নিজৰ পাণ্ডিত্যৰ অহংকাৰহে প্ৰকাশ কৰিছে ।

ড° কলিতাই জনা উচিত– এটা লেখা বা প্ৰবন্ধ চুটি হোৱা মানেই 'পালমৰা বিধৰ' নহয় । 'পালমৰা' শব্দৰ গূঢ়াৰ্থ হ'ল সততাহীনতা বা অসৎ মনোবৃত্তি । আমাৰ লেখাত কি অসৎ উদ্দেশ্য আছে ড° কলিতাই অনুগ্ৰহ কৰি জনাবনে ? 'ফুলগুৰিৰ কৃষক বিদ্ৰোহ'ত উল্লিখিত কোনো তথ্যই আমাৰ মনে সজা নহয় । তথ্যৰ ভিত্তিতেই আমি বিশ্লেষণ কৰিবৰ যত্ন কৰিছো । তাৰ অৰ্থ এইটো নহয় যে আমাৰ মন্তব্যই শেষ কথা । নতুন নতুন তথ্যৰ উদঘাটনে নতুন নতুন বিশ্লেষণৰ বাট মুকলি কৰাৰ লগতে ইতিহাসৰ সত্য অনুসন্ধান অধিক সমৃদ্ধ কৰি তুলিব । যি কি নহওক ড° কলিতাই উত্থাপন কৰা

OKDISCD

প্ৰশ্ন আৰু দ্বিমত সম্পৰ্কে এটা এটাকৈ উত্তৰ দিয়া যাওক–

১·১ 'ফুলগুৰি আৰু তাৰ আশে-পাশে থকা বেছিভাগ কৃষক আছিল দুখীয়া আৰু ভূমিহীন।' ১৮৬১ চনত অসমত 'ভূমিহীন' থকাৰ কথাটো ড° কলিতাই অবাস্তৱ বুলি সন্দেহ কৰিছে। উত্তৰত কওঁ– আমি অবাস্তৱ মন্তব্য কৰা নাই। আমাৰ মন্তব্যৰ ভিত্তি নোহোৱা নহয়। কাৰণ ফুলগুৰি আৰু তাৰ আশে-পাশে থকা অঞ্চলসমূহ ভৌগোলিকভাবে কলং নৈৰ পাৰত অৱস্থিত। চৰকাৰী নথিপত্ৰত এই বিস্তৃত অঞ্চলত 'Frequent and almost regular inundation and floods'-ৰ দ্বাৰা আক্ৰান্ত হৈছিল বুলি উল্লেখ আছে। ফলত কৃষকৰ বুকুৰ আপোন খেতিৰ মাটি ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া আৰু বানপানীত জাহ গৈছিল। অকল ফুলগুৰি অঞ্চলতেই নহয়, ব্ৰহ্মপুত্ৰৰ পাৰৰ প্ৰায় সকলো গাঁৱৰে এনে কৰুণ অভিজ্ঞতা হৈছে, বহু গাওঁ গৰাখহনীয়া আৰু বানপানীত নিশ্চিহ্ন হোৱাৰ জ্বলন্ত উদাহৰণ আছে। গতিকে মাটি হেৰুৱাই কৃষকসকল ভূমিহীন হৈ পৰাটো তেনেই স্বাভাৱিক। কিন্তু এই যে ভূমিহীনৰ কথা কোৱা হৈছে- এই ভূমিহীন কেনেকুৱা ? বৰ্তমানৰ দৰে মহাজনী শোষণ বা অভাৱগ্ৰস্ততাত জ্বলা-কলা হৈ ভূমিৰ পৰা উচ্ছেদ হৈ একেবাৰে কৃষি মজুৰ বা বনুৱা হৈ পৰাৰ দৰে ভূমিহীন নে ? নিশ্চয় নহয়। ১৮৬১ চনত তেনে হোৱাৰ বাস্তৱ পৰিস্থিতিয়েই সৃষ্টি হোৱা নাছিল। মহাজনী শোষণৰ পৰা ভূমিহীন হোৱাৰ পৰিবেশও নাছিল। ১৮৮১ চনৰ লোকপিয়লতহে আমি সমগ্ৰ অসমত মাত্ৰ ২৪১৮জন মহাজন থকাৰ উল্লেখ পাওঁ। অৰ্থাৎ আনুপাতিক হিচাপত ৩২০০০জন মানুহৰ মাজত এজনকৈ মহাজন। এনে অৱস্থাত মহাজনী শোষণৰ তীব্ৰতা যে তেনেই কম হৈছিল তাত অকণো সন্দেহ নাই। কৃষক ভূমিহীন হৈছিল প্ৰধানতঃ দুটা কাৰণত– প্ৰথমতঃ বানপানী আৰু গৰাখহনীয়াৰ প্ৰকোপত দ্বিতীয়তঃ বৃটিছৰ ৰাজহ নীতিৰ আক্ৰমণত। ১৮৩৫ চনত ভূমি ৰাজহ আছিল ৬০,৪৭৫ টকা, ১৮৪৫ চনত অৰ্থাৎ মাত্ৰ দহ বছৰৰ ভিতৰত তাৰ পৰিমাণ বৃদ্ধি হৈ হয়, ১,৩১,০০০ টকা। প্ৰায় ১০০ শতাংশই বৃদ্ধি। এনে ৰাজহ বৃদ্ধিয়ে কৃষকসকলক যে অতিকৈ জুৰুলা কৰি তুলিছিল তাত অকণো সন্দেহ নাই। অসমত লোকপিয়ল যে ১৮৭২ চনৰ আগতে হোৱা নাছিল সেই কথা ড° কলিতাই জানেই। গতিকে ভূমিহীনৰ সঠিক তথ্য সংগ্ৰহ কৰাটো সম্ভৱ নহয়। কিন্তু 'ভূমিহীন' বোলোতে আমি ওপৰত আলোচিত দৃষ্টিভঙ্গীতহে বুজিব বিচাৰিছো। ড° অমলেন্দু গুহই তেখেতৰ 'জমিদাৰকালীন গোৱালপাৰা জিলাৰ আৰ্থ-সামাজিক অৱস্থা : এটি ঐতিহাসিক দৃষ্টিপাত' গ্ৰন্থত ১৮৯২ চনৰ পৰৱৰ্তী কালত গোৱালপাৰাত স্বত্বহীন খাচ ৰায়ত, আধিয়াৰ প্ৰজা, চুকানি প্ৰজা আৰু চাকৰাণ প্ৰজা– এই চাৰি শ্ৰেণীৰ খেতিয়কক ভূমিহীন বুলি উল্লেখ কৰিছে কিন্তু তেওঁলোক হাল গৰু থকা খেতিয়ক। এই তথ্য ড° গুহই হান্টাৰৰ গ্ৰন্থৰ পৰা উদ্ধৃত কৰিছে। (পৃ- ৫৯) ড° গুহই মন্তব্য কৰিছে 'গিৰিহঁতৰ ওচৰত থকুৱা নহ'লে, উৎপাদন-সংক্ৰান্ত সিদ্ধান্তবোৰ তেওঁলোকে নিজেই লব পাৰিছিল আৰু লৈছিল। আনকি আনৰ মাটি লৈ গুচি যোৱাৰ ভয় দেখুৱাই আৰু সংঘশক্তিৰ জোৰত কেতিয়াবা শোষণৰ মাত্ৰাও সীমিত ৰাখিব পাৰিছিল।' গোৱালপাৰা জিলাৰ দৰে নগাওঁ জিলাৰ ফুলগুৰিত চিৰস্থায়ী ভূমি ব্যৱস্থা নাছিল। গতিকে এই দুখন জিলাৰ ভূমি-সম্পৰ্ক একে নহয়। কিন্তু কৃষকৰ অধিকাৰ আৰু মাটিৰ ওপৰত দখলৰ দৃষ্টিভঙ্গীত বিচাৰ কৰিলে দেখা যাব যে ফুলগুৰি অঞ্চলৰ কৃষকসকলৰ মাটি বানপানী বা গৰাখহনীয়াত জাহ গ'লেও আন ঠাইত নতুন মাটি ভাঙি মোকলাই লোৱাত বাধা নাছিল। নতুনকৈ মোকলাই লোৱা মাটিও পুনৰ গৰাখহনীয়া বা বানপানীত নিশ্চিহ্ন হৈছিল। এইদৰে কৃষক ভূমিহীন হৈছিল। যিসকলে কৃষকৰ দুখ-দুৰ্দ্দশাতকৈ অকল নিৰস পৰিসংখ্যাৰ প্ৰতি অধিক আগ্ৰহী, তেওঁলোকে এনে কৃষকক 'ভূমিহীন' বুলি স্বীকৃতি নিদিয়াটো স্বাভাৱিক।

১·২ 'আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ পৃষ্ঠপোষকতাতেই অসমত পোনপ্ৰথম কানি খেতিৰ প্ৰচলন হয়।' আমাৰ এই মন্তব্য প্ৰায় টিলিকতে উৰাই দিয়াৰ দৰে ড° কলিতাই দীঘলীয়া বাক্যৰে অসমত আফু খেতিৰ ইতিহাস দাঙি ধৰিছে। ব্যক্তিগতভাবে (কেলিতাৰ ভাষাত 'ঘৰুৱাভাবে') কোনে কেতিয়া আফু খেতিৰ সূচনা কৰিছিল তাতকৈ কেনেকৈ দেশৰ মুৰব্বীজনাৰ পৃষ্ঠপোষকতাত কানিৰ দৰে এবিধ বৰবিহৰ খেতি প্ৰচলন হ'ল সেইটোহে অধিক তাৎপৰ্যপূৰ্ণ। বেণুধৰ কলিতাই গুণাভিৰাম বৰুৱাৰ উদ্ধৃতি দি লিখিছে' 'প্ৰকৃততে স্বৰ্গীয় গৌৰীনাথ সিংহৰ ৰাজত্বকালত অসমীয়া সমাজৰ সকলো অঙ্গতে ব্যাপকভাবে কানিৰ প্ৰচলন হয়। তেওঁৰ ৰাজত্বকালতেই ১৭১৫ শকত বঙ্গদেশৰ পৰা আফুগুটি অনাই বেলতলাই সদৰিকৈ কানি খেতি কৰা হয়। সেই সময়ত মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ অসমলৈ অহা কাপ্তান ওৱেলছ চাহাবৰ বহুত সৈন্য জহনী আৰু গ্ৰহণীত মৰে। কোনো কোনো বৃটিছ সৈন্যৰ লগত আফিং থকাৰ কাৰণে তাৰ দ্বাৰাই বহুত মানুহ আৰোগ্য হয়। সেই কাৰণেই কানি বৰ উপকাৰী বস্তু বুলি সেই সৈন্যবিলাকৰে কাৰোবাৰ পৰা গুটি লৈ প্ৰথমে তাৰ খেতি কৰা হয়। তেতিয়াৰ পৰাই কানিৰ ব্যৱহাৰ বহুলভাবে হবলৈ ধৰিলে। ------ স্বৰ্গীয় গৌৰীনাথ সিংহৰ ৰাজত্ব কালতেই সদৌ অসমতে আফু খেতিৰ প্ৰচলন হয় আৰু অসমীয়া ল'ৰা-বুঢ়া, ডেকা-গাভৰু সকলোৱে কানি খাবলৈ আৰম্ভ কৰে (ফুলগুৰিৰ ধেৱা, পৃ- ৬০-৬১)" গৌৰীনাথ সিংহ নিজেও হেনো এজন গোকাট কানীয়া আছিল।

বেণুধৰ কলিতাই লিখিছে- 'সেই সময়ত নগাওঁ জিলাত কলং নদীৰ পৰা ব্ৰহ্মপুত্ৰলৈকে এই বিৰাট অঞ্চলটোত অতি কম পৰিশ্ৰমতে প্ৰচুৰ পৰিমাণে আফু খেতি কৰা হৈছিল। এই অঞ্চলৰ দুই এখন ঠাই আজিও আফুতলি নামেই জনাজাত (পূৰ্বোক্ত, পৃ-৭০)। ড° গুহই তেওঁৰ 'Medieval and Early Colonial Assam, Society, Polity, Economy গ্ৰন্থত তথ্য সহকাৰে উল্লেখ কৰিছে যে ১৮৫২ চনত নগাওঁ জিলাৰ ৩০০০ একৰতকৈও অধিক মাটিত অৰ্থাৎ মুঠ উৎপাদনক্ষম মাটিৰ ২% ভাগ অংশত কানিৰ খেতি হৈছিল। ১৮৫১-৫২ চনত বৃটিছ চৰকাৰে কম দামত আবকাৰী কানি বিক্ৰীৰ প্ৰচলন কৰাৰ পিছতো থলুৱা কানি খেতিৰ পৰিমাণ কমা নাছিল। ইয়াৰ অন্যতম কাৰণ হিচাপে ড° গুহই দেখুৱাইছে যে আফু খেতি সেই সময়ত পণ্যশস্য (cash crop) হৈ পৰিছিল। মুদ্ৰা অৰ্থনীতিৰ প্ৰচলন আৰু মুদ্ৰাৰ বিনিময়ত ৰাজহ দিব লগা হোৱাত অন্য শস্যৰ খেতি কৰাতকৈ অসমীয়া কৃষকে কানি খেতি কৰিছিল সহজতে কেঁচাধন পোৱাৰ আশাত। (In fact, the growing monetisation of the economy induced farmers to grow more opium for cash even at the cost of other crops (পূৰ্বোক্ত, পৃ-১৬০)

১·৩ 'অসমৰ কৃষকৰ মুখৰ ভাত কাঢ়ি ডিঙিত শোষণৰ যুৱলি লগাই গাৰ জোৰেৰে' কানি খেতি কৰোৱা আমাৰ মন্তব্যৰ প্ৰতি দ্বিমত প্ৰকাশ কৰি এই সম্পৰ্কে কোনো ঐতিহাসিক সাক্ষী প্ৰমাণ নাই বুলি লিখিছে। ড° কলিতাই আমাৰ মন্তব্যৰ অতি সৰলীকৰণ অৰ্থ কৰাৰ বাবেই এনে দ্বিমত প্ৰকাশ কৰিছে বুলি আমাৰ ধাৰণা। উত্তৰ পূব সীমান্ত অঞ্চলৰ বাবে গভৰ্ণৰ জেনেৰেলৰ প্ৰথম এজেন্ট ডেভিড স্কটৰ পৰা আৰম্ভ কৰি এ জে মফট মিলছলৈকে (১৮২৬-১৮৫৪) বৃটিছ প্ৰশাসকসকলে কানিৰ মাৰাত্মক প্ৰতিক্ৰিয়া সম্পৰ্কে নজনা নহয়, বিভিন্ন সময়ত তেওঁলোকে এই সম্পৰ্কত মতামত প্ৰকাশ কৰাৰ বহু ঐতিহাসিক তথ্য আছে কিন্তু কানি খেতি বন্ধ কৰাৰ বাবে বৃটিছ চৰকাৰক পৰামৰ্শ দিয়াৰ প্ৰমাণ আমি এতিয়ালৈকে পোৱা নাই। মিলছৰ প্ৰতিবেদনত উল্লিখিত তথ্য মতে ১৮৫৩ চনত অসমৰ জনসংখ্যাৰ ৩/৪ অংশ মানুহে কানি খাইছিল। ১৮২৬-১৮৫৩ চনৰ ভিতৰত কম বেছি পৰিমাণে অসমত উৎপাদিত থলুৱা কানিৰ পৰিমাণ আছিল ১৫০০ মোণ। তেতিয়া চৰকাৰৰ আমদানিকৃত কানিৰ পৰিমাণ আছিল ১০০-ৰ পৰা ২০০ মোণ মাত্ৰ। কেপ্তেইন ওৱেলছে বিক্ৰীৰ বাবে বঙ্গদেশৰ পৰা কানি ৰপ্তানিৰ পৃষ্ঠপোষকতা কৰি 'a few boatloads of opium be sent' বুলি পৰামৰ্শ দিছিল। সামগ্ৰিকভাবে এই সময়ছোৱাত বৃটিছ শাসকসকলৰ ভূমিকা কি আছিল ? সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো সেই সময়ত সাম্ৰাজ্যবাদ বিৰোধী প্ৰতিৰোধ সংগ্ৰাম সংগঠিত হোৱালৈ চাই অসমৰ এক গৰিষ্ঠ সংখ্যক লোক কানিৰ ৰাগিত নিচাগ্ৰস্ত হৈ থকাটো বৃটিছ শাসকসকলৰ বাবে চিন্তাৰ কাৰণ নাছিল। তেওঁলোক আনন্দিতই হৈছিল। ১৭৭৩ চনতেই ওৱাৰেণ হেষ্টিংছে আফিং ব্যৱসায় একচেটীয়া কৰি 'Transferred the opium monopoly from the account of merchandize to that of revenue' ড° গুহই বৃটিছ সকলৰ আফিং নীতি সম্পৰ্কে মন্তব্য কৰি লিখিছে Throughout the 19th c. this monopoly remained a clever and effective imperial device for meeting the needs of the so-called remittance problem and Britian's multi-lateral balance of payments' (পূৰ্বোক্ত, পৃ-২৮৮)

১·৪ আফু খেতি নিষিদ্ধ ঘোষণা কৰা আইনখন 'অপ্ৰত্যাশিত' বুলি কৰা আমাৰ মন্তব্যৰ প্ৰতিও ড° কলিতাই দ্বিমত প্ৰকাশ কৰিছে। মনত ৰখা ভাল যে আফু খেতি বন্ধ কৰাৰ আগ্ৰহ বৃটিছ শাসকসকলতকৈ বৃটিছ চাহ-বাগিচা মালিকৰহে বেছি আছিল। বাস্তৱত প্লেন্টাৰ সকলৰ পৰামৰ্শৰ ভিত্তিতেই এই আইন কৰা হৈছিল। চালুকীয়া হ'লেও ক্ৰমবৰ্দ্ধমান চাহ-বাগিচাৰ বাবে অতি প্ৰয়োজনীয় শ্ৰমিকৰ অভাৱ হোৱা হেতুকে বাগিচা মালিকসকল চিন্তিত হৈ পৰিছিল। বাহিৰৰ পৰা শ্ৰমিক আমদানিৰ খৰচো অত্যধিক আছিল। তাতে অসমৰ সামন্ত-জনজাতীয় অৰ্থনীতিৰ বাবে ৰাহি শ্ৰমিক সৃষ্টিৰো পৰিবেশ নাছিল। এনে অৱস্থাত বাগিচা মালিক সকলে আশা কৰিছিল যে আফু খেতি বন্ধ কৰিলে কৃষকসকল উপায়হীন হৈ বাগিচাত শ্ৰমিক ৰূপে কাম কৰিবলৈ বাধ্য হব। কিন্তু কানি ব্যৱসায়ৰ ক্ষেত্ৰত অসমখন তেতিয়া এক লাভজনক বজাৰ হৈ থকাৰ বাবে বৃটিছ প্ৰশাসকসকলে আফু খেতি বন্ধ কৰাৰ পক্ষপাতী নাছিল। কিন্তু অকল সেয়ে নহয়- সেই সময়ৰ অসমত বৃটিছ অৰ্থনীতি বিভিন্ন কাৰণত জটিল সংকটত পৰিছিল। বি-চি এলানৰ পৰা আৰম্ভ কৰি বিভিন্ন চৰকাৰী নথি-পত্ৰৰ তথ্যৰ পৰা জানিব পাৰি যে ১৮৫৩-৯ কালছোৱাত অসমৰ অৰ্থনীতি স্থবিৰ হৈ পৰিছিল। কৃষি-উৎপাদন কমিছিল। আমদানি-ৰপ্তানিৰ ভাৰসাম্যও নাছিল। কেঁচাধনৰ অভাৱত কৃষকৰ ৰাজহ অনাদায় হৈ আছিল। Waste land Rule-ৰ জৰিয়তে কৃষি-উন্নতি কৰাৰ স্বপ্নও বাস্তৱায়িত হোৱা নাছিল, বৃটিছ পুঁজিপতি তেতিয়াও অৰ্থলগ্নী কৰিবলৈ ভৰসা পোৱা নাছিল। এনে সময়তেই ১৮৫৮ চনত নগাওঁ জিলাত দুৰ্ভিক্ষ হয়। এই পটভূমিতেই চাহ-বাগিচা মালিকে বৃটিছ শাসকসকলক তিনিটা পৰামৰ্শ দিছিল যথা–

(ক) বঙ্গদেশৰ পৰা অসমলৈ নিয়মীয়া ভাপ নাও প্ৰচলন কৰা। এই ভাপ নাওবোৰ চৰকাৰী বা চৰকাৰৰ দ্বাৰা অৰ্থ সাহায্যপ্ৰাপ্ত হব লাগে যাতে বাহিৰৰ পৰা কম খৰচত শ্ৰমিক আমদানি কৰাটো সুচল হয়।

(খ) আফুখেতি আৰু কানি বিক্ৰী নিষিদ্ধ কৰা

(গ) ভূমি-ৰাজহ এনেভাবে বৃদ্ধি কৰা যাতে কৃষকসকল চাহ শিল্পত বনুৱা হোৱাৰ পৰিবেশ সৃষ্টি হয়। (পূৰ্বোক্ত, গুহ, পৃ-১৬৯)

বৃটিছ শাসকসকলে কানি বিক্ৰীৰ বাদে বাকী সকলোবোৰ পৰামৰ্শ মানি লয়। কিন্তু মানি ললেও বৃটিছ শাসকসকল চিন্তিত নোহোৱাকৈ নাছিল। তেওঁলোকে লক্ষ্য কৰিছিল যে এফালে অৰ্থনীতিৰ স্থবিৰতা (Stagnation) আৰু আনফালে কৃষিৰ ব্যৱসায়িকৰণৰ প্ৰক্ৰিয়া তেতিয়াও পূৰঠ হৈ নুঠা বাবে কৃষকসকলৰ হাতত কেঁচাধন নাছিল। অৰ্থনৈতিক ভাবে জুৰুলা হোৱা কৃষকে কানিৰ দৰে পণ্যৰ উৎপাদন বন্ধ কৰিলে যে ৰাজহ দিব নোৱাৰিব সেই কথা বুজি পাই চিন্তিত হৈছিল। তথাপিও প্ৰধান চাহ-বাগিচা মালিকসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবেই 'অপ্ৰত্যাশিত' ভাবে উক্ত আইন পাছ কৰিছিল বুলি ভবাৰ যথেষ্ট যুক্তি আছে বুলিয়েই আমি ভাবো।

১·৫ ফুলগুৰিৰ ঘটনা ঘটা তাৰিখ সম্পৰ্কে ড° কলিতাই অতি সঠিকভাবেই আঙুলিয়াই দিছে যে ১৯ অক্টোবৰত ঘটা নাছিল। গ্ৰন্থখন প্ৰকাশ পোৱাৰ পিছত আমাৰ দৃষ্টিগোচৰ হৈছে। কিবা কাৰণত ছপাৰ ভুল হৈ ১৯ অক্টোবৰ বুলি ওলাল। এই ভুলৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰা বাবে ড° কলিতাৰ প্ৰতি ধন্যবাদ জনালো। কিন্তু উল্লেখনীয় যে পৃষ্ঠা নং ১২৫-ত আমি স্পষ্টভাবেই লিখিছিলো 'এই ফুলগুৰিতেই সংগঠিত হৈছিল অসমৰ প্ৰথম বৃহৎ কৃষক বিদ্ৰোহটি ১৮৬১ চনৰ ১৮ অক্টোবৰ তাৰিখে।'

১·৬ ৰহা থানাৰ পুলিচ অফিচাৰ গোলাপ সিঙৰ মৃত্যু সম্পৰ্কে ৰেণুধৰ কলিতাৰ গ্ৰন্থৰ ৭৭নং পৃষ্ঠাত উল্লেখ আছে। গতিকে উক্ত কাহিনী ড° কলিতাই মন্তব্য কৰাৰ দৰে সম্পূৰ্ণ অনৈতিহাসিক আৰু মনে সজা নহয়।

১·৭ আলোচ্য গ্ৰন্থখনত সন্নিবিষ্ট বিভিন্ন লেখকসকলৰ প্ৰবন্ধ সম্পৰ্কে ড° কলিতাই যিবোৰ দ্বিমত প্ৰকাশ কৰিছে সেই সম্পৰ্কে সংশ্লিষ্ট ব্যক্তিসকলে স্পষ্টীকৰণ নিশ্চয় দিব। কিন্তু অধ্যাপক ৰাজেন শইকীয়াৰ প্ৰবন্ধ সম্পৰ্কত তেখেতে অ-প্ৰাসঙ্গিকভাবে বিশিষ্ট অৰ্থনীতিবিদ অমলেন্দু গুহক টানি আনি মন্তব্য কৰিছে। শ্ৰীশইকীয়াৰ প্ৰবন্ধৰ কতো উল্লেখ নাই যে তেওঁ ড° গুহৰ দৃষ্টিভংগীক ভুল বুলি প্ৰমাণিত কৰিছে। ড° কলিতাইহে অ-প্ৰাসঙ্গিকভাবে এনে মন্তব্য কৰি ড° গুহক হেয় প্ৰতিপন্ন কৰাই নহয়- শ্ৰীশইকীয়াৰ মৌলিক চিন্তাকো কলুষিত কৰিব খুজিছে। এনে দৃষ্টিভংগী অতি ক্ষতিকাৰক বুলি আমি দৃঢ়ভাবে বিশ্বাস কৰো।

বৈজ্ঞানিক পদ্ধতিৰ জলসিঞ্চন আঁচনিয়ে
কৃষি আৰু কৃষকৰ উন্নতি

জলসিঞ্চনৰ পানীৰে একেডৰা মাটিত বছৰত একাধিক শস্যৰ খেতি কৰিব পৰাকৈ সুবিধা আগবঢ়োৱা হৈছে । এই পানীৰ প্ৰকৃত আৰু পূৰ্ণ ব্যৱহাৰৰ যোগেদি অধিক শস্য উৎপাদন কৰক ।

পানী এক ৰাষ্ট্ৰীয় সম্পদ । জলসিঞ্চনৰ নলাত থকা পানীৰ নিয়ন্ত্ৰণ দুৱাৰ জধে-মধে খুলি থৈ পানীৰ অপচয় নকৰিব ।

কৃষক ৰাইজৰ স্বাৰ্থতেই জলসিঞ্চন । ইয়াৰ নলা, পানীযোগানৰ পাইপ আৰু অন্যান্য নিয়ন্ত্ৰণৰ আহিলা-পাতি ৰক্ষণাবেক্ষণত দৃষ্টি ৰাখি বিভাগৰ লগত সহযোগ কৰক ।

অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ প্ৰচাৰ শাখাৰ দ্বাৰা প্ৰচাৰিত




# চাপৰিলে মেঘ নেৰায়

## প্ৰসঙ্গঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়

স্বপ্না বেজবৰুৱা

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক, শৈক্ষিক আৰু অৰ্থনৈতিক দিশত চলি থকা বিভিন্ন অনিয়ম অনীতিয়ে কেনেকৈ শিক্ষানুষ্ঠানটোৰ জেউতি ম্লান কৰিছে সেই বিষয়ে এই আলোচনীৰ পাতত বহুবাৰ দাঙি ধৰা হৈছে । ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা ছাত্ৰ সংস্থাইও বিশ্ববিদ্যালয়খনত চলি থকা দুৰ্নীতিৰ তদন্ত কৰিবলৈ এখন তদন্ত আয়োগ গঠন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল তথা বিশ্ববিদ্যালয়কেইখনৰ আচাৰ্যৰ ওচৰত স্মাৰকপত্ৰ প্ৰদান কৰি দাবী তুলি আহিছে । কেৱল এয়ে নহয় । অতি শীঘ্ৰে তদন্ত আয়োগ গঠন নকৰিলে আন্দোলনৰ পথ লোৱা হ'ব বুলিও আচাৰ্য গৰাকীক স্পষ্ট কৰি দিছে । আনহাতে স্নাতকোত্তৰ ছাত্ৰ সংস্থাই এই সূত্ৰধাৰত প্ৰকাশিত বাতৰিৰ স্পষ্টীকৰণও কৰ্তৃপক্ষৰ ওচৰত দাবী কৰিছিল । তেওঁলোকে জনাই দিছিল যে – যদিহে এই বাতৰি সমূহৰ স্পষ্টীকৰণ দিয়া নহয় তেন্তে সকলো কথা সত্য বুলি ধৰি লোৱা হ'ব । সেয়েহে কৰ্তৃপক্ষই ভয়তে ভীত হৈ এটা চালে বেৰে কোবোৱা স্পষ্টীকৰণ আমাৰ আলোচনীলৈ ততাতৈয়াকৈ পঠিয়াই দিলে । কিন্তু চাপৰিলে মেঘ নেৰায় ।

সূত্ৰধাৰৰ ১৬-৩১ মাৰ্চ সংখ্যাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই যি স্পষ্টীকৰণ দাঙি ধৰি জনসাধাৰণক পুনৰবাৰ ভুৱা দিবলৈ যত্ন কৰিছে তাত আমি পুনৰ কলম নোতোলাকৈ থাকিব নোৱাৰিলো । প্ৰতিটো ক্ষেত্ৰতে পঞ্জীয়ক মহোদয় প্ৰকৃত তথ্যৰ পৰা আঁতৰি গৈ অন্য দিশ এটাৰ ওপৰতহে মন্তব্য দাঙি ধৰিছে । ইয়াৰ পৰাই আমাৰ লগতে অসমৰ জনসাধাৰণেও নিশ্চয় জোলোঙাৰ মেকুৰীটো দেখা পাইছে ।

বিশ্ববিদ্যালয়খনত ডিগ্ৰীৰ দৰ দামৰ বিষয়ে দিয়া উদাহৰণ হিচাপে ইৰা শৰ্মাৰ ডিগ্ৰীৰ ক্ষেত্ৰত প্ৰতিটো পদতে অনিয়ম কৰাৰ তথ্য দাঙি ধৰাৰ পাছত তেওঁৰ ভাইভা বাহিৰৰ প্ৰথিতযশা অধ্যাপকে লৈছিল বুলি কোৱাটোৱেই স্পষ্টীকৰণ হ'ব নোৱাৰে । তেওঁ নিয়মিত শ্ৰেণীত উপস্থিত আছিল নে ? বিভাগীয় মুৰব্বীয়ে তেওঁৰ ডিচাৰটেচন অনুমোদন কৰিছিল নে, ভাইভাত বিভাগীয় মুৰব্বী উপস্থিত আছিল নে আদি প্ৰশ্নৰ উত্তৰ কৰ্তৃপক্ষই দিব পাৰিবনে ? স্পষ্টীকৰণটোত পঞ্জীয়ক এইবোৰ দিশৰ পৰা আঁতৰি থাকিল ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত যে ডিগ্ৰীৰ দৰ দাম হয়, পৰীক্ষা পদ্ধতিত যে যথেষ্ট আসোঁৱাহ আছে, এইবোৰত যে কৰ্তৃপক্ষই হস্তক্ষেপ কৰে এই বিষয়ে আমি আগতেই তথ্য সহকাৰে প্ৰমাণ কৰিছো । পুনৰ এইবোৰ উল্লেখ কৰি আমাৰ আলোচনীৰ মূল্যবান ঠাইখিনি বন্দী কৰিবলৈ ইচ্ছা কৰা নাই । মুঠৰ ওপৰত পুনৰ ক'ব বিচাৰো যে পঞ্জীয়ক মহোদয় স্পষ্টীকৰণটোত প্ৰকৃত সত্যৰ পৰা আঁতৰি গৈ জনসাধাৰণক বিপথে পৰিচালিত কৰিবলৈ যত্ন কৰিছে । আমি আগতেই কৈছো যে সকলো প্ৰমাণ আমি এই আলোচনীৰ পাতত তন্ন তন্নকৈ প্ৰকাশ কৰিব পাৰো । কিন্তু সেই নগ্ন স্বৰূপটো প্ৰকাশ পোৱাতকৈ এখন তদন্ত কমিটিয়ে ভিতৰুৱাকৈ তদন্ত কৰি বিশ্ববিদ্যালয়ৰ সন্মান তথা পৱিত্ৰতা ৰক্ষা কৰক । আৰু সমাধানৰ উপায় দাঙি ধৰি বিশ্ববিদ্যালয়খনৰ উন্নতিৰ হকে মাত মাতক । এইখিনিতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ হৈ পঞ্জীয়কে মিছা মতাত কেইটামান প্ৰকৃত তথ্য পুনৰ উল্লেখ নকৰি নোৱাৰিলো ।

(১) ডঃ পি কে ভূঞা আৰু কুঞ্জ দেউৰীক একেটা পদতে নিযুক্তি দিয়া হৈছিল ।

(২) Petroleum technology বিভাগত বিনয় দুৱৰাক D. U. Teachers Service Condition Ordinance, 1974-ৰ অনুচ্ছেদ ৫(৪)(বি) আৰু ডিঃ বিঃ আইনৰ ২৯ নং ধাৰা ভঙ্গ কৰি নিযুক্তি দিয়া হৈছিল ।

(৩) ডঃ মহেন্দ্ৰ বৰা আৰু ডঃ লীলা গগৈয়ে অৱসৰৰ পাছতহে বিভিন্ন কামত নিয়োজিত হৈছে । বিশ্ববিদ্যালয়ে অৱসৰৰ সময় সীমা বঢ়াই দিয়া হলে তেওঁলোক যাব লগা নহ'লহেঁতেন । তেওঁলোকৰ কৰ্মসংস্থানৰ অভাৱৰ বাবে অৱসৰৰ সময় বঢ়োৱাৰ বিষয়টো টানি অনা হোৱা নাছিল । তেওঁলোকৰ পৰা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কিমান লাভবান হয় সেইটোহে মুদ্দা বিষয় । কিন্তু পঞ্জীয়কে এই দিশটোৰ পৰা আঁতৰি গৈ তেওঁলোকৰ কৰ্ম সংস্থানৰ ওপৰতহে গুৰুত্ব দিলে ।

(৪) অষ্টম পৰিকল্পনাত সৃষ্টি কৰিব লগা সকলো বিষয়ৰ পদেই আগতীয়াকৈ পূৰণ কৰা হলে আমাৰ ক'ব লগা একো নাছিল । কিন্তু তাকে নকৰি বিশেষ দুটা পদত বিশেষ দুজন ব্যক্তিক নিয়োগ কৰাৰ বাবেহে বিষয়টো বিতৰ্কিত হৈ পৰিল । কিন্তু বাকী পদসমূহ একেলগে কিয় পূৰণৰ বাবে বিজ্ঞাপন দিয়া নহ'ল সেই বিষয়ে পঞ্জীয়ক নিমাত । ডঃ নগেন শইকীয়াক যদি ডঃ মহেন্দ্ৰ বৰাই অৱসৰ লোৱাৰ পাছত সেই পদত নিযুক্তি দিয়া হৈছিল তেন্তে কিয় লক্ষ্মীনাথ বেজবৰুৱা অধ্যাপক হিচাপে ঘোষণা কৰা নহ'ল ! আনহাতে দেখা গৈছে অষ্টম পৰিকল্পনাত সৃষ্টি কৰা পদ সমূহৰ বাবে যোৱা ২৮ ফেব্ৰুৱাৰীতহে বিজ্ঞাপন দিয়া হৈছে । এইখিনিতে উল্লেখ নকৰি নোৱাৰি যে – এই বিজ্ঞাপনত অসমীয়া বিভাগৰ কাৰণে দুটা পদৰে এটা পদত স্নাতকোত্তৰ শ্ৰেণীত পাঠদান কৰাৰ অভিজ্ঞতা বিচৰা হৈছে । কিন্তু অন্য কোনো পদতে এই অভিজ্ঞতা



OKDISCD

বিচৰা নাই। এই বিশেষ পদটোৰ বাবে উপাচাৰ্যৰ এজন প্ৰিয় ব্যক্তিক (যিজন বিতৰ্কিত ব্যক্তিৰ বিষয়ে বিভিন্ন কাকতে পত্ৰই আনকি আমাৰ আগৰ প্ৰতিবেদনতো উল্লেখ কৰা হৈছে) তদৰ্থ ভিত্তিত নিয়োগ কৰি থৈছে। বোধকৰো এই কাৰণেই সেই ব্যৱস্থা!

(৫) আমাৰ আগৰ প্ৰতিবেদনত যিগৰাকী প্ৰৱক্তাৰ চাকৰি স্থায়ীকৰণ অনিয়মৰ মাজেদি কৰা হ'ল বুলি অভিযোগ উত্থাপন কৰা হৈছিল সেই গৰাকী শিক্ষয়িত্ৰীৰ বিৰুদ্ধে বাৰে বাৰে বিভাগৰ মুৰব্বীয়ে শৃঙ্খলা ভঙ্গৰ অভিযোগ অনাৰ উপৰিও পঞ্জীয়কক লিখিত ভাবে তেওঁৰ চাকৰি স্থায়ীকৰণৰ সিদ্ধান্ত নলবলৈ অনুৰোধ কৰা হৈছিল। শিক্ষকৰ সেৱা বিধিৰ ১৩ নং অনুচ্ছেদত কোৱা হৈছে যে "A teacher on probation shall be liable to be discharged by the Executive Council (a) with one month's notice or one month's pay in lieu thereof, if his service during the period of probation is not satisfactory, such decision shall be taken after obtaining the opinion of the Department concerned'....... ১৪ নং অনুচ্ছেদত কোৱা হৈছে - Every teacher appointed to a permanent post by direct recruitment shall, on satisfactory completion of his period of probation, be confirmed in that post" .আমাৰ অভিযোগ আছিল - শ্ৰীমতী মঞ্জুলা ভূঞাৰ ক্ষেত্ৰত বিভাগৰ মুৰব্বীৰ পৰা তেওঁৰ বিৰুদ্ধে অভিযোগ পোৱা সত্বেও কাৰ্যবাহী পৰিষদ আৰু উপাচাৰ্যই কিদৰে শ্ৰীমতী ভূঞাৰ চাকৰি স্থায়ী কৰিলে? ordinance-ৰ পৰিষ্কাৰ ধাৰা কি কাৰণে উলংঘা কৰিলে?

(৬) ২৭-১১-৯১ তাৰিখত বিশ্ববিদ্যালয়ত অনুষ্ঠিত অধ্যাপক পদত যে অনিয়ম কৰা হৈছিল সেই কথা পঞ্জীয়কে আওপকীয়াকৈ স্পষ্টীকৰণটোত স্বীকাৰ কৰিছে। আগতে তেনে অনিয়ম হৈছিল বুলি দোহাই দি দিনে দিনে এচাম বিষয়াই অনিয়ম আৰু অনীতিৰ ৰাজত্ব চলাব সেই কথা সম্ভৱ হ'ব নোৱাৰে।

(৭) ডঃ নিকুঞ্জলতা দত্ত fulbright programme-ৰ অধীনত গৱেষণাৰ বাবে আমেৰিকালৈ যোৱা নাই। সেই কথা তদন্ত কৰিলে, তেওঁৰ কাগজপত্ৰ পৰীক্ষা কৰিলে ওলাই পৰিব। fulbright programme-ত নিৰ্বাচিত ব্যক্তিক অহা যোৱা বিমান টিকট আৰু আমেৰিকাত থকাৰ খৰচৰ বাবত মাহে ২০০০ ডলাৰকৈ দিয়া হয়। তাত আকৌ বিশ্ববিদ্যালয়ে পুনৰ টকা দিয়াৰ কোনো নিয়ম নাই। আৰু অন্য কোনো ব্যক্তিক কোনো দিনে দিয়াও হোৱা নাই।

(৮) ডঃ মনোৰঞ্জন শৰ্মাৰ সম্পৰ্কত পঞ্জীয়কৰ মন্তব্যৰ ওপৰত আমি বিশেষ একো নকৈ এই কথাকে উনুকিয়ালো যে - যিটো কাম নকৰিবৰ বাবে কাৰ্যবাহী পৰিষদে ডঃ শৰ্মাৰ নিয়োগ সিদ্ধান্তত লিপিবদ্ধ কৰিছে তাৰে ওলোটা কাম কৰাৰ সপক্ষে পঞ্জীয়কে যুক্তি আগবঢ়াইছে।

বিশ্ববিদ্যালয়খনৰ বিভিন্ন পৰিষদ, কৰ্তৃপক্ষ, বিষয়াক নীতি নিয়মৰ মাজেদি কাম কৰিবলৈ, অন্যায় অধৰ্মৰ পৰা আঁতৰি কাম কৰিবলৈ পথ প্ৰদৰ্শক হিচাপে বিশ্ববিদ্যালয়ৰ আইন, উপাধি, সুপ্ৰতিষ্ঠিত নিয়মাবলী আছে। বিশ্ববিদ্যালয়খন যে এনেবোৰ নীতি নিয়মৰ মাজেদি পৰিচালিত হৈছে তাৰ ওপৰত দৃষ্টি ৰাখিবলৈ বিশ্ববিদ্যালয়ৰ আইনৰ ১১(২) নং ধাৰাত এনেদৰে কৈছেঃ- 'The Vice-Chancellor shall see that this Act, the statute, the ordinances and the regulations are duly observed and he shall have all powers for that purpose.' কিন্তু যোৱা কেইবছৰমান ধৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ নেতৃত্বতে পদে পদে বিশ্ববিদ্যালয়ৰ আইন উপবিধি, নিয়মাবলী উলংঘা কৰি অহা হৈছে।

বিশ্ববিদ্যালয়ৰ পঞ্জীয়কে স্পষ্টীকৰণৰ ক্ষেত্ৰত কাৰ্যবাহী পৰিষদৰ সিদ্ধান্ত বুলি ঘোষণা কৰিছে। কিন্তু আমি আগতেই কৈছো যে - ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদখনো অন্যায় অনিয়ম আৰু দুৰ্নীতিৰ অংশীদাৰ। এই পৰিষদে বিশ্ববিদ্যালয়ৰ উন্নতি হকে অকণো চেষ্টা কৰা নাই। গতিকে এনে এখন কাৰ্যবাহী পৰিষদৰ সিদ্ধান্ত সম্পূৰ্ণ নিৰপেক্ষ বুলি বিশ্বাস কৰিবলৈ কঠিন হৈ পৰিছে।

স্পষ্টীকৰণটোত পঞ্জীয়কে প্ৰতিবেদকক আক্ৰমণ কৰিবলৈ যত্ন কৰিছে। কিন্তু আমি আগতেই কৈছো যে - এটা ৰাজহুৱা অনুষ্ঠানৰ অনিয়ম, দুৰ্নীতি আঙুলিয়াই দিয়াত কাৰো ব্যক্তিগত স্বাৰ্থ থাকিব নোৱাৰে। কাৰণ তাৰ বাবে আমাৰ কোনো ব্যক্তিগত লাভালাভৰ প্ৰশ্ন জৰিত নাই। জৰিত আছে মাথো ৰাজহুৱা স্বাৰ্থ, অসমৰ জনসাধাৰণৰ স্বাৰ্থ, অসমৰ ছাত্ৰ-ছাত্ৰী আৰু শৈক্ষিক জগতৰ স্বাৰ্থ।

প্ৰতিবেদনত আমি বহু ঠাইত বহু ব্যক্তিৰ নাম উল্লেখ কৰিব লগা হৈছে। এইবোৰত আমাৰ কোনো ব্যক্তিগত আক্ৰোশ নাই। আনকি ব্যক্তিগতভাবে আমাৰ পৰিচয়ও নাই। এওঁলোকৰ কথা বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ অনিয়ম আৰু অনীতিৰ উদাহৰণ হিচাপেহে উল্লেখ কৰিব লগা হৈছে।

আৰু এটা কথা উল্লেখ নকৰি নোৱাৰি যে - স্পষ্টীকৰণত পঞ্জীয়কে উল্লেখ কৰিছে যে আমি প্ৰতিবেদন যুগুত কৰোতে কিছুমান অসন্তুষ্ট ব্যক্তিক বাতৰি পৰিবেশনৰ উৎস হিচাপে গ্ৰহণ কৰিছো। কিন্তু পঞ্জীয়ক মহোদয়ে জানেনে যে এই প্ৰতিবেদকৰ তিনিবাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় ভ্ৰমণৰ কালত উপাচাৰ্য আৰু শৈক্ষিক পঞ্জীয়ক এবাৰো চৌহদৰ ভিতৰত নাছিল। শেষত জানিব পাৰিলো যে উপাচাৰ্যই এবাৰ নিজেই কাৰ্যবাহী পৰিষদৰ আগত স্বীকাৰ কৰিছিল যে ১৯৯১ চনৰ ৩৬৫ দিনৰ ১৫৯ দিনেই বিশ্ববিদ্যালয়ৰ বাহিৰত আছিল। আনহাতে পঞ্জীয়ক মহোদয়ক এই প্ৰতিবেদকে কাৰ্যালয়ত লগ ধৰাৰ কথাও নিশ্চয় তেখেতে পাহৰি যোৱা নাই। উল্লেখযোগ্য যে সূত্ৰধাৰৰ ১৬-৩১ ডিচেম্বৰ ১৯৯১-ত আমি বিশ্ববিদ্যালয়ৰ ভালে সংখ্যক শিক্ষক, বিষয়া, কৰ্মচাৰী ছাত্ৰৰ সাক্ষাৎকাৰ প্ৰকাশ কৰিছিলো।

গতিকে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই সাংবাদিকৰ বিৰুদ্ধে অভিযোগ অনাৰ আগতে নিয়মীয়াকৈ কাকত-পত্ৰ পঢ়াৰ অভ্যাস কৰাটো বাঞ্ছনীয়। কৰ্তৃপক্ষই স্পষ্টীকৰণৰ বাবে স্পষ্টীকৰণ যুগুত কৰাতকৈ প্ৰকৃত সমস্যা অনুভৱ কৰিবলৈ যত্ন কৰক। কাৰণ চাপৰিলে মেঘ নেৰায়। ■







# মোৰ দেউতা

মৈত্ৰেয়ী তালুকদাৰ



নন্দ তালুকদাৰ

সাম্প্ৰতিক কালৰ অসমৰ শ্ৰেষ্ঠ জীৱনীকাৰ স্বৰূপে স্বৰ্গীয় নন্দ তালুকদাৰৰ নাম উল্লেখ কৰা দেখা যায়, তেখেতক সকলোৱে নাজানিলেও অসমীয়া সাহিত্য সংস্কৃতিৰ লগত সম্পৰ্ক থকাসকলৰ বাবে নন্দ তালুকদাৰ এটি পৰিচিত নাম।

১৯৮৩ চনৰ ২৬ ফেব্ৰুৱাৰী- সেই অভিশপ্ত দিনটোৰ কথা আজিও মনত পৰি গা শিয়ৰি উঠে। গতানুগতিক ভাবে সকলো কাম-কাজ কৰি ধুতি-পাঞ্জাবী পিন্ধি দেউতা যাবলৈ ওলাইছিল পাণ্ডু মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ প্ৰবীণ শৰ্মাদেৱৰ ঘৰলৈ। পদূলিমুখৰ পৰা মাঁলৈ উভতি চাই সুধিছিল "ধুতিখন লেতেৰা নেকি?" কিন্তু মায়ে ঠিকেই আছে বুলি কোৱা বাবে তেনেকৈয়ে গুচি গ'ল। কালৰ কুটিল গতিক কোনে বাধা দিব পাৰে। কিছু দূৰ গৈয়ে মটৰ চাইকেলৰ দুৰ্ঘটনাত আহত হোৱাত গুৱাহাটী চিকিৎসালয়ত ভৰ্তি কৰা হয়। সেইদিনাই সন্ধিয়া ৫-১৫ বজাত তেখেতে শেষ নিশ্বাস ত্যাগ কৰে।

মই দেউতাক কেৱল মাত্ৰ বাৰ বছৰ পাইছিলো। দেউতাৰ জন্ম হৈছিল বৰ্তমান বৰপেটা জিলাৰ অন্তৰ্গত ভেৰভেৰী গাঁৱত ১৯৩২ চনৰ ২১ মে'ত। অতি কম বয়সতে দেউতাই পিতৃ স্নেহৰ পৰা বঞ্চিত হৈছিল। সেই সময়ত গাওঁখন পিছপৰা আছিল যদিও দেউতাৰ মনটোৱে সদায় আনপিনে গতি কৰিছিল। তেখেতে ঘৰৰ পৰা কেইবা মাইলো খোজ কাঢ়ি গৈ সৰভোগত থকা বৰনগৰ জুৰোৰাম পাঠক হাইস্কুলত পঢ়ি পিছত গুৱাহাটীৰ সোণাৰাম হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষা পাছ কৰে ইয়াৰ পাছত বি, বৰুৱা কলেজৰ পৰা অসমীয়া বিষয়ত সন্মানসহ বি, এ পাছ কৰে আৰু পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত এম, এ পাছ কৰে। সৰুৰে পৰাই দেউতাৰ সাহিত্য চৰ্চাৰ প্ৰতি অগাধ ধাউতি আছিল। দেউতাৰ মুখৰ পৰাই শুনিছিলো যে পঞ্চম শ্ৰেণীত পঢ়াৰ পৰাই তেখেতৰ হেনো পুথি সংগ্ৰহ কৰা আৰু আলোচনী, বাতৰি কাকত বিচাৰি পঢ়াতো অভ্যাস আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম, এ পাছ কৰি কিছুদিন শ্বিলঙত চাকৰি কৰিছিল যদিও পিছত পাণ্ডু কলেজত চাকৰি হোৱাত শ্বিলঙৰ পৰা গুচি আহিল। ছাত্ৰাৱস্থাৰ পৰাই দেউতাই প্ৰবন্ধ-পাতি লিখি সাহিত্য সাধনাৰ পথ মুকলি কৰিছিল। বি, বৰুৱা কলেজত পঢ়ি থকা অৱস্থাত আলোচনী সম্পাদক আৰু পিছত বিশ্ববিদ্যালয়ৰ আলোচনী সম্পাদক হৈছিল। চাকৰি জীৱনত তেখেতে গুৱাহাটীলৈ আহি পাণ্ডু কলেজত অধ্যাপনা কৰাৰ লগতে সাহিত্য চৰ্চাত মনোনিবেশ কৰিলে।

দেউতা আছিল এজন নীৰৱ কৰ্মী। তেখেতে বহুতো কাম কৰিবলৈ হাতত লৈছিল। তেখেতৰ চিন্তাত আছিল বহু পৰিকল্পনা। আমি একেবাৰে কাষত থাকিও তেখেতৰ বহু পৰিকল্পনাৰ কথা জানিব পৰা নাছিলো। ১৯৬৬ চনত তেখেতে ৩৪ বছৰ বয়সত সম্পাদনা কৰা 'অচিনা' নামৰ পুথিখনেই আছিল তেখেতৰ সম্পাদিত প্ৰথম পুথি। তেখেতে লিখা গ্ৰন্থৰ ভিতৰত 'কবি আৰু কবিতা' (১৯৬৯), 'বনফুলৰ কবি দুৰ্গৰা' (১৯৭০), 'হেম বৰুৱাৰ প্ৰতিভা আৰু ব্যক্তিত্ব' (১৯৭১), 'কালিৰাম মেধি', 'প্ৰসন্নলাল', 'জীৱন স্মৰণ' (১৯৭৮), 'চিৰ চেনেহী মোৰ ভাষা জননী' (১৯৭৬), 'সীতানাথ ব্ৰহ্ম চৌধুৰী' (১৯৮১), 'অসমীয়া সাহিত্য বিচিত্ৰা' (১৯৭২) আদি পুথিৰ উপৰিও কেইবাখনো পুথি সম্পাদনাও কৰিছিল। তদুপৰি হোমেন বৰগোহাঞি আৰু তেখেতৰ যুটীয়া সম্পাদনাত আৱাহন যুগৰ শ্ৰেষ্ঠ চুটি গল্প সংকলন 'ৰৌদ্ৰ নীলিমা' (১৯৬৯) প্ৰকাশ পায়।

দেউতাৰ 'সম্বাদ পত্ৰৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য' (১৯৭৫) পঢ়ি পণ্ডিত স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই এইদৰে লিখিছিল- "তোমাৰ সম্বাদ পত্ৰৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য'ৰ নিচিনা চিন্তাকৰ্ষক কিতাপ মই অসমীয়া ভাষাত কম পঢ়িছো। আধুনিক অসমীয়া ভাষাৰ ইতিবৃত্ত সম্পৰ্কে ইয়াত বহুত লাগতীয়াল কথাৰে সমাবেশ কৰা হৈছে।"

তেখেতৰ "চিৰ চেনেহী মোৰ ভাষা জননী" পুথিত ক্ৰমে ১৯১৭ চনৰ পৰা হোৱা ৪২ গৰাকী অসম সাহিত্য সভাৰ সভাপতিৰ চমু জীৱনী অংকিত কৰি থৈ গৈছে। তেখেতে ডঃ প্ৰফুল্ল দত্ত গোস্বামীৰ তত্বাৱধানত "আনন্দৰাম ঢেকীয়াল ফুকন এণ্ড ৰেনাইচেন্স অৱ আছাম" নামৰ গৱেষণা পুথি এখন সম্পূৰ্ণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত দাখিল কৰিছিল। কিন্তু সাময়িক পৰিস্থিতিৰ বাবে মৌখিক সাক্ষাতৰ অভাৱত ডক্টৰেট ডিগ্ৰী পোৱা খবৰটো জীৱিত অৱস্থাত শুনিবলৈ নাপালে। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধিবিদ্যা পৰিষদে ১৯৮৩ চনৰ ৪ এপ্ৰিলৰ দিনা বহা সভাত দেউতাক মৰণোত্তৰভাবে ডক্টৰেট ডিগ্ৰী দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম বাৰৰ বাবে এনে মৰণোত্তৰ সন্মান যাচে।

"নবীন চন্দ্ৰ বৰদলৈ ৰচনাৱলী"ৰ সম্পাদনা কৰি প্ৰকাশৰ সময়ত বহুতো মানসিক অশান্তি পোৱা সত্বেও তেখেতে কোনো দিনে ভাগৰি পৰা যেন অনুভৱ কৰা নাছিল। মৃত্যুৰ আগ মুহূৰ্তলৈকে তেখেতৰ "সূৰ্য কুমাৰ ভূঞা" জীৱনীখনৰ

কাম সমাপণ কৰি থৈ গৈছে। দুখৰ বিষয় তেখেতৰ আন এখন জীৱনী "বিৰিঞ্চি কুমাৰ বৰুৱা"ৰ শেষৰ কিছু অংশ ৰচনা কৰিবলৈ থাকি গ'ল।

দেউতাই যদিও এফালে একাগ্ৰতা, কৰ্তব্যপৰায়ণতা, নিষ্ঠা আৰু সময়ৰ প্ৰতি থকা সজাগতা আদি গুণেৰে তেখেতৰ কৰ্মৰাজিত ব্যস্ত আছিল, আনহাতে তেখেতে সময় পালেই পৰিয়াল, বন্ধু-বান্ধৱ আদিৰ লগত ৰসালাপ কৰি ভাল পাইছিল। তেখেতৰ মাক (অৰ্থাৎ মোৰ আইতা) বৰপেটা সত্ৰৰ জীয়ৰী আছিল বাবেই আইতাই সচৰাচৰ নাম ঘৰলৈ গৈছিল। সেয়েহে দেউতাই আইতাৰ নাম ঘৰক "আইৰ ক্লাব" আৰু কোনোবা নামতী আই আহিলে তেখেতক 'আইৰ ক্লাবৰ মেম্বাৰ' বুলি কৈছিল। আকৌ প্ৰায়ে দেউতাই ৰাতিৰ আহাৰ গ্ৰহণ কৰাৰ পিছত কিছু সময় ড্ৰইংৰুমত বহি দিনটোত হোৱা কাম-কাজৰ বিষয়ে কৈছিল। তেখেতে ড্ৰইংৰুমক ধেমালিৰ সুৰত 'ছবি আঁকা কোঠালি'ত বহো আহা বুলিহে কৈছিল।

সেইদৰে দেউতাই অকল সাহিত্যতে ব্যস্ত নাথাকি বন্ধু-বান্ধৱ আত্মীয় কুটুম্ব আদিৰ প্ৰতি থকা সামাজিক দায়িত্বও পালন কৰিছিল। তেখেতৰ সাহিত্যিক জীৱনত লগ পোৱা আৰু শিক্ষা গুৰু স্বৰ্গীয় হেম বৰুৱা আৰু যোগেশ দাস বৰদেউতাৰ লগত আমাৰ পৰিয়ালৰ ঘনিষ্ঠতা আছিল। সৰুৰে পৰাই আমি তেওঁলোকক নিজৰ বৰদেউতা বুলি জানি আহিছিলো। প্ৰায়ে ৰবিবাৰৰ দিনত দেউতাই আমাক সকলোটিকে লৈ তেখেতসকলৰ ঘৰলৈ গৈছিল।

দেউতা আছিল এজন ভ্ৰমণ-প্ৰিয় ব্যক্তি। তেখেতৰ দেশ ভ্ৰমণ আৰু কিতাপ অধ্যয়ন প্ৰায় একেটা বস্তু যেন হৈ পৰিছিল। সেয়েহে প্ৰায়ে অৰিয়েন্টল কনফাৰেঞ্চলৈ যাবলৈ হ'লে তেখেতে বহুদিন আগৰে পৰাই আয়োজন কৰিছিল। টুৰিষ্ট গাইড বুক, ৰেলৱে টাইম টেবুল আদি যোগাৰ কৰাৰ পৰা আৰম্ভ কৰি ওচৰে পাঁজৰে চাবলগীয়া ঠাইবোৰ চোৱাৰ পৰিকল্পনাও কৰি লৈছিল। তদুপৰি তেখেতে প্ৰতিখন ঠাইৰ পৰা চিন স্বৰূপে কিবা নহয় কিবা এপদ বস্তু লৈ আহিছিল। লগতে সেই ঠাইবোৰৰ বিষয়ে আমাক সুন্দৰ বৰ্ণনা দি নতুন উদ্যম গোটাইছিল অহাবাৰ ভ্ৰমণৰ বাবে।

দেউতাই অসম আৰু অসমীয়াক প্ৰাণ ভৰি ভাল পাইছিল। অসমৰ সাহিত্য আৰু সংস্কৃতিলৈ তেখেত গৰ্বিত আছিল। বছৰে বছৰে পাণ্ডু মহাবিদ্যালয়ত অনুষ্ঠিত শংকৰদেৱৰ তিথি আদি উৎসৱত তেখেতে পৰম উৎসাহেৰে গৈছিল। লগতে ছাত্ৰ-ছাত্ৰীসকলকো উৎসাহ দিছিল। তদুপৰি বছৰেকৰ বিহু আদি উৎসৱত সকলোকে মাত এষাৰ দিয়াতো যেন তেখেতৰ প্ৰধান কাম আছিল। অতি ব্যস্ততাৰ মাজতো তেখেতক নিমন্ত্ৰণ কৰা মেল মিটিঙলৈ গৈ অলপ সময়ৰ কাৰণে হ'লেও দেখা দি আহিছিল। তেখেতে ১৯৬৬ চনত 'জোনবাই'ৰ সহঃ সম্পাদক, অসম লেখক সমবায়ৰ সম্পাদক, ১৯৬৬-৭০ চনত অসম সাহিত্য সভাৰ সহঃ সম্পাদক, গুৱাহাটী সাহিত্য সভা আদি অনুষ্ঠানৰ লগত বিশেষভাৱে জৰিত আছিল।

দেউতাই পঞ্চমমান শ্ৰেণীৰ পৰা সংগ্ৰহ কৰা এখন দুখন বাতৰি কাকত আৰু আলোচনীৰ সংগ্ৰহতেই শেষত গৈ এটা পুথি ভঁৰালত পৰিণত হয়। এই পুথি ভঁৰালটোৰ কোনোবা এঠাইত এতিয়াও যেন তেখেতৰ প্ৰাণ ৰৈ আছে। সংগ্ৰহৰ ক্ষেত্ৰত তেখেতে যে কেৱল পুথি পাঁজিয়েই সংগ্ৰহ কৰিছিল এনে নহয়। প্ৰয়োজনীয় প্ৰকাশিত অপ্ৰকাশিত সকলো ধৰণৰ লেখাই সংগ্ৰহ কৰিছিল। প্ৰয়োজন অনুসৰি কোনো কোনো ক্ষেত্ৰত প্ৰতিলিপি কৰি বা আন কোনো উপায়ে ফটোকপি সংগ্ৰহ কৰিবলৈ যত্নৰ ক্ৰুটি কৰা নাছিল। বিশেষকৈ তেখেতৰ দুৰ্বলতা আছিল উনবিংশ শতিকাৰ প্ৰকাশন সমূহৰ প্ৰতি। কোনো কোনো ক্ষেত্ৰত এইবোৰ সংগ্ৰহ কৰিবলৈ গৈ তেখেতে অসমৰ নানান ঠাইলৈ গৈ বিভিন্ন ব্যক্তিক লগ ধৰাৰ উপৰিও কলিকতা আৰু শ্ৰীৰাম পুৰলৈ বহুবাৰ গৈছিল। দেউতাৰ সংগ্ৰহত পাঁচশ-ছশমান বিভিন্ন আলোচনী, সংবাদ পত্ৰ আৰু ১০ হাজাৰৰ ওপৰ গ্ৰন্থ আছে। ইয়াৰে ১২০০খন ন-পুৰণি কাব্য আৰু ৬০০খন নাটক। তদুপৰি তেখেতে অসমীয়া বোলছবি বিলাক চাই সেই বিলাকৰ পুস্তিকা সংগ্ৰহ কৰিছিল। নতুনকৈ ওলোৱা কাকত বা আলোচনীৰ প্ৰথম সংখ্যাটো কিনি অনা তেখেতৰ যেন নিত্য-নৈমিত্তিক কাম আছিল। পিছলৈ বহুতো সাহিত্যিক আৰু কিতাপৰ ব্যৱসায়ীয়ে নিজৰ প্ৰকাশিত কিতাপৰ একোটা কপি দেউতাক দিয়াটো এটা নিয়মত পৰিণত হৈছিল। মৃত্যুৰ পিছতো তেখেতে ডাক যোগে সংগ্ৰহ কৰা পুথি আমি ৰাখিব লগা হৈছে।

দেউতাই নিজৰ তিক্ত অভিজ্ঞতাৰ পৰা তেখেতৰ পুথি ভঁৰালৰ কোনো পুথি-পাঁজি বাহিৰলৈ নিব নিদিছিল। পুথি ভঁৰালটোৰ প্ৰতিখন পুথিয়েই তেখেতৰ অতি মৰমৰ আৰু অতি কষ্টেৰে সংগ্ৰহ কৰা আছিল। সময় সুবিধা অনুযায়ী যিমান দূৰ পাৰি ঘৰতে চাবলৈ দিছিল। দেউতাই বান্ধি দিয়া সেই নিয়ম আজিও চলি আছে। দেউতাই অৱশ্যে গৱেষক আদিক নিজৰ ঘৰতে কিতাপ পঢ়িবলৈ দি সহায় কৰিছিল। আজিও বহুতো মানুহে কোনো কিতাপ, প্ৰবন্ধ বা কোনো তথ্য বিচাৰি আমাৰ ওচৰলৈ আহে; আমিও যি পাৰো সহায় কৰো। কিন্তু দুখৰ বিষয় তেখেতসকলৰ পুথি-পাঁজিৰ এটা কপিও আমি দেখা নাপাওঁ। সি যি কি নহওক দেউতাই থৈ যোৱা অসমৰ সেই সাহিত্য সম্পদক আমি সযতনে ৰাখিবলৈ যত্ন কৰিম। পুথি ভঁৰালটো দেউতাই যিদৰে সযতনে থৈছিল সেইদৰে আজিও থোৱা আছে।

দেউতাৰ পৰিকল্পিত কামৰ ভিতৰত এটি কাম আধৰুৱা হৈ পৰি ৰ'ল। সেয়া আছিল অসমৰ শিল্পী সাহিত্যিক সকলৰ চমু জীৱন বৃত্ত। ইয়াৰ বাবে তেখেতে এখন প্ৰ-পত্ৰ ছপা কৰি লৈছিল। পিছলৈ তেখেতে বহু ব্যক্তিৰ পৰা জীৱনী লিখাৰ বাবে সমল গোটাই থৈছিল। কিন্তু কালৰ কি কুটিল গতি, তেখেতে গোটাই থোৱা সেই তথ্য, তথ্য হৈয়ে থাকিল। মৃত্যুৰ কিছুদিন আগতে আমি এদিন নৱগ্ৰহ শ্মশানৰ পিনে যাওঁতে দেউতাই কোৱা এষাৰ কথা ৰবকৈয়ে মনত পৰিছিল 'মা, আমাৰ আৰু বেছি দিন নাই, ইয়াতেই আহি নিশ্চিন্তে শান্তিত শুব পাৰিম'। তেখেতৰ এখন সৰু ফটো হাতত লৈ মাক কৈছিল, 'এইখন ভালকৈ থৈ দিয়া। মৰিলে বাতৰি কাকতৰ মানুহে বিচাৰিলে দিব পাৰিবা।' সঁচাকৈয়ে সেই কথাষাৰ কামত খটাবলে আৰু বেছিদিন ৰ'ব লগা নহ'ল।

৫১ বছৰ বয়সতে দেউতাই আমাৰ পৰা বিদায় মাগে যদিও, তেখেতৰ অমূল্য কীৰ্তিৰাজিৰ বাবে চিৰদিন অসমৰ সাহিত্য সমাজত স্মৰণীয় হৈ ৰ'ব। ❖





# তেওঁক লগ পালো

মনোৰমা বৰুৱা

নাম এটা তেওঁৰ আছে। এটা নহয়, প্ৰকৃততে হিচাপত নাম দুটাই। এটা পিতৃদত্ত। আনটো পৰিস্থিতি সাপেক্ষে আনে দিয়া, নিজে গ্ৰহণ কৰা নাম কিন্তু মাতে সকলোৱে তেওঁক "বাবা" বুলিহে।

তেওঁৰ সেই নাম মই বহুদিনৰ পৰাই শুনিছিলো। লগ পোৱাৰ এক দুৰ্বাৰ বাসনা মনতে পুহিও ৰাখিছিলো। সৌভাগ্যবশতঃ সুযোগটোও পালো অভাবনীয়ভাৱে। মাত্ৰ কেইদিনমানৰ বাবে তেওঁ কলিকতালৈ আহিছে। তেওঁৰ গুণমুগ্ধ, স্নেহধন্য কাৰোবাৰ আমন্ত্ৰণত। জানিব পাৰি মই টেলিফোনেৰে যোগাযোগ কৰি সময় বিচাৰিলো। সময় দিলে তেওঁ মোক আবেলি চাৰিটাৰ পৰা ছটা। সেইখিনি সময় তেওঁ মোৰ বাবে আছুতীয়াকৈ থব। কিন্তু সঠিক ভাবে ঠিকনাটো নজনাত মই নিৰ্দ্ধাৰিত সময়ত তেওঁৰ ওচৰ পাবলৈ অসমৰ্থ হলো। প্ৰায় চাৰে ছটাত মই তেওঁৰ দুৱাৰত টোকৰ মাৰিলো। দুৱাৰ খুলি দিলে। মই অত্যন্ত আগ্ৰহ আৰু বিনয়েৰে মাত দিলো 'বাবা'।

তেওঁ তেওঁৰ অপ্ৰসন্নতা লুকুৱাবলৈ অকণো চেষ্টা নকৰাকৈ মোৰ সমুখৰ পৰা মুখখন ঘূৰাই দিলে।

তেওঁক লগ পাবলৈ থকা মোৰ দীৰ্ঘদিনৰ আগ্ৰহ, দুঘন্টা ধৰি তেওঁৰ ঠিকনা বিচাৰি ঘূৰি ফুৰাৰ ক্লান্তি আৰু অৱশেষত তেওঁৰ অপ্ৰসন্নতা এই আটাইকেইটা একেলগ হৈ মোকো মুহূৰ্ততে বিব্ৰত বিষণ্ণ কৰি তুলিলে।

পুনৰ উচ্চাৰণ কৰিলে 'বাবা'।

তেওঁ কলে, তোমাক সময় দিছিলো চাৰিটাৰ পৰা ছটা এতিয়া চোৱাচোন তোমাৰ ঘড়ীত সময় কিমান? সময় বাৰু ইমান বে-হিচাপত খৰচ কৰিব পৰা বস্তু নে? সকলো বস্তুৱেই বে-হিচাপত খৰচ কৰিব পাৰা তুমি, সময়ৰ বাহিৰে। তোমাৰ কাৰণে অপেক্ষা কৰিছিলো বাবেই ইন্দু জৈন, কুসুম খোমেনি, দীপক সকলোকে ওভোতাই পঠিয়ালো। মই মাথো তোমালৈ অপেক্ষা কৰিছিলো। বিৰক্ত, সামান্য ক্ৰোধান্বিত মানুহজনক বুজাবলৈ যত্ন কৰিলো, তেওঁৰ ওচৰত কৰা অপৰাধ যে মোৰ সম্পূৰ্ণ অনিচ্ছাকৃত। কাৰণ দুঘন্টা ধৰি কলিকতাৰ এইটো গলি, সেইটো গলি ঘূৰি বিচাৰি ফুৰাৰ অভিজ্ঞতা মোৰ বাবেও অকণো সুখপ্ৰদ, আনন্দদায়ক নহয়।

বাবা, আপুনি..................

ও, এই 'বাবা' সম্বোধনটো শুনিবলৈকে মই যে কিমান দীৰ্ঘ সময় কাণ পাতি ৰব লগা হ'ল। বতাহে উৰুৱাই নিয়া ডাৱৰৰ দৰে মুহূৰ্ততে মোৰো মনৰ মেঘ আঁতৰ হ'ল। বুজিলো পঁচাশী বছৰৰ বৃদ্ধৰ সেয়া আছিল শিশুৰ দৰে সৰল, নিৰ্মল অভিমান। যিটোক মই ভুলকৈ অপ্ৰসন্নতা অথবা বিৰক্তিৰ অভিব্যক্তি বুলি ধাৰণা কৰিছিলো।

বাবাৰ নাম বৈদ্যনাথ মিশ্ৰ। ঘৰ বিহাৰৰ দ্বাৰভাঙ্গা জিলাৰ তৰৈনীত। বৈদ্যনাথ নামেৰে তেওঁক আজি কিন্তু কোনেও নেজানে। নিজৰ গাঁৱতো এই নাম এতিয়া অপৰিচিত। নাগাৰ্জুন, কবি নাগাৰ্জুন নামেৰেহে তেওঁ সুপৰিচিত।

পঁচাশী বছৰীয়া বৃদ্ধৰ সমুখত বহি থকা অন্তৰঙ্গ সময়খিনিত তেওঁৰ বয়সটো শুদ্ধভাৱে জনাৰ পিছতো মোৰ মনত ভাব হৈছিল প্ৰকৃততে তেওঁৰ বয়স সিমান হয় নে নহয়। মূৰৰ পকা চুলি। মুখভৰা সম্পূৰ্ণ বগা দাড়ি, ঘোলা চাৱনি, শীৰ্ণ শৰীৰে তেওঁৰ প্ৰকৃত বয়সকে সূচাইছিল কিন্তু কথাৰ তীব্ৰতা, ভাষাৰ সমৃদ্ধি, প্ৰকাশভঙ্গীৰ দৃঢ়তাই তেওঁ যি কোনো এজন যুৱকৰ প্ৰতিনিধিত্ব কৰিছিল। আনহাতে মনৰ স্বচ্ছতা, সৰল প্ৰাণখোলা হাঁহিটোৰ বাবে আশীৰ উৰ্দ্ধ মানুহজনক শিশু যেন অনুভৱ হৈছিল।

কবি নাগাৰ্জুনে চাৰিটা ভাষাৰে সমানে তেওঁৰ মনৰ ভাব প্ৰকাশ কৰে। মৈথেলী, হিন্দী, সংস্কৃত, বঙলা। আটাইকেইটা ভাষাতে সুন্দৰ, সাৱলীল ভাবে ৰচিত তেওঁৰ ৰচনাৰ আস্বাদ পালে ঠাৱৰ কৰা টান প্ৰকৃততে কোনটোনো তেওঁৰ মাতৃভাষা?

শিক্ষা লাভ কৰিছিল সংস্কৃত ভাষাত। পণ্ডিত অনিৰুদ্ধ মিশ্ৰদেৱে সংস্কৃত শিক্ষাৰ জ্ঞানেৰে তেওঁক সমৃদ্ধ কৰি তুলিছিল। তেওঁৱেই শিকাইছিল প্ৰথমে অনুষ্টুপ ছন্দৰ সুব্যৱস্থাৰ। তাৰ পিছত আহিল কাশীলৈ। কবি ৰত্ন সীতাৰাম ঝাঁই শিকালে মৈথিলী ভাষা। এই দুজনা গুৰুক নাগাৰ্জুনে সোঁৱৰে পৰম শ্ৰদ্ধাৰে। তাৰপিছত বাৰানসীলৈ গৈ বঙলা ভাষা আয়ত্ত কৰি এখন দৈনিক বঙলা কাগজত চাকৰি ললে। আৰু তাৰপিছত জঁপিয়াই পৰিল দেশৰ স্বাধীনতা সংগ্ৰামৰ মুক্তি যুদ্ধত। ৰাজনীতি, সাহিত্য, সমাজসেৱা সকলোতে বাবাৰ সমান আগ্ৰহ। আৰু এইবোৰ ভিন ভিন বাটেৰে বাট বুলাৰ অভিজ্ঞতাৰে সমৃদ্ধ তেওঁৰ ৰচনা সম্ভাৰ। তেওঁৰ কাব্য। তেওঁৰ উপন্যাস। মই সুধিলো, বাবা, সাহিত্য মানে কি? উত্তৰ দিয়াৰ আগতে তেওঁ কলে, ৰবা, তোমাৰ প্ৰশ্নৰ উত্তৰ পিছত দিম। প্ৰথমতে তুমি মোক তোমাৰ সোঁহাতে থকা টেবুলখনৰ পৰা সেই নেমুৰ আচাৰ থোৱা বটলটো নমাই দিয়া (আমি কথা পাতি থকাৰ মাজতে সৰু ছোৱালী এজনীয়ে বাবাৰ খোৱা বস্তু দি থৈ গৈছিল।) আচাৰৰ বটলৰ কাষৰে বাটিটোত নিমখ আৰু জলকীয়া সেইটোও দিয়া। (মই দিলো। তেওঁ ৰুটিৰ সৈতে আচাৰ জলকীয়ালৈ খাবলৈ আৰম্ভ কৰিলে।) ও, কি কৈছিলা, সাহিত্য মানে, সাহিত্য বুলি কোনো বেলেগ এটা বস্তু নাই। জীৱনটোৱেই

সাহিত্য । এই যে গোটাই দিলা, টেঙা, জ্বলা, নিমখ, এয়াই সাহিত্য । কোনে কিমান টেঙা-জ্বলাৰ সোৱাদ লব পাৰে সেয়া তেওঁৰ নিজস্ব কালচাৰ, নিজৰ কৃতিত্ব । জীৱনক বাদ দি কোনো সাহিত্য নহয় । জীৱন সত্য । সাহিত্যও সত্য । মই অন্ততঃ তেনেকৈয়ে অনুভৱ কৰো । তুমি সোধা প্ৰশ্নৰ উত্তৰ, সাহিত্যৰ ভাষাৰে তত্ত্বগধুৰ কৰি দিব পাৰিলোহেঁতেন । কিন্তু মই যেনেকৈ নিজে বুজো তোমাক তেনেকৈয়ে কলো ।

সুদীৰ্ঘ সময় জুৰি বিভিন্ন ভাষাৰ মাধ্যমেৰে আপুনি যে লিখি আহিছে, আপোনাৰ বাৰু আত্ম সন্তুষ্টি হৈছে নে যে, আপুনি আপোনাৰ বিশ্বাস, অভিজ্ঞতা আপোনাৰ সৃষ্টিৰ মাজেৰে সঠিকভাবে মানুহৰ অন্তৰৰ গভীৰতালৈ সুমুৱাই দিব পাৰিছে ? সুন্দৰ হাঁহিৰে বাবাই কলে – নিশ্চয় । নহলে সুদূৰ অসমৰ জীয়ৰী তুমিয়েই বা মোৰ পিতৃত্বৰ দাবী কৰা কেনেকৈ ? তোমাৰ মুখৰ 'বাবা' সম্বোধনে মোকেই বা সুখ দিয়ে কেনেকৈ ? সমগ্ৰ দেশৰ চুকে কোণে মোৰ যে কিমান সন্তান সন্ততি আছে ? মই সকলোকে হয়তো কাষতে পোৱা নাই । বাবা বুলি মোৰ বুকুত তেওঁলোক জঁপিয়াই পৰা নাই । কিন্তু মোৰ ভাষাই মোৰ সৃষ্টিয়ে তেওঁলোকক চুইছেগৈ । আৰু তাতেই মোৰ সাৰ্থকতা । তাতেই মই সফল । মই কৈছোৱেই জীৱনেই সাহিত্য । জীৱনৰ পৰা উপাদান লওঁ । সাহিত্য গঢ়োতে বেছি ভেজাল নিদিওঁ, লাভৰ আশাত । আৰু মই মানুহ ভাল পাওঁ । জাত-পাত ভাষা ধৰ্মৰ বেৰখন – পাৰ হওঁ অতি অনায়াসে । তেনেকৈয়ে মানুহৰ ওচৰ চাপো । মানুহৰ ওচৰলৈ মোৰ ভাব যায় । ভাষা যায় ।

চণ্ডীদাসে যে কৈছিল – "মানুষ মানুষকে প্ৰীতি কৰিবে । সবাৰ ওপৰে মানুষ ।"

গতিকে চাবা, তুমি কাৰোবাক আন্তৰিকতাৰে ভাল পাবলৈ বিচাৰিলেই সেইজনৰ মাজতো তাৰেই প্ৰতিফলন দেখিবা । বেছ আৰু নো কি সমস্যা ?

– বাবা, আপুনি নো বৈদ্যনাথ মিশ্ৰৰ খোলাটোৰ পৰা ওলাই আহিল কেনেকৈ ?

সেইটো বৰ সাধাৰণ ঘটনা, কোনো ধৰণৰ নাটকীয়তা নাই তাত । শ্ৰীলঙ্কালৈ গৈছিলো, বৌদ্ধ-ভিক্ষুসকলক সংস্কৃত পঢ়ুৱাবলৈ । গৈ দেখিলো, তেওঁলোকৰ মাজত আচাৰ-আচৰণৰে সৈতে মিলি গৈ একাত্ম হ'ব নোৱাৰিলে মোক গ্ৰহণ কৰিবলৈ বৌদ্ধভিক্ষু সকলৰ অসুবিধা হৈছিল । আৰু মোক গ্ৰহণ নকৰিলে, মই দিয়া শিক্ষা গ্ৰহণো কৰিব নোৱাৰিব সম্পূৰ্ণৰূপে । আৰু তেওঁলোকৰ মাজত থাকোতে মই নিজেও অনুভৱ কৰিলো মানৱ প্ৰেম আৰু ঈশ্বৰ প্ৰেমৰ অধিক প্ৰশস্তময় পথটো দেখোন বৌদ্ধমাৰ্গ, বৌদ্ধধৰ্ম । সেই অনুভৱ হোৱাৰ কাৰণেই পথোও সলালো নামো সলালো । তেতিয়াৰ পৰাই 'বৈদ্যনাথ মিশ্ৰ' 'নাগাৰ্জুন' ।

মই সুধিলো – তেন্তে আমাৰ ধৰ্মই মুক্তিৰ পথ নেদেখুৱাই নেকি ?

বাবাই কলে, মইনো কেতিয়া তেনেকৈ কলো ? সৎ, নিৰ্লোভি আৰু নিষ্ঠাৰে যি পথেৰে আগবঢ়া তাতেই ফল পাবা । কিন্তু তোমালোকৰ সেই যে তিনিজন, ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, তাৰে প্ৰথমজন মহা বুৰ্জোৱা । বছৰৰ বেছিখিনি সময় পদুমফুল পাহৰ ওপৰত বহি থাকি 'ক্লাইমেট চেঞ্জ'তে থাকে জগত সংসাৰ পাহৰি । মহেশ্বৰ বাবা ভোলানাথ হিপ্পি । আৰু আনজন বৃদ্ধ ভাঞ্জা । চাৰিমুখে চাৰিকথা কয় কোনোটো কথাৰ লগত কোনোটোৰ মিল নাই । দেখিলানে বাৰু । এইখিনি কৈয়েই বাবাই হাঁহিবলৈ ধৰিলে । প্ৰাণখোলা হাঁহি । – বেয়া পালা নেকি ? মই আকৌ ধেমালিহে কৰিছো দেই ।

মই বেয়া পোৱা নাছিলো । বৃদ্ধ কবিৰ ৰসবোধ, আনন্দ প্ৰকাশৰ শক্তি দেখি ভালেই লাগিছিল । এইটো বয়সত বিভিন্ন ৰোগ-ব্যাধি অসুখ অশান্তি, সংসাৰৰ প্ৰতি বৈৰাগ্য, বিতৃষ্ণা, অনুজ সকলৰ প্ৰতি পুতৌ, অৱজ্ঞা । এইবোৰৰ দুই এটা লক্ষণ দেখিলে বিশেষ অস্বাভাৱিক যেন নেলাগিলহেঁতেন কিন্তু তাৰ বিপৰীতে গভীৰ জীৱনবোধ, প্ৰাণচাঞ্চল্য মানুহৰ প্ৰতি থকা মৰমে বাবাক তজবজীয়া, সতেজ, হাস্যোজ্জ্বল কৰি ৰাখিছে । হতাশা, অসন্তুষ্টি, অভাৱৰ ছায়াই বাবাৰ ব্যক্তিত্বক ঢাকি ৰখা নাই ।

– নতুন প্ৰজন্মৰ ওপৰত আপোনাৰ ধাৰণা কি ?

– ভাল । তোমালোক খুউব ভাল । কিন্তু যান্ত্ৰিক সভ্যতাই তোমালোকৰ চিন্তাধাৰা খেলিমেলি কৰি পেলাইছে আৰু দ্বিতীয়তে আৰ্থিক অৱস্থা । আমাৰ সময়ত পাৰিপাৰ্শ্বিক বাতাবৰণ আৰু অৰ্থ সমস্যা আজিৰ দৰে নাছিল । প্ৰাকৃতিক ভাৰসাম্য আৰু প্ৰদূষণো আজিৰ দৰে নাছিল । জীৱন সহজ আছিল, সময় যথেষ্ট আছিল । খোৱা-পিন্ধাৰ সংগ্ৰাম, সংঘৰ্ষ আজিৰ দৰে নাছিল । সেয়েহে নতুন পুৰুষৰ চিন্তা, জীৱনধাৰা কিছু অস্থিৰ 'টালমাটাল' হৈছে । তোমালোকক তাৰ বাবে দোষ দিওঁ কেনেকৈ ? জ্ঞানগৰ্ভ নীতিবচন নতুন পুৰুষক দিব পাৰি, আৰু মোৰ দৰে বয়সৰ মানুহৰ সেই অধিকাৰো আছে হয়তো কিন্তু, জ্ঞান থেকে দুধেৰ বিল দেওয়া যায় না । চাই গাই ।"

মই সুধিলো, আপুনি অসমলৈ কেতিয়াবা গৈছেনে ? বা যোৱাৰ ইচ্ছা আছে নে ?

বাবাই একপ্ৰকাৰ চিঞৰিয়েই উঠিল, কিয় নেথাকিব ? বহুত দিনৰ আকাঙ্খা মোৰ অসমলৈ যোৱাৰ । এয়া চোৱা, যেতিয়াই কলিকতালৈ আহো, মানুহ পঠিয়াই 'অসম হাউচৰ' পৰা অসমৰ বাতৰি কাকতবোৰ গোটাই আনি পঢ়ো । এইখন যোৱা কালিৰ 'নতুন দৈনিক', 'আসাম ট্ৰিবিউন' । বাবাৰ টেবুলত পুৰণি 'জনমভূমি' আৰু 'অসমবাণী'ৰ সংখ্যাও দেখিলো । তোমালোকৰ কবি নবকান্ত হীৰেণ গোহাঁইৰ মই ভক্ত । অহা জুন-জুলাই মাহত সুবিধা হলে যাম বুলিও ভাবি আছো ।

– কিন্তু তেতিয়া যে অসমত বাৰিষা হ'ব । বানপানী হ'ব । অসুবিধা নহ'ব জানো ? – য'ত মোৰ বন্ধু আছে, সন্তান আছে, তাত মই থাকিব নোৱাৰিম বুলি ভবাটো কেনে কথা ? তুমি যদি অসমলৈ যোৱাৰ বাবে মোক অলপ সুবিধা কৰি দিয়া, তাত থকা দিন কেইটাত লগ দিয়া বৰ ভাল পাম । দিবানে ? নে, বুঢ়া গৈ উভতি নাহি তোমালোকৰ হাড়মাল হওঁ বুলি ভয় খাইছা ?

হঠাতে দেখিলো বাবাৰ হাঁহি থকা মুখখনত কিবা এক বিষণ্ণ ছায়াই আৱৰি ধৰিলে । অসমত এতিয়া বৰ গণ্ডগোল নহয় নে ? কাগজত পঢ়িছিলো বড়ো অধ্যুষিত অঞ্চলত অশান্তিৰ কথা । আনহাতে ডেকা ল'ৰা সকলো চাগে দিগ্‌ভ্ৰষ্ট হৈছে । তেওঁলোকে বোধকৰো ধৰিব পৰা নাই কোনটোনো বাট, কোনটো অবাট । অস্ত্ৰ তুলি লৈছে যদিও হাত বৰ পোন হোৱা নাই । মনত দ্বিধা দ্বন্দ্ব । চিন্তা অস্বচ্ছ । নেতৃত্বৰ অভাৱ । কিন্তু মোৰ বোধেৰে দোষ তেওঁলোকৰতো নহয় । দোষ পৰিবেশ পৰিস্থিতিৰ দেশৰ ভাল, দহৰ ভালৰ বাবে নিশ্চয় তেওঁলোকে কিবা এটা কৰিবলৈ বিচাৰে । তেওঁলোকক এতিয়া সদুপদেশ দি লাভ নাই । কলোৱেই নহয়, "জ্ঞান নেলাগে, প্ৰথমতে লাগে গাই "

প্ৰীতি আৰু শুভকামনাৰ বাটেৰে সকলোৱে আগবাঢ়িলে, মই ভাবো সকলো সমস্যাৰেই সমাধান আছে । ধৈৰ্য আৰু নিষ্ঠা অৱশ্যেই লাগিব ।

অলপতে ভূপাল আৰু মধ্যপ্ৰদেশৰ চৰকাৰৰ পৰা কবি নাগাৰ্জুনে তেওঁৰ সাহিত্যকৃতিৰ বাবে দুটা সন্মানজনক পুৰস্কাৰ লাভ কৰিছে । তেওঁৰ 'পত্ৰবিহীন নগ্নগাছ' নামৰ কাব্যগ্ৰন্থ'ই 'অকাদেমী' পুৰস্কাৰো পাইছে । ইতিমধ্যেই যথেষ্ট সংখ্যক গ্ৰন্থ বিভিন্ন ভাষাত প্ৰকাশ হৈছে । তেওঁ অকল হিন্দী সাহিত্যৰে লব্ধ প্ৰতিষ্ঠ সাহিত্যিক নহয়, তেওঁৰ লেখাৰ ক্ষুৰধাৰে সমগ্ৰ ভাৰতীয় সাহিত্যকে বাঙ্ময় কৰি তুলিছে ।

ইতিমধ্যে, বাবাক লগ পাবলৈ অহা যথেষ্ট মানুহ গোট খাইছিল । সেয়ে ময়ো আৰু সময় লোৱাটো সমীচীন নহয় বুলি ভাবিলো । বাবাৰ স্নেহ আশীৰ্বাদ আৰু লগতে বয়সক অগ্ৰাহ্য কৰি থিয় হৈ থকাৰ সাহস আৰু প্ৰেৰণাখিনি লৈ বাবা নাগাৰ্জুনৰ ওচৰৰ পৰা উভতি আহিলো । সূ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰৰ

## ধাৰাবাহিক উপন্যাস

# কালচক্ৰ ঃ সন্ধিক্ষণ

### ১৬ মে'ৰ পৰা 'সূত্ৰধাৰ'ত প্ৰকাশ পাব

কালৰ চকৰিৰ গতি অব্যাহত ভাবে গৈ থাকে । ইতিহাসৰ মাজত তাৰ চৰণৰ ছাপ আমি দেখিবলৈ পাওঁ । এই গতি কেতিয়াবা দ্ৰুতৰ পৰা দ্ৰুততম হৈ উঠে, কেতিয়াবা আকৌ সি মন্থৰৰ পৰা মন্থৰতম হৈ উঠে ।

এই শতাব্দীৰ তৃতীয় দশকৰ পৰা বৰ্তমানলৈকে আমাৰ জীৱন ধাৰণৰ পটভূমি অতি ক্ষিপ্ৰগতিত পৰিবৰ্তিত হৈ আহিছে । কেৱল অসমীয়া মানুহৰ জীৱন ধাৰণতেই নহয়, গোটেই ভাৰতবৰ্ষতেই নহয়, সমগ্ৰ মানৱ জাতিয়েই এই পটভূমিৰ ক্ষিপ্ৰ পৰিবৰ্তন অবলোকন কৰিব লগীয়া হৈছিল । "কালচক্ৰ"ৰ মাজত অসমীয়া সমাজখনৰ পৰিবৰ্তনবোৰ উত্তৰ-পুৰুষৰ বাবে ধৰি ৰাখিবলৈ চেষ্টা কৰা হৈছে – কিছুমান কাল্পনিক আৰু দুই এটা সঁচা চৰিত্ৰৰ ছবি আঁকি ।

যোৰহাট চহৰৰ চকবজাৰৰ এমূৰে মধু শইকীয়াই তেওঁৰ 'মনোহাৰী মালৰ দোকানখন তৰিছিল । তেওঁৰ অতীতটো প্ৰচণ্ড বেদনাৰে ভৰা আছিল কাৰণে তেওঁ নিজৰ অতীত জীৱনৰ সম্ভেদ কাকো লবলৈ নিদিছিল । বন্ধু কেইজনমানৰ সৌজন্যত পকামূৰা এলেকাৰ সঙ্গতিসম্পন্ন খেতিয়ক গম্ভীৰ কাকতিৰ ছোৱালীৰ [illegible] তেওঁ বিবাহ পাশত আৱদ্ধ হৈছিল । শইকীয়াৰ পৰিয়ালৰ সেয়ে আৰম্ভণি । গম্ভীৰ কাকতিৰ ল'ৰা কেইটাই এই সম্পৰ্কৰ গয়না লৈ গাঁৱৰ পৰা ওলাই আহি কৃষিজীৱী জীৱনৰ পৰা আঁতৰি বেপাৰ-বাণিজ্য কৰিবলৈ ললে । এয়া এই শতাব্দীৰ তৃতীয় দশকৰ মাজভাগৰ কথা । দেশৰ ঘনায়মান স্বাধীনতা আন্দোলনৰ পৰিপ্ৰেক্ষিতত মানুহৰ মনবোৰ চঞ্চল হৈ পৰিছিল । চহৰ আৰু গাঁওৰ মাজত বিশেষ তফাৎ নথকা চহৰবোৰ বাণিজ্যৰ কেন্দ্ৰ হিচাপে পৰিপুষ্ট হৈ ডাঙৰ হবলৈ আৰম্ভ কৰিলে; আলি-পদূলি, যান-বাহন আদিৰ অভাৱ নোহোৱা হৈ আহিল । গম্ভীৰ কাকতিৰ জীয়েক কেইজনী এজনী এজনীকৈ বিয়া হৈ গ'ল । দ্বিতীয়জনী ছোৱালী শইকীয়াৰ লগত ডাঙৰ হৈছিল । তাইক বিয়া দিছিল গুৱাহাটীৰ কেছাৰীত ওকালতি কৰা উদীয়মান ডেকা ভৱানী হাজৰিকাৰ লগত । ভৱানী হাজৰিকাই নানা তৰহেৰে যত্ন কৰি মধু শইকীয়াক গুৱাহাটীলৈ ব্যৱসায় কৰিবলৈ উঠাই লৈ আহিলে । একে ঠাইতে সৰহকৈ মানুহ থাকিলে খকা-খুন্দাৰ মাজত পৰিয়ালটোৰ অনিষ্ট হ'ব বুলি আশঙ্কা কৰি । গোটেই কাকতি পৰিয়ালৰ অঙহি-বঙহিৰ ভৱানী হাজৰিকা আছিল এডাল বটগছ । তাৰ ছায়াতে সকলো প্ৰতিষ্ঠিত হ'বলৈ বিচাৰিছিল ।

চতুৰ্থ দশকৰ প্ৰথমৰ পৰাই ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম তীব্ৰতৰ হৈ উঠিল । মধু শইকীয়াই পোনপটীয়াকৈ নহ'লেও পৰোক্ষভাৱে এই আন্দোলনৰ লগত জৰিত হৈ পৰিল । তেওঁৰ ল'ৰা দুটাও স্বাধীনতা সংগ্ৰামৰ প্ৰতি সহানুভূতিশীল হ'ল । মধু শইকীয়া জেললৈ যাবলগীয়া হ'ল । এই মূল চৰিত্ৰবোৰৰ চাৰিপাশে নানা চৰিত্ৰই বিভিন্ন সময়ত মূৰ তুলি উঠিছিল । স্বাধীনতা সংগ্ৰামৰ সক্ষম চিপাহী পুৰন্দৰ ফুকন, বদৰুদ্দিন চাহাব আদি নানা চৰিত্ৰই বিভিন্ন সময়ত এই কাহিনীৰ মাজত অৱস্থান কৰিছিলহি । এই কাহিনীয়ে আমাক ১৯৪২-৪৩ চনৰ সন্ধিক্ষণলৈ লৈ আহিছিল । ইয়াৰ সৰহভাগ চৰিত্ৰই কল্পনা-প্ৰসূত । সঁচা চৰিত্ৰৰ আলম লৈ দুই-এজনক গঢ় দিবলৈ চেষ্টা কৰা হৈছে । ইতিহাসৰ পৰিপ্ৰেক্ষিতত ঘটনা প্ৰবাহ অব্যাহত কৰি ৰাখিবৰ বাবে কিছুমান সঁচা চৰিত্ৰক সঁচা নামেৰে সৈতে উপস্থিত কৰা হৈছে ।

# ডিলাক্স নিৰোধ

এতিয়া
## গুলপীয়া ৰঙত পোৱা যায়




পাঁচটাৰ মূল্য ১.৫০ টকা

**আপোনাৰ পৰিয়ালৰ ল'ৰা-ছোৱালীৰ জন্মৰ মাজত সময়ৰ ব্যৱধান ৰাখিবৰ কাৰণে অতি উত্তম কনড'ম**

davp 91/636 Ass


# চলচ্চিত্ৰৰ ৰাষ্ট্ৰীয় বঁটা

## অসম সন্মানিত আৰু প্ৰবঞ্চিত

উৎপল দত্ত

### মলয়াৰ কথা



*মলয়া গোস্বামী*

'সাত এপ্ৰিলৰ দুপৰীয়া এঘাৰমান বজাৰ কথা। মই কলেজলৈ (জাগীৰোড কলেজ, মলয়া গোস্বামী এই কলেজৰ শিক্ষা বিভাগৰ প্ৰবক্তা) গৈ কমনৰুম পাইছো, মোৰ সহকৰ্মী সকলে মোক দেখি হুলস্থূল লগালে – বাইদেউ চাহ খুৱাওক।'

"কিয় ?"

'আপুনি অসমৰ এক নম্বৰ অভিনেত্ৰী' – সহকৰ্মী এজনে বিহু সংখ্যাৰ সূত্ৰধাৰ খনৰ পৃষ্ঠা এটা মোৰ আগত দাঙি ধৰিলে। তাত মোৰ বিষয়ে ভাল মন্তব্য এটা আছিল। সহকৰ্মী সকলৰ লগত চাহ-পানী খোৱা হ'ল। চাহ খাই থাকোতেই কোনোৱা এজন সোমাই আহিল, তেওঁ চাহ পৰ্বৰ কথা জনা নাছিল – তেওঁ সুধিলে – কিহৰ বাবে এই চাহ ? মই বুকু ফিন্দাই কলো – এয়া সূত্ৰধাৰত লেখিছে – মই অসমৰ বেষ্ট একট্ৰেচ – তাৰে চাহ। আবেলি তিনিমান বজাত। তিনিটি কণকণ শিশুৱে আহি মোক ফুলৰ থোপা এটি দি কলে – মই হেনো বেষ্ট একট্ৰেচৰ এৱাৰ্ড পাইছো – মাকে টিভিত শুনিছে আৰু মোক কবলৈ লগে লগে শিশু তিনিটিক পঠাই দিছে।

এইবিলাক আচৰিত সংযোগ নহয়নে ? দুপৰীয়া মই সূত্ৰধাৰখন চাই আনন্দ কৰোতে মোৰ মুখৰ পৰা ক'ব নোৱৰাকৈয়ে ওলাই গৈছিল বেষ্ট একট্ৰেচ শব্দ দুটা। আৰু হয়তো সেই সময়তেই দিল্লীৰ সাংবাদিক মেলত পুৰস্কাৰৰ কথা ঘোষণা কৰা হৈছিল। 'ফিৰিঙতি' ছবিত মই অভিনয় কৰিছিলো শিশুৰ বিকাশৰ বাবে যত্ন কৰা মহিলা এগৰাকীৰ চৰিত্ৰ এটিত। আৰু মই খবৰটোও পালো শিশুৰ মুখেৰেই।' – পুৰস্কাৰ প্ৰাপ্তিৰ পিছত অভিনন্দন জনাবলৈ মলয়া গোস্বামীক লগ ধৰোতে হোৱা ঘৰুৱা কথোপকথনত এই কথাখিনি ওলাইছিল।

মঞ্চ আৰু অনাতাঁৰত মলয়া গোস্বামীয়ে বহুদিন আগৰ পৰাই অভিনয় কৰি আহিছে। অভিনয় প্ৰতিভা আৰু ব্যক্তিত্বৰ জোৰেৰে এই দুই ক্ষেত্ৰত সুকীয়া সন্মানীয় আসন অধিকাৰ কৰি থকা মলয়া ছবি জগতলৈ আহে ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ 'অগ্নিস্নান ছবিৰে। সেইবাৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পুৰস্কাৰ লাভৰ পৰা বঞ্চিত হলেও মলয়াৰ খ্যাতি দেশ-বিদেশত বিয়পি পৰিছিল। তাৰ পিছত এখন সাধাৰণ ছবি – 'মা'। তাতো সীমিত পৰিসৰৰ মাজত মলয়াই নিজৰ উপস্থিতি প্ৰমাণ কৰিছিল। তাৰ পিছত তৰুণ চিত্ৰ পৰিচালক সাগৰ সংগম চৰকাৰৰ টেলিফিল্ম 'তৃষ্ণা'। এই ছবিতো মলয়াৰ অভিনয় আছিল দৰ্শকৰ বাবে স্মৰণীয় অভিজ্ঞতা। তাৰ পিছত 'ফিৰিঙতি'। জাহ্নু বৰুৱাৰ এই ছবিৰেই মলয়াই অৰ্জন কৰিলে দেশৰ শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান।

### জাহ্নু বৰুৱা




*জাহ্নু বৰুৱা*

'প্ৰথম ছবি অপৰূপা – শ্ৰেষ্ঠ আঞ্চলিক ছবিৰ ৰজত কমল; দ্বিতীয় ছবি – পাপৰি – ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পুৰস্কাৰ নাই; তৃতীয় ছবি – হালধীয়া চৰায়ে বাওধান খায় – দেশৰ শ্ৰেষ্ঠ ছবিৰ পুৰস্কাৰ; চতুৰ্থ ছবি – বনানি – পৰিবেশ সংক্ৰান্তীয় শ্ৰেষ্ঠ ছবি; পঞ্চম ছবি – ফিৰিঙতি – দ্বিতীয় শ্ৰেষ্ঠ ছবি, দ্বিতীয় শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠা অভিনেত্ৰী।

এয়া হ'ল ৰাষ্ট্ৰীয় পুৰস্কাৰৰ প্ৰেক্ষাপটত জাহ্নু বৰুৱাৰ ছবি। এইবাৰ 'ফিৰিঙতি'য়ে তিনিটাকৈ উল্লেখযোগ্য বঁটা কটিয়াই অনা সংবাদে জাহ্নু বৰুৱাৰ গুৰুত্ব বৃদ্ধিত সহায় কৰিলে।

· এই প্ৰতিবেদন যুগুতোৱা সময়ত জাহ্নু বৰুৱা গুৱাহাটীত নাই, টেলিফোনেৰে কৰা চেষ্টাও ফলৱতী নহ'ল। সেয়ে জাহ্নু বৰুৱাৰ প্ৰতিক্ৰিয়া জনা সম্ভৱ হৈ নুঠিল।

# সঞ্জীৱ হাজৰিকা



সঞ্জীৱ হাজৰিকা

পৰিচালকৰ প্ৰথম ছবি শিতানত শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰিছে সঞ্জীৱ হাজৰিকা পৰিচালিত 'হলধৰ' ছবিখনে। ছবিৰ কাহিনী প্ৰসিদ্ধ গল্পকাৰ অপূৰ্ব শৰ্মাৰ। শ্ৰীশৰ্মাৰ গল্পৰ এয়াই আছিল প্ৰথম চিত্ৰৰূপ।

বঁটা প্ৰাপ্তিৰ সংবাদ লাভৰ সময়তেই সঞ্জীৱ হাজৰিকাক লগ পাইছিলো। হাজৰিকাৰ মুখমণ্ডলত বিশেষ উত্তেজনাৰ কোনো চিন নাছিল; মাথোন চকু দুটাত পানীয়ে তিৰবিৰাইছিল – নিশ্চয় সেয়া আছিল আনন্দৰ চকুপানী।

'প্ৰতিক্ৰিয়া ? কেনে লাগিছে ?'

'ভাল লাগিছে।'

'কিয় ?'

'আমি যথেষ্ট কষ্টেৰে, নিষ্ঠাৰে আৰু সততাৰে কামখিনি কৰিছিলো বুলি বিশ্বাস কৰো। এই বিশ্বাসৰ এটা স্বীকৃতি হিচাপেই মই সমগ্ৰ ইউনিটৰ হৈ পুৰস্কাৰটো গ্ৰহণ কৰিছো।'

এদিনৰ পিছত সঞ্জীৱ হাজৰিকাক তেওঁৰ ঘৰত লগ ধৰিছিলো – সূত্ৰধাৰৰ বাবে।

'হলধৰ কৰি থকা সময়ত আপুনি কৈছিল – হলধৰ দৰ্শকৰ বাবে নিৰ্মাণ কৰা ছবি। পুৰস্কাৰৰ কথা তেতিয়া ভবা নাছিল। এতিয়া পুৰস্কাৰ পোৱাৰ পিছত সেই ধাৰণাৰ কিবা সলনি হ'ব নেকি।'


'নহয়। হলধৰক বৃহত্তৰ দৰ্শকৰ ওচৰলৈ লৈ যোৱাটো মোৰ প্ৰথম দায়িত্ব। তাৰ পিছত দ্বিতীয় ছবিৰ কথা। মই দৰ্শকৰ কথা ভাবিয়েই ছবি কৰি যাম।'

'আপোনাৰ ভালদিন অহা যেন লাগিছে ? প্ৰথম ছবিৰেই উল্লেখযোগ্য সাফল্য অৰ্জন, এতিয়া চলি থকা 'প্ৰভাতী পখীৰ গান'তো আপোনাৰ অভিনয় দৰ্শকে ভাল পাইছে, আপুনি অভিনয় কৰা আৰু পৰিচালনাত সহযোগ কৰা 'সাৰথি' ছবিখনেও সুনাম অৰ্জন কৰিছে, নিৰ্মিয়মান টিভি ধাৰাবাহিক এখনতো আপুনি গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছে আৰু সৰ্বোপৰি, আপোনাৰ জীৱনলৈ জীৱন-সংগিনী অহাৰ বন্দবস্ত সম্পূৰ্ণ হৈছে। কি কয় ?'

উত্তৰত সঞ্জীৱ হাজৰিকাই প্ৰথমে একো নকলে। মিচিকিয়াই হাঁহিলে। তাৰ পিছত লাহে লাহে ক'লে – 'আপোনালোকৰ শুভেচ্ছাৰ ফল।'

# গৌতম বৰা

পুৰস্কাৰ ঘোষিত হৈছিল সাত এপ্ৰিলৰ দিনা। কিন্তু অনাতাঁৰ আৰু দূৰদৰ্শনে ফিচাৰ-ফিল্মৰ পুৰস্কাৰবোৰত অধিক গুৰুত্ব দিয়া বাবে নন-ফিচাৰ ফিল্মৰ সংবাদ দিবলৈ পাহৰি গৈছিল। সেয়ে গৌতম বৰাই খবৰ পালে পিছদিনা ৰাতিপুৱা বাতৰি কাকত যোগে। 'নন-ফিচাৰ ফিল্ম' শাখাৰ এশ আঠখন ছবিৰ মাজত গৌতম



গৌতম বৰা

বৰাৰ ছবি 'চনচ অব আব'টানি ঃ মিচিং' ছবিখন শ্ৰেষ্ঠ হিচাপে পুৰস্কৃত হৈছে আৰু গৌতম বৰাই লাভ কৰিলে শ্ৰেষ্ঠ পৰিচালকৰ সন্মান। ইয়াৰ আগতে গৌতম বৰাই অৰ্জন কৰিছিল পৰিচালকৰ প্ৰথম ছবিৰ পুৰস্কাৰ, অশ্ববিপ' ছবিৰ বাবে।

তেৰ তাৰিখেহে গৌতম বৰাই আনটো খবৰ পায়। এই ছবিখনৰ বাবে গৌতম বৰা আৰু অনিল তালুকদাৰে যুটীয়া ভাবে 'শ্ৰেষ্ঠ শব্দযন্ত্ৰীৰ বঁটাও লাভ কৰিছে। 'কাৰিকৰী দিশৰ পুৰস্কাৰ অসমলৈ এয়েই প্ৰথম আহিল। অভিনন্দন। আপোনাৰ প্ৰক্ৰিয়া কি ?'

'অভিনন্দনৰ বাবে ধন্যবাদ। কৰিকৰী দিশৰ কাম ভাল কৰাৰ বাবে উন্নত মানৰ আহিলাপাতি আৰু কেঁচামালৰ প্ৰয়োজন খুব বেছি। এই দিশত আমি অভাৱী। তথাপি তাৰ মাজতো ভাল কাম কৰাৰ বাবে আমি চেষ্টা আৰু কষ্টৰ ত্ৰুটি ৰখা নাছিলো। পুৰস্কৰটো পাই আমি বৰ উৎসাহিত হৈছো।'

'নেপথ্যৰ ধাৰা-বিৱৰণী, সংগীত আৰু বিভিন্ন শব্দৰ সৃষ্টিশীল প্ৰয়োগৰ বাবে আপোনালোকক এই পুৰস্কাৰটো দিয়া বুলি বিচাৰক মণ্ডলীয়ে উল্লেখ কৰিছে। এই বিষয়ে আপোনাৰ পৰা অলপ শুনো।'

'ধাৰা-বিৱৰণী আৰু আৱহ সংগীতক বাধা নিদিয়াকৈ, ৰসভংগ নকৰাকৈ বিভিন্ন পাৰিপাৰ্শ্বিক শব্দ আমি ব্যৱহাৰ কৰিছিলো। বাস্তৱ জীৱনত আমি বিভিন্ন পাৰিপাৰ্শ্বিক শব্দ ওপৰাওপৰিকৈ শুনি থাকো, এই শব্দবোৰৰ বিভিন্ন ৰূপে আমাৰ চকুৰ আগলৈ লৈ আহে চকুৰে নেদেখা পৰিবেশটোও। আমাৰ ছবিখনৰ শব্দও এনেদৰেই সজোৱা হৈছিল। কষ্টকৰ আৰু অৰ্থ-সময় খৰচ হোৱা কাম; কিন্তু কৰি ভাল লাগিছিল। তাৰ স্বীকৃতি এটা পালো।'

# ডঃ ভবেন্দ্ৰ নাথ শইকীয়া



ড° ভবেন্দ্ৰনাথ শইকীয়া

সন্ধ্যাৰাগ, অনিৰ্বাণ, অগ্নিস্নান, কোলাহল, সাৰথি – নিজৰ কাহিনীৰে নিৰ্মাণ কৰা পাঁচখন ছবি, পাঁচোখনেই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পুৰস্কৃত হৈছে। এই ৰেকৰ্ডৰ সৃষ্টি কৰিলে ডঃ ভবেন্দ্ৰনাথ শইকীয়া।

'এই ৰেকৰ্ড সৃষ্টি কৰি আপোনাৰ কেনে লাগিছে ?'

'তুমি কওঁতেহে কথাটো মন কৰিছো। ভালেই লাগিছে।'

'কিন্তু 'সাৰথি'য়ে আৰু বেছি মৰ্যাদাসম্পন্ন পুৰস্কাৰ পাব বুলি বহুতে অন্ততঃ যিসকলে যোৱা বছৰৰ ইণ্ডিয়ান পেনোৰামাৰ ছবিবোৰ চাইছে – তেওঁলোকে আশা কৰি আছিল। ইণ্ডিয়ান পেনোৰামাত অংশগ্ৰহণ কৰা প্ৰায়বোৰ ছবিয়েই এই প্ৰতিযোগিতত আছিল। সেই ছবিবোৰৰ ভিতৰত 'আগন্তুক' আৰু 'সাৰথি' আছিল সৰ্বাধিক আলোচিত হোৱা ছবি। অথচ পুৰস্কাৰৰ সময়ত 'সাৰথি'ক প্ৰায় প্ৰবঞ্চনা কৰাৰ দৰে কৰা হ'ল। আপোনাৰ মত ?'

'পুৰস্কাৰ প্ৰসংগত মোৰ মতামত ৰিজাৰ্ভ আছে। মই এতিয়া বিচাৰিছো আমাৰ দৰ্শকে পুৰস্কাৰ পোৱা ছবিবোৰ চাওক। তাৰ পিছত দৰ্শকেই কওক 'সাৰথি'ৰ প্ৰতি কেনে বিচাৰ কৰা হ'ল।'

ফটো : উৎপল দত্ত

# পুৰস্কাৰৰ ৰাজনীতিৰ বলি 'সাৰথি' আৰু 'কাডাভু'

বাহ্যিক দৃষ্টিকোণৰ পৰা চালে এনে লাগে, যেন নিৰ্ধাৰক ভোটটো দিয়াৰ বাহিৰে অইন বিশেষ ক্ষমতা জুৰীবোৰ্ডৰ সভাপতিৰ নাথাকে। কিন্তু বাস্তৱত সেইটো নহয়। সভাপতিয়ে বিভিন্ন প্ৰক্ৰিয়াৰ আৰম্ভণি কৰে বাবে তেওঁ নিজৰ মত জাপি দিয়াৰ সুবিধা পায়। যিহেতু জুৰীবোৰ্ডৰ অধিকাংশ সদস্যই চিত্ৰ-নিৰ্মাতা হয়, গতিকে প্ৰতিজন সদস্যৰে 'বিশেষ দৃষ্টি'ৰ প্ৰতিযোগী থাকেই আৰু সেই সকলক সন্তুষ্ট কৰাৰ কৌশলেৰে সভাপতিয়ে নিজৰ মতলব হাচিল কৰিব পাৰে।

যোৱা বছৰ অশোককুমাৰ আছিল জুৰীবোৰ্ডৰ সভাপতি আৰু তেওঁৰ পৃষ্ঠপোষকতাৰ বাবেই বোম্বাইৰ হিন্দী ছবিয়ে ভালেমান বঁটা অৰ্জন কৰিছিল। সেয়া আছিল পক্ষপাতমূলক আচৰণৰ শেষ নমুনা। এইবাৰ বিচাৰক মণ্ডলীৰ সভাপতি আছিল আদুৰ গোপালকৃষ্ণ আৰু আদুৰৰ মতলবে অশোককুমাৰৰ কীৰ্তিকো চেৰ পেলাইছে।

জুৰীৰ সদস্যসকলে ছবি চাবলৈ আৰম্ভ কৰাৰ পৰাই আদুৰে এখন বিশেষ ছবিৰ সপক্ষে প্ৰচাৰ আৰম্ভ কৰে। পুৰস্কাৰ নিৰ্ধাৰণ কৰাৰ সময়ত আদুৰে শ্ৰেষ্ঠ ছবি আৰু শ্ৰেষ্ঠ পৰিচালকৰ নাম প্ৰস্তাৱ কৰে ক্ৰমে 'আগন্তুক' আৰু সত্যজিৎ ৰায়ৰ। কিন্তু অধিক সংখ্যক বিচাৰকে আশা কৰি আছিল যে শ্ৰেষ্ঠ ছবি হ'ব 'কাডাভু' আৰু শ্ৰেষ্ঠ পৰিচালক হ'ব ডঃ ভবেন্দ্ৰনাথ শইকীয়া। 'সত্যজিৎ ৰায়ৰ এইখনেই শেষ ছবি' হ'ব পাৰে বুলি যুক্তি দেখুৱাই আদুৰে এই দুটা বঁটা খাটাং কৰে।

এনেদৰে আৰম্ভ হোৱা বঁটা ভাগ-বিতৰণ কৰাৰ শেষত দেখা গ'ল যে 'কাডাভু' আৰু 'সাৰথি'ৰ বাবে কোনো বঁটাই নাই। আদুৰে এই দুখন ছবিৰ নাম শুনিবই নোখোজে আৰু তেওঁ দক্ষিণ ভাৰতীয় লবিৰ জোৰত নিজৰ ইচ্ছাৰ ছবিক পুৰস্কাৰ দি যায়। (এই বিচাৰক মণ্ডলীৰ মাজত ঘাইকৈ দুটা লবি হয়, উত্তৰ ভাৰতীয় লবি আৰু দক্ষিণ ভাৰতীয় লবি। দক্ষিণ ভাৰতীয় লবিৰ আকৌ 'উপ-লবি' থাকে, বোম্বাইৰ আৰ্ট-মাৰ্কা লবি আৰু 'পুনাৰ ইন্সটিটিউটৰ লবি'। এইবাৰৰ সোতৰজনীয়া বিচাৰক মণ্ডলীৰ আঠজন উত্তৰ ভাৰতৰ আৰু নজন দক্ষিণ ভাৰতৰ লবিৰ। গতিকে যিকোনো পুৰস্কাৰকেই আদুৰে নিজৰ মতে দিয়াৰ সুবিধা কৰি লৈছে– দক্ষিণ ভাৰতীয় লবিটোক সন্তুষ্ট কৰি লৈ।) শেষত জুৰীৰ কেইজনমান সদস্যৰ তীব্ৰ প্ৰতিবাদত থাকিব নোৱৰা হৈ আদুৰে এই ছবি দুখনকো বঁটাৰ বাবে বিবেচনা কৰে। দক্ষিণ ভাৰতীয় লবিৰ জোৰত 'কাডাভু'ৰ ভাগ্যত মিলিল 'শ্ৰেষ্ঠ চিত্ৰনাট্যৰ বঁটা' আৰু সাৰথিৰ ভাগ্যত আঞ্চলিক শ্ৰেষ্ঠ ছবিৰ ৰজতকমল।

'সাৰথি' আৰু 'কাডাভু'ৰ প্ৰতি আদুৰৰ এই ঈৰ্ষাৰ কাৰণ কি ? 'সাৰথি'ৰ পৰিচালক আৰু 'কাডাভু'ৰ পৰিচালক ক্ৰমে ডঃ ভবেন্দ্ৰনাথ শইকীয়া আৰু এম টি বাসুদেৱন নায়াৰৰ মাজত কিছু সাদৃশ্য আছে। দুয়ো খ্যাতিমান সাহিত্যিক, দুয়ো বিখ্যাত আলোচনীৰ সম্পাদক, দুয়োৰে চিত্ৰ নিৰ্মাণৰ আনুষ্ঠানিক প্ৰশিক্ষণ নাই, দুয়ো অইন বহুকামত ব্যস্ত থাকে আৰু মাজে-সময়েহে ছবি নিৰ্মাণ কৰে। দুয়ো কম ছবি কৰিছে, আঞ্চলিক ভাষাতেই কৰিছে আৰু দুয়ো দ্ৰুত গতিত ওপৰলৈ উঠি গৈ আছে। এই দৃশ্য আদুৰৰ সহ্য নোহোৱাই স্বাভাৱিক। কাৰণ, পুনাৰ প্ৰশিক্ষণ থকা, ছবিৰ লগতেই সদায় জৰিত থকা আদুৰৰ ভয়ৰ কাৰণ হৈ উঠিব আনুষ্ঠানিক প্ৰশিক্ষণহীন, চখৰ চিত্ৰ নিৰ্মাতা দুজন – এইভাবে নিশ্চয় আদুৰৰ মনত ক্ৰিয়া কৰিছিল। বাংগালোৰত হৈ যোৱা চলচ্চিত্ৰ মহোৎসৱত ইণ্ডিয়ান পেনোৰামাত যিসকলে ছবি দুখন চাইছিল, প্ৰত্যেকেই কৈছে ছবি দুখনৰ আবেদনৰ কথা। এইবাৰৰ পুৰস্কাৰৰ ফলাফল দেখি 'অসমীয়া ভাব'ত উদ্বুদ্ধ হৈ তেওঁলোকে আনন্দ পাইছে সঁচা কিন্তু ভাল ছবিক কৰা প্ৰবঞ্চনা দেখি সকলোৱে হতবাক হৈ পৰিছে।

## ঘন ক'লা আৰু শক্তিশালী বনাম আন পাতল আৰু বগা জীৱাণুনাশকতকৈ




## বেংগল কেমিকেলৰ ফেনলেৰে পৰিষ্কাৰ ৰাখক

প্ৰতি টোপাল বেংগল কেমিকেলৰ চাকি মাৰ্কা ফেনল পৰিষ্কাৰ ৰখাত আনতকৈ বেলেগ। ১০০% ভাগেই জীৱাণুনাশক, পৰিষ্কাৰ আৰু স্বাস্থ্যসম্মত। ইয়াৰ শক্তি আৰু কৰ্মক্ষমতা ইমান বেছি যে আন যি কোনো বগা পানীয়া পৰিষ্কাৰক ইয়াৰ সমকক্ষ হব নোৱাৰে!

আপোনাৰ আচল নিৰ্বাচন ঃ চাকি মাৰ্কা ফেনল। এবটল চাকি মাৰ্কা ফেনলেৰে ৫০ বটল শক্তিশালী, গাঢ় আৰু কম দামৰ ঘৰতে আচল বগা ফেনল তৈয়াৰ কৰিব পাৰে। চাকি মাৰ্কাই দামৰ অবিহনে উচিত বস্তু দিব। ফেনল বুলিলে উৎকৃষ্ট মানৰ এয়েই।

**চাকি মাৰ্কা ফেনল কিনক পৰীক্ষিত, নিৰ্ভৰযোগ্য আৰু খাঁটি।**

BC PL

**বেংগল কেমিকেলছ এণ্ড ফাৰ্মাচিউটিকেলছ লিমিটেড**
( ভাৰত চৰকাৰৰ উদ্যোগ )
৬, গণেশ চন্দ্ৰ এভিনিউ, কলিকতা ৭০০ ০১৩

ISI বি আই এছ চাৰ্টিফিকেটপ্ৰাপ্ত ফেনল

ASP BCP 3-89 ASM



প্ৰাত্যহিক

# ধৃতৰাষ্ট্ৰ-গান্ধাৰী

গৰিমা হাজৰিকা

মহাভাৰত যে এখন মহাকাব্য তাক সকলোৱেই জানে। কথাতে কয় "যাহা নাই 'ভাবতে' তাহা নাই ভাবতে"। কিন্তু এটা কথা ভাবি ভাবি পাৰ পোৱা নাই যে এনে এখন মহাকাব্যত ধৃতৰাষ্ট্ৰৰ দৰে মহান ব্যক্তি এজনক কিয় অন্ধ কৰিলে? ৰজা বাৰু কিবা কাৰণত অন্ধ হ'ল– কিন্তু তেওঁৰ পত্নী গান্ধাৰী? ৰূপৱতী, গুণৱতী, বুদ্ধিমতী নাৰী এগৰাকীয়ে কথা নাই, বতৰা নাই স্বামীৰ অন্ধত্ব দেখি, চকুৰে দেখা সত্বেও ল'লে চকুত কাপোৰ বান্ধি। এইটো বাৰু কি ধৰণৰ কথা। অৱশ্যে ৰাণী গান্ধাৰীৰ কথা বেলেগ, তেওঁ চকুত কাপোৰ বান্ধি পতিব্ৰতা নাৰী হৈ একো নকৰি বহি থাকিলেও কোনো ক্ষতি নাছিল। সহস্ৰ লিগিৰী–খুওৱাই খুৱাব, পিন্ধোৱাই পিন্ধাব, ৰন্ধাই ৰান্ধিব– সকলো কাম নিয়মমতে হৈ গৈ থাকিব। চাবৰ দৰকাৰ নাই। তেওঁ কেৱল সাজি-কাচি ধৃতৰাষ্ট্ৰৰ লগ দিলেই হ'ল। কিন্তু আমাৰ নিচিনা সৰ্বসাধাৰণ গৃহিণীৰ কাৰণে জানো তেনে পতিব্ৰতা পত্নী হোৱাটো সম্ভৱ? ধৰি লওক কিবা পৰিস্থিতিত পৰি বা গান্ধাৰীক নকল কৰিয়েই হওক গৃহিণী গৰাকীয়ে যদি চকুত কাপোৰ বান্ধি বহি থাকে– সংসাৰখনৰ অৱস্থা কি হব ভাবকচোন? গৃহিণী মৰিলে অৱশ্যে কথা বেলেগ– যেনে তেনে ঘৰখন চলি যাব। ঘৰত ছোৱালী থাকিলে তাইৰ মূৰত সংসাৰৰ বোজা পৰিব। পাৰিলে গৃহস্বামীয়ে আকৌ বিয়া কৰাব। কিন্তু গৃহিণী জীয়াই থকা অৱস্থাত অন্ধ স্বামীৰ দুখত দুখী হৈ যদিওবা চকুত কাপোৰ বান্ধে– তেতিয়া গান্ধাৰীৰ দৰে স্বামীৰ ওচৰত বহি থকা দূৰৈৰ কথা খপিয়াই খপিয়াই হ'লেও সংসাৰৰ কামবোৰ কৰাৰ উপৰিও ল'ৰা-ছোৱালীৰ এশ এটা প্ৰবলেম' চল্‌ভ' কৰা।

আচল কথা সেইটো নহয়। মই ভাবি ভাবি পাইছো– মহাভাৰতৰ নিচিনা ইমান ডাঙৰ গ্ৰন্থ এখনৰ ৰজা-ৰাণীক ব্যাসদেৱে এনেয়ে অন্ধ কৰি ৰখা নাই, ইয়াৰ কিবা কাৰণ আছে। নিশ্চয় আছে। ভাৰতবৰ্ষৰ সকলো বাপেক-মাকৰ প্ৰতীক হিচাপে ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীক অঙ্কিত কৰিছে। পিতৃ-মাতৃৰ স্নেহ অন্ধ।

নহ'লেনো এই হেন দুশ্চৰিত্ৰৰ দুৰ্যোধন আৰু দুঃশাসনৰ দোষ নেদেখেনে? কোনো বাপেক-মাকৰ নিজৰ ল'ৰা-ছোৱালী কেতিয়াও কোনো কথাত বেয়া হবই নোৱাৰে। ই নীতি বিৰুদ্ধ কথা।

বেয়া হ'ল আনৰ ল'ৰা-ছোৱালী। মদাহী, ফটুৱা, মুখচোকা, চৰিত্ৰ বেয়া, পঢ়া-শুনাত গোল্লা, মাক-দেউতাকৰ কথা নুশুনা আদি যত মানে বেয়া গুণৰ অধিকাৰী হ'ল আনৰ ল'ৰা-ছোৱালী। এক শ্ৰেণীৰ বাপেক-মাক আছে তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীৰ দোষবোৰৰ কথা জানে আৰু আনৰ আগত দুই এটা দোষৰ কথা নোকোৱাকৈয়ো নেথাকে– কিন্তু ওচৰ চুবুৰীয়া, আত্মীয় স্বজন, শুভাকাংক্ষীয়ে যদি দোষ আঙুলিয়াই দেখুৱাই হ'লেই নহয় শীতলযুদ্ধ। মাকবোৰ একেবাৰে গান্ধাৰী, দেখিও নেদেখে। পাৰিলে ল'ৰা-ছোৱালীৰ বেয়া কথাবোৰ দেউতাককো নজনাই থাপি-থুপি ৰাখিব পাৰিলেই যেন শান্তি। বাপেক-মাকসকলে ভাবে ল'ৰা-ছোৱালী বেয়া হয় সঙ্গদোষত। এতিয়া কোন কাৰ সঙ্গদোষত গোল্লাই যায় সেইটো ভাবিব লগীয়া কথা। কাৰণ প্ৰত্যেক ল'ৰা-ছোৱালীৰ বাপেক-মাকে একে ধৰণেই ভাবে। আজিকালি আকৌ বেছি ভাগ বাপেক-মাকে বিশেষকৈ মাকবোৰে নিজৰ ল'ৰা-ছোৱালীৰ কথা ভাবোতে ভাবোতে আধা জীৱন শেষ হয়। ল'ৰা-ছোৱালীয়ে কি ভাল পাই কি বেয়া পাই, খং উঠিছে নেকি? ব'ৰ হৈছে নেকি? কি খাব কি নেখাব, কি পিন্ধিবলৈ বিচাৰিছে, কি শিকিব খুজিছে– এনে ধৰণৰ কথা চিন্তা কৰাৰ ফলত ল'ৰা-ছোৱালীয়ে সৰুৰ পৰা এটা ৰূপ লয়। সেই ৰূপটো হ'ল স্বাৰ্থপৰ ৰূপ। এই ৰূপটোৰ কাৰণেই ল'ৰা-ছোৱালী ডাঙৰ হোৱাৰ পাছত মাক-বাপেকে ওলোটাহ তাহাঁতৰ মুখৰ পৰা শুনিব লগীয়া হয়– তহঁতে আমাৰ কাৰণে কি কৰিলি, কথা ক'ব নেজান, গাঁৱলীয়া, এইটো কৰ, এইটো নকৰিবি, এইটো পিন্ধ, তাৰৈ নেযাবি, মোৰ কথাত একো নেমাতিবি, লেঙ্গাৰেই সাৰ, মই তালৈ গ'লে কি হব, মই যাৰ লগতেই ফুৰো মোৰ কথা ইত্যাদি চোকা চোকা কথাই বাপেক-মাকক যথেষ্ট মনত আঘাত দিয়ে কিন্তু মাত মাতিব নোৱাৰে কি কৰিব। যিটো ধৰণে ল'ৰা-ছোৱালী ডাঙৰ কৰিলে তাৰ ফল ভোগ কৰিবই লাগিব। এইবোৰ কিয় হৈছে? অতি মৰমৰ ফল নেকি? নেখাই খুওৱা, নিপিন্ধি পিন্ধোৱা, যি খাব বুলি কয় ধাৰ কৰি হ'লেও আনি ল'ৰা-ছোৱালীক সন্তুষ্ট ৰখা। হে ধৃতৰাষ্ট্ৰ-গান্ধাৰী ৰূপী পিতৃ-মাতৃ চকু মেলি চোৱা। অন্ধ মৰমে কেৱল যে স্বাৰ্থপৰহে কৰে সেইটো নহয়। ল'ৰা-ছোৱালীৰ কাৰণে অতি হানিকাৰক মহামাৰী। উঠি অহা এচাম ল'ৰা-ছোৱালীক এই মহামাৰীয়ে এলেহুৱা, অকৰ্মণ্য, নিজৰ ভৰা শক্তি নোহোৱা, লেন ধৰি থকা এটা বস্তুত পৰিণত কৰিব। ল'ৰা-ছোৱালীক মৰম কৰিব লাগে– যথেষ্ট মৰম দিব লাগে- কিন্তু অন্ধ মৰম নহয়। ল'ৰা-ছোৱালীৰ দোষবোৰ দেখিলে আনক দোষ দি লাভ নাই। আত্মীয়-স্বজন, শুভাকাংক্ষীয়ে ল'ৰা-ছোৱালীৰ দোষ আঙুলিয়াই দেখুৱালে মাক-বাপেকে দোষৰ সত্যাসত্য বিচাৰ নকৰি অযথা ল'ৰা-ছোৱালীৰ পক্ষ লৈ শীতল তৰ্ক কৰা উচিত নহয়। আত্মীয়-স্বজন শুভাকাংক্ষীৰ যদি মৰম কৰাৰ অধিকাৰ আছে তেনেকৈ দোষ দেখিলে আঙুলিয়াই দিয়া বা ধমক দিয়াৰো অধিকাৰ আছে। ল'ৰা-ছোৱালীৰ দোষৰ সত্যতা বিচাৰ কৰি আনক দুষিব। আত্মবিশ্লেষণ বৰ ডাঙৰ কথা সহজে কোনেও নোৱাৰে। বিশেষকৈ বাপেক-মাকে ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত। গান্ধাৰী-ধৃতৰাষ্ট্ৰ বেলেগে নাই আমি মাক-বাপেকবোৰেই।



OKDISCO

# তুমি কোৱাচোন, 'কমল' মানে কি ? চাৰ, কমল মানে– "দৌৰি থকা ঘোঁৰা"

ড°. ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

*(১৯৬১ চনৰ গুৱাহাটীৰ এখন প্ৰাথমিক বিদ্যালয়ত স্কুল ইনচ্‌পেক্টৰ)*

ইনচ্‌পেক্টৰ : তোমাৰ নাম কি ?

ছাত্ৰ : ঈৰাৱতী –

ইনচ্‌পেক্টৰ : বৰ সুন্দৰ নাম; এই নামটো তোমাক কোনে দিলে ?

ছাত্ৰ : দেউতাই চাৰ –

ইনচ্‌পেক্টৰ : বেচ ভাল কথা। এতিয়া মই তোমালোকৰ সাহিত্যৰ জ্ঞান কিমান পৰীক্ষা কৰিম। ডাঙৰ হ'লে তোমালোকে বুজিবা যে সাহিত্যই হৈছে আচল বস্তু। যি জাতিৰ সাহিত্য চহকী আমি সেই দেশক সংস্কৃতিবান জাতি বুলি স্বীকাৰ কৰো। যেনে ধৰা ফৰাচী ভাষা বৰ চহকী; ইংৰাজীতকৈও এই ভাষা সুঁৱলা। গতিকে তোমালোকেও সাহিত্যত ভাল বুলি মই আশা ৰাখিছো – কোৱা, ভাল হব পাৰিবানে ?

ছাত্ৰ : পাৰিম চাৰ –

ইনচ্‌পেক্টৰ : তেনেহ'লে তুমি কোৱাচোন, 'কমল' শব্দৰ অৰ্থ কি ? ক-ম-ল। কমল। মাত্ৰ তিনিটা আখৰ মিলি এটা শব্দ –

ছাত্ৰ : (মূৰ খজুৱাই বহি থকা সমনীয়াবোৰলৈ চাই)

প্ৰধান শিক্ষক : (খঙেৰে তাঁলৈ চালে)

ছাত্ৰ : (প্ৰধান শিক্ষকৰ ৰঙা চকু দেখি ভয়তে তলমূৰ কৰিলে)

প্ৰধান শিক্ষক : (ভয়ে ভয়ে ইনচ্‌পেক্টৰৰ ফালে চালে)

ইনচ্‌পেক্টৰ : কোৱা, থিয় হৈ থাকিলা যে ? নোকোৱা কিয় ?

ছাত্ৰ : (আতালৰ ফালে চাই মূৰ খজুৱাই)

ইনচ্‌পেক্টৰ : বুজিছো, তুমি নাজানা। থিয় হৈ থাকা। তুমি কোৱাচোন, তুমি, তুমি। কি নাম তোমাৰ ?

ছাত্ৰ : ধীৰাজ চাৰ, –

ইনচ্‌পেক্টৰ : নোৱৰা ?

ছাত্ৰ : (মূৰ খজুৱাই)

ইনচ্‌পেক্টৰ : বুজিছো, থিয় হৈ থাকা। তুমি ? তোমাৰ নাম কি ?

ছাত্ৰ : খগেন চাৰ –

ইনচ্‌পেক্টৰ : পাৰিবানে নোৱৰা ?

ছাত্ৰ : কি চাৰ ?

ইনচ্‌পেক্টৰ : কমল শব্দৰ অৰ্থ কি ?

ছাত্ৰ : ক-ম-ল ক-ম-ল- (মূৰ খজুৱাই)

(স্কুলৰ পিছফালে এটা পুখুৰী আছিল আৰু পুখুৰীত পদুম ফুল আছিল। প্ৰধান শিক্ষকে লাজ পাই ভাবিলে তেওঁ যদি ইনচ্‌পেক্টৰৰ পিছফালে থিয় হৈ পুখুৰীৰ ফালে আঙুলিয়াই দিব পাৰে, হয়তো তেতিয়া ছাত্ৰই কমল শব্দৰ অৰ্থ নিমিষতে কৈ দিবও পাৰে। সেয়ে প্ৰধান শিক্ষকে চেগ বুজি ইনচ্‌পেক্টৰৰ পিছফালে থিয় হ'ল আৰু নেদেখাকৈ দূৰৈৰ পুখুৰীটোৰ ফালে আঙুলিয়াই দিলে। খিড়িকিৰে সকলোৱে দেখা পালে পুখুৰীটো)

ইনচ্‌পেক্টৰ : কি হ'ল, মনে মনে থাকিলা যে ?

ছাত্ৰ : কমল মানে 'পুখুৰী' চাৰ –

ইনচ্‌পেক্টৰ : হোপলেচ্ – তুমি,

চতুৰ্থ ছাত্ৰ : (পুখুৰীৰ পাৰত বগলী এটাই অহা-যোৱা কৰি আছে) মূৰ খজুৱাই।

ইনচ্‌পেক্টৰ : পাৰিবানে নাই ?

চতুৰ্থ ছাত্ৰ : কমল মানে 'বগলী' চাৰ –

ইনচ্‌পেক্টৰ : ননচেন্স্, তুমি –

পঞ্চম ছাত্ৰ : কমল মানে 'পুখুৰীৰ পানী' চাৰ –

ইনচ্‌পেক্টৰ : ইদিয়ত, তুমি ?

(প্ৰধান শিক্ষক বৰ লজ্জিত হ'ল)

ষষ্ঠ ছাত্ৰ : (নীৰৱ)

ইনচ্‌পেক্টৰ : তুমি –

(থিক এই সময়তে দেখা গ'ল এটা ঘোঁৰাই দূৰৈৰ পৰা ঘাঁহ খাই খাই আহি পুখুৰীৰ পাৰ পালেহি)

ষষ্ঠ ছাত্ৰ : (উৎসাহিত হৈ) কমল মানে 'ঘাঁহ খাই থকা ঘোঁৰা' চাৰ –

ইনচ্‌পেক্টৰ : বুৰ্বক –

(শিক্ষক মৰ্মাহত হ'ল)


মূৰ্খৰে গোটেই শ্ৰেণীটো ঠাহ খাই আছে। তুমি ? পাৰিবানে ?

সপ্তম ছাত্ৰ : (নীৰৱ)

(এনেতে দেখা গ'ল ঘোঁৰাটোৰ মালিক সেইফালে আহিব লাগিছে। মালিক গাড়োৱানজনে ঘোঁৰাটোক ধৰিবলৈ বাৰে বাৰে চেষ্টা কৰিছে। কিন্তু ধৰিব পৰা নাই। গাড়োৱানে এইবাৰ শিলগুটি এটা বুটলি ললে। ঘোঁৰাটোৱে ভয় খাই একেজাপে স্কুলঘৰৰ জেওৰা পাৰ হৈ শ্ৰেণীটোৰ কাষেৰে ক্লপ্ ক্লপ্ শব্দ কৰি দৌৰি গুচি গ'ল)।

ইনচ্‌পেক্টৰ : তুমি –

অষ্টম ছাত্ৰ : কমল মানে 'ভয় খাই দৌৰি যোৱা ঘোঁৰা' চাৰ –



---

অহাসংখ্যাৰ এক পৃষ্ঠাৰ বিষয় 'অশ্বডিম্ব' বা ঘোঁৰাৰ ডিমা'






OLD ISCD